# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Pareekhit Hajorika | |
| Title: অসমৰ সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sahaitya Sabhaa Patiraikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha. | |
| Place of Publication: Jorhat. | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1979 | Edition: |
| Size: 23 1/2 cms. 8+90+8+3+7+96+4+8+129+11+78 pages | Genre: Magazine |
| Volumes: 36 - 4 issues | Condition of the original: Good. |
| Remarks: [illegible]. 1s. vol. published in the year 1927 and has been contiuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|
| | | |

অসম সাহিত্য সভা পত্ৰিকা

উপেন্দ্ৰচন্দ্ৰ লেখাৰু সোঁৱৰণী সংখ্যা

২৪৮১-৮৪/অ:

অষ্টত্ৰিংশ বছৰ [illegible] দ্বিতীয় সংখ্যা

# অসম সাহিত্য সভা পত্ৰিকা

সম্পাদক :
ড° পৰীক্ষিত হাজৰিকা

# অসম সাহিত্য সভা পত্ৰিকা

ষট্‌ত্ৰিংশ বছৰ : দ্বিতীয় সংখ্যা

উপেন্দ্ৰচন্দ্ৰ লেখাৰু সোঁৱৰণী সংখ্যা

সম্পাদক

ড০ পৰীক্ষিত হাজৰিকা

অসম সাহিত্য সভা পত্ৰিকা
ষট্‌ত্ৰিংশ বছৰ
দ্বিতীয় সংখ্যা
জুন-জুলাই-আগষ্ট, ১৯৭৯

সম্পাদক
ড° পৰীক্ষিত হাজৰিকা
ৰেড ক্ৰছ ৰোড,
ডিব্ৰুগড়

প্ৰকাশক
শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

মূল্য
তিনি টকা

ছপাশাল
ভাৰতী প্ৰেছ
যোৰহাট-১

# উপেন্দ্ৰচন্দ্ৰ লেখাৰু



সভাপতি সপ্তত্ৰিংশ
ধিং অধিবেশন
১৯৭০ খ্ৰীষ্টাব্দ
জন্ম : জানুৱাৰী ১৩, ১৯০৫ খ্ৰী°
মৃত্যু : জুন ৩, ১৯৭৯ খ্ৰী°

# অসম সাহিত্য সভা পত্ৰিকা

ষট্‌ত্ৰিংশ বছৰ : দ্বিতীয় সংখ্যা

এই সংখ্যাত আছে :

সম্পাদকীয় ॥ ক ॥ ১ ॥

উপেন্দ্ৰচন্দ্ৰ লেখাৰু ॥ শ্ৰীনন্দ তালুকদাৰ ॥ ১ ॥ শিক্ষাবিদ আৰু সাহিত্যিক অধ্যাপক লেখাৰু ॥ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ॥ ৮ ॥ গৱেষণা পৰিচালক হিচাপে অধ্যাপক লেখাৰু ॥ ড° সদানন্দ বেজবৰুৱা ॥ ৯ ॥ ভাৰতীয় পৃষ্ঠভূমিত অসমৰ বৈষ্ণৱ সংগীত ॥ ড° কেশৱানন্দদেৱ গোস্বামী ॥ ১২ ॥ ভাৰতীয় আৰ্য নদী আৰু স্থানবাচক নামত চীন-তীব্বতীয় উপাদান ॥ ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য ॥ ১৮ ॥ হেমচন্দ্ৰ বৰুৱা আৰু অসমীয়া জোঁটনি ॥ শ্ৰীহিতেশ্বৰ হাজৰিকা ॥ ২২ ॥ ছিলেট আৰু কাছাৰৰ কথিত বাংলা ভাষাত অসমীয়া ভাষাৰ স্বাক্ষৰ ॥ শ্ৰীনলিনীন্দ্ৰ কুমাৰ বৰ্মণ ॥ ৩০ ॥ কালিকা পুৰাণ আৰু প্ৰাচীন অসম ভৌগোলিক বিৱৰণ ॥ শ্ৰীবিষ্ণুনাৰায়ণ শাস্ত্ৰী ॥ ৩৩ ॥ শংকৰদেৱৰ 'হৰমোহন' আৰু তুলসীদাসৰ 'নাৰদমোহন'ৰ ৰূপায়ণ-বৈশিষ্ট্য ॥ শ্ৰীনৰেন্দ্ৰনাথ বৰদলৈ ॥ ৪০ ॥ মাধৱদেৱৰ ৰচনাত কালিদাসী প্ৰভাৱ ॥ শ্ৰীমতী কেশদা মহন্ত ॥ ৫০ ॥ ৰাভাসকলৰ লোক-গীতত প্ৰণয়-গোন্ধ ॥ শ্ৰীৰাজেন ৰাভা ॥ ৫৬ ॥ আখৰ জোঁটনি উপসমিতিৰ প্ৰতিবেদন ॥ ৬৩ ॥ পুথি-পৰিচয় ॥ ৬৭ ॥ পঢ়ুৱৈৰ মতামত ॥ ৮০ ॥ অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ॥ ৮৪ ॥

# অসম সাহিত্য সভা পত্ৰিকাৰ

## *নিয়মাৱলী*

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক মৌলিক চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে যাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনিমাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'ড° পৰীক্ষিত হাজৰিকা, বেড ক্ৰছ ৰোড, ডিব্ৰুগড়' এই ঠিকনাত পঠাব লাগিব। সমালোচনাৰবাবে পঠোৱা গ্ৰন্থৰ প্ৰতিখনৰ দুখনকৈ পঠালেহে সমালোচনা প্ৰকাশ কৰাৰ সুবিধা হয়।

৫। পত্ৰিকাৰ বৰঙণি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১, এই ঠিকনাত পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙণি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰপৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখাসভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেন্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মণিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

**পত্ৰিকা সম্পাদনা সমিতি**

১। শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, সভাপতি, অসম সাহিত্য সভা

২। শ্ৰীলীলা গগৈ, প্ৰধান সম্পাদক, অসম সাহিত্য সভা

৩। শ্ৰীনগেন শইকীয়া, সদস্য

৪। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, সদস্য

৫। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, সদস্য

৬। শ্ৰীডিম্বেশ্বৰ চলিহা, সদস্য

৭। ড° পৰীক্ষিত হাজৰিকা, সম্পাদক

সম্পাদকীয়

**উপেন্দ্ৰচন্দ্ৰ লেখাৰু**

অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰু বাহিৰে-ভিতৰে এজন আদৰ্শ শিক্ষক আছিল। পিন্ধন-উৰণ, কথা-বতৰা, আচাৰ-ব্যৱহাৰ, কাম-কাজ, চিন্তা-চৰ্চা আদি ব্যক্তিগত আৰু সামূহিক দিশত লেখাৰু এজন অকৃত্ৰিম আদৰ্শ শিক্ষকৰূপে সমাজত পৰিগণিত হৈছিল। সকলোৰে প্ৰতি অমায়িক ব্যৱহাৰ, বিপদাপন্নক অভয়দান, শিক্ষানুৰাগীক প্ৰেৰণা প্ৰদান তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য। সদায় অনাড়ম্বৰ, মিষ্টভাষী আৰু সাধু প্ৰকৃতিৰ ব্যক্তিগৰাকীৰ ধৈৰ্য, ত্যাগ, সহিষ্ণুতা আৰু কৰ্মোদ্যম কম নাছিল। অথচ লেখাৰু আৰু তেওঁৰ পৈতৃক পৰিয়ালটি মুঠেও চহকী নাছিল; আৰ্থিক অনাটন আৰু শাৰীৰিক দুখ-কষ্ট সততে ভুগিছিল; তথাপি তেওঁৰ মন সদায় প্ৰফুল্ল হৈ আছিল। কেতিয়াও মান-যশ, প্ৰশংসা-পদৱীৰ প্ৰতি লালায়িত নোহোৱা লেখাৰুৱে গীতাৰ 'কৰ্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন' বাণীটি বাক্যকৈয়ে খাটিছিল। এনেকুৱা বিশিষ্ট গুণৰ অধিকাৰী হোৱাৰ উৎস কি? নিকট উৎস বিচাৰিলে আমি লেখাৰুৰ ঘৰুৱা আৰু সামাজিক পৰিবেশ, শিক্ষা আৰু কৰ্মধাৰাৰ প্ৰভাৱ বিচাৰ কৰি চাব লাগিব।

উত্তৰ গুৱাহাটী। ব্ৰহ্মপুত্ৰৰ ঠিক উত্তৰ পাৰত গুৱাহাটীৰ মুখামুখিকৈ অৱস্থিত প্ৰকৃতিৰ ৰম্য কানন—ইতিহাস আৰু ধৰ্মীয় সংস্কৃতিৰে ঐতিহ্যমণ্ডিত এখনি সৰু চহৰ। ইয়াৰ পশ্চিম আৰু উত্তৰ দিশৰ সৰু-বৰ পাহাৰে যেনেকৈ চহৰখন সেউজবুলীয়া কৰি ৰাখিছে, তেনেকৈ দক্ষিণ আৰু পূব দিশৰ নদী-উপনদী দুখনে ইয়াক বিধৌত কৰি আহিছে। তদুপৰি ইয়াত থকা মণিকৰ্ণেশ্বৰ, শিৱলিংগ, দীৰ্ঘেশ্বৰী মন্দিৰ, অশ্বক্লান্ত মন্দিৰ আৰু কন্দ্ৰেশ্বৰ দেৱালয়ে ঠাইখনৰ ধৰ্মীয় ঐতিহ্য দাঙি ধৰিছে। প্ৰাক্ আহোম আৰু আহোম ৰজাদিনীয়া কীৰ্তি-চিন কেবাটিও আছে। কানাই-বৰশী বোৱা শিলৰ-তুৰুষ্ক-ক্ষয়ৰ ফলি (১১২৭ শক), চন্দ্ৰভাৰতী মণ্ডপৰ শিলৰ ফলি (১৬ শতিকা), বাহগড়ীয়া বুঢ়াগোহাঁইৰ ৰণ-জয়ৰ শিলৰ ফলি (১৫৮৯ শক), অশ্বক্লান্ত দেৱালয়ৰ শিলৰ ফলি (১৬৪২ শক), ৰংমহলৰ গড়খাৰৈৰ শিলৰ ফলি (১৬৫৪ শক), দীৰ্ঘেশ্বৰী মন্দিৰৰ শিলৰ ফলি (১৬৫৭ শক), কন্দ্ৰেশ্বৰ দেৱালয়ৰ শিলৰ ফলি (১৬৭১ শক), মণিকৰ্ণেশ্বৰ দেৱালয়ৰ শিলৰ ফলি (১৬৭৭ শক) প্ৰভৃতি পুৰাতাত্ত্বিক সমলবোৰে অঞ্চলটোৰ ঐতিহাসিক মূল্য বঢ়াইছে। এই উত্তৰ গুৱাহাটীয়েই অসমৰ সৰ্বপ্ৰথম একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ তথা বুৰঞ্জীবিদ হৰকান্ত বৰুৱা সদৰামীন, অসমৰ প্ৰথম চিভিলিয়ান তথা বিশ্ববিখ্যাত পণ্ডিত

আনন্দৰাম বৰুৱা আৰু অসম মাতৃৰ সুসন্তান কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ জন্মস্থান। সমগ্ৰ অসমৰ প্ৰগতিত ঠাইখনিৰ বৰঙনি লেখত ল'বলগীয়া।

এনে এখন ঐতিহ্যপূৰ্ণ ঠাইতেই ১৯০৫ চনৰ ১৬ জানুৱাৰীৰ দিনা উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ জন্ম হয়। তেওঁৰ পিতৃ নন্দৰাম লেখাৰু আৰু মাতৃ সোণপাহী বৰ ধৰ্মভীৰু আছিল; তেওঁলোকে নিজৰ গোসাঁই ঘৰত পুৱা-গধূলি ভাগৱত পাঠ কৰিছিল। সৰুতেই পৰিয়ালৰ ধৰ্মীয় প্ৰভাৱ উপেন লেখাৰুৰ গাত পৰিছিল।

১৯১৮ চনত উত্তৰ গুৱাহাটীৰ মাইনৰ স্কুলৰপৰা এম.ই পাছ কৰি লেখাৰু গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত ভৰ্তি হয় আৰু তাৰেপৰা ১৯২২ চনত সংস্কৃত লেটাৰ লৈ প্ৰথম বিভাগত প্ৰৱেশিকা পাছ কৰে আৰু কটন কলেজত সেই চনৰে জুলাই মাহৰ তৃতীয় সপ্তাহত নাম লিখে। আই.এ মহলাত তেওঁ বুৰঞ্জী, সংস্কৃত আৰু তৰ্কবিজ্ঞান লয়; ইংৰাজী আৰু অসমীয়া বাধ্যতামূলক বিষয়। ১৯২৪ চনত আই.এ পৰীক্ষাতো তেওঁ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯২৬ চনত লেখাৰুৱে কটন কলেজৰপৰাই দৰ্শন বিষয়ত অনাৰ্চ লৈ দ্বিতীয় শ্ৰেণীৰ নৱম স্থান অধিকাৰ কৰি বি.এ ডিগ্ৰী লাভ কৰে। তেওঁৰ সহপাঠী হৰেন্দ্ৰনাথ ডেকাই দৰ্শনৰ অনাৰ্চত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পায়; সেই একে বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান পায় কেশৱচন্দ্ৰ শৰ্মাই আৰু ষষ্ঠ স্থান পায় যোগেশ্বৰ বৰাই; সেই বছৰত কটন কলেজৰপৰা দৰ্শনত অনাৰ্চ পোৱা এই চাৰিজনেই ছাত্ৰ। লেখাৰুৰ সাহিত্যিক বন্ধু ডিম্বেশ্বৰ নেওগ আৰু কেশৱনাৰায়ণ দত্তয়ো একে বছৰতে বি.এ পাছ কৰে।

বি.এ পাছ কৰি লেখাৰুৱে আধুনিক ভাৰতীয় ভাষাত এম.এ ডিগ্ৰী লয়। তাৰে কেইবা-বছৰো পাছত গুৱাহাটীৰ আৰ্ল ল কলেজৰপৰা বি.এল পৰীক্ষাতো উত্তীৰ্ণ হয়। ১৯৩৬ চনৰ ভিতৰত তেওঁ কেইমাহমান ওকালতিও কৰে; কিন্তু তাত তেওঁৰ মন নবহিল। মোকৰ্দমাত ফাঁকি-ফুকা দিয়া তেওঁ সমূলি ভাল নাপাইছিল। পিছত ১৯৪০ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰপৰা প্ৰাইভেটকৈ অসমীয়াত এম.এ পাছ কৰিলে।

বি.এল ডিগ্ৰী লোৱাৰ আগতে তেওঁ উত্তৰ গুৱাহাটীৰ আউনীআটি কমলদেৱ হাইস্কুলত শিক্ষকতা কৰে। সেই সময়তে তেওঁৰ যত্নত উত্তৰ গুৱাহাটীত 'আনন্দ সমিতি' স্থাপিত হয়। ১৯৩১ চনত লেখাৰুৱে 'আনন্দৰাম বৰুৱা পুথিভঁৰাল' প্ৰতিষ্ঠা কৰে। এই পুথি-ভঁৰালৰ বাবে তেওঁ অনেক ঠাইৰপৰা নানা কষ্ট কৰি অসংখ্য পুথি গোটাইছিল। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে পুথিভঁৰালৰ মাটিখিনি দান দিছিল; যোগেন্দ্ৰনাথ বৰুৱা এম.এ, বি.এল ডাঙৰীয়াই ৮০০ কিতাপ আৰু অসংখ্য পুৰণি অসমীয়া আলোচনীৰ যোগান ধৰিছিল। এবাৰ কামৰূপৰ ডেপুটি কমিছনাৰ লেইনী চাহাবে এই পুথিভঁৰালটি দেখি লেখাৰুৰ উচ্চ প্ৰশংসা কৰিছিল আৰু তেওঁৰ অফিচত থকা প্ৰচুৰ পুথি-পাঁজি, নথি-পত্ৰ দান দিছিল;



লেখাৰুৱে সেইবোৰ এখন নাৱত বোজাই দি নি আনন্দৰাম বৰুৱা পুথিভঁৰালটি চহকী কৰিছিল। ১৯৩৩ চনতে সেই পুথিভঁৰালৰ অকল ছপা পুথিৰ সংখ্যাই আছিল ২৮০০। ইয়াৰ উপৰিও সাঁচপতীয়া পুথি, আলোচনী আদি আছিলেই। এই প্ৰসংগত লেখাৰুৰ কৰ্মকুশলতা আৰু উদ্যম সম্পৰ্কে ১৯৩৩ চনৰ ৩য় সংখ্যা 'কটনিয়ান'ত সম্পাদকে মন্তব্য কৰিছিল—'We have heard of the Anundoram Borooah Library at North Gauhati, the birth place of the great Sanskrit scholar. It was established in 1931. ……One unique feature of the Anundoram Borooah Library is its collection of old Assamese manuscripts, the most significant of which is the handbook of information relating to the fortifications of Gauhati and Samdhara during the period of Mogul conflicts. The initiation of the Library and the present growth are mainly due to the enterprise and zeal of an Ex-Cottonian, Srijut Upendra Chandra Lekharu, B. A

সম্ভৱ এনেকুৱা কাৰ্যদক্ষতাৰ কাৰণেই পিছত লেখাৰুক কটন কলেজৰ পুথিভঁৰালৰ গ্ৰন্থাগাৰিক হিচাপে নিযুক্তি দিয়া হৈছিল। ১৯৩৮ চনত তেওঁ কটন কলেজৰ অসমীয়া বিভাগত টিউটৰ হিচাপে সোমায়; অসমীয়া বিষয়ত এম.এ পাছ কৰিহে তেওঁ ১৯৪০ চনৰপৰা অধ্যাপক (Lecturer) হয়। তেতিয়াৰপৰা ১৯৫৯ চনৰ ডিচেম্বৰ মাহলৈকে লেখাৰুৱে কটন কলেজত অধ্যাপনা কৰে। ইয়াৰপৰা মুখ্য অধ্যাপক হিচাপে অৱসৰ লৈ ১৯৬০ চনৰ জানুৱাৰী মাহত বৃন্দাবনৰ বৈষ্ণৱ পাৰমাৰ্থিক বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰীশংকৰদেৱ আসনৰ বাবে তেওঁ গৱেষণা পৰিচালক হিচাপে দায়িত্ব গ্ৰহণ কৰে। পিছলৈ এই অনুষ্ঠানটিৰ নামকৰণ কৰা হয় Institute of Oriental Philosophy আৰু অধ্যাপক লেখাৰুৱে তাৰ 'ডীন' হিচাপে কাৰ্যনিৰ্বাহ কৰে। বৃন্দাবনত লেখাৰুৱে অসমৰ কেইবাগৰাকীও ধৰ্মপ্ৰাণ বৈষ্ণৱৰ সহযোগত 'শ্ৰীশ্ৰীশংকৰদেৱ সেৱা সংঘ' প্ৰতিষ্ঠা কৰে আৰু তাৰে তেওঁ সম্পাদক হয়। তাত থকা 'শ্ৰীশ্ৰীশংকৰ মন্দিৰ' নিৰ্মাণতো লেখাৰুৰ অৱদান প্ৰশংসনীয়। অধ্যাপক লেখাৰুৰ তত্ত্বাৱধানত অসমৰ কেইবাগৰাকীও গৱেষকে উক্ত বিশ্ববিদ্যালয়ৰপৰা 'ডক্টৰেট' উপাধি লাভ কৰিছে। লেখাৰু বহু বছৰ কাল অসম সাহিত্য সভাৰপৰা আঁতৰি থাকিলেও অসমৰ এই বৃহত্তম অনুষ্ঠানটিয়ে তেওঁক পাহৰা নাই। গুণীজনৰ মোল বুজি অসম সাহিত্য সভাৰ সংশ্লিষ্ট সাহিত্যানুৰাগীসকলে এওঁক ১৯৭০ চনৰ সপ্তত্ৰিংশতম্ অধিৱেশনৰ সভাপতিৰূপে বৰণ কৰে। ১৯৭৪ চনত অধ্যাপক লেখাৰুৱে অৱসৰ লৈ গুৱাহাটীৰ কেপাভিলাত থাকিবলৈ লয় আৰু ১৯৭৭ চনৰ ৩ জুন তাৰিখে স্বৰ্গাৰোহণ কৰে।

ওপৰৰ কথাখিনিয়েই অধ্যাপক লেখাৰুৰ যথোচিত পৰিচয় দাঙি নধৰে; তেওঁৰ সম্যক পৰিচয়ৰ এটা দিশ নিহিত আছে নিজৰ ৰচনাৱলীত। হাইস্কুলত পঢ়ি থকা অৱস্থাতেই লেখাৰুৰ সাহিত্যৰ প্ৰতি স্পৃহা বাঢ়ে। ১৯২২ চনত তেওঁ স্বামী ব্ৰহ্মানন্দৰ সংগৃহীত

'শ্ৰীশ্ৰীৰামকৃষ্ণ উপদেশ' নামৰ বঙলা পুথিখন অসমীয়ালৈ ভাঙনি কৰি প্ৰকাশ কৰে। কটন কলেজত ভৰ্তি হোৱা সময়ৰপৰা তেওঁৰ সাহিত্যানুৰাগ বেছি হয়। বাঁহী, চেতনা, মিলন, আৱাহন, জয়ন্তী আৰু অসম সাহিত্য সভা পত্ৰিকাত কেইবাটিও প্ৰবন্ধ ওলায়। আলোচনীসমূহৰ ভিতৰত 'আৱাহন'তেই তেওঁৰ বেছি ভাগ প্ৰবন্ধ প্ৰকাশ পাইছে। লেখাকৰ প্ৰকাশিত প্ৰবন্ধৰ ভিতৰত 'আনন্দৰাম লাইব্ৰেৰী', 'পুৰণি পুথি সংগ্ৰহ', 'বুৰঞ্জী বিবেক ৰত্ন', 'অসমীয়া প্ৰাকবৈষ্ণৱ যুগৰ বিষ্ণু আৰু বৈষ্ণৱ', 'মাধৱ কন্দলি ৰামায়ণ', 'অসমীয়া অশ্বমেধ পৰ্ব,' 'শ্ৰীকৃষ্ণ প্ৰয়াণম্ নাম নাটকম্,' 'অসমীয়া মহাভাৰত' প্ৰভৃতি উল্লেখযোগ্য। লেখাকৰে বঙলা ভাষা ভালকৈ ক'ব আৰু লিখিব পাৰিছিল। তাৰে নিদৰ্শন হ'ল শ্ৰীগোবৰ্ধন দাস বাবাজীৰ 'ব্ৰজধাম ও বৈষ্ণৱগণ' গ্ৰন্থত সন্নিবিষ্ট 'মহাপুৰুষ শ্ৰীশংকৰদেবেৰ জীবনী; ধৰ্ম ও সাহিত্য' শীৰ্ষক তেওঁৰ প্ৰবন্ধটি। ইংৰাজী ভাষাৰ মাধ্যমতো অধ্যাপক লেখাকৰে কেইটিমান ভাল প্ৰবন্ধ লিখিছে। ১৯৩৫ চনত অন্নমালাইত অনুষ্ঠিত নিখিল ভাৰত প্ৰাচ্য বিদ্যা সম্মিলনত পাঠ কৰা তেওঁৰ 'Assamese Versions of the Ramayana' শীৰ্ষক গৱেষণামূলক প্ৰবন্ধটিয়ে বহুকেইজন পণ্ডিতৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ড° বাণীকান্ত কাকতিৰদ্বাৰা সম্পাদিত 'Aspects of Early Assamese Literature' (১৯৫৩) গ্ৰন্থত লেখাকৰ 'Assamese Versions of the Ramayana' আৰু 'Assamese Versions of the Mahabharata' শীৰ্ষক দুটি প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। বৃন্দাবনৰ তিনিমহীয়া ইংৰাজী পত্ৰিকা 'The Philosophy and Culture'ত প্ৰকাশিত লেখাকৰ 'Religion in Assam Throughout the Ages,' 'Concept of Jiva according to Sri Sankaradeva,' 'Reminiscences of the Life of Sri Sankaradeva' শীৰ্ষক প্ৰবন্ধই অনা-অসমীয়া পণ্ডিত সমাজক অসম সম্পৰ্কে জানিবলৈ আগ্ৰহান্বিত কৰিব পাৰিছে।

প্ৰবন্ধ-আলোচনাসমূহত বাহিৰেও লেখাকৰ স্বৰচিত, অনুদিত আৰু সম্পাদিত পুথি কেবাখনিও আছে; যেনে—(ক) মৌলিক ৰচনা ১। অসমীয়া সাহিত্য সেৱক ৺ৰজনীকান্ত বৰদলৈ (১৯৩৮), ২। অসমীয়া ৰামায়ণ সাহিত্য (১৯৪৮), ৩। আদৰ্শ ৰচনাৱলী (১৯৪৯), ৪। ত্ৰি অধিবেশনৰ সভাপতিৰ অভিভাষণ (১৯৭০) ৫। লক্ষ্মীনাথ বেজবৰুৱা (১৯৭১, অপ্ৰকাশিত)। (খ) অনুদিত গ্ৰন্থ—৬। শ্ৰীশ্ৰীৰামকৃষ্ণ উপদেশ (১৯২২), ৭। ধৰ্মপদ (১৯৪৭), ৮। এনক আৰ্ডেন (১৯৫৮), ৯। ভক্তি বিবেক : ভট্টদেৱ (১৯৭১) : (গ) সম্পাদিত গ্ৰন্থ আৰু আলোচনী- ১০। কথা-সাহিত্য (১৯৪০), ১১। বিশ্ববিদ্যালয় ৰচনাৱলী (১৯৭১), ১২। কথা-গুৰু চৰিত (১৯৫২) আৰু ১৩। জনশিক্ষা (আলোচনী)। এইবোৰৰ উপৰিও লেখাকৰ হাতেলিখা অৱস্থাত আৰু কেইখনমান পুথি আছে।

উল্লিখিত তথ্যসমূহৰ ভিত্তিত নিসংকোচে ক'ব পাৰি যে উপেন্দ্ৰচন্দ্ৰ লেখাক অসমৰ এজন প্ৰসিদ্ধ ঠাইত জন্মিছিল, তেওঁ এজন মেধাৱী বুদ্ধিৰ ছাত্ৰ আছিল, সীমিত গণ্ডীত ভাল সংগঠন



কৰিব পাৰিছিল, অনুষ্ঠানৰ চাৰিবেৰৰ ভিতৰত এজন আদৰ্শ শিক্ষক আছিল, এজন নীৰৱ সাহিত্য সেৱী আছিল আৰু সান্নিধ্য লাভ কৰা মানুহৰ দৃষ্টিত তেওঁ এজন অনাড়ম্বৰ সাধুলোক আছিল। কিন্তু এই সমস্ত তথ্য এজন ব্যক্তিৰ বাহ্যিক পৰিচয়ৰ উপাদান মাত্ৰ। তেওঁৰ মনৰ পৰিচয় পোৱা যায়— তেওঁৰ কৰ্মত, কৰ্মৰ পৰিণতিত আৰু আদৰ্শত।

আমাৰ সাম্প্ৰতিক সমাজখনত শাসকীয় বা ৰাজনৈতিক ক্ষমতাহীন কোনো মানুহেই 'ডাঙৰ মানুহ' নহয়; টকা-পইচা থকা মানুহবোৰ 'কিছু ডাঙৰ মানুহ'। শিক্ষক, কেৰাণী-মহৰীসকল 'সৰু মানুহ'। পিয়ন-চকিদাৰ বনুৱাবিলাক 'তাতোকৈ সৰু মানুহ'; নিৰক্ষৰ খেতিয়কবোৰতো 'নিকৃষ্ট প্ৰাণী'। সৰলতাপূৰ্ণ পণ্ডিত শ্ৰেণী আজি সমাজ-নৈৰ তুলুঙা নাৱৰ যাত্ৰী; তেওঁলোক 'ডাঙৰ মানুহ' নহয়, 'নিকৃষ্ট প্ৰাণীও' নহয়। আমাৰ বৰ্তমান সামাজিক দৃষ্টিত উপেন লেখাক এজন অৱস্থানশূন্য মাজুলোক। নৈতিক বল আৰু ধৰ্মীয় চিন্তাৰে যিসকল লোকৰ মন পৰিপুষ্ট সেইসকল লোকৰেই এজন হ'ল স্বল্পভাষী লেখাক। 'কৰ্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন' যাৰ আদৰ্শ সেইজন স্বাভাৱিকতেই যশ-মান, ধন-ধান, গৌৰৱ, পদ-খিতাপ আদিৰ প্ৰতি নিস্পৃহ। যিজনৰ মন ত্যাগ-উদাৰতা, শান্তি-সমতা আৰু প্ৰেম-কৰুণাৰে বিধৌত সেইজনেই মানৱ সমাজৰ প্ৰকৃত হিতৈষী পুৰুষ। তেনে অৰ্থত উপেন লেখাক এজন সৎ পুৰুষ আছিল। অসমীয়া সমাজত এনেকুৱা সৎ পুৰুষ নথকা নহয় — আছিল, আৰু আছে; কিন্তু সংখ্যাত অতি নগণ্য।

উপেন্দ্ৰচন্দ্ৰ লেখাক এনে মহৎ গুণৰ অধিকাৰী হ'বলৈ পালে কেনেকৈ? কৈশোৰৰপৰা যৌৱন কাললৈ মন্দিৰ-দেৱালয় পৰিবেষ্টিত কেন্দ্ৰেশ্বৰ গাঁৱত থকা লেখাকৰ ওপৰত ধৰ্মৰ প্ৰভাৱ স্বাভাৱিকতেই পৰিছিল। তদুপৰি পৰিয়ালৰ গোসাঁই ঘৰত পুৱা-গধূলি নিতৌ কৰা ভাগৱত পাঠেও এই ক্ষেত্ৰত প্ৰভাৱ পেলাইছিল। আনহাতে পিতৃ-মাতৃৰ নৈতিক আদৰ্শই তেওঁৰ অন্তৰত নিভৃতে ক্ৰিয়া কৰিছিল; লগে লগে গিৰি-বন, নদী-নলা বেষ্টিত উত্তৰ গুৱাহাটীৰ সেউজীয়া প্ৰকৃতিয়ে তেওঁৰ অন্তৰত কোমলতা আনি দিছিল। এইবোৰ গুণৰ সামগ্ৰিক প্ৰভাৱ তেওঁৰ গোটেই জীৱনত বিভিন্ন কৰ্মৰ মাজেদি প্ৰতিফলিত হোৱা দেখা যায়। উদাহৰণস্বৰূপে কটন কলেজত বি. এ. পঢ়ি থাকোঁতে ১৯২৪-২৫ চনৰ কটন কলেজ ছাত্ৰ একতা সভাৰ অন্তৰ্গত 'হিন্দু ছাত্ৰৰ নৈতিক আৰু ধৰ্মীয় সমিতি'ৰ (Hindu Students' Moral and Religious Society) তেওঁ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। সেই যুগত ছাত্ৰৰ যোগ্যতা আৰু স্পৃহা অনুসৰিহে কোনো সমিতিৰ সম্পাদক হ'ব পাৰিছিল। উক্ত সমিতিৰ বৈঠক সম্পৰ্কত লেখাকৰে শাস্ত্ৰজ্ঞ অধ্যাপক আশুতোষ চেটাৰ্জী, অধ্যাপক লক্ষ্মীনাৰায়ণ চেটাৰ্জী, অধ্যাপক শ্ৰীনাথ চক্ৰৱৰ্তী প্ৰভৃতিৰ সান্নিধ্যলৈ আহিছিল। লেখাকৰ সম্পাদকত্বত ৯খন বৈঠকত ক্ৰমে 'হিন্দুধৰ্ম,' 'ঈশ্বৰৰ ৰূপ কল্পনা' (The form of God), 'তত্ত্বানুসন্ধান' (The Search), 'চতুৰ্ভদ্ৰ,' 'স্বৰাজ্য সিদ্ধি' (The realisation of the self), 'প্ৰণামতত্ত্ব,' 'কাব্যৰ যোগেদি কিদৰে নৈতিক

আৰু ধৰ্মীয় শিক্ষা দিয়া হয়' (How the moral and religious teachings are imparted through the Kavyas), 'কৰ্ত্তাৰ স্বাতন্ত্ৰ্য' (The Independence of the Soul) আৰু 'প্ৰাৰ্থনা,' শীৰ্ষক বিষয়কেইটি আলোচিত হৈছিল। দেখা-দেখিকৈয়ে এইবোৰ বিষয়ৰ আলোচনাই শ্ৰোতামণ্ডলীক কিছু পৰিমাণে হলেও ঈশ্বৰ ভাবাপন্ন কৰি তুলিছিল। সম্পাদক লেখাক ইয়ানপৰা পাৰ পৰা নাছিল। তাতে আকৌ তেওঁ লোৱা অনাৰ্চ বিষয়টোৱেই আছিল 'দৰ্শন'; ই তেওঁৰ কৰ্মময় জীৱনটোত প্ৰভাৱ নেপেলোৱাকৈ থকা নাছিল।

লেখাকৰ নৈতিক আৰু ধৰ্মপৰায়ণ মনটোৰ বিষয়ে তেওঁৰ ৰচিত আৰু সম্পাদিত গ্ৰন্থৰাজিৰ পৰাও জানিব পাৰি। 'অসমীয়া ৰামায়ণ সাহিত্য'ত সাহিত্যৰ অন্যান্য দিশ আলোচনা কৰাৰ বাহিৰেও তেওঁ সত্য-ধৰ্মৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। 'অসমীয়া সাহিত্য-সেৱক ৺ৰজনীকান্ত বৰদলৈ' গ্ৰন্থত ঔপন্যাসিকজনৰ সাতখন উপন্যাসৰ চমু আভাস দি সামৰণি অধ্যায়ত থাই চৰিত্ৰ কেইটামানৰ নৈতিক বল সম্বন্ধে গুৰুত্ব সহকাৰে ফ'হিয়াই দেখুৱাইছে। 'আদৰ্শ ৰচনাৱলী'খনত বিভিন্ন বিষয়ৰ ৰচনা অন্তৰ্ভুক্ত কৰিলেও বেছিভাগ ৰচনাৰ মাজেৰে তেওঁ বিদ্যাৰ্থীক নৈতিক আৰু আধ্যাত্মিক শিক্ষা দিয়াৰ চেষ্টা কৰিছে। 'শ্ৰীশ্ৰীৰামকৃষ্ণ উপদেশ,' 'ধৰ্মপদ', 'ভক্তি বিবেক' আৰু 'কথা-গুৰু চৰিত' পুথিৰ অনুবাদ বা সম্পাদনা কাৰ্যৰ অন্তৰালত লেখাকৰ আধ্যাত্মিক মনটো পৰিস্ফুট হৈছে। সীতাৰ দুখৰ কাহিনীয়ে বিশ্বৰ হেজাৰ-বিজাৰ পঢ়ুৱৈৰ লগতে লেখাকেও যিদৰে শোকত ম্ৰিয়মান কৰি পেলাইছিল, তেনেদৰে 'এনক আৰ্ডেন'ৰ করুণ কাহিনীয়েও সৰল হৃদয়ী লেখাকক শোকত অভিভূত কৰি তুলিছিল। বিশেষকৈ তেওঁ বি-এ পঢ়ি থকা সময়তে কটন কলেজৰ এখন আলোচনা চক্ৰত অধ্যাপক আশুতোষ চেটাৰ্জীয়ে বৰ আৱেগিক ভাবাবে 'এনক আৰ্ডেন'ৰ বিষয়ে দিয়া বক্তৃতা শুনি অন্যান্য শ্ৰোতাবৰ্গৰ লগতে লেখাকেও চকুপানী টুকিছিল। সেই দিনাখনেই তেওঁ 'এনক আৰ্ডেন'ৰ কাহিনীটো অসমীয়াত লিখিবলৈ সংকল্প কৰিছিল। সকল লিখনিৰ মাজতেই যে লেখাকৰ ধৰ্মপ্ৰাণ আৰু সৰল মনটো প্ৰতিফলিত হৈছিল তেনে নহয়, ঘৰুৱা আৰু সামাজিক জীৱনতো তেওঁৰ সেই বৈশিষ্ট্য প্ৰকাশ পাইছিল। যব আচৰিত কথা যে কাৰো লগত কেতিয়াও তেওঁৰ দাতে-ওঁঠে লগা নাছিল।

গহীন-গম্ভীৰ আৰু মৃদুভাষী লেখাকৰ বিশ্লেষণী ক্ষমতাও কম নাছিল। এই পাণ্ডিত্যসুলভ গুণটি তেওঁ আহৰণ কৰিছিল সন্তৰ শিক্ষাগুৰুসকলৰপৰা। অৱশ্যে বুৰঞ্জীবিদ কনকলাল বৰুৱা আৰু প্ৰত্নতাত্বিক সোনাৰাম চৌধুৰীৰ সান্নিধ্যয়ো তেওঁৰ তত্ত্ব আৰু তথ্যানুসন্ধিৎসা বঢ়াইছিল। শিক্ষাগুৰু অধ্যাপক আৰ. আৰ. থমাছ, অধ্যাপক আশুতোষ চেটাৰ্জী, অধ্যাপক বাণীকান্ত কাকতিৰপৰা তেওঁ পাইছিল তত্ত্ব-জিজ্ঞাসাৰ সূক্ষ্মজ্ঞান; অধ্যাপক সূৰ্যকুমাৰ ভূঞা, অধ্যাপক ভুবনমোহন সেন, অধ্যাপক হৰ্ষনাথ সেনৰ পৰা



লাভ কৰিছিল তথ্য-বিচাৰৰ আদৰ্শ আৰু অধ্যাপক আৰ.চি. গফিন, অধ্যাপক প্ৰফুল্লচন্দ্ৰ ৰয় প্ৰভৃতিৰপৰা পাইছিল কাব্যিক সৌন্দৰ্য-বিশ্লেষণী দৃষ্টি। তেওঁৰ মৌলিক ৰচনা আৰু সম্পাদনা-কাৰ্যৰ কৃতিত্ব এইবোৰ সামগ্ৰিক প্ৰভাৱৰেই ফলশ্ৰুতি মাথোন।

বৃন্দাবনত থকা কালছোৱাত পাণ্ডিত্য আৰু চৰিত্ৰ-গুণৰ কাৰণেই লেখাকক তাৰ মানুহে 'অসমৰ মহাত্মা' বুলি অভিজ্ঞান কৰিছিল। ভাৰতৰ বিভিন্ন ঠাইৰপৰা প্ৰাচ্য দৰ্শনৰ গৱেষণা কেন্দ্ৰটিলৈ অহা পণ্ডিত-গৱেষকসকল তেওঁৰ দাৰ্শনিক তত্ত্ব-ব্যাখ্যা শুনি মুগ্ধ হৈছিল। অধ্যাপক লেখাকেৰে বৃন্দাবন তথা ভাৰতত অসমৰ প্ৰাচীন সাহিত্য আৰু শংকৰী কলা-কৃষ্টিৰ ঐতিহ্যময় গৌৰৱ আৰু মাতৃভূমিৰ উচ্চমানবিশিষ্ট ভাবমূৰ্তি দাঙি ধৰিবলৈ সক্ষম হৈছিল। এইবোৰ গুণৰ কাৰণেই অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাক অসমবাসীৰ মনত চিৰদিন আদৰণীয় আৰু বৰণীয় হৈ থাকিব।

— —

শ্ৰীনন্দ তালুকদাৰ

# উপেন্দ্ৰচন্দ্ৰ লেখাৰু

অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰু এজন আজীৱন শিক্ষাব্ৰতী আৰু সাহিত্যসেৱী আছিল। যোৱা ৩ জুন তাৰিখে তিনিকুৰি চৈধ্য বছৰ বয়সত গুৱাহাটীৰ উজান বজাৰৰ হেপীভিলাৰ নিজাঘৰত তেওঁৰ জীৱন-বৰ্তি নিৰ্বাপিত হ'ল। শিক্ষা শেষ কৰি ১৯৩৮ খ্ৰীঃৰ-পৰা ১৯৫৯ খ্ৰীঃলৈ ২২ বছৰ কাল কটন কলেজত আৰু ১৯৬০ খ্ৰীঃৰপৰা ১৯৭৬ খ্ৰীঃলৈ ১৬ বছৰ কাল বৃন্দাবনত মুঠতে সুদীৰ্ঘ একুৰি ওঠৰ বছৰ কাল তেওঁ অধ্যাপনা কৰিছিল। পূৰ্বতে তেওঁ কিছুকাল আছিল উত্তৰ গুৱাহাটী কমলদেৱ ইনষ্টিটিউচনৰ শিক্ষক।

১৯০৫ খ্ৰীঃৰ ১৩ জানুৱাৰীত উত্তৰ গুৱাহাটীৰ অক্ৰেশ্বৰ গাঁৱত তেওঁৰ জন্ম। তেওঁৰ পিতৃ মজুমদাৰ বৰুৱা বংশৰ নন্দৰাম লেখাৰু আৰু মাতৃ সোণপাহী। উত্তৰ গুৱাহাটীৰ মাইনৰ স্কুল আৰু গুৱাহাটী কলেজিয়েট স্কুল তেওঁৰ পঢ়াশলীয়া শিক্ষানুষ্ঠান। ১৯২২ খ্ৰীঃত কলেজিয়েট স্কুলৰপৰাই অংকত লেটাৰসহ প্ৰথম বিভাগত প্ৰৱেশিকা পাছ কৰি কটন কলেজত ভৰ্তি হয়। ১৯২৬ খ্ৰীঃত দৰ্শনত দ্বিতীয় শ্ৰেণীৰ অনাৰ্চ লৈ বি. এ. পাছ কৰিছিল। সেই সময়ত কটন কলেজত ইংৰাজীত এম. এ. পঢ়াৰ ব্যৱস্থা আছিল। লেখাৰুৱে ইংৰাজীৰ এম. এ. শ্ৰেণীত ভৰ্তি হৈছিল যদিও প্ৰথমতে তেওঁ আধুনিক ভাৰতীয় ভাষাত (M. I. L.) এম. এ. ডিগ্ৰী লাভ কৰিছিল।

১৯৩৮ খ্ৰীঃৰপৰা কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ এম. এ. শ্ৰেণী আৰম্ভ হয়। ১৯৪০ খ্ৰীঃত প্ৰথমবাৰৰ বাবে অসমীয়া বিষয়ত এম. এ. পৰীক্ষা হয়। লেখাৰুৱে সেই বছৰতে প্ৰাইভেটকৈ এম. এ. পাছ কৰে। অসমীয়া বিষয়ত প্ৰথম দলত উত্তীৰ্ণ হোৱা ছাত্ৰসকলৰ ভিতৰত আছিল ডিম্বেশ্বৰ নেওগ, যাদৱনাৰায়ণ দাস, দুৰ্গাৰত্তা শইকীয়া, উপেন্দ্ৰচন্দ্ৰ লেখাৰু, দ্বিজেন্দ্ৰমোহন গোস্বামী, নলিনীকুমাৰ মিশ্ৰ আৰু হৰিচন্দ্ৰ ভট্টাচাৰ্য। আটাইকেইগৰাকীয়ে দ্বিতীয় শ্ৰেণী লাভ কৰে। ইয়াৰ আগতে লেখাৰুৱে বি. এল. ডিগ্ৰীও লাভ কৰিছিল। বি. এল. ডিগ্ৰী লাভ কৰাৰ পিছত কিছুকাল তেওঁ আইন ব্যৱসায় কৰিছিল যদিও সি স্থায়ী নহ'ল।

১৯৩৮ চনৰ ১৯ আগষ্টৰপৰা কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষা-সাহিত্যই এম. এ. শ্ৰেণীত পঠনীয় বিষয়স্বৰূপে স্বীকৃতি লাভ কৰে। তেতিয়া সেই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল ড° শ্যামাপ্ৰসাদ মুখাৰ্জী। অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণীৰ বাবে অধ্যাপক নিযুক্ত হৈ ড° বিৰিঞ্চিকুমাৰ বৰুৱাই

প্ৰথমতে আগ ভাগ লৈছিল। অম্বিকানাথ বৰা আৰু যতীন্দ্ৰনাথ দুৱৰা আন দুজন অসমীয়া বিভাগৰ অধ্যাপক। ইপিনে কটন কলেজত আই. এ. আৰু বি. এ. শ্ৰেণীত অসমীয়া দ্বিতীয় ভাষা (Assamese Socond Language) খোলাত বিৰিঞ্চিকুমাৰ বৰুৱাই ১৯৩৮ চনৰ ১৩ চেপ্তেম্বৰৰপৰা ইয়াতে অসমীয়া বিষয়ৰ অধ্যাপক হিচাপে যোগ দিয়ে। সেই বছৰতে প্ৰথমে অসমীয়া বিভাগৰ টিউটৰ হিচাপে যোগদান কৰে উপেন্দ্ৰচন্দ্ৰ লেখাৰুৱে। ইয়াৰ আগতে লেখাৰুৱে কিছুদিন কটন কলেজৰ লাইব্ৰেৰীয়ান হিচাপেও কাম কৰিছিল। ১৯৪০ চনত এম. এ. পাছ কৰিহে লেখাৰুৱে অসমীয়া বিভাগৰ স্থায়ী অধ্যাপকৰ নিযুক্তি পায়। ১৯৪৫ চনত বিৰিঞ্চিকুমাৰ বৰুৱা বিলাতলৈ যোৱাত লেখাৰু অসমীয়া বিভাগৰ মুখ্য অধ্যাপক হয়।

অধ্যাপক লেখাৰু সহজ সৰল অমায়িক ব্যক্তি, নিৰ্জু প্ৰকৃতিৰ লোক। তেওঁৰ সৰলতাৰ সুযোগ লৈ দুই-এক দুষ্ট ল'ৰাই তেওঁক অলপ জুলুম নকৰা নহয়। ক্লাচত ঘটা দুই-এটা আমোদজনক ঘটনাও আছে। ভালেমান দিন তেওঁ ছাত্ৰাবাসৰ অধ্যক্ষ আছিল। পিছত ল'ৰাৰ ছাত্ৰ বাস দুই নম্বৰ মেচৰো অধ্যক্ষ আছিল। ১৯৫৯ খ্ৰীঃৰ ডিচেম্বৰ মাহলৈকে অধ্যাপক লেখাৰুৱে কটন কলেজৰ অসমীয়া বিভাগৰ মুখ্য অধ্যাপকস্বৰূপে সুখ্যাতিৰে অধ্যাপনা কৰিছিল। কটন কলেজৰপৰা অৱসৰ গ্ৰহণ কৰাৰ পিছতে তেওঁ বৃন্দাবনৰ বৈষ্ণৱ পাৰমাৰ্থিক বিশ্ব-বিদ্যালয়ৰ শ্ৰীশ্ৰীশংকৰদেৱ আসনৰ বাবে গৱেষণা-অধ্যাপক নিযুক্ত হয়। পিছত অনুষ্ঠানটোৰ নাম হয় 'ইন্‌ষ্টিটিউট অৱ অৰিয়েণ্টাল ফিলচফি'। উক্ত অনুষ্ঠানত অধ্যাপনা কৰা প্ৰথম অসমীয়া অধ্যাপক হ'ল লেখাৰু। অনুষ্ঠানটিত অধ্যাপনা কৰি তেওঁ যোগ্যতাৰ পৰিচয় দিয়াৰ উপৰিও অসমীয়া ভাষা-সাহিত্যৰো গৌৰৱ বৃদ্ধি কৰিছিল। কটন কলেজৰপৰা অৱসৰ গ্ৰহণ কৰি বৃন্দাবনলৈ যোৱাৰ আগমুহূৰ্তত অনুষ্ঠিত বিদায়

সভাত এজন প্ৰবীণ অধ্যাপকে লেখাৰু সম্পৰ্কে মন্তব্য কৰিছিল: "যিজনে সদাসৰ্বদা ভগৱান শ্ৰীকৃষ্ণৰ কথা চিন্তা কৰে সেইজনকে ভগৱানৰ প্ৰিয় লীলাভূমি বৃন্দাবনলৈ আহ্বান কৰিছে।"

উত্তৰ গুৱাহাটী কমলদেৱ ইন্‌ষ্টিটিউচনত কাম কৰা সময়ত সেই অঞ্চলৰ নানান ৰাজহুৱা কামতো ইচ্ছা লেখাৰু জড়িত আছিল। তেওঁৰ যত্নতে উত্তৰ গুৱাহাটীত 'আনন্দ সমিতি' স্থাপিত হৈছিল। এই সমিতিৰ উল্লেখযোগ্য কামৰ ভিতৰত এটা 'আলোচনা-চক্ৰ' আৰু 'আনন্দৰাম পুথিভঁৰাল' স্থাপন। উক্ত পুথিভঁৰালটি বৰ্তমান ঠন ধৰি উঠিছে। 'আনন্দ সমিতি'ৰ জৰিয়তে প্ৰাথমিক প্ৰতিকাৰ (First Aid Course) প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছিল। প্ৰাথমিক প্ৰতিকাৰৰ প্ৰশিক্ষণ দিছিল ডাক্তৰ ভুৱনেশ্বৰ বৰুৱাই।

মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ পাঁচ শ বছৰীয়া জন্ম তিথি উপলক্ষে বৰপেটা সত্ৰত ১৯৪৮ খ্ৰীঃৰ অক্টোবৰ মাহত পাঁচদিনীয়া কাৰ্য-সূচীৰে উৎসৱ পালন কৰা হৈছিল। বৰদোৱা, পাটবাউসী, বেলগুৰি, ধুবাহাটা, উত্তৰ কমলাবাৰী, কোৱামাৰা, সুন্দৰীদিয়া আৰু নিকামুল সত্ৰৰ সত্ৰাধিকাৰৰ যোগদানে উৎসৱৰ সৌষ্ঠৱ বঢ়াইছিল। উৎসৱৰ তৃতীয় দিনাৰ আলোচনা সভাৰ সভাপতি আছিল উপেন্দ্ৰচন্দ্ৰ লেখাৰু। আলোচনাৰ বিষয় আছিল 'শ্ৰীশংকৰদেৱৰ সাহিত্য'। নীলমণি ফুকন, হৰেকৃষ্ণ দাস, হৰগোবিন্দ শৰ্মা, স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী, সৰ্বানন্দ ৰাজকুমাৰ, ত্ৰিলোকচন্দ্ৰ মহন্ত প্ৰমুখ্যে আলোচনাত অংশ গ্ৰহণ কৰিছিল।

'শ্ৰীশংকৰদেৱৰ জন্মস্থান বৰদোৱাৰ নিচেই ওচৰৰ ধিং চহৰৰ বহু নগৰত ১৯৭০ খ্ৰীঃৰ ১৩ ফেব্ৰুৱাৰী পৰা অসম সাহিত্য সভাৰ সপ্তত্ৰিংশ অধিবেশন অনুষ্ঠিত হয়। অধ্যাপক লেখাৰু ধিং অধিবেশনৰ সভাপতি। চন্দ্ৰকান্ত বৰকাকতী অভ্যৰ্থনা সমিতিৰ



সভাপতি। ধিং অধিৱেশনৰ কবি সম্মিলনৰ সভাপতি নৱকান্ত বৰুৱা, বুৰঞ্জী শাখাৰ ভুবনচন্দ্ৰ সন্দিকৈ, সাংস্কৃতিক সম্মিলনৰ নটসূৰ্য ফণী-শৰ্মা আৰু আলোচনা-চক্ৰৰ বিপিনকুমাৰ বৰগো-হাঞি। মূল সভা উদ্বোধন কৰিছিল দেৱকান্ত বৰুৱাই আৰু প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰিছিল ড° সত্যেন্দ্ৰনাথ বৰুৱাই।

লেখাৰু ডাঙৰীয়াই স্কুলীয়া কালতে সাহিত্যিক জীৱনৰ সূচনা কৰিছিল অনুবাদ ৰচনাৰে। স্বামী ব্ৰহ্মানন্দ সংগৃহীত ''শ্ৰীশ্ৰীৰামকৃষ্ণ উপদেশ'খন বঙলাৰপৰা অনুবাদ কৰিবলৈ লৈছিল অষ্টমমান শ্ৰেণীত পঢ়োঁতেই। প্ৰৱেশিকা পৰীক্ষা দি উঠি তেওঁ সম্পূৰ্ণ কৰি প্ৰকাশ কৰে। কটন কলেজত পঢ়া সময়ৰপৰাই তেওঁ সাহিত্য সাধনাত উঠি-পৰি লাগিল। সেই সময়ৰ ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'ৰ লগতো তেওঁ জড়িত। 'মিলন'ৰ সম্পাদনা সমিতিৰ লগত জড়িত থকাৰ উপৰিও তেওঁ আছিল মেনেজাৰ। মিলনত তেওঁৰ ৰচনাও প্ৰকাশ হৈছিল। পিছত চেতনা, বাঁহী, আৱাহন, জয়ন্তীত তেওঁৰ ভালে-মান ৰচনা প্ৰকাশ হয়। 'এখনি পুৰণি পুথি', 'পুথি সংগ্ৰহ', 'শ্ৰীকৃষ্ণ প্ৰয়াণং নাম-নাটকং', 'অসমীয়া প্ৰাক্-বৈষ্ণৱ যুগৰ বিষ্ণু আৰু বৈষ্ণৱ', 'মাধৱ কন্দলীৰ ৰামায়ণ' আদি আলোচনাসমূহত প্ৰকাশিত উল্লেখ-যোগ্য প্ৰবন্ধ।

এবাৰ তেওঁ ব্ৰহ্মপুত্ৰ নদীত গা ধুবলৈ আহোঁতে ব্ৰহ্মপুত্ৰৰ বালিত এখনি পুৰণি পুথি লাভ কৰিছিল। লেখাৰু ডাঙৰীয়াই পুথিখন আথেবেথে ঘৰলৈ লৈ গৈছিল। পুথিখন সম্পূৰ্ণ নাছিল যদিও এই অসম্পূৰ্ণ পুথিখনিৰ পাঠ উদ্ধাৰ কৰি এটি প্ৰবন্ধও ৰচনা কৰিছিল।

সাহিত্যৰ ক্ষেত্ৰত লেখাৰুৰ ভূমিকা দ্বৈত: মৌলিক গৱেষক-সমালোচক আৰু সম্পাদক। 'কথা গুৰু চৰিত', 'কথা সাহিত্য', 'শ্ৰীমদ্ভক্তিবিবেক', 'ভক্তি বিবেক: ভট্টদেৱ', 'বিশ্ববিদ্যালয় ৰচনাৱলী' প্ৰভৃতি লেখাৰুৰ সম্পাদিত গ্ৰন্থ।

লেখাৰু সম্পাদিত 'কথাগুৰু চৰিত' (১৯৫২) অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। পুথিখনি বৰপেটা সত্ৰৰ এসময়ৰ সত্ৰাধিকাৰ চতুৰ্ভুজ মিশ্ৰৰ ওচৰত পাই ডক্টৰ বাণীকান্ত কাকতিয়ে পোনতে সংগ্ৰহ কৰিছিল। পুথিখনিৰ সম্পাদনাৰ ভাৰ দিয়ে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু অধ্যাপক লেখাৰুক। পাতনিত সেই বিষয়ে লেখাৰু ডাঙৰীয়াই লিখিছে: ''কথাগুৰু চৰিতখনি ডক্টৰ বাণীকান্ত কাকতিদেৱৰ সংগ্ৰহ। তেখেতে প্ৰায় পঁচিশ বছৰ আগতে এই পুথিখনি বৰপেটা সত্ৰৰ তেতিয়াৰ বুঢ়া অধিকাৰ ৺চতুৰ্ভুজদেৱ মিশ্ৰৰপৰা পাইছিল আৰু এটি প্ৰতিলিপিও কৰাই থৈছিল। প্ৰায় ছয়-সাত বছৰ আগতে তেখেতে এই গ্ৰন্থ সম্পাদনা কৰি উলিয়াবলৈ আমাক আদেশ দিয়ে। ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু আমি এই কাম একেলগে আৰম্ভ কৰাৰ দুমাহৰ পিছতে বৰুৱাদেৱ বিলাতলৈ যাব লগা হোৱাত সম্পূৰ্ণ ভাৰ আমাৰ ওপৰত পৰে। এই কাৰ্যত মাথোন একেখন পুথিৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হৈছিল। গতিকে কোনো ঠাইত দুই-এটি বুজিব নোৱৰা শব্দ তেনেভাৱেই ৰখা হৈছে। পাঠকৰ সুবিধাৰ অৰ্থে বিষয় অনুসৰি দফাবোৰ ভিন ভিনকৈ দিয়া হৈছে।''

৬২২ পৃষ্ঠাৰ এই সুবৃহৎ পুথিখনি লেখাৰু ডাঙৰীয়াই যত্নসহকাৰে সম্পাদনা কৰি উলিয়ায়। পুথিখনি "পূৰ্ব কথা আৰু অৱতৰণ, এভিয়া কামেশ্বৰ দুৰ্লভ নাৰায়ণ, এভিয়া চোট আতাৰ বংশাৱলী চৰিত, চোট আতাৰ চৰিত, এভিয়া ভৱানীপুৰীয়া আতাৰ চৰিত, ভাটৌকুচীয়া আতা, বহুলা আতাৰ চৰিত,

চৰিত্ৰৰ আভাস চৰিত, ৰামদেউৰ চৰিত আদি কেইটামান ভাগত ভাগ কৰিছে। ইয়াৰ ফলত সাধাৰণ পাঠকৰ পক্ষে বিষয় অনুসৰি বাছি উলিয়াবলৈ সহজ হৈছে। পৰিশিষ্টত শংকৰদেৱৰ-পৰা ভৱানীপুৰীয়া গোপাল আতালৈকে বংশাৱলী-বোৰ সন্নিবিষ্ট কৰিছে। পৰিশিষ্টত মূল পাঁচিপতীয়া পুথিত বৈ যোৱা কথাবোৰ সংযোগ কৰি কাহিনীৰ যোগসূত্ৰ ৰক্ষা কৰাত সহায় কৰিছে। কথাগুৰু চৰিত্ৰৰ ভাষা আৰু ৰচনাৰীতি সম্বন্ধে লিখিছে: "একোটি সৰু সৰু বাক্যৰ ভিতৰতে, একোটি খণ্ডবাক্যৰ ভিতৰতে একোটি মহৎ আৰু স্পষ্ট ভাৱ প্ৰকাশ পাইছে। দুই-এটি উদাহৰণ এই: 'নিশ্চয়ে পাৰ অনিশ্চয়ে সংসাৰ। ভাত পৰশি লৱণু থবা, শিয়া পৰশি তত্ত্ব ক'বা'।" আকৌ লিখিছে: "গুৰুচৰিত্ৰখনিৰ বাক্যবোৰ মূলৰ বাহিৰে ই মধ্যযুগৰ অসমীয়া গদ্য সাহিত্যৰ এটি উৎকৃষ্ট নিদৰ্শন। সচৰাচৰ ব্যৱহাৰ কৰা ভাষাকে ইয়াত ব্যৱহাৰ কৰা হৈছে।"

পাতনিত লেখাৰু ডাঙৰীয়াই পুথিখনিৰ ভাষা, বৈশিষ্ট্য আৰু প্ৰাচীনত্ব আদিৰ কথা বহলাই আলোচনা কৰিছে। পুথিখনিৰ বিষয়বস্তুৰ ওপৰত ডক্টৰ কাকতীয়ে ইংৰাজীত লিখা পাতনি এখনো সংযোগ কৰিছে।

'কথা সাহিত্য' (১৯৪০) লেখাৰু সম্পাদিত গদ্য সাহিত্যৰ পুথি। পুথিখনি ভালেমান বছৰ কলিকতা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ আই, এ, মহলাৰ পাঠ্য আছিল। পুথিখনিত জোনাকী যুগৰপৰা সাম্প্ৰতিক যুগলৈকে একুৰি এজন আধুনিক কথা-সাহিত্যিকৰ গদ্য ৰচনা সংকলন কৰা হৈছে। পাতনিত লিখিছে "চিন্তাশীল লেখকৰ স্বচ্ছন্দধাৰী চিন্তাধাৰা আৰু মানৱ মনৰ বিচিত্ৰ ভাৱৰাশি প্ৰকাশৰ নিমিত্তে কথা সাহিত্য সুগম সপোন। আধুনিক অসমীয়া লেখক সম্প্ৰদায়ে বিভিন্ন বিষয়সমূহ উপযুক্ত কথা-ভংগিমাৰে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে।" কথা সাহিত্যত সন্নিবিষ্ট প্ৰবন্ধসমূহেই তাৰ প্ৰমাণ। পুথিখনি সম্পাদনা কৰোঁতে লেখাৰু ডাঙৰীয়াই বিভিন্ন লেখকৰ বিচিত্ৰ বাক্‌ভংগী আৰু বিচিত্ৰ বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি সংকলন কৰিছে।

লেখাৰু ডাঙৰীয়াৰ সম্পাদিত সংকলিত দুখন ৰচনাৰ পুথি 'আদৰ্শ ৰচনাৱলী' আৰু 'বিশ্ববিদ্যালয় ৰচনাৱলী'। প্ৰথমখন স্কুলীয়া ছাত্ৰৰবাবে আৰু দ্বিতীয়খন কলেজীয়া ছাত্ৰৰবাবে।

'অসমীয়া ৰামায়ণী সাহিত্য' (১৯৪৮) লেখাৰু ডাঙৰীয়াৰ ৰচনাৰাজিৰ ভিতৰত শ্ৰেষ্ঠ পুথি। ইংৰাজীত 'আচামিজ ভাৰ্চন অৱ ৰামায়ণ' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰি ১৯২৫ খ্ৰীষ্টাব্দত আন্নমালাইত অনুষ্ঠিত অৰিয়েণ্টেল কনফাৰেন্সত পাঠ কৰিছিল। তেওঁৰ 'আচামিজ ভাৰ্চন অৱ ৰামায়ণ' আৰু 'আচামিজ ভাৰ্চন অৱ মহাভাৰত' শীৰ্ষক প্ৰবন্ধ দুটা গুৱাহাটী বিশ্ববিদ্যালয়ৰদ্বাৰা প্ৰকাশিত ডক্টৰ বাণীকান্ত কাকতি সম্পাদিত 'এচ্‌পেক্টচ অৱ আৰ্লি আচামিজ লিটাৰেচাৰ' গ্ৰন্থৰ অন্তৰ্ভুক্ত কৰা হৈছে।

'অসমীয়া ৰামায়ণী সাহিত্য' শীৰ্ষক গ্ৰন্থখনি চাৰিটা অধ্যায়ত ভাগ কৰা হৈছে। 'প্ৰাচীন ভাৰতীয় সাহিত্যত ৰামায়ণ' শীৰ্ষক প্ৰথম অধ্যায়ত বিভিন্ন ৰামায়ণী বিষয়ক পুথি আৰু আখ্যানৰ চমু পৰিচয় দিছে। দ্বিতীয় অধ্যায়ত 'বাল্মীকি ৰামায়ণৰ চমু পৰিচয়, তৃতীয় অধ্যায়ত 'অসমীয়া ৰামায়ণী সাহিত্যৰ বিভাগ আৰু চতুৰ্থ অধ্যায়ত, 'মাধৱ কন্দলীৰ ৰামায়ণ' আলোচ্য বিষয়। মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষা, বৰ্ণনা, বৈশিষ্ট্য আদি বহলাই আলোচনা কৰিছে।

ডক্টৰ কাকতীয়ে পুথিখনৰ পাতনিত লিখিছে 'অসমীয়া ৰামায়ণী সাহিত্যত ভিন ভিন কালৰ



ভিন ভিন কবিৰ ভিন ভিন সংস্কৰণৰ আলোচনা একেঠাইতে কৰাৰপৰা অনুসন্ধানী লোকসকলৰ যথেষ্ট সহায় হ'ব। এই গ্ৰন্থই সকলো শ্ৰেণীৰ পাঠকৰ মন আকৃষ্ট কৰিব পাৰিব বুলি বিশ্বাস হয়।

'অসমীয়া ৰামায়ণী সাহিত্য' পুথিত লেখাৰু ডাঙৰীয়াই কন্দলী শব্দটোৰ আঁতি-গুৰি আলোচনা কৰি লিখিছে: অসমীয়াত 'কন্দল' শব্দৰ অৰ্থ হ'ল বাদ। কন্দল কৰাত পটু অৰ্থে কন্দলী। যিসকল পণ্ডিতে বাদত বিশেষ পাৰদৰ্শিতা দেখুৱাব পাৰিছিল, তেওঁলোকে এই উপাধিটো লাভ কৰিছিল। কোনো কোনো সময়ত অৱশ্যে ইয়াৰ ব্যতিক্ৰম দেখা যায়। যেনে শংকৰদেৱৰ উপৰি পুৰুষ চণ্ডীবৰে বাদত জিনি ৰজাৰপৰা দেৱীদাস নামহে পাইছিল।

'অসমীয়া সাহিত্যসেৱক ৰজনীকান্ত বৰদলৈ' (১৯৪৮) লেখাৰু ডাঙৰীয়াৰ আন এখন আলোচনামূলক পুথি। 'ৰামায়ণ সাহিত্য' আৰু 'ৰজনীকান্ত বৰদলৈ' অসমীয়া সাহিত্যত এনে বিষয়ৰ প্ৰথম পুথি। পুথি দুখনিৰ মাজেৰে লেখাৰু ডাঙৰীয়াই একক আলোচনাৰ বাট মুকলি কৰিছে। পুথিখনিৰ আগকথাত বৰদলৈৰ জীৱনৰ চমু আভাস দিবলৈ যত্ন কৰিছে। প্ৰথম অধ্যায়ত উপন্যাস সাহিত্য কি আৰু বিশ্ব উপন্যাসৰ চমু আভাস দি বৰদলৈ ডাঙৰীয়াৰ উপন্যাস ৰচনাৰ উৎস সম্পৰ্কে আলোচনা কৰিছে। তেওঁ লিখিছে; 'উপন্যাস গণতন্ত্ৰ ভাৱৰ জগৰীয়া। আগৰ কালত দেৱ-দেৱী আৰু ৰজা-মহাৰজাৰ আখ্যানবোৰৰ ভিতৰেদি ধৰ্ম আৰু নীতিৰ শিক্ষা দিয়া হৈছিল। উপন্যাসত ব্যক্তি স্বাতন্ত্ৰ্যৰ প্ৰতিষ্ঠা হয়। সাধাৰণ লোকৰ ভাৱ আৰু সমস্যাবোৰ উপন্যাসৰ আহিলা হৈ পৰে। ইয়াত মানুহৰ অন্তৰৰ গভীৰ আৱেগ-অনুভূতিবোৰক ৰূপ দিয়া হয়। উপন্যাসক এই পক্ষৰপৰা বাস্তৱ সাহিত্য বুলিব পাৰি।" উপন্যাস সাহিত্যৰ জন্মলগ্নৰ কথা সুঁৱৰি লেখাৰুৱে 'নভেল' শব্দৰ আঁতি-গুৰি বিচাৰ কৰিছে।

বিশ্ব উপন্যাসৰ চমু পৰিচয় দি তেওঁ বৰদলৈৰ ওপৰত ইংৰাজী আৰু বঙালী ঔপন্যাসিকৰ প্ৰভাৱৰ কথা আলোচনা কৰিছে। লগতে উপন্যাস সাহিত্যৰ কলা-কৌশল (টেক্‌নিক্‌) সম্বন্ধে উনুকিয়াইছে।

পুথিখনিৰ দ্বিতীয় অধ্যায়ত বৰদলৈৰ উপন্যাসসমূহৰ বৈশিষ্ট্য সম্বন্ধে আঙুলিয়াই লিখিছে "বৰদলৈদেৱৰ আৰু এক বিশেষত্ব এই যে তেখেতৰ উপন্যাস-বোৰত জীৱনটো সম্পূৰ্ণভাৱে দেখুৱা হৈছে। ইয়াৰ লগে লগে ঘটনাৰ পৰিবেষ্টনীবোৰ বিশদভাৱে বৰ্ণোৱা হৈছে।" তৃতীয় অধ্যায়ত প্ৰতিখন উপন্যাসৰ কাহিনী-বোৰ চমুকৈ দিয়াৰ উপৰিও বৈশিষ্ট্যবোৰৰ আলোচনা কৰিছে। চতুৰ্থ অধ্যায়ৰ আলোচনাৰ বিষয় চৰিত্ৰসমূহ। বৰদলৈৰ উপন্যাসৰ ভাষাৰ কথা আলোচনা কৰি লিখিছে—"বৰদলৈদেৱৰ ভাষা সহজ-সৰল আৰু যথাৰ্থ ভাৱ প্ৰকাশক। যেই-সেই লোকেই তাক গ্ৰহণ কৰিব পাৰিব; কিন্তু তেখেতৰ ৰচনা সম্পূৰ্ণ বাহুল্য বৰ্জিত বুলি ক'ব নোৱাৰি।"

'এনক আৰ্ডেন' (১৯৩৮) একুৰি উনৈশ পৃষ্ঠাৰ লৰ্ড টেনিছনৰ কাব্যৰ ছাঁৰে ৰচনা কৰা আন এখন পুথি। এনক আৰ্ডেনৰ প্ৰভাৱ ৰজনীকান্ত বৰদলৈৰ 'নিৰ্মল ভকত' উপন্যাসৰ ওপৰত পৰিছে। এনক আৰ্ডেন, এনী আৰু ফিলিপ এই ত্ৰিভুজক কেন্দ্ৰ কৰি ৰচনা কৰা মনোৰম অথচ কৰুণ কাহিনীটো লেখাৰু ডাঙৰীয়াই সহজ সৰলভাৱে পাঠকলৈ আগবঢ়াইছে।

'ভক্তি বিবেক' (১৯৫১) লেখাৰু ডাঙৰীয়াৰ এখনি অনুবাদ কৰা পুথি। বৈকুণ্ঠনাথ কবিৰত্ন ভাগৱত ভট্টাচাৰ্য বিৰচিত 'শ্ৰীমদ্ভক্তিবিবেকঃ' গ্ৰন্থখনৰ প্ৰকাশৰ গুৰি তেওঁ লেখাৰু ডাঙৰীয়া। লেখাৰু ডাঙৰীয়া পুথিখনিৰ কাৰ্যকাৰক; সম্পাদক হ'ল অধ্যাপক লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় আৰু সংগ্ৰাহক ড০ বাণীকান্ত কাকতি। পাতনিত লেখাৰুৱে লিখিছে:

"তিনিখন হাতেলেখা পুৰণি পুথি চাই পূৰ্বৰ কটন কলেজৰ অধ্যাপক শ্ৰীলক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় বেদশাস্ত্ৰী মহাশয়ে পাঠ শুদ্ধি কৰিছিল। ডক্টৰ বাণীকান্ত কাকতিদেৱে উক্ত সংগ্ৰহ কৰি থৈছিল। উক্ত চট্টোপাধ্যায় মহাশয়ৰ সম্পাদকীয় কথা ইত্যাদি পাতনি দিয়াৰো কথা আছিল। বৰ্তমানে সেই পাতনি সংগ্ৰহ কৰাৰ সুবিধা নঘটিল। কাকতিদেৱৰ দিহামতে ছপা শেষ হোৱা পৰ্যন্ত এই গ্ৰন্থখনি প্ৰকাশ কৰা কাৰ্যত আমি আত্মনিয়োগ কৰিছোঁ।" পুথিখন প্ৰকাশ কৰিছিল হৰিনাৰায়ণ দত্তবৰুৱাই (১৯৬১)। ভট্টদেৱৰ উক্ত সংস্কৃত গ্ৰন্থখনি সকলোৰে বাবে বোধগম্য নহয়। সেইবাবে লেখক ভাগৱতীয়াই সংস্কৃত গ্ৰন্থখনিৰ 'ভাৱানুবাদ' কৰিছিল। এই জটিল সংস্কৃত গ্ৰন্থখনিৰ অসমীয়া ভাঙনি সহজ সৰল।

লেখক ভাগৱতীয়াই অসমীয়ালৈ ভাঙনি কৰা এখন পুথি হ'ল 'ধৰ্মপদ' (১৯৪৭)। পালি ভাষাত ৰচনা কৰা বুদ্ধ ধৰ্মৰ এই বাণীসমূহ অনুবাদ কৰি পোনতে আলোচনীৰ পাতত প্ৰকাশ কৰিছিল। পিছত পুথিৰ আকাৰত ছপাই উলিয়ায়। পুথিখন সম্পৰ্কে বক্তব্যত লিখিছে: "ধম্মপদ বা ধৰ্মপদ নীতি প্ৰধান বৌদ্ধ ধৰ্মৰ এটি অনুপম সম্পদ। মহাপুৰুষ বুদ্ধদেৱে তেওঁৰ শিষ্যসকলক ভিন ভিন ঠাই আৰু ভিন ভিন সময়ত দিয়া উপদেশবোৰ ইয়াত সজাই দিয়া হৈছে। ইয়াৰ উপদেশবোৰ সাৰ্বজনীন। এই অমূল্য গ্ৰন্থখনি পৃথিৱীৰ সকলো প্ৰধান ভাষাবোৰলৈ অনুবাদ কৰা হৈছে।"

বৃন্দাবনত থকা সময়ত লেখক ভাগৱতীয়া 'জনশিক্ষা' আলোচনীখনৰো সম্পাদক আছিল। তেওঁৰ কেবাটাও ইংৰাজী প্ৰবন্ধ বৃন্দাবনৰ তিনিমহীয়া ইংৰাজী আলোচনী 'ফিলজফী এণ্ড কালচাৰ'ত (Philosophy and Culture) প্ৰকাশ হয়। 'ৰিলিজিঅ'ন ইন আচাম থ্ৰু'আউট দি এজেছ' (Religion in Assam throughout the Ages), কনচেপ্ট অৱ জীৱ একৰ্ডিং টু শ্ৰীশংকৰদেৱ (Concept of Jiva According to Sree Sankardeva); ৰেমিনিচেন্স অন দি লাইফ অৱ শ্ৰীশংকৰদেৱ (Reminisences on the Life of Sree Sankardeva) আদি লেখক ভাগৱতীয়াৰ 'ফিলজ'ফী এণ্ড কালচাৰ' আলোচনীত প্ৰকাশিত প্ৰবন্ধ।

বৃন্দাবনৰ গৌৰীয় বৈষ্ণৱ সমাজৰ সুপৰিচিত শ্ৰীগোবৰ্ধন দাস বাবাজীৰ সুবৃহৎ গ্ৰন্থ 'ব্ৰজধাম ও আচাৰ্য গণ'। উক্ত গ্ৰন্থত লেখক ভাগৱতীয়াৰ বঙালীতে লিখা 'মহাপুৰুষ শ্ৰীশংকৰদেৱৰ জীৱনী ও সাহিত্য' শীৰ্ষক প্ৰবন্ধ অন্তৰ্ভুক্ত হৈছে। এনেভাৱে ইংৰাজী-বঙলা ভাষাত প্ৰবন্ধ লিখি লেখকে বিচাৰিছিল প্ৰাচীন অসমীয়া সাহিত্য আৰু শ্ৰীশংকৰদেৱৰ দৰ্শন আৰু সাহিত্যৰ বহুল প্ৰচাৰ।

শ্ৰীশংকৰদেৱৰ বৈষ্ণৱ ধৰ্ম আৰু সাহিত্য প্ৰাচীন অসমীয়া সাহিত্যৰ বহুল প্ৰচাৰৰ কথা চিন্তা কৰিলেও লেখক ভাগৱতীয়া ধৰ্ম আৰু ভাষা-সাহিত্যৰ ক্ষেত্ৰত গোড়া নাছিল। এহাতে প্ৰাচীন অসমীয়া সাহিত্যৰ নাড়ী-নক্ষত্ৰ অধ্যয়ন, আনহাতে জোনাকী যুগৰ উপন্যাস-সম্ৰাটৰ প্ৰতি স্বাগতঃ সম্ভাষণ; এহাতে কথাগুৰু চৰিত সম্পাদনা, আনহাতে ধৰ্মপদ, লৰ্ড টেনিছনৰ কাব্যৰ অনুবাদ। আকৌ সামাজিক ক্ষেত্ৰটো যিদৰে বৰপেটাত অনুষ্ঠিত শ্ৰীশংকৰদেৱৰ পাঁচশ বছৰীয়া জন্ম তিথিত সভাপতিত্ব কৰিছিল তেনেদৰে ঈদ মহোৎসৱৰ সাংস্কৃতিক সভা, ৰাম-কৃষ্ণ সেৱা সমিতি আদিতো সভাপতিৰ আসন গ্ৰহণ কৰিছিল।

লেখক ভাগৱতীয়া এজন সহজ সৰল ব্যক্তি। মূৰত কপালী চুলি, একোচা কপালী গোঁফ, পিন্ধনত শুভ্ৰ বগা চুৰিয়া, ডিঙিত ওলোমাই লোৱা চাদৰ এখনেৰে কৃষ্ণকায় ক্ষীণ ওখ মিষ্টভাষী মানুহজনক দেখিলে কথাগুৰু চৰিত বক্তা কোনোবা সত্ৰৰ আতৈ যেন বুলি ভুল হ'ব খোজে। সেই চিৰ পৰিচিত ছবিটি আমাৰ চকুৰ আগৰপৰা চিৰদিনৰবাবে হেৰাই গ'ল।



---


## অসম সাহিত্য সভাৰ প্ৰকাশন

১। কালিৰাম মেধি ৰচনাৱলী
সম্পাদকদ্বয় : শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
শ্ৰীমুৰাৰিচৰণ দাস
মূল্য : পঁচিশ টকা

২। নলিনীবালা দেৱী
সম্পাদক : ড° হেমন্তকুমাৰ শৰ্মা
সহযোগী সম্পাদক : অধ্যাপক ৰামচৰণ ঠাকুৰীয়া
মূল্য : পোন্ধৰ টকা॥

৩। আৰিষ্টটলৰ কাব্যজিজ্ঞাসা
অনুবাদক : শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
মূল্য : ছটকা

৪। নাগালেণ্ড (নাগামীজত ৰচিত)
লেখিকা : শ্ৰীনৰমালতী চক্ৰৱৰ্তী
মূল্য : দহটকা॥

৫। কালিৰাম মেধি স্মৃতিমাল্য
সম্পাদক : শ্ৰীৰামচৰণ ঠাকুৰীয়া
সহযোগী : শ্ৰীসতীশচন্দ্ৰ চৌধুৰী
শ্ৰীভৱানীপ্ৰসাদ অধিকাৰী
মূল্য : বাৰ টকা॥

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

## শিক্ষাবিদ আৰু সাহিত্যিক অধ্যাপক লেখাৰু

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু শিক্ষাবিদ অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ নাম ললেই এজন অমায়িক ব্যক্তি, নীৰৱ সাহিত্য-সাধক আৰু সমাজ-সেৱীৰ কথা মনলৈ আহে। তেওঁৰ জন্মস্থান আৰু বাল্যকালৰ ক্ৰীড়াভূমি উত্তৰ গুৱাহাটীৰ জলবায়ুৱে তেওঁৰ প্ৰাণপৰিভুগী কৰি তুলিছিল।

তেওঁ পোনতে উত্তৰ গুৱাহাটী কমলদেৱ হাইস্কুলত শিক্ষকতা কৰিছিল। এই সময়তে তেওঁ আনন্দ সমিতি, এখন আলোচনা-চক্ৰ আৰু আনন্দনাম বৰুৱা পুথিভঁড়াল স্থাপন কৰিছিল।

তেওঁ ১৯৩৮ চনৰপৰা ১৯৫৯ চনলৈকে কটন কলেজত অধ্যাপনা কৰিছিল। ১৯৬০ চনৰপৰা কিছুবছৰ তেওঁ বৃন্দাবনৰ বৈষ্ণৱ পাৰমাৰ্থিক বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল।

লেখাৰুৱে কলেজত পঢ়া কালৰেপৰা সাহিত্য-সাধনাত ব্ৰতী আছিল। তেওঁ অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ মিলনৰ লগতো ঘনিষ্ঠভাৱে জড়িত আছিল। বাঁহী, চেতনা, আৱাহন, জয়ন্তী আদি আলোচনাত তেওঁৰ বিভিন্ন প্ৰবন্ধ প্ৰকাশ হৈছিল।

তেওঁৰ ৰচনাৱলী হৈছে— অসমীয়া ৰামায়ণ সাহিত্য (১৯৪৮), অসমীয়া সাহিত্য-সেৱক ৰজনীকান্ত বৰদলৈ (১৯৪৮), এনক্ আৰ্ডেন (১৯৪৮), ধৰ্মপদ (১৯৫৭) ইত্যাদি। তেওঁ সম্পাদনা কৰা গ্ৰন্থসমূহ হৈছে কথা-গুৰু চৰিত (১৯৫২), ভক্তি-বিবেক (১৯৫৩) কথা-সাহিত্য (১৯৪০), আদৰ্শ ৰচনাৱলী আৰু বিশ্ববিদ্যালয় ৰচনাৱলী। বৃন্দাবন পাৰমাৰ্থিক বিশ্ববিদ্যালয়ৰ ত্ৰিনিমহীয়া আলোচনীত তেওঁৰ কেইটামান ইংৰাজী প্ৰবন্ধ ওলায়। ১৯৫৫ চনত আন্নামালাইত অনুষ্ঠিত অল ইণ্ডিয়া অৰিয়েণ্টেল কনফাৰেন্সত ৰামায়ণৰ অসমীয়া ভাঙৰণ সম্পৰ্কে লেখাৰুৱে এটি প্ৰবন্ধ পাঠ কৰে। তেওঁ প্ৰৱেশিকা পৰীক্ষা দিয়েই স্বামী ব্ৰহ্মানন্দ কৃত 'শ্ৰীশ্ৰীৰামকৃষ্ণ উপদেশ' পুথিখন অসমীয়া-লৈ অনুবাদ কৰে। তেওঁ কথাগুৰু চৰিতৰ কাহিনী-লৈ সহজ সৰল ভাষাত লিখা প্ৰবন্ধসমূহে জনসাধাৰণৰ মন আকৰ্ষণ কৰিছিল।

যোৰহাটত থকা এজন লোকৰ পক্ষে অধ্যাপক লেখাৰুৰ সান্নিধ্যলৈ অহা বৰ সহজ নহয়। চাকৰি জীৱনত গুৱাহাটীৰ মাজেদি অহা-যোৱা কৰোঁতে বা কেতিয়াবা আন কামত গুৱাহাটীত থাকোঁতে লেখাৰুৰ লগত আমাৰ যি চিনাকি হয় সেয়ে সদায় এচৰত

( সাতচল্লিশ পৃষ্ঠাত চাওক )

ড° সদানন্দ বেজবৰুৱা

## গৱেষণা-পৰিচালক হিচাপে অধ্যাপক লেখাৰু

অফুৰন্ত উৎসাহ আৰু অদম্য হেঁপাহ লৈ ১৯৬২ চনৰ আগষ্ট মাহত বৃন্দাবনত যিগৰাকী প্ৰশান্ত, সৌম্য ব্যক্তিৰ সান্নিধ্যত উপস্থিত হৈছিলোঁ সেই-গৰাকীয়েই আছিল অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰু। সেয়া মোৰ প্ৰথম সান্নিধ্য নহয়; কিন্তু গৱেষণাৰ দৰে গধুৰ দায়িত্ব সম্পন্ন কৰিবলৈ, তাৰ পৰিপ্ৰেক্ষিতত অহৈতুকী চিন্তা, ভয়, ভাৱনাৰ ওৰ পেলাবলৈ দেখা পাইছিলোঁ এক মূৰ্তিমান যোগসূত্ৰক।

সুদূৰ বৃন্দাবনত ১৯৫৯ চনৰপৰাই "প্ৰাচ্য দৰ্শন বিদ্যালয়"ৰ (Institute of Oriental Philosophy) 'শংকৰদেৱ আসন' (Sankaradeva Chair) অলংকৃত কৰা লেখাৰু চাৰৰ ব্যক্তিত্বত নিমজ্জিত হৈ আশাৰ বালিচৰত খোজ পেলাইছিলোঁ মানসিক প্ৰশান্তিৰ বাবে। যিমানেই ওচৰ চাপিছিলোঁ সিমানেই মোহিত হৈছিলোঁ ধৈৰ্যশীল লেখাৰু চাৰৰ ব্যক্তিত্বত। আৰম্ভ কৰিছিলোঁ এক নতুন জীৱন—গৱেষণা। বিদেশৰ আচহুৱা পৰিৱেশ সহজেই অন্তৰ্হিত হৈছিল নিৰ্জনত থকা বিদ্যালয়ৰ (Institute) শান্ত, সুস্থ পৰিৱেশত। গৱেষণাত ৰত হ'বলৈ কৰা প্ৰয়াসক সকলোৱে আদৰিছিল; সিঁহাবি দিছিল অনুকূল পৰিৱেশে। অনুপ্ৰাণিত কৰিছিল চাৰৰ আদৰ্শই। বৃন্দাবন চহৰৰপৰা অলপ আঁতৰত গোবৰ্ধনলৈ যোৱাৰ পথত অৱস্থিত এই গৱেষণা বিদ্যালয়খন (Research Institute) আশ্ৰম আশ্ৰম যেন লগা নিৰ্জন স্থানত বিদ্যা সাধনাৰ অনুকূল পৰিৱেশৰ উপযুক্ত অঞ্চলত গৱেষণা কেন্দ্ৰত অসম চৰকাৰৰ অনুদানৰ-দ্বাৰা পুষ্টিত 'শংকৰদেৱ আসন'ৰ লেখাৰু চাৰ আছিল যেন এক ব্যতিক্ৰম, ধ্যানস্থ যোগী। ধৰ্ম আৰু সাহিত্যৰ ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত আৰু বংগদেশ, পঞ্জাব আদি প্ৰদেশৰ প্ৰতিনিধিত্ব কৰা এই গৱেষণা কেন্দ্ৰত খ্ৰীষ্টিয়ানধৰ্মকো সামৰি লোৱা হৈছিল। গৱেষণাৰত ছাত্ৰসকল আছিল অসম, বংগদেশ, পঞ্জাব আৰু মাদ্ৰাজ অঞ্চলৰ। তুলনামূলকভাৱে ধৰ্মৰ বিশেষকৈ বৈষ্ণৱ ধৰ্ম-সাহিত্যৰ সমন্বয়ত। বাধিৰলৈকে, ধৰ্মীয় ৰক্ষণশীল মনোভাৱ পৰিহাৰ কৰি নিজ নিজ অঞ্চলৰ বৈষ্ণৱ ধৰ্মৰ স্বকীয় উৎকৰ্ষ সাধন কৰি ভাৰতীয় ধৰ্ম-সমাজৰ সাহিত্যৰ সুঁতিটো অব্যাহত ৰখাই এই বিদ্যালয়ৰ পবিত্ৰ উদ্দেশ্য আছিল। দুবছৰীয়া পাঠ্যক্ৰমত ধৰ্ম-সাহিত্যৰ তুলনামূলক যোগাযোগ আৰু ভাবৰ আদান-প্ৰদানৰ সাৰ্বজনীনতা আৰু সহৃদয়তাই অনুষ্ঠানৰ পবিত্ৰতাত ইন্ধন যোগাইছিল। স্বাভাৱিকতে, সহৃদয়তাত প্লাৱিত হোৱা উদাৰ লেখাৰু চাৰৰ সৌম্য ব্যক্তিত্বই অন্য অঞ্চলৰ ছাত্ৰ-শিক্ষককো প্ৰভাৱান্বিত কৰি তেওঁৰ সান্নিধ্যলৈ সহজে আকৰ্ষণ কৰিব পাৰিছিল। সঁচাকৈয়ে গৱেষণা পৰিচালক-

সকল কম-বেছি পৰিমাণে বেলেগ বেলেগ অঞ্চলৰ প্ৰতিভূস্বৰূপ।

বিদ্যালয়ৰ মাহেকীয়া চেমিনাৰত নিজ নিজ অঞ্চলৰ সাহিত্য, ধৰ্মৰ বিষয়ে প্ৰবন্ধ আদি পাঠ আৰু বিশ্লেষণৰদ্বাৰা আনকো সেই ধৰ্ম-সাহিত্যৰ সম্যক জ্ঞান দিয়াটো এটা লেখতল'বলগীয়া অংগ। জ্ঞানী-বিজ্ঞলোকৰ উপস্থিতিত উত্থাপিত হোৱা প্ৰশ্নোত্তৰ প্ৰসংগত লেখাৰু চাৰে ধৈৰ্যসহকাৰে, অমায়িকভাৱে, প্ৰাঞ্জলভাৱে বিষয়বস্তুৰ বিশ্লেষণ কৰা কাৰ্যই দৰ্শক তথা প্ৰশ্নকৰ্তাক আশাতীতভাৱে উপকৃত কৰাৰ উপৰিও অসমৰ বৈষ্ণৱ ধৰ্ম-সাহিত্যৰ প্ৰতিও সিবিলাকৰ মন টান খুৱাই দিছিল। স'চাকৈয়ে প্ৰত্যেক প্ৰদেশৰ ধৰ্ম-সাহিত্যৰ জটিলতাখিনিৰ ব্যাখ্যাৰ প্ৰয়োজন আছে আৰু এই অনুষ্ঠানে তাৰ কিছু অভাৱ পূৰ্ণ কৰাত কৃপণালি কৰা নাই। ক'বলৈ গ'লে প্ৰকৃতপক্ষে অধ্যাপক লেখাৰুৰ নিচিনা সমাহিত, শান্ত, স্থিতপ্ৰজ্ঞ ব্যক্তিৰবাবেহে যেন সেই অনুষ্ঠান বৰ্তি আছে।

বহুদিনৰপৰা সংগোপনে সাঁচি ৰখা এটা ধৰ্মীয় আকাংক্ষা পূৰণ হোৱাত লেখাৰু চাৰ অসম চৰকাৰৰ প্ৰতি কৃতজ্ঞ আছিল। সেইবাবেই বিভিন্ন প্ৰতিকূল পৰিস্থিতিতো অসীম ধৈৰ্যৰে আগবাঢ়ি যাব পাৰিছিল। অসীম ধৈৰ্যৰ প্ৰতীকস্বৰূপ ব্যক্তিত্বই আপোনা-আপুনি আনকো বুকুত সাহ বান্ধিবলৈ অনুপ্ৰেৰণা দিছিল। প্ৰত্যেক বছৰে ৬/৮ মাহ পলমকৈ পঠিওৱা অসম চৰকাৰৰ আৰ্থিক অনুদানে বিদেশত অসমীয়া ছাত্ৰ-শিক্ষকৰ কি পানীত হাঁহ নচৰা অৱস্থাত উপনীত কৰাই তাক একমাত্ৰ ভুক্তভোগীয়েহে অনুভৱ কৰিব পাৰে; কিন্তু সদা হাস্যময় লেখাৰু চাৰৰ সান্নিধ্যত এনেকুৱা অসহনীয় পৰিস্থিতিও সহজ হৈ উঠিছিল; অধ্যয়নত সাময়িক-ভাৱে বাধাগ্ৰস্ত হলেও তেখেতৰ উৎসাহ-উদ্দীপনাত পুনৰ কৰ্মোৎফুল্ল হোৱাৰ প্ৰয়াস পাইছিলোঁ।

লেখাৰু চাৰ আছিল গৱেষণাৰ এটি শক্তি-গৃহ। এটি উজ্জ্বল আলোক-স্তম্ভ। দিনটোৰ বেছিভাগ অধ্যয়নত ব্যস্ত অধ্যাপক লেখাৰুদেৱৰ লগত সময় ৰখা হেতুকে গৱেষণাৰ অগ্ৰগতি কৰিব পৰা গৈছিল। গৱেষণাৰ বাবে বিদ্যালয়ৰ সময় নিৰ্দিষ্ট আছিল; কিন্তু সময়ৰ বাধ্যবাধকতা গৱেষণাৰ ক্ষেত্ৰত কেতিয়াও প্ৰযোজ্য হোৱা নাছিল। তেখেতৰ পাণ্ডিত্যত মুগ্ধ হৈ আগ্ৰা, মথুৰা, দিল্লীৰপৰাও জ্ঞানপিপাসু ব্যক্তিসকল বৃন্দাবনলৈ আহি আলোচনাৰ অন্তত সন্তুষ্ট হৈ উভতি যোৱা দেখিবলৈ পাইছিলোঁ। অসমৰপৰা দিল্লী অভিমুখে যোৱা বহুতেই ঘূৰি অহাৰ বাটত বৃন্দাবনত সোমাই তেখেতক লগ ধৰিছিল।

গৱেষণা কৰা আৰু গৱেষণাৰ বাট দেখুওৱা দুয়োটাই দুৰূহ কাম। প্ৰথমটোতকৈ দ্বিতীয়টোত বেছি দায়িত্ববোধ, সূক্ষ্মদৃষ্টি থকাটো বাঞ্ছনীয়। সেইবাবেই লেখাৰু চাৰে গৱেষণা কৰা ছাত্ৰক প্ৰথম পৰ্যায়ৰ কাম আগবঢ়াই দিওঁতে অকল উপদেশ দিয়েই ক্ষান্ত নাথাকি হাতে-কামে লাগিছিল। বিভিন্ন লাগতিয়াল কিতাপ-পত্ৰৰ সন্ধান দিয়াৰ উপৰিও বিষয়-বস্তুৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা হাতেলেখা পুথিবো (সাঁচিপাত) যোগান ধৰিছিল। প্ৰকাশিত গ্ৰন্থ আৰু সাঁচিপাতৰ তুলনা-মূলক বিচাৰ হ'লেহে গৱেষণা সত্য উদ্ঘাটিত হয়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে বৃন্দাবনৰ গৱেষণা কেন্দ্ৰত সাহিত্যৰ বহুতো আপুৰুগীয়া সম্পদ ঠাই পাই আছে।

কৰ্ম ব্যস্ততাৰ মাজত অনাড়ম্বৰভাৱে নিজক ব্যস্ত ৰাখি ভাগৱত, ৰামায়ণ আদিৰ ওপৰত নিজৰ মন্তব্যৰে সৈতে টোকা আদি লিখি সময় কটোৱা



অধ্যাপক লেখাৰুদেৱে গৱেষণা কৰা ছাত্ৰক বিভিন্ন সহায় কৰি অনুপ্ৰাণিত কৰিছিল।

বৃন্দাবনত ধৰ্ম আৰু কৰ্ম-জীৱনৰ লগত জড়িত কৰা অধ্যাপক লেখাৰুদেৱে নিজৰ মানসিক প্ৰস্তুতি এনেদৰে তৈয়াৰ কৰি লৈছিল যে সাময়িকভাৱে হ'লেও ধৈৰ্যচ্যুত হোৱা আমাক স্থিতপ্ৰজ্ঞ হৈ সুদক্ষ নাৱিকৰদৰে বাট দেখুৱাবলৈ সক্ষম হৈছিল। প্ৰগাঢ় আস্থাৰে ভগৱানৰ ওচৰত আত্ম সমৰ্পণ কৰিব পৰা হেতুকে প্ৰতিকূল অৱস্থাতো অকণো বিচলিত নহৈ আনকো জ্ঞানগৰ্ভ উপদেশ দিব পাৰিছিল। কিছুমান কাৰিকৰি খুঁটি-নাটিৰ অভাৱত আগ্ৰা আৰু পঞ্জাব বিশ্ববিদ্যালয়ে গৱেষণা অনুমোদন নকৰি যি বিষম আৰু জটিল পৰিস্থিতিৰ উদ্ভৱ কৰাইছিল তাত লেখাৰু চাৰে অসীম ধৈৰ্যৰে সমস্যাৰ সমাধান কৰোৱাইছিল। নহ'লে হয়তো উদাৰহস্তে আগবঢ়োৱা চৰকাৰৰ অনুদান আৰু অসমৰ বাহিৰত শংকৰদেৱৰ আসনৰ জৰিয়তে অসমীয়া সাহিত্য আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ চিৰকাললৈ লোপ পাই। বিস্মৃতিৰ অতল গৰ্ভত লীন গ'লহেঁতেন। তেখেতৰ অহোপুৰুষাৰ্থ আৰু যত্নৰ ফলতেই তিনি-চাৰিজন ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰি বাহিৰত অসম আইৰ সন্মান অক্ষুণ্ণ ৰাখিছে। সঁচাকৈয়ে লেখাৰু চাৰৰ একক প্ৰচেষ্টা আৰু কৃতিত্বৰবাবে সেই বিদ্যালয়ত অসম চৰকাৰৰ-দ্বাৰা প্ৰৱৰ্তিত 'শংকৰদেৱৰ আসন'খনো তিষ্ঠি আছিল।

আন্তৰিক ইচ্ছা থকা সত্ত্বেও বাৰ্ধক্যৰ দুৰাৰ-ভঙ্গিত উপস্থিত হোৱা লেখাৰুদেৱে ১৯৭৮ চনৰপৰা শেষ ডোখৰ সময় বৃন্দাবনৰ পৰিবৰ্তে গুৱাহাটীৰ নিজ বাসভৱনত কটাবলৈ বাধ্য হয়। তেখেতৰ অৱসৰৰ লগে লগে বৃন্দাবনৰ 'শংকৰদেৱৰ আসন'ৰো স্থিতি লোপ পালে। ভাষা-জননীৰ একনিষ্ঠ সেৱক এজনে সুদূৰ বৃন্দাবনৰপৰা সাহিত্যৰ বিভিন্ন অংগ পূৰণৰ প্ৰতিশ্ৰুতি লৈ অৱশেষত নিয়তিৰ কোলাত আশ্ৰয় ল'বলগীয়া হ'ল। তেখেতৰ মৃত্যুত এজন প্ৰকৃত গৱেষণা পৰিচালকৰো অন্ত হ'ল। এনেকুৱা এজন একনিষ্ঠ, স্বাৰ্থত্যাগী, নিৰহংকাৰী, সদাহাস্যময় ব্যক্তিৰ সান্নিধ্যলৈ অহাটো সাহিত্যপ্ৰেমীসকলৰ বাবে এটি গৌৰৱময় অধ্যায় আছিল। মৃত্যুত ইয়াৰ যতি পৰিল।

ড° কেশৱানন্দ দেৱগোস্বামী

# ভাৰতীয় পৃষ্ঠভূমিত অসমৰ বৈষ্ণৱ সংগীত

সংগীতৰ তাত্ত্বিক দিশৰ আলোচনা অথবা অনুশীলনী, সাধনা আদি কাম সংগীত বিজ্ঞানী, সংগীতজ্ঞ, সংগীত তত্ত্বজ্ঞ নাইবা সংগীতানুৰাগীৰহে। তথাপি, সংগীতপ্ৰেমী বুলিবৰ সাহসো নাই যদিও, এই বিষয়টোৰ প্ৰতি হেঁপাহ, আগ্ৰহ আৰু কণমান শ্ৰদ্ধা থকাৰ বাবে আৰু শৈশৱৰেপৰা এটি বিশেষ ধাৰা চৰ্চাৰ লগত কিবা প্ৰকাৰে জড়িত থকা হেতু তালৈ অনুৰাগ জন্মিছিল।

পৃথিৱীৰ সংগীতৰ ইতিহাস মানৱৰ সমানেই প্ৰাচীন। ভূমিষ্ঠ হৈয়েই আৰম্ভ কৰা সন্তানৰ ক্ৰন্দনৰপৰা ধৰি, মাকে নিজৰ কেচুৱা নিচুকাওঁতে, বিভিন্ন অৱস্থাত দুখ-শোক, হৰ্ষ আদিৰ ভাব প্ৰকাশ কৰোঁতে, দেৱ-দেৱীৰ সন্তুষ্টিৰ অৰ্থে কৰা বিবিধ প্ৰকাৰ অনুষ্ঠান অথবা ক্ৰিয়াত, কণ্ঠৰ বিবিধ সুৰ, বাদ্যৰ ধ্বনি আৰু দেহ-ভংগীমাৰে মানুহে আদিম কালৰপৰাই অনেক প্ৰকাৰে সেই অনুভূতিসমূহ প্ৰকাশ কৰি আহিছে। এনে ধৰণে প্ৰত্যেক মানৱগোষ্ঠীৰ নিজস্ব সংগীত-সম্পদে ৰূপ লাভ কৰিছে। বৃহত্তৰ ভাৰতবৰ্ষত যেনেধৰণে অধুনা স্বীকৃত সংগীতৰ ধাৰা বা থূলৰ সৃষ্টি হৈছে, সেইদৰে আমাৰ অসমতো স্বকীয় বৈশিষ্ট্যপূৰ্ণ একোটি থূল গঢ় লৈ উঠিছে। ইয়াৰ মানদণ্ড নিৰ্ণয় কৰা অতি কঠিন কাম; বিশেষকৈ সময়ৰ সোঁতত একোটি ধাৰাই তাৰ পূৰ্বৰ লগত যোগসূ হেৰুৱাই আন আন উপাদান গ্ৰহণ কৰা আৰু কোনো বিশেষ সময়ত নিজস্ব কোনো বৈশিষ্ট্য হয়তো বৰ্জন কৰাৰ ফলত বৰ্তমান ৰূপৰ সুনিশ্চিত উৎস ধাৰ কৰাত অনেক অন্তৰায়ৰ সৃষ্টি কৰিছে। সংগীত বিষয়টোৱেই ইমান সূক্ষ্ম আৰু বৈশিষ্ট্যপূৰ্ণ যে ইয়াৰ বিবিধ ধাৰাৰ লগত সম্যক পৰিচয় আৰু অভিজ্ঞত ব্যতিৰেকে এই বিষয়ে দিয়া অভিমত, সাধাৰণ কথাত অন্ধই দিয়া হাতীৰ বিৱৰণ সদৃশ হোৱাটো একো অস্বাভাৱিক নহয়।

ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ বিবিধ ভাগ, ধাৰাৰ কথা সৰ্বজনবিদিত। বৰ্তমান ভাৰতীয় সংগীত ক্ষেত্ৰত গৱেষণাৰ কামো বৰ ভালদৰেই হোৱা বুলি ক'ব পাৰি। পাশ্চাত্য দেশৰ পণ্ডিতসকলেও ইয়া প্ৰতি বিশেষ আগ্ৰহ, অনুৰাগ দেখুৱাই ইয়াৰ ওপৰ কাম কৰি গৈছে। উত্তৰ আৰু দক্ষিণ ভাৰত বৰ্তমানৰ শাস্ত্ৰীয় পণ্ডিতসকলে দ্বিতীয় খৃষ্টাব্দৰ ভৰ মুনিৰ 'নাট্যশাস্ত্ৰ', ত্ৰয়োদশৰ সাৰ্ংগদেৱৰ 'সংগী ৰত্নাকৰ' আৰু সপ্তদশৰ দামোদৰ মিশ্ৰৰ 'সংগী দৰ্পণ'ৰপৰা সংগীত সম্বন্ধে অনেক তথ্য উদ্ঘাটি কৰিছে আৰু সেইমৰ্মে প্ৰেৰণাও প্ৰভূতভাৱে লা কৰিছে; কিন্তু সেই শাস্ত্ৰকাৰসকলৰ সম্পূৰ্ণ নিৰ্দে মানি লৈ বৰ্তমান কোনো ধাৰা সংগীতৰে ভাৰত চৰ্চা-অনুশীলন চলি আছে বুলি একে আষাৰতে ক' নোৱাৰি। আনহাতে বিভিন্ন সময়ত, ভিন ভি স্থানৰ ৰজা আৰু ৰাজন্যবৰ্গৰ পৃষ্ঠপোষকতা লা কৰি, লগতে হিন্দু আৰু মুছলমান সংস্কৃতিৰ সমন্ব ফলত ভাৰতীয় সংগীত তথা সুকুমাৰ শিল্পৰ ৰূ



সময়ে সময়ে সলনি হৈ আহিছে। এনে বিবিধ ধাৰাৰ নিজস্ব ভংগীযুক্ত ৰূপৰ মাজেদি বৰ্তমান ভাৰতীয় সংগীতৰ নৱমূল্যায়নৰ প্ৰচেষ্টা কৰা হৈছে। গতিকে অধুনা প্ৰচলিত সংগীতৰ কোনো বিশেষ ধাৰা অথবা থূলৰ বিচাৰ কৰিবলৈ যোৱাৰ আগতে তাক কোন শাস্ত্ৰমতে কৰা হৈছে সেইকথা সৰ্বপ্ৰথমতেই সুঁৱৰিব লাগিব। দুখৰ বিষয়—বৰ্তমানলৈকে কৰা অসমৰ বৰগীত, নাচ (সত্ৰৰ) আদিৰ ক্ষেত্ৰত, এ আথৰৰ প্ৰকৃত স্বৰূপ উলিয়াবৰ বা জানিবৰ অসমৰ্থজনে বৰ্ণটোক এ আৰু ও-ৰ সমষ্টি বুলি কোৱাৰ বা তত্ত্বাৱদৰেহে প্ৰায় হৈ আহিছে।

নাট্য পৰিৱেশনৰ বেলিকা সাজ-সজ্জা, ভাষা আৰু ৰুচিৰ কথালৈ লক্ষ্য ৰাখি নাট্যশাস্ত্ৰই ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰচলিত ৰীতিৰ ভাগ কৰি দেখুৱাইছে। ইয়াৰ চাৰিবিধ হৈছে— দাক্ষিণাত্যা, আৱন্তী, পাঞ্চাল-মধ্যা আৰু ওড্ৰ-মাগধী। শেষৰ ভাগৰ প্ৰচলন ভাৰতৰ পূব প্ৰান্তৰ ৰাজ্যসমূহত প্ৰচলিত; এই ৰাজ্যসমূহৰ নামৰ ভিতৰত প্ৰাচীন প্ৰাগজ্যোতিষৰো উল্লেখ আছে। প্ৰাচীন কামৰূপৰপৰাই লাস্য নৃত্য প্ৰসাৰিত হৈ গুৰ্জৰ দেশ পৰ্যন্ত পায়গৈ বুলি অভিনয় দৰ্পণত কোৱা হৈছে। এই প্ৰসংগত পুৰাণ বৰ্ণিত বাণকন্যা উষা আৰু চিত্ৰলেখাৰ কাহিনীৰ পৰম্পৰাৰ কথা প্ৰণিধানযোগ্য। ৰতিশাস্ত্ৰই প্ৰাচীন কালত এই ঠাইৰ কামিনীৰ লক্ষণ-গুণ বৰ্ণাইছে— 'গীতে বাদ্যে চ নিপুণা সা কামৰূপ কামিনী।' ইতিহাসৰ বিবিধ আহিলা, যেনে— ভাস্কৰ্য আদিয়েও অতি প্ৰাচীন কালৰপৰা অসমত এক বিশেষ ধাৰাৰ সংগীত প্ৰচলনৰ কথা জনায়। কোনো কোনো আলোচকে সেই সময়ৰ সংগীতৰ প্ৰকৃতি সম্পৰ্কে বিশেষ স্পষ্ট ধাৰণা কৰা টান বুলিছে আৰু বিষয়টোৰ কাৰণে পৰ্যাপ্ত তথ্যৰ অভাৱৰ কথা উল্লেখ কৰিছে। এই ভূখণ্ড অনেক দিনলৈকে কিৰাত-অধ্যুষিত আছিল বুলি জনা যায়; সেইবাবে প্ৰাচীন কালৰ এই অঞ্চলত সংগীতো কিৰাত-ৰীতি প্ৰধান আছিল বুলি কোনো কোনোৱে অনুমান কৰে।[1] গতিকে প্ৰাচীন কালত অসমত ব্ৰাহ্মণসকলে বৈদিক সামগান কৰিছিল বোলা কথা[2] প্ৰকৃততে উচ্ছাস প্ৰণোদিত আৰু অনুমানসাপেক্ষহে; তথ্যৰ অভাৱত সি সমৰ্থিত হ'ব নোৱাৰে।

ভাৰতৰ পূৰ্বাঞ্চলত খ্ৰীষ্টীয় অষ্টমৰপৰা দশম-একাদশ শতিকাত ৰচিত চৰ্যাগীতবোৰৰ ৰাগৰ নামে এই অঞ্চলত ৰাগ-সংগীতৰ প্ৰচলনৰ কথা সূচায়। এক বিশেষ ধাৰা সংগীতৰ প্ৰচলন হয়তো সেই কালত নিশ্চয় আছিল। এই গীতসমূহৰ ৰাগৰ ভিতৰত পাঁচোটি ৰাগৰ নাম বৰগীত আৰু ওজা-পালিৰ গীততো ব্যৱহাৰ হৈছে। বাকী বাৰটি ৰাগৰ প্ৰচলন অৱশ্যে শাস্ত্ৰীয় বৈষ্ণৱ সংগীত বৰগীতত নাই। সেইদৰে ওজাপালিৰ তেৰটি ৰাগৰ ব্যৱহাৰো বৰগীতত নাই। এটা কথা মন কৰিবলগীয়া যে নামনি অসমৰ ওজাপালি অনুষ্ঠানটি বৈষ্ণৱ অথবা সত্ৰীয়া সংগীতৰ সমান্তৰালভাৱেই বৰ্তি আহিছে। শংকৰ-মাধৱ প্ৰৱৰ্তিত সংগীতৰ ধাৰাতকৈও ওজাপালিৰ ধাৰাটি প্ৰাচীন বুলি কোনোৱে কৰা মন্তব্য একেবাৰে উলাই কৰিবলগীয়া নহয়। অৱশ্যে হাজোৰ মন্দিৰৰ নৃত্য-গীত আৰু বিয়াহ বা ওজা-পালিৰ কথা আলোচনা কৰোঁতে, হাজোৰ ঐতিহ্য যে মহাপুৰুষ শংকৰদেৱৰ মহাপ্ৰয়াণৰ পিছতহে প্ৰৱৰ্তিত হয়, সেই কথা পাহৰি যাব নালাগে। শংকৰদেৱৰ দিনৰপৰাই অসমৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ ৰাগ-সংগীতে গা কৰি উঠে। গুৰুজনাৰ অসাধাৰণ সৃজনী প্ৰতিভা আৰু সাংস্কৃতিক আন্দোলনৰ প্ৰভাৱ এনে পৰিব্যাপ্ত হৈ পৰিছিল যে তেৰাৰ পূৰ্বৰ

১। বীৰেন্দ্ৰনাথ দত্ত : অসমীয়া সংগীতৰ ঐতিহ্য, অসম সাহিত্য সভা, যোৰহাট, ১৯৭৭, পৃঃ ৬।
২। মনোৰঞ্জন শাস্ত্ৰী : 'অসমত সংগীত চৰ্চা' — ৰামধেনু, ষষ্ঠ বছৰ, প্ৰথম-দ্বিতীয় সংখ্যা।

সংস্কৃতিৰ স্বৰূপ কেনে আছিল, সেই কথা নিৰ্ণয় কৰা বৰ কঠিন।

তাম্ৰলিপি, শিলালিপি আৰু পৰিব্ৰাজকৰ টোকাবোৰৰ প্ৰাপ্ত সমলৰ ওপৰত ভেটি কৰি, অসমৰ প্ৰাচীন কালত যিকেইটি সংগীতৰ সুঁতি প্ৰবাহিত হৈ আছিছিল বুলি অনুমান কৰা হয়, শংকৰী সংস্কৃতিৰ বিশাল সমুদ্ৰত সেই তৰংগিনীসমূহ 'সোঁতৰ বেগত যেন উটি যায় অঁাজিস্বৰূপ হৈ মহাসমুদ্ৰৰ বিশালতাক আবৰি সিবোৰৰ স্বকীয় সত্তা বিলীন হৈ গৈছিল।'[৩]

মহাপুৰুষে পৰম্পৰাগত সংগীত-পদ্ধতি অনুশীলন কৰি নিজৰ ৰূপটো সমৃদ্ধ আৰু নিটোল কৰি তুলিছিল। পূৰ্বৰ জঁকাতে তেওঁ নতুন ৰূপ আৰু প্ৰাণৰস্তা দান কৰিছিল বুলি কোৱা হৈছে। সেইবুলি এই কথাও ঠিক যে শংকৰদেৱৰ সাংস্কৃতিক আন্দোলনৰ তলে পূৰ্বৰ সকলোকে চোঁচাই একাকাৰ কৰি তৎকালীন জন-সমাজৰ অন্তৰ তলিলৈকে সৰশি সি পৰৱৰ্তী কাললৈকো এক আদৰ্শৰ বিষয় হৈ পৰিছিল। পূৰ্বৰ চিন-মোকাম থকা বা নথকা বিভিন্ন সুঁতি লগ লাগি সৃষ্টি হোৱা এই মহা সুঁতিয়েই সৃষ্টি কৰে— শংকৰী সংস্কৃতিৰ অগাধ মহাসাগৰ। মহাসাগৰত নদীৰ বিবিধ সুঁতিৰ স্বকীয় অস্তিত্ব বিলোপ হোৱাৰদৰেই শংকৰ পূৰ্ব সংগীতৰ সুঁতি-সমূহো নিশ্চিহ্ন হৈ পৰিল। গতিকে ওজাপালিৰ ওজাসকলৰ আমাৰ ভাওনাৰ সূত্ৰধাৰীৰ ভূমিকা ওলোৱা বুলি ধৰাটো এটা চৌধীন খিঅ'ৰি মাথোন" বুলি কোৱা হৈছে। গীত-মাত আৰু নৃত্যৰ ক্ষেত্ৰতো এই কথাৰ ব্যতিক্ৰম হ'ব নোৱাৰে।

একাদশ-দ্বাদশ শতিকাৰ কালিকা পুৰাণ আৰু ষষ্ঠদশমানৰ ৰচনা যোগিনীতন্ত্ৰৰ উল্লেখৰদ্বাৰা ধৰিবলোৱা হয় যে অসমত প্ৰাচীন কালৰেপৰাই সংগীতৰ ব্যাপকভাৱে চৰ্চা চলিছিল; কিন্তু সেই পদ্ধতি বা ধাৰাৰ নিৰ্দিষ্ট ৰূপ কেনে আছিল তাৰ কোনো সন্ধেদ। পাবৰ উপায় বৰ্তমান নাই। সংস্কৃতি সদায় পৰিবৰ্তনশীল; গতিকে সময়ত সেই ধাৰা অথবা ৰূপবো পৰিবৰ্তন ঘটি শংকৰী ধাৰাকে পুষ্ট কৰাত সহায়ক হৈ পৰিল বুলি অনুমান কৰাটো বোধহয় অতি অসংগত নহ'ব। মহাপুৰুষৰ পিছতো আহোম স্বৰ্গদেউসকলৰ উৎসাহ উদগনি আৰু পৃষ্ঠপোষকতাত সংগীতৰ চৰ্চা, প্ৰসাৰ আৰু সমন্বয় ঘটোৱা হৈছিল। জয়ধ্বজ সিংহ, ৰুদ্ৰসিংহ আৰু শিৱসিংহ মহাৰাজৰ দিনলৈ চালেই এই কথাৰ প্ৰমাণ পোৱা যায়। শিৱসিংহৰ দিনত সৰ্বেশ্বৰী কুঁৱৰীৰ যত্নত কাৰেঙত সংগীত চৰ্চা আৰু শিক্ষাই ঠাই পাইছিল।[৪] অসমৰ কাৰণে একাৰে ই এক গৌৰৱৰ কথা যদিও, আনহাতে সংমিশ্ৰণ আৰু বহিৰাগত সংগীত প্ৰীতিয়ে পূৰ্বৰ পূতসলিলা বৈষ্ণৱ সংগীতক যে ৰঙীন আৰু পুষ্ট কৰাতকৈ ভাৰাক্তৰৰ ক্লেদ-কালিমাৰে তেজাল আৰু দুষ্ট কৰিবৰহে উপক্ৰম ঘটিছিল,[৫] সেই কথা গীত-

৩। এই সম্পৰ্কে ড° মহেশ্বৰ নেওগৰ (1) Rhythms in the Vaisnava Music of Assam ;(2) Journal of Oriental Research ; (3) Journal of the Music Academy, Madras ; (4) Presidential Address of the All India Oriental Conference, Technical Science and Fine Arts Section, 1966 ; (5) National Music Seminar, Sangit Natak Academy, New Delhi, 1975 ; (6) ৰবেৰথাত বৰগীত, গুৱাহাটী ; (7) সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল, গুৱাহাটী আদি পুথি-প্ৰবন্ধ দ্ৰষ্টব্য।

৪। সূৰ্যকুমাৰ ভূঞা : শৰাইঘাটৰ সুৰচনা, গুৱাহাটী পৃ: ৯০। ড° ভূঞাই এইকথা আৰু কেইবা ঠাইতো উল্লেখ কৰিছে।

৫। কেশৱানন্দ দেৱগোস্বামী : শংকৰোত্তৰ গীত সংকলন, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৭৯, (যন্ত্ৰস্থ), আগকথা।



মাতৰ বিসম্ৰমত, ৰস আৰু নৃত্যৰ দুই-এক ভাগৰ ভংগী আদি কথালৈ লক্ষ্য কৰিলেই ধৰিব পাৰি। ৰাধা চৰিত্ৰ আৰু বঙলুৱা যাত্ৰা আৰু অন্যান্য ঠাঁচৰ অনুপ্ৰৱেশ এই সময়ছোৱাতে ঘটে। এনে সংমিশ্ৰণত উৎসাহ দেখুৱাই কেইখনমান আঢ্যৱন্ত সত্ৰই ৰাজ অনুগ্ৰহ লাভ আৰু ৰাজভোষণৰ উদ্দেশ্যে আগভাগ লোৱাত সমৰ্থন কৰি যিসকল পঞ্চমুখ হ'ব খোজে সেইসকলেই বেজৰুৱাৰ 'মগধু চাকাৰ'। 'মনোৰঞ্জন আৰু লোকৰঞ্জনৰ উদ্দেশ্যেৰে সত্ৰই অন্ততঃ সাল-সলনি আৰু অল্প বিস্তৰ সংযোজনা কৰা'ব'[*] সমৰ্থনত আগভাগ লোৱা কথা যুক্তিযুক্ত, গ্ৰহণীয় নহয় আৰু সি সত্য উদ্দেশ্য প্ৰণোদিত নহয়। প্ৰসংগোল্লিখিত পুথিৰ শংকৰদেৱৰ ঠাইত সত্ৰ-অনুষ্ঠান দামোদৰদেৱে পত্তা বোলা কথাৰদৰেই এনে মন্তব্যয়ো লেখকৰ অসৎ মতলবকে নিৰ্দেশ কৰে। কথা হ'ল— বঙলুৱা, চৈতন্যৰ ভাব আৰু আদৰ্শই সংস্কৃতিৰ মাজেৰে সত্ৰত সোমাই অসমীয়া বৈষ্ণৱ ভাবক লণ্ড-ভণ্ড কৰাৰ প্ৰচেষ্টা কোনো মতেই উৎসাহজনক আৰু গ্ৰহণীয় হ'ব নোৱাৰে। ৰজা-মহাৰজা অথবা সংগীত-প্ৰেমীয়ে কৰা অন্য ধাৰা সংগীতৰ চৰ্চা-অনুশীলন দোষৰ কথা হ'ব নোৱাৰে সচা; কিন্তু অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ বিশিষ্ট স্বকীয় ভাৱৰ পৰিবৰ্তে পৰকীয়া ভাৱৰ প্ৰতি পৰাকাষ্ঠা দেখুৱাই, অসমৰ মহাপুৰুষ শংকৰদেৱে পাতি থোৱা সত্ৰসমূহে বঙলুৱা উপাদান গ্ৰহণ কৰি সমৃদ্ধ হোৱাৰ চেষ্টা বা কল্পনাক প্ৰশ্ৰয় দিয়াটো শুভ লক্ষণ নিশ্চয় নহয়। অসমীয়া শিল্পীয়ে ভাৰতৰ আন ঠাইৰ অথবা বাহিৰৰ অন্যান্য সকলো ভাগৰ সংগীতৰ লগতে পৰিচিত হওক, পাৰদৰ্শিতা লাভ কৰক; কিন্তু নিজৰ সম্পদ ঢোল খোল, গীত-ভাওনা পৰিহাৰ কৰি নহয়।

ভাৰতৰ অন্যান্য ধৰ্ম-সম্প্ৰদায়ৰ সাধন-ৰীতিৰ দৰেই শ্ৰীমন্ত শংকৰ প্ৰবৰ্তিত ধৰ্মও আছিল উৎসৱ প্ৰধান। নানা গীত-বাদ্য-নৃত্যৰ জৰিয়তে সত্ৰানুষ্ঠানৰ নিত্য-নৈমিত্তিক কাৰ্য সমাধা কৰা হৈছিল। নৱবৈষ্ণৱ আন্দোলনে সমগ্ৰ ভাৰতৰ বিভিন্ন প্ৰান্তত শাস্ত্ৰীয় আৰু তৎপৰ্যায়ৰ সংগীত অনুশীলনৰ পৃষ্ঠপোষকতা কৰে বুলি কোৱা হৈছে। সত্ৰ আৰু নামঘৰত দৈনন্দিন উপাসনা-প্ৰাৰ্থনাৰ বেলিকা গীত-বাদ্যৰ প্ৰচলনে সৰ্বসাধাৰণক ইয়াৰ চৰ্চা-শিক্ষাৰ পথ সুগম কৰি দিয়ে। নৃত্য বিষয়টি সত্ৰৰ দৈনিক কাৰ্য-সূচীৰ অন্তৰ্ভুক্ত নাছিল যদিও ওজা, ভাওনা আদি ৰংগানুষ্ঠানৰ সঘন প্ৰচলন আজিও নোহোৱাকৈ থকা নাই। অভিনয়-নৃত্যত নিপুণ কৰি তুলিবৰ হেতু সত্ৰ আৰু তাৰ ওচৰে-পাজৰে থকা এচাম লোকক এই বিষয়ত প্ৰশিক্ষণ দিয়া পৰাম্পৰাগত প্ৰথাৰে চলি আহিছে। ন শিকাৰু-সকলক প্ৰথমতে ভংগী শিকোৱা হয়; এনে প্ৰথম অৱস্থাৰ শিক্ষা-প্ৰণালীক 'মাটি আখৰা' বোলে। নটুৱা ল'ৰাক কীৰ্তনঘৰৰ অন্য উপযুক্ত ঠাইত নাচ শিকোৱাৰ আখৰা কৰে। খোলৰ বোল কেতিয়াবা সূত্ৰধাৰ বা ওজাজনে মুখেৰে গাই গাই নাচ শিকায়। বায়নে পিছতহে খোল লৈ পুনৰ অভ্যাস কৰোৱায়। শিকোৱা লোকজন খোল বজাব জনা হলে তেওঁ ভিতিত খোল লৈয়ো নাচ শিকায়।

প্ৰথমতে একতালিৰ ভংগীবোৰৰ নাচ শিকোৱা হয়; ভংগীৰ বাজনাবোৰ শিকাক নটুৱাৰ মুখতো আহিব লাগে; লগে লগে শিকাৰুৱে কেতবোৰ গতি, কৰণ আৰু অংগহাৰ শিকে। তাৰে কেতবোৰ নাম হ'ল— খৰপাক, পাক, মান, মান-চাললা, চিৰল, ৰহি-চিৰল, আঠুৱা, থিয় আঠুৱা, হাঁয়ৰে, থিয়ধৰ, কত্ৰাৱলী, খৰধাগৰ ইত্যাদি। আগৰ কালত তাল মহীয়া বেহাৰ নচুৱা অৰ্থাৎ বৰগীতবোৰৰ লগত হাত দি ভংগীৰে নচাটো নিয়মেই আছিল।

১। তীৰ্থনাথ শৰ্মা : আউনীআটী সত্ৰৰ বুৰঞ্জী, গুৱাহাটী।

ভাওনাৰ ঘোষা-ধেমালিত মূল বায়নজনে নিৰ্দিষ্ট হাত বা হস্তকেইটিমান ব্যৱহাৰ কৰে ; পাছত বাকী বায়নেও কৰে। ভাওনা ধৰাৰ অলপ পিছতে বায়ন-সকলে ধেমালিৰ ভাগবোৰত নাচি নাচি অহা-যোৱা কৰাক মানদিয়া বুলি কোৱা হয়। মান শব্দই ভংগী, গতি আদিক বুজায়। সত্ৰত ব্যৱহৃত প্ৰায় সকলোখিনি নাচেই ভাওনাৰ লগত জড়িত। ওজা-পালিৰ নাচ আৰু ভাদ মাহৰ নাম সামৰাৰ নাচ-খিনিহে মাথোন বেলেগ। তাৰ উপৰিও ঘেতা আৰু ছুটা নামৰ দুটি বস্তু আছে। বিয়া আদিত নোৱাওঁতে আগ চাউল দিয়াৰ সময়ত গায়ন-বায়নে ঘেতা বা ঘাত মাৰে অৰ্থাৎ বজায়। ভাওনাৰ ধেমালি অংশটো মাজে মাজে তেনেকৈ ঘেতা মাৰে। ভাওনাত কোনো চৰিত্ৰই গীতত প্ৰৱেশ বা প্ৰস্থান নকৰি, ছুটাৰ বাজনাতো সেই কাৰ্য্য কৰিব পাৰে। ধেমালি অংশত বায়নসকলে ন-বিধমান ভংগীত নাচে। ইয়াক মান-চলনা দিয়াও বোলে। কেৱল ঘোষা-ধেমালি অংশতে পাঁজিকটা, খোল কিলোৱা, জয় জয়, নক্ষত্ৰ আদি নান প্ৰকাৰৰ হাত দিয়া হয়। ৰাস-ঝুমুৰাৰ প্ৰৱেশ গীতত দুখন বেলেগ ভংগী আছে ; তাক ঝুন-ধৰা বোলা হয়। একতালিখনৰ দুখন ভংগী, ৰূপকাৰ এখন, পৰমানৰ তিনিখন আৰু জোতিৰ দহখন ভংগী আছে। ধৰণজোতিৰ দুখন ভংগী আছে। আন আন তালতকৈ পৰিতালৰ ভংগীয়েই সৰহ। ইয়াৰ এটৈকেণখন ভংগীকে চুটাৰৰ ভংগীও বোলে।

বৈষ্ণৱ সংগীতৰ খোল বা যোৱা প্ৰসংগত দুখন গুৰুঘেতা বা গুৰুঘাত বজোৱা হয়। দীঘলখন ঘেতা সদায় বজোৱা নহয় ; কোনো বিশেষ উৎসৱ— যেনে, গুৰুকীৰ্তন আদিতহে বজায়। তাৰ পাছত ৰাগ-তালনী বজায় আৰু দিনত ঝুমুৰা-ঠেলা বজায় ; গধূলি হলে পাতনি-ঠেলা আৰু বৰঠেলা বজায়। দিনৰ ভাওনাত বৰ ধেমালি আৰু ঘোষা ধেমালি ব্যৱহাৰ হয়। কেতিয়াবা ঘোষা-ধেমালি নোগোৱা-কৈয়ো দিন ভাওনাৰ পূৰ্বৰংগ অংশ সামৰে। ৰাতিৰ ভাওনাত ন-ধেমালি, চোত-ধেমালি আৰু ৰাম-ধেমালি বজায়। ধেমালিৰ অংশতে মথন চোক বজাব লাগে ; কিন্তু আনহাতে অকল বৰ ধেমালিতে সাতখন চোক বজায়। আগতে উল্লেখ কৰা 'চলনা'ৰ বাহিৰেও 'মান' কেইখনমান বায়নে বজায়। ন-ধেমালিৰ খাণ্ডী অংশলৈকে চলনা বজাই তলৰ নখনিমানত বায়নে ঘূৰি ঘূৰি নাচে : ১. এপকীয়া চিতিকা, ২. দুপকীয়া চিতিকা, ৩. সৰু যুতি, ৪. বৰ যুতি, ৫. আদ যুতি, ৬. তিনি যুতি, ৭. পাক যুতি, ৮. সৰু চলা আৰু ৯. বৰ চলা। ইয়াৰ বাহিৰেও নাম সামৰাৰ নাচত এইকেইখন মান ব্যৱহাৰ হয় : ১. উঠা খোজমান, ২. চিৰল চিতিকা, ৩. থুৰলি পিছলা, ৪. বহি চিৰল, ৫. বগলী খুটিওৱা আৰু ৬. থুৰলি পিছলা-নূপুৰ চলোৱা।

কণ্ঠ সংগীতৰ লঘুভাগত বৈষ্ণৱ সংগীত বুলিলে নাম-প্ৰসংগৰ কথাই প্ৰথমে মনলৈ আহে। প্ৰসংগীয়া নামৰ মাজৰ আৰু বাহিৰৰো দিহানাম, দিহা, বংশাৱলী বা বংশলতা আৰু ঘোষাৰ কথাই ধাইকৈ উল্লেখ কৰিব পাৰি। সাধাৰণ প্ৰসংগৰ লগত গোৱা ঘোষা বা ন-ঘোষাৰ বাহিৰেও সহিতৰা নাম আৰু ঘোষা-কীৰ্তন নামৰ প্ৰসংগত ঘোষাবোৰৰ সুৰ সলনি হয়। সেইদৰে ভাওনাৰ ঘোষা-ধেমালিতো ঘোষাৰ সুৰ পৃথক হয়। ঘোষা-প্ৰসংগৰ অন্তত কেতিয়াবা তাল-খোলেৰে যি ঘোষা গোৱা হয়, সি শাস্ত্ৰীয় বৰগীতৰ পৰ্যায়ৰ সুৰ তালত বন্ধা। বৰগীতসমূহো ওজাপালিয়ে গাওঁতে সি শাস্ত্ৰীয় পৰ্যায়ৰ পৰিবৰ্তে কেতিয়াবা অৰ্ধশাস্ত্ৰীয় বা লঘু পৰ্যায়লৈ নামি অহা চকুত পৰে। বিবিধ ভটিমা, চপয় আৰু ভাওনাৰ মাজৰ পয়াৰ, বিলাপ, একাৱলী, মুক্তাৱলী, লেছাৰি আদিৰ সুৰ এই পৰ্যায়ৰ বুলি ধৰিব পৰা যায়। ইয়াৰ বাহিৰে 'বানা', 'ধুৰা' আদিও এই ভাগতে পৰে।



ভাৰতীয় সংগীতৰ অধুনা-প্ৰখ্যাত কোনো ধাৰাবিশেষৰ লগত বৰগীতৰ আৰু নাটসমূহত প্ৰচলিত গীতৰ অসামঞ্জস্যৰ কথা মনকৰিবলগীয়া। ৰাগিণীৰে ব্যৱহাৰ নোহোৱা ক্ষেত্ৰত আৰু গায়ন পদ্ধতিতো এনে অমিল পৰিদৃষ্ট হয়। সেই বিচাৰত তত্বজ্ঞসকলে বৰগীতক উচ্চাংগ সংগীতৰ শ্ৰেণীভুক্ত কৰিছে। ধাইকৈ ৰাগ নিৰূপণ, কালবিধি, মালিতাৰ প্ৰৱৰ্তন আৰু তালৰ বৈচিত্ৰ্য ইয়াৰ মান নিৰ্ণায়ক প্ৰকৃষ্ট উপাদান। তাল-খোলৰ যোৱা প্ৰসংগত কোনো গীতকে কেৱল এটা তালত গোৱা নহয় ; যতমান আৰু ৰূপক তালহে মাথোন ইয়াৰ ব্যতি-ক্ৰম। আনকি পদ অংশ গাওঁতে তালৰ লগতে সুৰৰ বিস্তাৰ কৰি, মূল ঠাটৰো পৰিবৰ্তন ঘটোৱা কেতিয়াবা দেখা যায়। শ্ৰুতিৰ সূক্ষ্মজ্ঞান ব্যতিৰেকে এনে বিস্তাৰ আৰু আমূল পৰিবৰ্তন সম্ভৱ নহয়। বৰগীতৰ স্বৰযন্ত্ৰৰ ব্যৱহাৰ সম্পৰ্কে কমলপ্ৰিয়া আদিৰ চাৰেংদাৰৰ কথাই সেই বিষয়ে এটা ধাৰণা দিয়ে। বৰ্তমান খোল বা মৃদং আৰু তালেই ধাই বস্তু যদিও, দেখাত ই সহজ ; কিন্তু তাৰ কাৰিকৰি অতি বিচিত্ৰ। তবলা পাখোৱাজৰদৰে খোলৰ নিজা বোল আছে। তাল আদি ঘনবাদ্য, চাৰেংদা আদি তত বাদ্য আৰু কালি আদি সুষিৰ যন্ত্ৰৰ ব্যৱহাৰে বৰগীতক সুকীয়া মৰ্যাদা দান কৰিছে। ৰাগৰ ঘৰ-তোলনি, ঘোৰ-তাৰ আদিয়েও শ্ৰুতি সম্পৰ্কীয় বৈজ্ঞানিক পদ্ধতিৰ প্ৰচলন, বৰগীতৰদৰে উচ্চাংগ অসমীয়া বৈষ্ণৱ সংগীতৰ বিশিষ্ট লক্ষণ।

অসম সাহিত্য সভাৰ আসন্ন প্ৰকাশন

১। আধুনিক অসমীয়া কবিতা ঃ ড° চন্দ্ৰ কটকী

২। শ্ৰীহস্ত মুক্তাৱলী ঃ সম্পাদনা ঃ ড° মহেশ্বৰ নেওগ

৩। অসমৰ জনজাতি ঃ (পৰিবৰ্দ্ধিত সংস্কৰণ)

সম্পাদনা : ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য

৪। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য : (পৰিবৰ্দ্ধিত সংস্কৰণ)

সম্পাদনা : শ্ৰীনগেন শইকীয়া

ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য

# ভাৰতীয়-আৰ্য নদী আৰু স্থানবাচক নামত চীন-তিব্বতীয় উপাদান

০.০ ভাৰতীয় উপমহাদেশত প্ৰচলিত চীন-তিব্বতীয় তথা তিব্বত-বৰ্মা ভাষাসমূহে ভাৰতীয় আৰ্য ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দকোষ আৰু বাক্যৰীতিৰ বেলিকা কিছুমান স্বাক্ষৰ ৰাখি থৈ গৈছে। অসমীয়া, বঙলা, মৈথিলী, উৰীয়া, নেপালী আদি ভাষাত দেখিবলৈ পোৱা এনে উপাদানবোৰৰ বিষয়ে এই লেখকৰ পূৰ্ববৰ্তী প্ৰবন্ধ এটিত আলোচনা কৰা হৈছে ( ইণ্ডিয়ান্ লিংগুইষ্টিকছ, ৩৬/৩ ছেপ্টেম্বৰ, ১৯৭৫ খ্ৰীঃপৃঃ ২৫০-২৪৬, পুণা )। ইয়াৰ লগতে অসমৰপৰা অসমীয়া ভাষাত আৰু লিপিত প্ৰকাশিত 'অসমৰ জনজাতি' ( ১৯৭৫ খ্ৰীঃ ) প্ৰথম বছৰ প্ৰথম সংখ্যা আলোচনীত বৰো, ডিমাছা, মিছিং ( মিৰি ), কাৰ্বি, ( মিকিৰ ), তিওৱা (লালুং ) ৰাভা, দেউৰী আদি ভাষাৰ কিছু নিদৰ্শন প্ৰকাশিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা প্ৰকাশিত 'এ ডেছক্ৰিপ্-টিভ্ এনালিছিচ্ অব্ দি বৰ' লেংগুৱেজ্' গ্ৰন্থত ( ১৯৭৭ খ্ৰীঃ ) প্ৰকাশিত ভাষাগত তথ্য পাতিয়ে পূৰ্ববৰ্তী পণ্ডিতবৰ্গ এচ্-ঈ-পিল, সুনীতিকুমাৰ চট্টোপাধ্যায়, বাণীকান্ত কাকতি, ৰবাৰ্ট ছেফাৰ আদিৰ সমলৰ লগত আৰু কিছু ওপৰঞ্চি সন্ধেদ দাঙি ধৰিছে। ইয়াৰ ফলস্বৰূপে ভাৰতীয় আৰ্যভাষাত ব্যৱহৃত ঠাইৰ নাম আৰু নদীৰ নামৰ ক্ষেত্ৰত চীন-তিব্বতীয় উপাদানৰ বিষয়ে অধিকতৰ বিশ্লেষণ আগবঢ়াব পৰা হৈছে।

১·০ ইংৰাজী ১৮৭৯ খ্ৰীষ্টাব্দত এচ্-ঈ-পীল নামৰ পণ্ডিতজনে জাৰ্ণেল অব্ দি এছিয়াটিক ছ'চাইটী অব্ বেংগলৰ চতুৰ্থ সংখ্যাত অসম আৰু ওচৰ-চুবুৰীয়া কেইখনমান ৰাজ্যৰ নদীৰ নামৰ বৈশিষ্ট্যৰ বিষয়ে এটি প্ৰবন্ধ প্ৰকাশ কৰি অভিমত দাঙি ধৰিছিল যে দি-/তি- উপসৰ্গই অসমৰ পাহাৰী উপভাষা-বোৰত পানী বুজায়। নদীৰ নামবোৰৰ প্ৰথম অংশত পানীবাচক দি-/তি- যোগ হয় আৰু দ্বিতীয় অংশত নদীখনৰ প্ৰকৃত নাম প্ৰকাশ পায় আৰু এই দ্বিতীয় অংশটি বেছিভাগ ক্ষেত্ৰতে বৰ্ণনামূলক। উদাহৰণস্বৰূপে, নগালেণ্ডৰ তিজ্বা নামে এখন নদীৰ নামৰ প্ৰথম তি- অংশটিয়ে পানী বুজায় আৰু -জ্বা অংশটিয়ে 'সৰু' বা 'নুমলীয়া' বুজায় অৰ্থাৎ তিজ্বা মানে নুমলীয়া বা সৰু নদী। অসম আৰু উত্তৰ-পূৱ ভাৰতবৰ্ষত বৈ থকা দিহিং, দিখাং, দিব্ৰু, দিকৃৰাই, দিখৌ, দিফু, দিমৌ, দিয়ু, দিচাং, টিহু ( তিহু ), তিৰাপ্ ( টিৰাপ্ ), তিস্তা, তিপাম, টিয়ক ( তিয়ক ) আদি নৈৰ নামতো দি-/-তি উপাদান আছে; এয়া পানীবাচক উপাদান। ইয়াৰ লগত থকা দ্বিতীয় অংশটি চুবুৰীয়া চীন-তিব্বতীয় ভাষাৰপৰা অহা বৰ্ণনামূলক উপাদান তথা নদীৰ প্ৰকৃত নাম। এচ্,ঈ, পীলৰ প্ৰবন্ধত তলত নাম দিয়া ভাষাবোৰৰ পানীবাচক শব্দৰ তালিকা এনেদৰে সন্নিবিষ্ট হৈছে: লুছাই—তুই; কুমি—তুই/তু়ই; কুকি ( কাছাৰ-ত্ৰিপুৰা )—তুই; হামাৰি ( ত্ৰিপুৰা—কাছাৰ ) তুই; নগা ভাষাবোৰত তি—,চু—, আচি, আচিন্, মণিপুৰী ( মেইতেই )—ইচিং; চিংফো— ইন্‌চিন্ বা ন্‌ৎচিন্; আংগামি নগা—দ্জু, মফলা—এচি, নৃ'ৰি—আংচে; আবৰ্ ( আদি )—আচে; মিচিমি — ম'ঙ্কি; বৰ্মীদেশীয় চংতু —তী; বৰ্মাৰ পই— তে; চাওতালী ( পৰগণা ) — দাক্, ধুওাৰি — দাআ; কোলদা; মেচ —দাঃ; নেপালৰ মধৰ — দি; কছাৰী ( বৰ' ) — দাই ( দ'ই ); তিব্বতীয়—চু; টোৱাঙৰ ভুটীয়া — চিএ; মংগোলীয়—উচ্চ্; চীনা — চই, চুই, চুই, ছু।

এই তালিকাৰ লগত বৰ্তমানে প্ৰচলিত চীন-তিব্বতীয় ভাষাকেইটামানৰ পানীবাচক শব্দ দিব পাৰি:- বৰ' ( বৈজ্ঞামৰ কছাৰী )—দৈ; মিছিং ( মিৰি )— আচি; কাৰ্বি ( মিকিৰ ) —লাং; ৰাভা ( কোচ )—চিকা; তিওৱা ( লালুং )—তি; দেউৰী —জি/দি--; দিমাছা ( পাহাৰী কছাৰী )—দি। এচ্-ঈ, পীলৰ প্ৰবন্ধত তাপ্তী, ৰাপ্তী, আইতি, গোমতী আদি নদীৰ নামত থকা—তি-/-তী অংশটি, পানীবাচক বুলি পৰামৰ্শ আগবঢ়োৱা হৈছে; যদিও এইবোৰ নদীৰ কিছুমান ভাৰতবৰ্ষৰ বিভিন্ন দূৰৱৰ্তী অঞ্চলত প্ৰবাহিত হৈ আছে।

১·১ চীন-তিব্বতীয় বৰো ভাষাৰ ৰূপাংশৰপৰা তলত দিয়া নদীৰ নামবোৰ বৰ্ণনামূলক অৰ্থবাচকৰূপে বিশ্লেষণ কৰিব পাৰি:—

(১) দিবাং : দি+গাবাং, দি—পানী+গাবাং= বহল; বহল পানী বা বহল নদী।

(২) দিব্ৰু : দি+গাব্ৰু, দি=পানী+গাব্ৰু= লেতেৰা, লেতেৰা পানী বা লেতেৰা নৈ।

(৩) দিলাও/তিলাও ( ব্ৰহ্মপুত্ৰৰ নাম ): দি/তি+গালাও; দীঘল পানী বা দীঘল নদী।

(৪) দিমা : দি+বিমা : ডাঙৰ নদী বা ডাঙৰ পানী।

(৫) দিছা : দি+কিছা : সৰু নদী বা সৰু নিজৰা।

ওপৰত দিয়া নদীৰ নামৰ ওপৰত ভেঁটি কৰি কেইবাখনো নগৰ-চহৰ আৰু গাঁৱৰ নাম গঢ় লৈ উঠিছে:— দিব্ৰুগড় / ডিব্ৰুগড়, দিমাপুৰ/ডিমাপুৰ; ডিমাকুছি, দিমৌ আলি; দিছপুৰ আদি। -গড়-পুৰ, -কুছি, -আলি আদি ঠাইবাচক শব্দাংশ ভাৰতীয় আৰ্য তথা দ্ৰাবিড়ী মূলজ বুলি অনুমান হয়। দিমাছা শব্দৰ অৰ্থ ডাঙৰ নৈৰ সন্তান; এই অৰ্থত ডিমাছা বা পাহাৰী কছাৰীসকলক বুজোৱা হয়।

(৬) টিহু/দিহু শব্দৰ বড়োমূলজ দিহু/দাইহু শব্দৰ অৰ্থ হ'ল কলহ বা ঘট ( পানী অনাৰ বাবে ); টিহু নামেৰে অসমৰ কামৰূপ জিলাত এখন নদী আৰু নদীৰ পাৰত এখন সৰু চহৰ সেই নামতে গঢ় লৈ উঠিছে।

(৭) কৰতোৱা পূৰণি কামৰূপ ৰাজ্য তথা অসমৰ পশ্চিম সীমাবাচক নদীৰ নাম বুলি সংস্কৃত পুথি, বিশেষকৈ কালিকা পুৰাণ, যোগিনী তন্ত্ৰ, হৰ-গৌৰী সম্বাদ আদিত উল্লিখিত হৈছে। এই নামটিৰ পিছৰ অংশ—তোয়া মানে সংস্কৃতত নদী, পানী; চীন-তিব্বতীয়-তই,-তুই/-দাই-দুই শব্দাংশৰপৰা পিছত তোয়া/তোয় ৰূপ গঢ় লৈ উঠিছে বুলি বিশ্বাস হয়।

(৮) -শ্ৰী/-শিনি/-শিৰী শব্দাংশ চীন-তিব্বতীয় বৰো ভাষাত নাৰীবাচক স্ত্ৰী প্ৰত্যয়ৰূপে ব্যৱহৃত হয়।

সুৱনশিৰী/সোৱণশিৰী, ধনশিৰি/ধনশিৰি আদি নদীৰ নামত সুবৰ্ণ (সোণ), ধন (তুলনীয় বৰো গোদান্-নতুন) আদি শব্দৰ লগত শ্ৰী/-শিৰী/-শিৰি শব্দাংশৰ মিলন ঘটিছে। ডুনি/ডুনী নদীৰ নাম আৰু ঠাইৰো নাম; ডু-/দৈ-পানীবাচক শব্দৰ লগত -নী/-নি মানে 'দুই' বাচক যোগ হৈ দুখন নৈ বা নিজৰাৰ সংগম বুজাবলৈ ডুনি বা ডুনৈৰ সৃষ্টি হৈছে। দুধনৈ নদী আৰু ঠাইৰ নাম দৌ-দিনি বা দেওধনীবাচক বৰো শব্দৰপৰা উৎপত্তি হৈছে বুলি অনুমান কৰা হৈছে।

(২) কাৰ্বি (মিকিৰ) ভাষাৰপৰা লাং (পানী) বুজাবলৈ কলং/কলাং, লাংচিং আদি নৈৰ নামৰ উৎপত্তি মন কৰিবলগীয়া।

২.০ মাটি বা ঠাই বুজাবলৈ হা-/হে/হ-/আ-/এ- আদি শব্দ আৰু শব্দাংশ বৰো, ডিমাছা, ৰাভা, লালুং (তিওৱা) আৰু গাৰো ভাষাবোৰত ব্যৱহৃত হয়; মিচিংত -আমং, কাৰ্বিত লংলে শব্দই মাটি বুজায়। বৰো ভাষাত লামা, মিচিংত লাম্বে, কাৰ্বিত তোৰাব্, ৰাভা আৰু তিওৱাত লাম্ শব্দই বাট-পথ, ৰাস্তা সূচায়। উত্তৰ-পূব ভাৰত বা তথা অসমৰ ঠাইৰ নাম, নগৰ-গাঁৱৰ নাম কিছুমান মাটি বা ঠাইবাচক শব্দাংশৰ সংযোগত গঢ় লৈ উঠিছে:— হাজো (হাজৌ), হাকুমা (হা থৌমা); হাওৰা হোৱা/হাব্ৰাপ্); অসম/আসাম (হাচাম্/হাশান্); হাদিৰাচকী (হা+গিদিৰা (ডাঙৰ) +চকী); আগ্ৰা (হাগ্ৰা-জংঘল, হা গোৰা টান মাটি), আগৰতলা (হাগ্ৰাতলা), হাগ্ৰাজুলি, হাব্ৰাঘাট/হাওৰাঘাট, হাফলং, হাবাং (হা+গোবাং—বহল), হেকেৰা (হাগ্ৰা) আগ্ৰা, আজাৰা, হুগ্ৰিজান, হুগ্ৰিজুলি; হুগলি, হুব্লি আদি উল্লেখযোগ্য। এই সম্পৰ্কত বাণীকান্ত কাকতিৰ গ্ৰন্থৰ উপৰিও পৰৱৰ্তী গৱেষণা আৰু বিশ্লেষণবোৰলৈ আঙুলিয়াই শব্দগঠনৰ ব্যাখ্যা দিব পাৰি।

উদাহৰণস্বৰূপে, হাওৰা/হাব্ৰা শব্দৰ গঠনত হা মানে মাটি, -গোৰা (টান), গোৱাপ্/-গোৱাৰ্ (কঠিন) শব্দাংশৰ সংযোগ ঘটিছে। হাগ্ৰা মানে জংঘল বা অৰণ্য শব্দই হাগ্ৰা, আগ্ৰা, হাগ্ৰাজুলি, আগৰতলা আদি শব্দ গঠনত ইন্ধন যোগাইছে। হাৰ মানে খাল, গাঁত—ইয়াৰ যোগত আগ্ৰা, আগ্ৰাচ'ক, আগ্ৰা-সুৰাদি আদি নামৰ গঠনলৈ আঙুলিয়াব পাৰি।

২.১ ৰামদিয়া (লামাদৈয়া=বাটেই পানী), ৰামপুৰ (লাম্ফুৰ), লাম্ছা, মিজোৰাম, লামডিং আদি শব্দত থকা লাম্, লা,-ৰাম শব্দাংশৰ অৰ্থ ৰাস্তা, বাট। তামোলবাচক গোই/গয় শব্দৰ সংযোগত গুৱাহাটী (গয়হাটী), গয়া, কৈহাটী, গুৱাকুছি, গোৱা আদি ঠাইৰ নাম গঢ় লৈ উঠিছে। মিচিংত গয়, কাৰ্বিত কৱে আৰু খাচিভাষাত কৱে/ক'ই শব্দই তামোল বুজায়। -হাটী, -কুছি আদি ঠাইবাচক শব্দাংশৰ সহযোগত উত্তৰ-পূব ভাৰতবৰ্ষত বহুত ঠাই, গাঁও-নগৰৰ নাম গঢ়ি উঠিছে।

ধান, চাউল বুজোৱা মাই, মাইবং আদি তিব্বত-বৰ্মী শব্দৰ সংযোগত মাইবাং (মাই-ধান, গোবাং-বহল), মাইবং, মাইবংপুৰ, মৌৰিবাং/মইবাং আদি ম-পূৰণি নগৰ-ঠাইৰ নাম গঢ় লৈ উঠিছে। শিয়ালদহ/শিয়ালদহা, পাটিলদহা/পাটিলদহ আদি ঠাইৰ নামৰ দহ/দহা অংশটি চীন-তিব্বতীয় দৈ বা দক দৈবাচক শব্দৰ সংযোগত নতুবা দৈ (পানী) আৰু হা (মাটি)ৰ যোগত গঢ় লৈ উঠিব পাৰে। ডুমুনীচকী শব্দটি দৈমা বা ডাঙৰ নদীৰ পাৰৰ চকী; হাদিৰাচকী হাদিৰাৰ (ডাঙৰ মাটি বা পাহাৰৰ টিপ) ওপৰত পতা চকী বুলি বৰ্ণাব পাৰি।

থৈ/থাই ফলবাচক শব্দৰপৰা থেকেৰাকুছি



ঠাকুৰকুছি বা থাইগিৰকুছি থেকেৰা টেঙা, থাইগিৰ্ (ঔটেঙা) আদি শব্দৰ সংযোগত গঢ় লৈ উঠিছে। গছবাচক ফাং, ফিফাং শব্দৰপৰা হেৰ-ফাংগুৰি, লাই-ফাংগুৰি আদি আৰু পাহাৰ-বাচক হাজো/হাজ' শব্দৰপৰা হাজো, হাজ্বাৰাৰী, হাজাবিৰাগ, দাউথু-হাজা আদিৰ উৎপত্তি হৈছে।

৩.০ নদীৰ নামৰপৰা সাধাৰণতে ঠাইৰ নাম বা নগৰৰ নামৰ উৎপত্তি হোৱা দেখা যায়। টিহু টিয়ক, ডিহু, ডিমৌ, দৈয়াং আদি নদীৰ নামে ঠাইৰ নামবো সৃষ্টি কৰিছে: কেতিয়াবা দিচাংমুখ, ধনশিৰীমুখ, ডিমুৰচ'ক, ডিমৌ চাৰিআলি আদি ৰূপ পাইছে। ব্ৰহ্মপুত্ৰ বা লৌহিত্যৰ বৰো নাম লাও-তি/লাওদাই অৰ্থ—দীঘলনদী। লাও-তি/লাওদাই শব্দটিয়ে পৰৱৰ্তী কালত সংস্কৃতকৰণ কৰি লৌহিত্য হোৱা বুলিও পণ্ডিতসকলে কয়। ব্ৰহ্মপুত্ৰ নামটি বিষ্ণুপ্ৰসাদ ৰাভাই বুলুমবুথুৰ শব্দমূলজ বুলি কৈছিল। সুনীতিকুমাৰ চট্টোপাধ্যায়ে বুলুমবুথুৰৰপৰা সংস্কৃতৰূপ ব্ৰহ্মপুত্ৰ হোৱা বুলি ব্যাখ্যা দিছে। মাৰ্কিন পণ্ডিত ৰবাৰ্ট শেফাৰে অংগ, বংগ, কলিংগ আদি পুৰণি অষ্ট্ৰিক ৰূপৰ পৰৱৰ্তী সংস্কৃতকৰণ বুলি কৈছে। আং মানে বৰো ভাষাত নিজক বুজায়, বাং বা গোবাং মানে বহল; অষ্ট্ৰিক-চীন-তিব্বতীয় অৱস্তৰৰ ওপৰত ভাৰতীয় আৰ্য সংস্কৃতৰ স্তৰ পৰি উত্তৰ-পূব ভাৰতবৰ্ষ তথা অসমৰ ঠাইৰ নাম, নদীৰ নাম আদি যুগে যুগে পৰ্যায়ক্ৰমে সৃষ্টি হৈছে। ভাৰতবৰ্ষত প্ৰাক্-আৰ্য আৰু প্ৰাক্-দ্ৰাবিড়ী বসতিৰ আগতে অষ্ট্ৰিক (নিষাদ) আৰু মংগোলয়ড্ (কিৰাত) বসতিমূলক প্ৰভাৱে জনগণৰ জীৱনধাৰাৰ লগতে ঠাইৰ নাম, নদীৰ নাম, গাঁও-নগৰৰ নামকৰণত স্বাক্ষৰ ৰাখি গৈছে।

সাধাৰণতে ভাৰতীয় আৰ্য বুলি ব্যৱহৃত হৈ থকা ঠাইৰ নাম, নদীৰ নামবোৰৰ গঠনত অষ্ট্ৰিক, দ্ৰাবিড়ী আৰু চীন-তিব্বতীয় প্ৰভাৱ স্তৰ অনুযায়ী অৰ্থাৎ বসতিৰ বুৰঞ্জী অনুসৰি পৰিব পাৰে। এই বিষয়টি ব্যাপক: বিদেশী আৰু দেশী পণ্ডিতসকলে বিভিন্ন দৃষ্টিৰে এই বিষয়ৰ পৰ্যালোচনা কৰিছে। এই প্ৰবন্ধত মাত্ৰ কেইটামান ইংগিত দি উত্তৰোত্তৰ আলোচনা-বিলোচনাৰ বাবে বাট মুকলি কৰাহে হৈছে।

—

শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

# হেমচন্দ্ৰ বৰুৱা আৰু অসমীয়া জেঁাটনি

অসমীয়া ভাষাৰ জেঁাটনি আগতে সংস্কৃতীয়া নাছিল, হেমচন্দ্ৰ বৰুৱাইহে (১৮৩৫-৯৬) সংস্কৃতীয়া কৰিলে, এনে এটা ধাৰণা কিছুমান অসমীয়া সাহিত্যিকৰ মনত সোমাই আছে। ১৯৭৮ চনৰ অক্টোবৰৰ শেষ সপ্তাহত পাঠশালাত হোৱা অসম সাহিত্য সভাৰ ৬ষ্ঠ লেখক-শিবিৰ উপলক্ষে প্ৰকাশিত স্মৃতি-গ্ৰন্থ "বজালী বিচিত্ৰা"ৰ "এখনি চিঠি" নামেৰে এক লিখনীত ড° মহেশ্বৰ নেওগে তেনেকুৱা ভাব এটাকে প্ৰকাশ কৰিছে :

১। "হেমচন্দ্ৰ বৰুৱাই সংস্কৃত শব্দ ভাগি নতুন ৰূপ লোৱা অসমীয়া শব্দ অৰ্থাৎ তদ্ভৱ শব্দবোৰ লেখোঁতে তাৰ হ্ৰস্ব-দীৰ্ঘ,-দন্ত্য-মূৰ্ধণ্য (? মূৰ্ধন্য) আদি সংস্কৃতৰ ফালে দৃষ্টি ৰাখি নিৰ্ণয় কৰিছিল। এইটো ঘোৰ ভুল নীতি।" (পৃ. ০.১৩)।

২। "হেমচন্দ্ৰৰ ব্যাকৰণ অভিধানে অসমীয়া ভাষাৰ যি ৰূপ স্থিৰ কৰি দিলে, সি যে অবাস্তৱ, এই কথা বুজিবলৈ পুৰণি পুথিৰ বৰ্ণবিন্যাস নিষ্ঠাৰে অধ্যয়ন কৰিব লাগিব।" (পৃ. ০.১৪)।

৩। "হেমচন্দ্ৰ বৰুৱাই "বিয়াকৰণ" লেখি কৈ থৈ গৈছে, 'অসম'ত 'ঈয়া' প্ৰত্যয় লাগি আমি অসমীয়া-বোৰ হৈছোঁ। ...... এজন মানুহৰ খেয়ালত এইভাৱে আমাৰ ভাষাৰ অভিনৱ ৰূপ ॥" (পৃ. ০.১৫)।

আনে এইদৰে লিখা হলে মন্তব্যকেইটা আওকাণ কৰিব পৰা গ'লহেঁতেন ; কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভূতপূৰ্ব গুৰিয়াল আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিৰদৰে দায়িত্বশীল পদত অধিষ্ঠিত ড° নেওগৰ এই মন্তব্য তিনিটা পৰীক্ষা কৰি চাবলগীয়া।

প্ৰথম মন্তব্যটোৰ দুটা অংশ আছে— (ক) হেমচন্দ্ৰ বৰুৱাই তদ্ভৱ শব্দবোৰ লেখোঁতে (? লিখোঁতে) হ্ৰস্ব-দীৰ্ঘ, দন্ত্য-মূৰ্ধন্য আদি সংস্কৃতৰ ফালে দৃষ্টি ৰাখি নিৰ্ণয় কৰিছিল, (খ) এইটো ঘোৰ ভুল নীতি।

হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ সংস্কৃতীয়া জেঁাটনি পোন প্ৰথমে কৰিছিল নে? ইয়াৰ আগতে নাছিল নে? বৰুৱাই ১৮৫৯ চনত "অসমীয়া ব্যাকৰণ" লিখে। তেখেতে ১৮৮৬ খ্ৰীষ্টাব্দত "অসমীয়া ল'ৰাৰ ব্যাকৰণ", ১৮৯২ চনত "পঢ়াশলীয়া অভিধান", ১৮৯৯ চনত "সংক্ষিপ্ত হেমকোষ" ছপাই উলিয়ায়। মৃত্যুৰ পিছত ১৯০০ চনত তেখেতৰ কীৰ্ত্তিস্তম্ভ "হেমকোষ" প্ৰকাশ হয়। অৰ্থাৎ ১৮৫৯ খ্ৰীষ্টাব্দৰ আগলৈকে অসমীয়া জেঁাটনিত হেমচন্দ্ৰ বৰুৱাৰ প্ৰভাৱ নাছিল।

ড° নেওগৰদ্বাৰা সম্পাদিত "প্ৰাচ্য-শাসনাৱলী"ৰ (১৯৭৪) তামৰ আৰু শিলৰ ফলিবোৰত যিবোৰ তদ্ভৱ শব্দৰ জেঁাটনি পোৱা হৈছে, সেইবোৰ ১৬১১





খ্ৰীষ্টাব্দৰপৰা ১৮৮১ খ্ৰীষ্টাব্দৰ ভিতৰৰ। স্বাভাৱিকতে সেইবোৰত হেমচন্দ্ৰ বৰুৱাৰ জেঁাটনিৰ প্ৰভাৱ পৰিছে বুলিব নোৱাৰি। সেইবোৰত সংস্কৃতৰ হ্ৰস্ব-দীৰ্ঘ, দন্ত্য-মূৰ্ধন্যবোৰ শুদ্ধৰূপ কৰি লিখোঁতে কেনেকৈ লিখিছিল? ড° নেওগে হ্ৰস্ব-দীৰ্ঘ আৰু দন্ত্য-মূৰ্ধন্য শব্দেৰে ই, ঈ ; উ, ঊ ; ত, থ, দ, ধ, ন, স ; ট, ঠ, ড, ঢ, ণ, ষ-কে বুজাইছে। তলত সংস্কৃত শব্দবোৰৰপৰা হোৱা তদ্ভৱ শব্দবোৰৰ হ্ৰস্ব-দীৰ্ঘ আৰু দন্ত্য-মূৰ্ধন্য বৰ্ণবোৰৰ এটি আলোচনা কৰা হ'ল। (ইয়াত সাংকেতিক আখৰেৰে ফলিখনৰ নাম, তাৰ পাছত থকা সংখ্যাৰে "প্ৰাচ্য-শাসনাৱলী"ৰ পৃষ্ঠা সংখ্যা, সক বন্ধনীৰ পাছত থকা সংখ্যাৰে ফলিখনৰ ৰচনা খ্ৰীষ্টাব্দ, তাৰ পাছত "হেমকোষ"ত (১৯৬৫) থকা জেঁাটনি দেখুৱা হৈছে ; যেনে— সং অগ্ৰহায়ণ ; ফ. আঘণ, বাঁ ৬ (১৬৬৭ খ্ৰী: ) ; হে. আঘণ। ইয়াৰ অৰ্থ হ'ল সংস্কৃতৰ অগ্ৰহায়ণ শব্দটো ১৬৬৭ খ্ৰীষ্টাব্দত লিখা বাঁহগড়ীয়া বুঢ়াগোহাঁই বণ-জয়ৰ শিলৰ ফলিৰ "প্ৰাচ্য শাসনাৱলী"ৰ ৬ পৃষ্ঠাত উদ্ধৃত পাঠমতে আঘণ আৰু "হেমকোষ"তো হেমচন্দ্ৰ বৰুৱাই আঘণ বুলিয়েই জেঁাটনি নিৰ্ণয় কৰিছে। ফলিবোৰৰ সাংকেতিক আখৰৰ পূৰা ব্যাখ্যা প্ৰবন্ধৰ শেষত দিয়া হৈছে।

### হ্ৰস্ব-দীৰ্ঘৰ বিশ্লেষণ

(০১) সং ই > ফ. ই ; যেনে :—

সং কাৰ্ত্তিক > ফ. কাতি —, বে. ৬৫ (১৭৭৭ খ্ৰী: ) ; হে. কাতি ;

সং তিক্ত > ফ. তিতা, কা. ১০ (১৭১৫ খ্ৰী:) ; হে. তিতা ;

সং নিত্য > ফ. নিতে, কে. ১৩১ (১৭৮৩ খ্ৰী:) ; হে. নিতে ;

সং পিত্তল > ফ. পিতল—, আই. ৯২ (১৮২২ খ্ৰী:) ; হে. পিতল ;

সং স্ফটিক > ফ. ফটিক—, সত্ৰ ৮৬ (১৭৯৯ খ্ৰী:) হে. ফটিক ;

সং বৰ্তি > ফ. বত্তি, পৃ. ৪৪ (১৭৫৩ খ্ৰী: ) ; হে. বত্তি ;

সং মৃত্তিকা > ফ. মাটি, ব. ১২(১৭১৭ খ্ৰী:), পা ১৩ (১৭১৭ খ্ৰী:), সি ১৭ (১৭২৩ খ্ৰী:), দে. ২১ (১৭৩৪ খ্ৰী:), সু ২৭ (১৭৩৮ খৃ:), কো.৩৩ (১৭৪২ খ্ৰী:) ; হে. মাটি ;

সং বাত্ৰি > ফ. বাত্তি, হ ৪ ৬ (১৭৫৫ খ্ৰী: ) হে. বাত্তি ;

সং চত্বাৰি > ফ. চাৰি, সি ১৭ (১৭২৩ খ্ৰী:) ;হে. চাৰি ;

(০২) সং ঈ > ফ. ঈ ; যেনে—

সং জীৱ > ফ. জীউ, কা. ১১ (১৭১৫ খ্ৰী:), শ. ৮০ (১৭৯৯ খ্ৰী:) ; হে. জীউ ;

সং কুমাৰী > ফ. কুঁৱৰী, দেহ. ৯১ (১৮২১ খ্ৰী:) ; হে. কুঁৱৰী ;

সং পুষ্কৰিণী > ফ. পুখুৰী, পৃ. ৪৪ (১৭৫৩ খ্ৰী:) ; হে পুখুৰী ;

সং ৰাটী > ফ. বাৰী, সি. ১৭৮ (১৭২৩ খ্ৰী:), চ. ৫৮ (১৭৬৫ খ্ৰী:) ; হে. বাৰী ,

সং পানীয় > ফ. পানী, সি. ১৭৮ (১৭২৩ খ্ৰী:) ; হে. পানী ;

(০৩) সং উ > ফ. উ ; যেনে—

সং কুমাৰী > ফ. কুঁৱৰী, দেহ. ৯১ (১৮২১ খ্ৰী:) ; হে. কুঁৱৰী ;

সং পুষ্কৰিণী > ফ. পুখুৰী, পৃ. ৪৪ (১৭৫৩ খ্ৰী:) ; হে. পুখুৰী ;

সং মুক্তা > ফ. মুকুতা, বৰ ২২ (১৭১২ খ্ৰী:) ; হে. মুকুতা ;

সং ঠক্কুৰ > ফ. ঠাকুৰ, বিশ্ব ১২৬ (১৭৭৪ খ্ৰী:) ; হে. ঠাকুৰ ;

সং ফাল্গুন > ফ. ফাগুন, চ ৫৮ (১৭৬৫ খ্ৰী:), আউ ৭৭ (১৭৮৯ খ্ৰী:) ; হে. ফাগুন ;

(০৪) স উ> ক.উ ; যেনে—

সং চূৰ্ণ > ক. চুণ, বৰ ২৩ (১৭৩৫ খ্ৰী:) ;
হে. চুণ ;
সং পূৰ্ব > ক. পুব, কো ৬৩ (১৭৪২ খ্ৰী:) ; হে.
পুব ;

দন্ত্য-মূৰ্দ্ধন্যৰ বিশ্লেষণ

(০৫) সং ত > ক. ত ; যেনে—

সং তাম্ৰ > ক. তাম—, স. ৫৩ (১৭৬৪ খ্ৰী:) ;
হে. তাম ;
সং তাম্বূল > ক. তামোল, হ. ৪৬ (১৭৫৫ খ্ৰী:) ;
হে. তামোল ;
সং তিক্ত > ক. তিতা, কা. ১০ (১৭১৫ খ্ৰী:) ;
হে. তিতা ;
সং ত্ৰীণি > ক. তিনি, দেহ. ৯১(১৮২১ খ্ৰী:) ;
হে. তিনি ;
সং ত্ৰয়োদশ > ক. তেৰ, বাউ ৮৭ (১৮১৬ খ্ৰী:) ;
হে. তেৰ ;
সং তৈল > ক. তেল, হ. ৪৬,৪৭(১৭৫৫ খ্ৰী:) ;
হে তেল ;
সং আত্ম > ক. আত্তা, শ. ৮০ (১৭৯৯ খ্ৰী:) ;
হে. আত্তা ;
সং কাৰ্ত্তিক > ক. কাতি-, বে. ৬৫ (১৭৭৭ খ্ৰী:);
হে. কাতি ;
সং নপ্তৃক > ক. নাতি, পাট ৬১ (১৭৭২ খ্ৰী:) ;
হে. নাতি ;
সং পিত্তল < ক. পিতল-, আই ৯২ (১৮২২ খ্ৰী:) ;
হে. পিতল ;
সং বৰ্ত্তি > ক. বত্তি, পু. ৪৪ (১৭৫৩ খ্ৰী: আ.
৬৯ (১৭৮০ খৃ:), হে. বত্তি ;
সং ভক্ত > ক. ভকত, ব. ১২ (১৭১৭ খ্ৰী:), সি
১৭ (১৭২৩ খ্ৰী:), বৰ ২২, ২৩ (১৭৩৫ খ্ৰী:),
সং ৮২ (১৮০০ খ্ৰী:) ; হে. ভকত ;
সং আস্তৃত > ক. ভতিকা-, দে ২১ (১৭৩৪ খ্ৰী:),
বৰ ২২ (১৭৩৫ খ্ৰী:) ; হে. ভতিকা ;
সং ভক্ত > ক. ভাত, লি. ৮৯ (১৮২১ খ্ৰী:) ;
হে. ভাত ;
সং অভ্যন্তৰ > ক. ভিতৰ, সত্ৰ ৮১ (১৭৯৯ খ্ৰী:) ;
ত্ৰ ৮২ (১৮০০ খ্ৰী:) ; হে. ভিতৰ ;
সং মুক্তা > ক. মুকুতা, বৰ ২২ (১৭৩৫ খ্ৰী:) ;
হে. মুকুতা ;
সং বাৰ্ত্তি > ক. বাত্তি, হ. ৪৬ (১৭৫৫ খ্ৰী:) ;
হে. বাত্তি ;
সং সপ্ত > ক. সাত—, ত্ৰ. ৮২ (১৮০০ খ্ৰী:) ;
লি. ৮৯ (১৮২১ খ্ৰী:) হে. সাত ;
সং হস্ত > ক. হাত, বৰ ২২ (১৭৩৫ খ্ৰী:) ;
হে. হাত ;

(০৬) সং থ > ক. থ ; যেনে :—

সং স্থান > ক. থান, ব. ১২ (১৭১৭ খ্ৰী:), পা ১২
(১৭১৭ খ্ৰী:) ; হে. থান ;
সং স্থা > ক. থাকিবা, লি. ৮৯ (১৮২১ খ্ৰী:) ;
হে. থাক্ ;

(০৭) সং দ > ক. দ. ; যেনে :—

সং দশ > ক. দহ. নদ ১১৬ (১৭৩৮ খ্ৰী:); হে. দহ ;
সং দ্বে > ক. দুই, পু. ৪৪ (১৭৫৩ খ্ৰী:) ; হে. দুই ;
সং দ্বাৰ > ক. দুৱাৰ, দু. ১৪৮ (১৮২০ খ্ৰী:) ;
হে. দুৱাৰ ;
সং দ্বিপ্ৰহৰ > ক. দুপৰ—, হ ৪৭ (১৭৫৫ খ্ৰী:) ;
হে. দুপৰ ;
সং আৰ্দ্ৰক > ক. আদা, হ ৪৬ (১৭৫৫ খ্ৰী:) ;
হে. আদা ;

(৮) সং ধ > ক. ধ ; যেনে :—

সং মেধ: > ক. মেধি, কা. ১১ (১৭১৫ খ্ৰী:), ব.
১২ (১৭১৭ খ্ৰী.), সি. ১৭ (১৭২৩ খ্ৰী:) ;
হে. মেধি ;
সং শোধ, > ক. শোধা—, দেহ ৯১ (১৮২১ খ্ৰী:)
হে. শোধা ;



(০৯) সং ন > ক. ন ; যেনে :—

সং নপ্তৃক > ক. নাতি, পাট ৬১ (১৭৭২ খ্ৰী:) ;
হে. নাতি ;
সং নিত্য > ক. নিতে, কে. ১৩১ (১৭৮৩ খ্ৰী:) ;
হে. নিতে ;
সং নদী > ক.—নৈ, কাদা. ৫৯ (১৭৫৯ খ্ৰী:) ;
হে. নৈ,
সং স্থান > ক. থান, ব ১২ (১৭১৭ খ্ৰী:) ; পা.
১২ (১৭১৭ খ্ৰী:) ; হে. থান ;
সং ফাল্গুন > ক. ফাগুন—, চ ৫৮ (১৭৬৫ খ্ৰী:),
আউ ৭৭ (১৭৮৯ খ্ৰী:) ; হে. ফাগুন ;
সং ৰঞ্জন > ক. বেঙেনা, বৰ ২২ (১৭৩১ খ্ৰী:) ;
হে. বেঙেনা ;
সং চিহ্ন > ক. চিন, দ ৩৮ (১৭৭৯ খ্ৰী:) ; হে.
চিন ;

(০১০) সং স > ক. স ; যেনে :—

সং গোস্বামী > ক. গোসাঁই, কে ১৩১(১৭৮৩ খ্ৰী:);
হে. গোসাঁই ;
সং সপ্ত > ক. সাত, ত্ৰ ৮২ (১৮০০ খ্ৰী:), লি.
৮৯ (১৮২১ খৃ:) ) হে. সাত ;
সং স্বৰ্ণকাৰ— > ক. সোণাৰি, দক্ষি ৭২
(১৭৮৫ খ্ৰী:) ; হে. সোণাৰি ;

(০১১) সং ট > ক. ট, যেনে :—

সং টঙ্ক > ক. টকা শ. ৮০ (১৭৯৯ খ্ৰী:) ; হে.
টকা ;
সং ঘট্ট > ক. ঘাট, অ. ৩১ (১৭৩৯ খ্ৰী:) ; কো. ৫২
(১৭৪২ খ্ৰী:) ; হে. ঘাট ;
সং স্ফটিক > ক. ফটিক, সত্ৰ ৮৬ (১৭৯৯ খ্ৰী:) ;
হে. ফটিক ;
সং ৱটী > ক. ৱটিয়া, পাট ৬২ (১৭৭২ খ্ৰী:) ; হে.
ৱটিয়া ;
সং হট্ট > ক. হাট, গু ৩২ (১৭৪২ খ্ৰী:), লি. ৮৯
(১৮২১ খ্ৰী:), আই ৯২ (১৮২২ খ্ৰী:) ; হে. হাট ;

(০১২) সং ঠ > ক. ঠ ; যেনে :—

সং ঠক্কুৰ > ক. ঠাকুৰ, বিশ্ব ১২৬ (১৭৭৪ খ্ৰী:) ;
হে. ঠাকুৰ ;
সং কাষ্ঠ > ক. কাঠ-, বিশ্ব ১২৬ (১৭৭৪ খ্ৰী:) হে.
কাঠ ;
সং জ্যেষ্ঠ > ক. জেঠ, কো. ৫৩ (১৭৪২খ্ৰী:), বজা
১১৯ (১৭৪২ খ্ৰী: ) ; হে. জেঠ ;

(০১৩) সং ড > ক. ড ; যেনে :

সং ডিঙ্গৰ > ক. ডেকা, বৰ ২৩ (১৭৩৫ খ্ৰী:) হে.
ডেকা ;
সং ডামৰ— > ক. ডাঙ্গৰীয়া, সত্ৰ ৮৫(১৭৯৯ খ্ৰী:) ;
হে. ডাঙ্গৰীয়া ;

(০১৪) সং ঢ ; ক. ঢ যেনে :—

সং ঢোল- > ক. ঢুলীয়া, উ ১৮১ (১৭০৯) ; হে.
ঢুলীয়া ;

(০১৫) সং ণ > ক. ণ ; যেনে :—

সং অগ্ৰহায়ণ > ক. আঘণ, ধাঁ ৬ (১২৬৭ খ্ৰী:) ;
হে. আঘণ
সং চূৰ্ণ > ক. চুণ—, বৰ ২৩ (১৭৩৫ খ্ৰী:) হে. চুণ ;
সং পৰ্ণ > ক. পাণ, হ ৪৬ (১৭৫৫ খ্ৰী:) ; হে পাণ
সং ঘৃণা > ক. ঘিণ—, দু ১৪৮ (১৮২০ খ্ৰী:) ; হে.
ঘিণ ;
সং লৱণ > ক. লোণ, প্ৰা. ৫৬ (১৭৬২ খ্ৰী:) ; হে.
লোণ ;

(০১৬) সং ষ > ক. ষ ; যেনে :—

সং আষাঢ় > ক. আষাৰ, দে. ২১ (১৭৩৪ খ্ৰী:) ;
সং কৃষ্ণ — > ক. কৃষ্ণাই, বে ৬৫ (১৭৭৭খ্ৰী:) ;

তালব্যৰ বিশ্লেষণ

(০১৭) সং শ > ক. শ ; যেনে :—

সং শত > ক. শ, বাউ ৮৭ (১৮১৬ খ্ৰী:) ; হে. শ ;
সং শাল্মলি > ক. শিমলু, চ ৬০ (১৭৬৫ খ্ৰী:), হৰি
৭৩ (১৭৮৭ খৃ:) ; হে. শিমলু ;
সং শোধ > ক. শোধা, দেহ ৯১ (১৮২১ খ্ৰী:) ;
হে. শোধা ;

(০১৮) সং চ > ফ. চ ; যেনে :—

সং চূৰ্ণ > ফ. চূণ, বৰ ২৩ (১৭৩৫ খ্ৰী:) ; হে. চূণ

সং চক্ৰাৱি > ফ. চাৰি, সি ১৭ (১৭২৩ খ্ৰী:) ; হে. চাৰি ;

সং চিহ্ন > ফ. চিন, দ ৩৮ (১৭৪৯ খ্ৰী:) ; হে. চিন ;

(০১৯) সং ছ > ফ. ছ ; যেনে :—

সং গচ্ছ > ফ. গছ, থাওা ৪৫ (১৭৫৫ খ্ৰী:) ; হে. গছ ;

(০২০) সং জ > ফ. জ ; যেনে—

সং জ্যৈষ্ঠ > ফ. জেঠ, কো. ৩৩ (১৭৪২ খ্ৰী:), বদা ১১৯ (১৭৪২ খ্ৰী:) ; হে. জেঠ ;

অন্তঃস্থ বৰ্ণৰ বিশ্লেষণ

(০২১) সং য > ফ. য ; যেনে—

সং যব > ফ. যি, সি ১৭ (১৭২৩ খ্ৰী:) ; হে. যি ;

সং যোগী > ফ. যুগী, বৰ ২৩ (১৭৩৫ খ্ৰী:) ; হে. যুগী।

ওপৰৰ বিশ্লেষণত দেখা গ'ল সংস্কৃত ই, উ আদি হ্ৰস্বস্বৰ, ঈ, ঊ আদি দীৰ্ঘস্বৰ, ত, থ, দ, ধ, ন, স আদি দন্ত্য বৰ্ণ ট, ঠ, ড, ঢ, ণ, ষ আদি মূৰ্ধন্য বৰ্ণ, শ, চ, ছ, জ আদি তালব্য বৰ্ণ আৰু য আদি অন্তঃস্থ বৰ্ণ থাকিলে, তাৰপৰা উদ্ভৱ হোৱা শব্দবোৰত ক্ৰমে ই, উ; ত, থ, দ, ধ, ন, স ; ট, ঠ, ড, ঢ, ণ, ষ ; শ, চ, ছ, জ আৰু য আদি জেঁাটোৱা নিয়ম ১৬১৬ খ্ৰীষ্টাব্দৰপৰা ১৮২২ খ্ৰীষ্টাব্দলৈকে তামৰ ফলিত পাইছোঁ। এতেকে, এই নিয়ম হেমচন্দ্ৰ বৰুৱাই বা আন কোনো ব্যক্তিয়ে কৰা নাই। হেমচন্দ্ৰ বৰুৱাইহে অসমীয়া ভাষাৰ জেঁাটনি সংস্কৃতীয়া কৰিলে বোলা মন্তব্যই অসমীয়া জেঁাটনিৰ বুৰঞ্জীৰ বিষয়ত অজ্ঞতাহে পৰিচয় দিয়ে।

তদ্ভৱ শব্দৰ জেঁাটনি সংস্কৃত শব্দটোৰ স্বৰ আৰু ব্যঞ্জন বৰ্ণ ৰাখি জেঁাটনি কৰাটো ভুল নীতি নে? অন্যান্য আৰ্য-ভাষাবোৰত কি কৰে? আমি চহকী বুলি ভবা বঙলা, মাৰাঠী আৰু হিন্দী ভাষাৰ জেঁাটনিৰ নীতি লেখকে কেতিয়াবা বিশ্লেষণ কৰি চাইছে নে? বঙলা, মাৰাঠী আৰু হিন্দী ভাষাৰ তদ্ভৱ শব্দত মূল শব্দটোৰ লগত সম্পৰ্ক ৰাখি হ্ৰস্ব-দীৰ্ঘ, দন্ত্য-মূৰ্ধন্য আদি বৰ্ণ দি জেঁাটোৱা হয়। যেনে—

সং ই > বঙলা, মাৰাঠী, হিন্দী ই ; যেনে—

সং চিপিটক > বং চি'ড়া ; সং চিক্কণ > মা. চিকণা ; সং নিকট > হি. নিৰে ;

সং ঈ > ব. মা. হি. ঈ ; যেনে : সং কীট > ব. কীড়া ; সং ক্ষীৰ > মা. খীৰ ; সং পীত > হি. পীলা ;

সং উ > ব. মা. হি. উ ; যেনে : সং কুষ্মাণ্ড > বং কুমড়া ; সং পুত্ৰী > মা. পুত্তী ; সং পুষ্কৰিণী > হি. পুখৰ ;

সং ঊ > ব. মা. হি. ঊ ; যেনে : সং দূত— > ব. দূতালি ; সং ধূলি > মা. ধূল ; সং দূৰ্বা > হি. দূৰ ;

দন্ত্য

সং ত > ব. মা. হি. ত ; যেনে : সং তৎক্ষণ > ব. তখন ; সং তৃণ > মা. তণ ; সং ত্বক্ > হি. তৱা ;

সং থ > ব. মা. হি. থ ; যেনে : সং স্থাল > বং থালা ; সং থুত্থন > মা. থৰ ; সং স্থল > হি. থল ;

সং দ > ব. হি. দ ; যেনে : সং দধ্যায় > ব. দখল ; সং দ্ৰাক্ষা > হি. দাখ ;

সং ধ > ব. মা. হি. ধ ; যেনে : সং ধাত্ৰী > ব. ধাড়ি ; সং ধন্যাক > মা. ধণা ; সং ধূম > হি. ধুঁআ ;

সং ন > ব. মা. হি. ন, যেনে : সং নাবিক > ব. নাইয়া ; সং নব > মা. নউ ; সং স্নান > হি. নহান ;



সং স > ব. মা. হি. স ; যেনে : সং সৰ্ব > ব. সব ; সং সূচী > মা. সুঈ ; সং স্বপ্ন > হি. সপনা ;

মূৰ্ধন্য

সং ট > ব. মা. হি. ট ; যেনে : সং টিট্টিভ > ব. টিটিৰ ; সং টঙ্ক > মা. টংক ; সং টঙ্কৰা > হি. টঙ্কৰানা ;

সং ঠ > ব. মা. হি. ঠ ; যেনে : সং ঠক্কুৰ > ব. ঠাকুৰ ; সং ঠক্ক > মা. ঠক ; সং ঠঠং > হি. ঠনক ;

সং ড > ব. মা. হি. ড ; যেনে : সং ডাহুক > ব. ডাক ; সং ডিণ্ডিম > মা. ডিংডিমা ; সং ডোৰ > হি. ডোৰী ;

সং ঢ > ব. মা. হি. ঢ ; যেনে : সং ঢুণ্ঢ্ > ব. ঢুঁড়া ; সং ঢোল > মা. ঢোলী ; সং ঢৌক্ > হি. ঢুকনা ;

সং ণ > ব. মা. হি. ণ ; যেনে : সং পুণ্য > ব. পুণ্যি ; সং তৃণ > মা. তণ ; সং পণ্ডিত > হি. পণ্ডিতাঈ ;

সং ষ > ব. মা. হি. ষ ; যেনে : সং ষণ্ড > ব. ষাঁড়া ; সং ষড়্ > মা. ষোকী ; সং দ্বিষ— > হি. দ্বিষৈলা ;

ভাৰতৰ অন্য আৰ্যভাষাবোৰৰ তদ্ভৱ শব্দৰ জেঁাটনিত যি নীতি অনুসৃত হৈ আহিছে, সেই নীতি "ঘোৰ ভুল নীতি" বুলিবলৈ সাহস কৰাটো নিশ্চয় ধৰ-সাহৰ বাহিৰে আন একো নহয়।

দ্বিতীয় অভিযোগত ড° নেওগে কৈছে হেমচন্দ্ৰ বৰুৱাৰ জেঁাটনি অবাস্তৱ, কাৰণ পুৰণি পুথিত এই জেঁাটনি নাই। ড° নেওগৰ এই অভিযোগ শুদ্ধ নে? বেছি দূৰলৈ নগৈ ড° নেওগৰ "শ্ৰীশ্ৰীশংকৰদেৱ" (১৯৬৩) গ্ৰন্থৰ ১৬৬ পৃষ্ঠাৰ বিপৰীতে থকা সাঁচিপতীয়া পুথিৰ টুকুৰাটোৰ জেঁাটনি নীতি বিশ্লেষণ কৰি চাওঁ। পাতটোত মুঠ ২৭১ টা শব্দ আছে। ইয়াৰে একাধিক উল্লেখ বাদ দিলে ২৩৬ টা শব্দ পোৱা যায়। ইয়াৰ ভিতৰত তৎসম শব্দ আছে ১২৯ টা আৰু তদ্ভৱ ১১৭ টা। ইয়াত থকা বৰ্ণৰ হ্ৰস্ব-দীৰ্ঘ, দন্ত্য-মূৰ্ধন্য ধৰি তৎসম শব্দৰ শুদ্ধতাৰ শতাংশ ৮৩·৮৯% আৰু অশুদ্ধতাৰ শতাংশ ১৬·০১%। সেইদৰে তদ্ভৱ শব্দৰ সংস্কৃতমূলক জেঁাটনি পোৱা যায় ৮৩·১৫% ক্ষেত্ৰত। ১৬·৮৫% ক্ষেত্ৰতহে সংস্কৃতৰপৰা আঁতৰি অহা জেঁাটনি পোৱা যায় ; কিন্তু লিপিকাৰজনে তৎসম শব্দ লিখোঁতেই ১৬·০১% ক্ষেত্ৰত অশুদ্ধ জেঁাটনি ব্যৱহাৰ কৰিছে যেতিয়া তদ্ভৱ শব্দৰ জেঁাটনিত (যাৰ আটাইবোৰ শব্দৰ সংস্কৃত মূল জনাৰ সম্ভাৱনা লিপিকাৰৰ বেলিকা আমি দেখা নাই) ১৬·৮৫% ক্ষেত্ৰত ভুল কৰাটো তেনেই স্বাভাৱিক। এতেকে, পুৰণি পুথিৰ তদ্ভৱ শব্দৰ জেঁাটনি সংস্কৃতীয়া নাছিল কাৰণে হেমচন্দ্ৰ বৰুৱাই কৰা তদ্ভৱ শব্দৰ সংস্কৃতীয়া জেঁাটনি অবাস্তৱ বোলা কথাষাৰ কিমান ভিত্তিহীন! ড° নেওগে "পুৰণি পুথিৰ বৰ্ণবিন্যাস নিষ্ঠাৰে অধ্যয়ন" নকৰাকৈয়ে মন্তব্য কৰিছে নেকি?

তৃতীয় অভিযোগত কোৱা হৈছে যে 'ঈয়া' প্ৰত্যয়ৰ ব্যৱহাৰ হেমচন্দ্ৰ বৰুৱা বোলা এজন মানুহৰ খেয়াল।

বেছি বাগাড়ম্বৰ নকৰি আমি "প্ৰাচ্য শাসনাৱলী"ৰপৰা ঈয়া প্ৰত্যয়ান্ত শব্দকেইটামানৰ উদাহৰণ দি সিদ্ধান্ত কৰিব খোজোঁ যে সংস্কৃতৰ ঈয়া প্ৰত্যয়ৰ পাছত আ যোগ দি স্বাভাৱিকভাৱেই ঈয়া প্ৰত্যয় পোৱা যায়, যেনে :

অভয়পুৰীয়া, দেহ ৯০ (১৮২১ খ্ৰী:),
আঠপৰীয়া, হ ৪৬,৪৭ (১৭১৫ খ্ৰী:),
গৰখীয়া, উ ১৮১ (১৭৩৯ খ্ৰী:),
গুৱাহটীয়া, আ ৬৮ (১৭৮০ খ্ৰী:),
ঘটীয়া, দক্ষি ৭২ (১৭৮৫ খ্ৰী:),
ঠাকুৰীয়া, বৰ ২২ (১৭৩৫ খ্ৰী:), মু ২৬

(১৭৩৮ খ্ৰী:), (ক্ষে ৩০ (১৭৩৯ খ্ৰী:), কো. ৩৩ (১৭৪২ খ্ৰী:),
চ ৫৮ (১৭৬৫ খ্ৰী:),
ভাঙ্গৰীয়া, সত্ৰ ৮৫ (১৭৯৯ খ্ৰী:),
ঢুলীয়া, উ ১৮১ (১৭৩৯ খ্ৰী:),
ছেলীয়া, উ ১৮১ (১৭৩৯ খ্ৰী:),
দিহিঙ্গীয়া, চা ৬ (১৬১৬ খ্ৰী:),
ঢুলীয়া, উ ১৮১ (১৭৩৯ খ্ৰী:),
পৰ্ব্বতীয়া, দেহ ৯১ (১৮২১ খ্ৰী:),
পুকৰীয়া, বাউ ৮৭ (১৮১৬ খ্ৰী:),
বঁহগড়ীয়া, বঁা ৬ (১৬৬৭ খ্ৰী:),
যোগনীয়া, বে ৬৮ (১৭৭৭ খ্ৰী:),
শুক্ৰেশ্বৰীয়া, ও ৭১ (১৭৮৪ খ্ৰী:)।

এতেকে দেখা যায় যে ঈয়া প্ৰত্যয়টো অসমীয়া ভাষাত অন্ততঃ ১৬১৬ খ্ৰীষ্টাব্দৰপৰা প্ৰচলিত হৈ আহিছে।

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল ড° নেওগে হেমচন্দ্ৰ বৰুৱাৰ বিপক্ষে অসমীয়া তদ্ভৱ শব্দবোৰৰ জে'ইটনি সংস্কৃতীয়া কৰা বুলি তোলা অভিযোগ-কেইটা ভিত্তিহীন। তালৈকে বিশ্লেষণ কৰি চাব নাজানি বা মইমতীয়াভাৱে এনে অভিযোগ তুলি হেমচন্দ্ৰ বৰুৱাক হেয় প্ৰতিপন্ন কৰিব খোজা হৈছে। এনে অল্পবিদ্যাৰ ভয়ংকৰ উচ্ছ্বাস সততে নিন্দনীয়।

### ফলিৰ সংকেত

অ=অশ্বক্ৰান্ত দেৱালয়ৰ ভূমিদানৰ তামৰ ফলি, ১৬১১ শক, ১৭৩১ খ্ৰী: ॥ পৃ. ৩১ ;
আই=আইভেঁটি ন-সত্ৰৰ হৈ খাতা পৰগণাৰ খানা তালুকৰ কাকত, ১৭৪৪ শক, ১৮২২ খ্ৰী ॥ পৃ ৭১ ;
আউ=আউনীআটি সত্ৰৰ গোবিন্দ ঠাকুৰৰ অখণ্ড প্ৰদীপৰ হৈ কছাৰী মহল, পূৱ পাৰ, সক ক্ষেত্ৰি পৰগণাৰ ভূমিদান আৰু পাইকৰ নিবন্ধনৰ তামৰ ফলি. ৭১১ শক, ১৭৮৯ খ্ৰী: ॥ পৃ. ৭৬ ;
উ=উমানন্দৰ প্ৰত্যহ পূজাৰ্থে দেৱোত্তৰৰ তামৰ ফলি, ১৬৬১ শক, ১৭৩৯ খ্ৰী: ॥ পৃ. ৩০ ;
ও=ওপৰ বৰভাগ, পছিম পাৰ আৰু দেহৰ পৰগণাৰ তামৰ ফলি, ১৭০৬ শক, ১৭৮৪ খ্ৰী: ॥ পৃ. ৭১ ;
কা=কামাখ্যা. পাণ্ডুনাথ আৰু উগ্ৰতাৰাৰ পূজক ব্ৰাহ্মণক ভূমিদানৰ ফলি, ১৬৩৭ শক, ১৭১৫ খ্ৰী: ॥ পৃ. ৯ ;
কালা=খাতা পৰগণাৰ ওৰাবা তালুকৰ কালাকুছি গ্ৰামৰ মঠৰ ফলি, ১৬৮১ শক, ১৭৫৯ খ্ৰী: ॥ পৃ. ৪১
কে=হয়গ্ৰীৱ-মাধৱ আৰু কেদাৰৰ চৌৰৰ আৰু পিকদান ধৰ্মোত্তৰ তামৰ ফলি, ১৭০৫ শক, ১৭৮৩ খ্ৰী: ॥ পৃ. ১৩৯ ;
কো=কোমৰ ভাগ পূৱ পাৰ পৰগনাৰ মাড়ে গাৰ্হ তামৰ ফলি, ১৬৬৪ শক, ১৭৪২ খ্ৰী: ॥ পৃ ৩৩ ;
ক্ষে=ক্ষেত্ৰি পৰগণাৰ চেঙ্গা গ্ৰামৰ ফলি, ১৬৬১ শক, ১৭৩৯ খ্ৰী: ॥ পৃ. ৩০ ;
খাতা=খাতা পৰগণাৰ শক্তিপাৰা গ্ৰামৰ তামৰ ফলি, ১৬৭৭ শক, ১৭৫৫ খ্ৰী: ॥ পৃ. ৪২ ;
গু=গুৱাহাটীৰ জনাৰ্দ্দন দেৱালয়ৰ ভূমিদানৰ তামৰ ফলি, ১৬৬৪ শক. ১৭৪২ খ্ৰী: ॥ পৃ. ৩২ ;
চ=পাতিদৰঙ্গ পৰগণাৰ চণ্ডীপাঠকৰ ভূমিৰ তামৰ ফলি, ১৬৮৭ শক, ১৭৬৫ খ্ৰী: ॥ পৃ. ৫৮ ;
চা=চামধৰা গড়ৰ বণ-জয়ৰ শিলৰ ফলি, ১৫৩৮ শক, ১৬১৬ খ্ৰী: ॥ পৃ. ৫ ;
দ=দক্ষিণপাট সত্ৰৰ ভূমিদানৰ তামৰ ফলি, ১৬৭১ শক, ১৭৪৯ খ্ৰী: ॥ ৩৮ ;
দক্ষি=দক্ষিণপাট গোসাঁইৰ ভূমিদান আৰু পাইকৰ নিবন্ধনৰ তামৰ ফলি, ১৭০৭ শক, ১৭৮৫ খ্ৰী: ॥ পৃ. ৭২ ;
দু=বস্তাকুছীয়া দুৰৰীয়া বিয়োগৰ তামৰ ফলি, ১৭৪২ শক, ১৮২০ খ্ৰী: ॥ পৃ. ১৪৮ ;
দে=দেৱগাৰ্হৰ শিৱদলৰ তামৰ ফলি, ১৬৫৬ শক,



১৭৩৪ খ্ৰী: ॥ পৃ. ২১ ;
দেহ=হয়গ্ৰীৱ-মাধৱৰ হৰিকীৰ্ত্তনাৰ্থে দেহৰ পৰগণাৰ ভূমিদানৰ ফলি, ১৭৪৩ শক, ১৮২১ খ্ৰী: ॥ পৃ. ৯০
নি=বৰ বংশৰ পৰগণাৰ আলিপুৰ তালুকৰ নিজ আলিপুৰ গ্ৰামৰ আৰু বাইহাটা তালুকৰ লেখা, ১৭৪৩ শক, ১৮২১ খ্ৰী: ॥ পৃ. ৮৯ ;
পা=পাটবাউসীৰ দামোদৰী সত্ৰৰ ধৰ্মোত্তৰৰ তামৰ ফলি ১৬৩৯ শক. ১৭১৭ খ্ৰী: ॥ পৃ. ১৩ ;
পাট=পাটবাউসী সত্ৰৰ তামৰ ফলি, ১৬৯৪ শক, ১৭৭২ খ্ৰী: ॥ পৃ. ৬১ ;
পূ=পূৱ পাৰ পৰগণাৰ সুন্দৰীখেল সত্ৰৰ তামৰ ফলি, ১৬৭৫ শক, ১৭৫৩ খ্ৰী: ॥ পৃ. ৪৪ ;
প্ৰা=বজালী পৰগণাৰ প্ৰাণপতি ব্ৰাহ্মণৰ ভূমিৰ তামৰ ফলি, ১৬৮৭ শক, ১৭৬৫ খ্ৰী: ॥ পৃ. ৫৬ ;
ব=বৰপেটা বাউসী পৰগণাৰ ব্ৰহ্মোত্তৰৰ তামৰ ফলি, ১৬৩৯ শক, ১৭১৭ খ্ৰী: ॥ পৃ. ১২ ;
বজা=বজালী পৰগণাৰ বিসিকুছি গাৰ্হৰ ব্ৰহ্মোত্তৰৰ তামৰ ফলি, ১৬৬৪ শক, ১৭৪২ খ্ৰী: ॥ পৃ. ১১৯ ;
বৰ=বৰপেটা সত্ৰৰ তামৰ ফলি, ১৬৫৭ শক, ১৭৩৫ খ্ৰী: ॥ পৃ. ২২ ;
বঁা=বঁাহগড়ীয়া বুঢ়াগোহাঁইৰ বণ-জয়ৰ শিলৰ ফলি ১৫৮৯ শক, ১৬৬৭ খ্ৰী: ॥ পৃ. ৬ ;
বাউ=বাউসী পৰগণাৰ বন্দবস্তিৰ তামৰ ফলি, ১৭৩৮ শক. ১৮১৬ খ্ৰী: ॥ পৃ. ৮৭ ;
বিশ্ব=বিশ্বনাথ গোসাঁইৰ ঠাকুৰ নিয়োগৰ আৰু ব্ৰহ্মোত্তৰৰ তামৰ ফলি, ১৬৯৭ শক, ১৭৭৪ খ্ৰী: ॥ পৃ. ১২৬;
বে=বেঙ্গেনাআটি সত্ৰৰ ভূমিদান আৰু পাইকৰ নিবন্ধনৰ তামৰ ফলি. ১৬৯৯ শক, ১৭৭৭ খ্ৰী: ॥ পৃ. ৬৪ ;
ব্ৰ=ব্ৰহ্মচাৰী সত্ৰৰ তামৰ ফলি, ১৭২২ শক, ১৮০০ খ্ৰী: ॥ পৃ. ৮২ ;
ম=মদনমোহন পৰগণাৰ ব্ৰহ্মোত্তৰৰ তামৰ ফলি. ১৬৬০ শক, ১৭৩৮ খ্ৰী: ॥ পৃ. ১১৬ ;
শ=শলগুৰীয়া মহন্তৰ মনুষ্য ক্ৰয়ৰ পত্ৰ, ১৭২১ শক, ১৭৯৯ খ্ৰী: ॥ পৃ. ৮৩ ;
স=বৰপেটা জায়াৰ সংসঙ্গী সত্ৰৰ তামৰ ফলি, ১৬৮৬ শক. ১৭৬৪ খ্ৰী: ॥ পৃ. ৫৩ ;
সত্ৰ=বৰদোৱা সত্ৰৰ বিবাদৰ সিদ্ধান্তৰ তামৰ ফলি, ১৭২১ শক, ১৭৯৯ খ্ৰী: ॥ পৃ. ৮৫ ;
সি=সিদ্ধেশ্বৰ দেৱালয়ৰ ভূমিদানৰ তামৰ ফলি, ১৬৪৫ শক, ১৭২৩ খ্ৰী: ॥ পৃ. ১৭ ;
সু=সুন্দৰীদিয়া সত্ৰৰ তামৰ ফলি, ১৬৬০ শক, ১৭৩৮ খ্ৰী: ॥ পৃ. ২৬ ;
হ=হয়গ্ৰীৱ-মাধৱৰ প্ৰদীপ-নৈবেদ্যৰ অৰ্থে কোঁৱৰ ভাগ পূৱ পাৰ পৰগণাৰ তামৰ ফলি, ১৬৭৭ শক, ১৭৫৫ খ্ৰী: ॥ পৃ. ৪৬, ;
হৰি=বজালী, নাম বৰভাগ, বৰনগৰ আদি পৰগণাৰ হৰিদেৱী পন্থৰ মেধিৰ ভূমিদান আৰু পাইকৰ নিবন্ধনৰ তামৰ ফলি, ১৭০৯ শক, ১৭৮৭ খ্ৰী:, পৃ:৭৩ ;

### সহায়ক গ্ৰন্থ

১। Kakati Banikanta : 1941 : Assamese, Its Formation and Development ; ২। চৌধুৰী, সতীশচন্দ্ৰ আৰু নিশিপদ সম্পাদিত : ১৯৭৮ :বজালী বিচিত্ৰা ; ৩। Deshpande, M. K. : 1978: Marathi-English Dictionary ; ৪। নেওগ, মহেশ্বৰ সম্পাদিত : ১৯৭৪ প্ৰাচ্য শাসনাৱলী ; ৫। নেওগ, মহেশ্বৰ : ১৯৬৩ : অসমীয়া সাহিত্যৰ ৰূপৰেখা ; ৬। Pathak, R. C. : 1972 : Bhargava's Standard Illustrated Dictionary of the Hindi Language ; ৭। বৰুৱা, হেমচন্দ্ৰ : ১৯৬৫ : হেমকোষ ; ৮। বিশ্বাস, শৈলেন্দ্ৰ : ১৯৭১ : সংসদ বাঙ্গালা অভিধান ; ৯। Monier-Williams, Monier: New Edition : A Sanskrit — English Dictionary ; ১০। শৰ্মা, সত্যেন্দ্ৰ নাথ : ১৯৭১ : অসমীয়া সাহিত্যৰ ইতিবৃত্ত।

——

শ্ৰীনলিনীন্দ্ৰ কুমাৰ বৰ্মন

# ছিলেট আৰু কাছাৰৰ কথিত বাংলা ভাষাত অসমীয়া ভাষাৰ স্বাক্ষৰ

দেশৰ কিছুমান অঞ্চলত সাংস্কৃতিক আৰু ভাষিক বৈশিষ্ট্য লক্ষ্য কৰিলে সেই অঞ্চলটিত কিছুমান বিশেষ ভাষা-ভাষী জন-সমষ্টিৰ প্ৰাধান্য সহজেই চকুত পৰে। কাছাৰৰ বড়কোলাত অনুষ্ঠিত 'নিখিল কাছাৰ হৈড়িম্ব বৰ্মন সমিতি'ৰ প্ৰথম বাৰ্ষিক সন্মিলনত এজন মুছলমান ভদ্ৰলোকে কোৱা কথাৰপৰা মই ইয়াৰ মৰ্মাৰ্থ উপলব্ধি কৰিছিলোঁ। সেই সন্মিলনত সভাপতিত্ব কৰিছিল কাছাৰ কলেজৰ বৰ্তমানৰ অধ্যক্ষ শ্ৰীদেৱব্ৰত দত্তই। সেই ভদ্ৰলোকজনে বক্তৃতা প্ৰসঙ্গত কৈছিল যে পূৰ্বৰ কাছাৰৰ শাসনাধিষ্ঠ শ্ৰেণীটোৰপৰা কাছাৰ-বাসীয়ে কিছুমান সামাজিক ৰীতি-নীতি স্বতঃস্ফূৰ্তভাৱে গ্ৰহণ কৰিছিল, তাৰ প্ৰভাৱ আজিকোপতি আছে। উদাহৰণস্বৰূপে ক'ব পাৰি যে সন্মানীয় অতিথিক থলুৱা অসমীয়া লোকে তামোল-পাণ যাচে; কোনো উৎসৱ আদিলৈ নিমন্ত্ৰণ কৰিব লগা হলেও তামোল-পাণ আগবঢ়ায়। বিয়া উপলক্ষে অথবা আন কোনো সামাজিক উৎসৱ আদিলৈ নতুবা সমাজৰ কোনো গণ্য-মান্য মানুহক নিমন্ত্ৰণ কৰিবলৈ হলেও চিঠিৰে নিমন্ত্ৰণ নকৰে, বৰঞ্চ সন্মানপূৰ্বকভাৱে পাণ-বটা আগ কৰে; সেই পাণ-বটা এখন পৰিষ্কাৰ কলপাত ঘূৰণীয়াকৈ কাটি তাৰে ওপৰত ৰাখে। এই প্ৰথাক অত্যন্ত সৌজন্যসূচক আৰু গাম্ভীৰ্যপূৰ্ণ বুলি গণ্য কৰা হৈছিল। কাছাৰত বৰ্তমানেও এই প্ৰথা বাহাল থকা দেখা যায়; অৱশ্যে আধুনিক যুগৰ বাসিন্দাৰ প্ৰভাৱ পৰি ইয়াৰ কিছু সালসলনি ঘটিছে। ছিলেট-কাছাৰৰ হিন্দু-অসমীয়া ভাই-ভনী-সকলে গোটা তামোল-পাণ সম্ভ্ৰমেৰে আগবঢ়ায়; কিন্তু বঙালী মুছলমানসকলে তামোল-পাণ সুন্দৰকৈ টুকুৰা কৰি কাটি দি সন্মান দেখুৱায়। অৱশ্যে দেখাত তামোল-পাণ যচাৰ ৰীতিটো বেলেগ হলেও ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য একেটাই। ঐতিহাসিক যুগত ৰজা-মহাৰজা বা জন-সমষ্টিৰ মুৰব্বীজনক সন্মান জনোৱাৰ উদ্দেশ্যে বা কৃতজ্ঞতাৰ চিনস্বৰূপে প্ৰজা-সাধাৰণে তেওঁৰ ওচৰত এটি পাণ-বটা ৰাখিছিল আৰু সেই পাণ-বটাটো সমবেত লোকসকলৰ মাজত বটা হৈছিল।

ভাষাৰ ক্ষেত্ৰতো কাছাৰ আৰু ছিলেটত অসমীয়া ভাষাৰ প্ৰভাৱ অতি স্পষ্ট দেখা যায়। বহু বছৰ আগতে মই ল'ৰালি কালতো এই কথা লক্ষ্য কৰিছিলোঁ। মই স্কুলত ভূগোল পঢ়োঁতে ছিলেট আৰু কাছাৰৰ কিছুমান বিখ্যাত হ্ৰদৰ নাম মুখস্থ কৰিছিলোঁ। হ্ৰদ-বিলৰ কাৰণে ছিলেট বিখ্যাত। হ্ৰদক ছিলেট-কাছাৰৰ মানুহে 'হাওৰ' বুলিছিল; আজি-কালিও বোলে। দৃষ্টান্তস্বৰূপে ছিলেটৰ হাকালুকি হাওৰ, বাত্তা হাওৰ, কাছাৰৰ ভাটলা হাওৰ উল্লেখ কৰিব পাৰি।



বাংলা ভাষাত 'হাওৰ' শব্দৰ অৰ্থ কি? ইয়াক জানিবলৈ মই বাংলা ভাষাৰ অভিধান মেলি ললোঁ; কিন্তু ক'তো ইয়াৰ অৰ্থ তথা অস্তিত্ব দেখা নাপালোঁ। পিছৰ কেইবছৰত যেতিয়া ডাঙৰ হলো বা ভাষা সম্বন্ধীয় জ্ঞান মোৰ বাঢ়িল, তেতিয়া মই অনুসন্ধান কৰি পালোঁ যে 'হাওৰ' শব্দটো মূলতঃ ডিমাছা শব্দ আৰু ই অসমীয়া ভাষাৰ প্ৰভাৱত গঢ়ি উঠা শব্দ। অসমীয়া ভাষাটো সংস্কৃতৰপৰা উদ্ভৱ হোৱা ভাষা, সংস্কৃত—ডিমাছাৰ পাৰস্পৰিক প্ৰভাৱৰ ফলত 'হাওৰ' শব্দটো সৃষ্টি হৈছে।

কোচ জাতীয় ভাইসকলে কাছাৰত অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰৱৰ্তন কৰে। তেওঁলোকো আদিতে ডিমাছাগোষ্ঠীৰ লোক আছিল; পিছত তেওঁলোক ফালৰি কাটি যায় আৰু হিন্দু ধৰ্ম গ্ৰহণ কৰি সুকীয়া গোটৰূপে থাকিবলৈ লয়। কোচ বা কুচ শব্দটো ডিমাছা শব্দ; ইয়াৰ অৰ্থ হ'ল—দোৱাশৰণীয়া (বা স্বধৰ্মত্যাগী)। ডিমাছা ভাষাত 'খোচুছা' শব্দটোৱে স্বধৰ্ম বা স্বজাতি ত্যাগ কৰি আন এক গোষ্ঠীভুক্ত হোৱা লোকক বুজায়। ডিমাছা-সকলে বৰ্তমানেও কোচ-অসমীয়াসকলক 'খোচুছা' বুলি কয়। আন অৰ্থত ক'বলৈ হলে কোচসকল 'ৰামছা' অৰ্থাৎ ৰামানুজ ধৰ্মাৱলম্বী লোক। এটা সময়ত অসম উপত্যকাত ৰামানুজৰদ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মই গা কৰি উঠিছিল। পিছৰ যুগত 'খোচু-ছা' শব্দটো 'কোচু' শব্দত পৰিণত হয় আৰু ইয়েই বৰ্তমানৰ 'কোচ' (বা কুচ) ৰূপ লয়। অসমীয়া জনগোষ্ঠীৰ বিভিন্ন সম্প্ৰদায়ৰ উৎপত্তি সম্পৰ্কে মোৰ লিখা 'The History of the Cachari' গ্ৰন্থৰ প্ৰথম খণ্ডত এই বিষয়ে বহলাই আলোচনা কৰা হৈছে।

'হাওৰ' শব্দটো ডিমাছা ভাষাৰ 'হাওৰি' শব্দৰপৰা উদ্ভৱ হোৱাং, অন্তৰ্নিহিত অৰ্থ ডোঙা, ইয়াৰ বিল বা হ্ৰদৰ লগত জড়িত ভূ-খণ্ড। ডিমাছাসকলে অতি দ ডোঙা বা নদীক 'ৰাৰি' বোলে। আন এটি শব্দ আছে— 'অনুৰাহ'। স্থানীয় বঙালীসকলে ইয়াৰদ্বাৰা অশ্বখুৰা হ্ৰদক বুজায়। এই শব্দটো ডিমাছা ভাষাৰপৰা লোৱা হৈছে।

অনুসন্ধিৎসুসকলে ছিলেট-কাছাৰৰ কথিত বাংলা ভাষাত প্ৰচলিত অসমীয়া-ডিমাছা উদ্ভূত অনেক শব্দ পাব। বঙলাৰ প্ৰভাৱত সম্প্ৰতি বহুত শব্দৰ ৰূপান্তৰ ঘটিছে। তলত এনেকুৱা কিছুমান শব্দৰ উদাহৰণ দাঙি ধৰা হ'ল:

| শুদ্ধ বাংলা | কথিত বাংলা | অসমীয়া |
|---|---|---|
| ওহে | এৰে | এৰা। |
| শুন | হুন সেইন্ | শুনাচোন। |
| ঢোকেছে | হমাইছে | সোমাইছে। |
| হাঁ | অয় | হয়। |
| এই দিকে এস | এবায় আও | এইফালে আহাঁ। |
| ঐ দিকে গিয়াছে | ওবায় গেছে | সেইফালে গৈছে। |
| এসেছে | আইছে | আহিছে। |
| আবহাওয়া | বতৰ | বতৰ। |
| সব | হকল | সকল। |

ইত্যাদি •

এতিয়ালৈকে উদ্ধাৰ হোৱা কাছাৰৰ শিলালিপি বা স্তম্ভ-লিপিবিলাকৰ ভিতৰত ১৫৭৬ খ্ৰীষ্টাব্দত মাইবঙত খোদিত কৰা শিলাস্তম্ভৰ লিপিকেই আটাইতকৈ পুৰণি বুলি ধৰা হৈছে। সেই লিপিত অসমীয়া 'ৰ' আখৰটো আছে। আনকি বৰ্তমান সময়ত উদ্ধাৰ হোৱা এটা ৰাজপুখুৰীৰ উছৰ্গা-পত্ৰত বেছি ভাগ অসমীয়া আখৰহে আছে। সেই ৰাজকীয় পুখুৰীটো খন্দাইছিল খাচপুৰৰ ৰজা হৰিশ্চন্দ্ৰৰ পত্নী

---

*৺ বেণুধৰ ৰাজখোৱা ৰচিত 'Notes on the Sylhetee Dialect' (1913) পুথিত এই সম্পৰ্কে বিস্তৃত উল্লেখ আছে।

ৰাজমহিষীয়ে। উছৰ্গা পত্ৰখন ১৭৯৮ খ্ৰীষ্টাব্দৰ ২৯ মে' তাৰিখে খোদিত কৰা হৈছিল। ইয়াক খাচপুৰত পোৱা হৈছে।

কাছাৰত অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰভাৱ বিস্তৃত হৈছিল কোচ সেনাপতি বীৰ চিলাৰায়ৰ কাছাৰ দিগ্‌বিজয়ৰ সময়ৰপৰা। চিলাৰায়ে অসমৰ বেছিভাগ শাসনকৰ্তাকে পৰাভূত কৰিছিল আৰু নিজৰ অধীনলৈ আনিছিল। তেওঁ আনকি কাছাৰ আৰু ছিলেট জয় কৰি পূৰ্ববংগলৈ সোমাই গৈছিল।

ভীমসিংহ নামৰ এজন কোচ শাসনকৰ্তা খাচপুৰৰ ৰাজসিংহাসনত বহিছিল আৰু তেওঁ দক্ষিণ কাছাৰ আৰু ছিলেট শাসন কৰিছিল। ডিমাছা শব্দ 'খোচুছা-পুৰ'ৰপৰা 'খাচপুৰ' শব্দৰ উৎপত্তি হৈছে। কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বকালৰ গৌৰৱময় ইতিহাস বেছি দীঘলীয়া নহ'লেও তেওঁৰ সুদূৰ প্ৰসাৰী সাংস্কৃতিক প্ৰভাৱ অসম উপত্যকাৰ বাহিৰেও কাছাৰ আৰু ছিলেটত বাৰকৈয়ে পৰিছিল আৰু তাৰে নিদৰ্শন বৰ্তমানেও আছে।

সেনাপতি চিলাৰায়ৰ ৰণ-বিজয়ৰ পিছৰপৰা কাছাৰৰ ৰাজ-পৰিয়ালত, লগতে প্ৰজাবৰ্গৰ মাজতো হিন্দু ধৰ্মই গা কৰি উঠে। তেতিয়াৰপৰাই লিখিত লিপিৰো ব্যৱস্থা চলে। আহোম স্বৰ্গদেউ চুচেনফাই হিন্দু ধৰ্ম গ্ৰহণ কৰি হিন্দু নাম লয় প্ৰতাপসিংহ। কছাৰী ৰজাৰ ৰাজধানী মাইবঙৰ নাম ৰখা হয়-কীৰ্তিপুৰ। এই কীৰ্তিপুৰৰ সঠিক স্থান নিৰ্ণয় কৰা সম্প্ৰতি টান হৈ পৰিছে। কাৰণ, কালৰ বুকুত কীৰ্তিপুৰৰ কীৰ্তি আজি নাইকিয়া হৈছে।

হিন্দু দেৱী 'ৰণচণ্ডী'ক ৰাজমূৰ্তি হিচাপে প্ৰতিষ্ঠা কৰা হ'ল আৰু বহুত মন্দিৰো নিৰ্মাণ কৰা হ'ল। অৱশ্যে এইবিলাকৰ এটা মন্দিৰো ৰাজধানী ডিমাপুৰত (হৈড়িম্বপুৰত) আজি দেখা নাযায়।

উত্তৰ ছিলেট জিলাত অসমীয়া মানুহৰ কেবাখনো গাঁও আছিল; কিন্তু বৰ্তমান সিবিলাকৰ চিন-চাব নোহোৱা হ'ল। কিছুমান হয়তো অনা-অসমীয়া জাতিৰ লগত মিলি গ'ল আৰু কিছুমান পূৰ্ব-পাকিস্তান গঠন হোৱাৰ সময়ত সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হ'ল। তথাপি, এতিয়াও হাতীচেৰা, ডেকাছুবায়, তাৰাপুৰ আৰু বিক্ৰমপুৰ অঞ্চলত অসমীয়া মানুহ আছে।

—

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী

# কালিকা পুৰাণ আৰু প্ৰাচীন অসমৰ ভৌগোলিক বিৱৰণ

কালিকা পুৰাণত প্ৰাচীন অসমৰ বিস্তৃতি, তীৰ্থস্থান, নদ-নদী, পৰ্বত-পাহাৰ, দেৱপীঠ আদিৰ বৰ্ণনা আছে। ইয়াৰে কিছুমান পোনপটীয়া আৰু বিশদ, কিছুমান প্ৰসংগক্ৰমে উল্লিখিত আৰু সংক্ষিপ্ত। বিশদ বৰ্ণনাৰ দৰে সংক্ষিপ্ত উক্তিয়েও একো একোটা বিষয়ৰ সন্ধান দিয়ে।

কালিকা পুৰাণত প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ এই দুয়োটা নাম প্ৰাচীন অসমক বুজাবলৈ প্ৰয়োগ কৰা দেখা যায়। প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ অভিন্ন হয়নে নে নাই, দুয়োটা নামে প্ৰাচীন অসমক সমানে একেদৰে বুজাইছিল নে নাই এই বিষয়ত কালিকা পুৰাণত বিশেষ সন্দেহজনক উক্তি নাথাকিলেও, ৰামায়ণ আদিৰ উক্তিয়ে প্ৰাগ্‌জ্যোতিষৰ অৱস্থানত সন্দেহ নজন্মোৱাকৈ নাথাকে।

## প্ৰাগ্‌জ্যোতিষ

কালিকা পুৰাণত প্ৰাগ্‌জ্যোতিষ নামৰ নিৰ্বচন এই বুলি দিয়া হৈছে যে পূৰ্বদিকালত ব্ৰহ্মাই এই স্থানত অৱস্থান কৰি নক্ষত্ৰপুঞ্জ সৃষ্টি কৰিছিল, সেই-দেখি নাম হৈছে প্ৰাগ্‌জ্যোতিষপুৰ।[1] মন কৰিব লগীয়া যে কালিকা পুৰাণত কামৰূপ[2] কাম, দৰ্পক, মন্মথ[3] আদি বহুত নামৰ এনে নিৰ্বচন দিয়া হৈছে। কালিকা পুৰাণত প্ৰাগ্‌জ্যোতিষপুৰ নামৰ উল্লেখ এঠাইতহে আছে আৰু সেয়ে হৈছে বিষ্ণুৱে নৰকক ৰাজত্ব কৰিবলৈ দিয়া 'পুৰী' খনৰ বৰ্ণনা প্ৰসংগত। এই প্ৰসংগতে কামৰূপ নামৰো উল্লেখ আছে। ইয়াৰ বাহিৰে নানা প্ৰসংগত এই পুৰাণত কামৰূপ নাম আৰু কামৰূপৰ বৰ্ণনা আছে; কিন্তু প্ৰাগ্‌জ্যোতিষ-পুৰৰ এনে উল্লেখ দেখা নাযায়। প্ৰাগ্‌জ্যোতিষ

---

১। অস্য মধ্যে স্থিতো ব্ৰহ্মা প্ৰাক্ নক্ষত্ৰং সসৰ্জ হ। কা: পু: ৩৮।২০ এই কথাষাৰৰ সাধাৰণ অৰ্থ নক্ষত্ৰ সৃষ্টি কৰিছিল; কিন্তু √সৃজ্ ধাতুৰ অৰ্থ ত্যাগ (যেনে, উৎসৰ্গ) বুলি ধৰি ব্ৰহ্মাই নক্ষত্ৰ এটা পৰিত্যাগ কৰিছিল, এনে অৰ্থও কৰিব পাৰি। বিশেষকৈ 'নক্ষত্ৰং' একবচনত থকা বাবে নক্ষত্ৰপুঞ্জ নহৈ এটা নক্ষত্ৰ হোৱা অধিক সমীচীন। প্ৰথমে নক্ষত্ৰ-চক্ৰত ২৮ টা নক্ষত্ৰ আছিল, এসময়ত কিবা নৈসৰ্গিক কাৰণত অচক্ৰৰপৰা এটা নক্ষত্ৰ বিলুপ্ত হৈ যায়। সেই নক্ষত্ৰটোৰ নাম অভিজিৎ। এই ঘটনা খ্ৰীষ্টপূৰ্ব আঠ শ বছৰমানত ঘটিছিল। কালিকা পুৰাণকাৰে সেই স্মৃতকে উল্লেখ কৰিছে।

২। কা. পু. ৫১।৭৮ ৩। কা. পু. ২।৬-৬

নাম হিচাপে 'চেকুলাৰ' অৰ্থত ব্যৱহৃত হৈছে, কামৰূপ নামৰ ব্যৱহাৰ সেইদৰে হোৱা নাই। প্ৰাগ্‌জ্যোতিষপুৰক ইন্দ্ৰৰ অমৰাৱতীৰ তুলা বুলি কোৱা হৈছে আৰু কোৱা হৈছে যে তাত দশ দিকপাল আদি আছে। কামৰূপ "কামাখ্যানিলয়" বুলিহে উক্ত হৈছে।

যি হওক, প্ৰাগ্‌জ্যোতিষপুৰ আৰু কামৰূপ দুয়োটা নামেই সমাৰ্থক বা পৰ্যায়বাচী শব্দৰূপে উক্ত প্ৰসংগত উল্লিখিত হোৱা যেন দেখা যায়। অৱশ্যে প্ৰাগ্‌-জ্যোতিষপুৰক কামৰূপৰ মধ্য ভাগত থকা (মধ্যাগং কামৰূপস্য) এখন নগৰ বুলিও সেই বৰ্ণনাতে কোৱা হৈছে। ইয়াৰপৰা অনুমান হয় প্ৰাগ্‌জ্যোতিষপুৰ এখন নগৰ আৰু কামৰূপ এখন ৰাজ্য হয়তো এয়ে কালিকা পুৰাণ ৰচয়িতাৰ অভিপ্ৰায়। অৱশ্যে নগৰৰ নামেৰে ৰাজ্যৰ নাম হোৱাৰ দৃষ্টান্ত অলেখ আছে।

"মধ্যাগং কামৰূপস্য" এই কথাষাৰৰ ওপৰত ভিত্তি কৰি খ্ৰীষ্টীয় ষোড়শ-সপ্তদশ শতকৰ নৰনাৰায়ণ ৰঘুদেৱৰ ৰাজপণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশে বৰ্তমানৰ গুৱাহাটী প্ৰাগ্‌জ্যোতিষপুৰ নহয় বুলি স্পষ্টভাৱে কৈছে। তেওঁৰ মতে প্ৰাগ্‌জ্যোতিষপুৰৰ বৰ্তমান (তেওঁৰ সময়ৰ) নাম পোৰাকোড়[4] আৰু পোৰাকোড় মুছলমান ৰজাৰ ৰাজধানী। কালিকা পুৰাণত বৰ্ণিত বহুত নৈ-পৰ্বতৰ সমসাময়িক নাম উল্লেখ কৰি পীতাম্বৰে তীৰ্থকৌমুদীত সেইবিলাক চিনাক্ত কৰিছে। যেনে, অগদ (কা. পু.)=গদাধৰ (তী. কৌ.) পুষ্পমালিনী (কা. পু.)=ফুল নৈ (তীঃ কৌঃ) ইত্যাদি। (এই বিষয়ে পিছত বহলাই আলোচনা কৰা হৈছে।) গতিকে পীতাম্বৰৰ অভিমত আৰু চিনাক্তকৰণ দলিয়াই পেলাব নোৱাৰি; কিন্তু পোৰাকোড় ক'ত আৰু ই কোন ৰাজবংশৰ ৰাজধানী আছিল?

## প্ৰাগ্‌জ্যোতিষৰ অৱস্থান

ৰামায়ণত প্ৰাগ্‌জ্যোতিষক সাগৰৰ মাজত থকা (অগাধে বৰুণালয়ে) ৰাজ্য বুলি কোৱা হৈছে।[5] সীতাক বিচাৰি পশ্চিমফালে যোৱা সুষেণ প্ৰভৃতি কপিযূথপক সুগ্ৰীৱে অগাধ বৰুণালয়ত থকা নৰকৰ নিবাসভূমি প্ৰাগ্‌জ্যোতিষত সীতাক বিচাৰিবলৈ আদেশ দিছে। মহাভাৰতৰ অৰ্জুনৰ দিগ্বিজয় বৰ্ণনাত উত্তৰ দিশত প্ৰাগ্‌জ্যোতিষাধিপতি ভগদত্তৰ-সৈতে অৰ্জুনৰ যুদ্ধৰ উল্লেখ আছে।[6] পাণ্ডৱৰ যজ্ঞীয় অশ্ব ত্ৰিগৰ্ত (জলন্ধৰ) দেশ পাৰ হৈ প্ৰাগ্‌জ্যোতিষত প্ৰৱেশ কৰিছিল।[7] ভগদত্ত শৈলালয় (পাৰ্বত্য দেশ)ৰ ৰজা আছিল;[8] কিৰাত আৰু চীন সৈন্যৰে ভগদত্তই কুৰুক্ষেত্ৰত যুদ্ধ কৰিছিল[9] ইত্যাদি মহাভাৰতৰ উক্তি এই প্ৰসংগত প্ৰণিধানযোগ্য। এইবিলাক উক্তিয়ে প্ৰাগ্‌জ্যোতিষৰ পূব দিশত

৪। সা তু পোৰাকোড় ইতি ম্লেচ্ছাধিপ ৰাজধানী। তীৰ্থকৌমুদী। পীতাম্বৰ নৰনাৰায়ণৰ ৰাজত্বৰপৰা পৰীক্ষিতনাৰায়ণৰ ৰাজত্বলৈকে জীৱিত আছিল। পীতাম্বৰে ১৮খন কোনোৰ মতে ২৮ খন কৌমুদী নামৰ স্মৃতিগ্ৰন্থ ৰচনা কৰিছিল, তীৰ্থকৌমুদী তাৰে অন্যতম; অপ্ৰকাশিত।

৫। ৰামায়ণ, কি. কা. ৪২/৩০-৩২

৬। মহাভাৰত, স. প. ২/৫৫

৭। মহাভাৰত, অশ্বমেধ পৰ্ব (৭৬-৭৫)

৮। " আশ্ৰমবাসিক, ২০/১০

৯ " সভাপৰ্ব, ২৬/৯



অৱস্থিতিত সন্দেহ জন্মায়। মহাভাৰতৰে সভাপৰ্বত ভীমে পূব দিশত লৌহিত্য দেশ জয় কৰাৰ কথা আছে[10]। মন কৰিবলগীয়া যে লৌহিত্যৰসৈতে প্ৰাগ্‌জ্যোতিষৰ ওতঃপ্ৰোত সম্বন্ধ; সেইদেখি লৌহিত্য দেশ প্ৰাগ্‌জ্যোতিষৰে নামান্তৰ বুলিও ধৰিব পাৰি।

মহাভাৰতৰ দ্ৰোণপৰ্বৰ ভগদত্ত বধ অধ্যায়তো অনুৰূপ উল্লেখ দেখা যায়। ব্ৰহ্মাণ্ড পুৰাণত প্ৰাগ্‌জ্যোতিষৰ উল্লেখে কোনো দিশৰ সন্ধান নিদিয়ে। ইয়াৰ বাহিৰে মাৰ্কণ্ডেয় পুৰাণ, বৰাহ পুৰাণ আদিত প্ৰাগ্‌জ্যোতিষ আৰু তাৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক প্ৰাগজ্যোতিষ বোলা হৈছে। হৰিবংশতো প্ৰাগ্‌জ্যোতিষৰ উল্লেখ আছে; কিন্তু অৱস্থানৰ সম্ভেদ পোৱা নাযায়।

ঐতিহাসিক কালত কালিদাসে প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ দুয়োটা নামৰ একেলগে প্ৰয়োগ কৰিছে। একেখন ৰাজ্য বুজাবলৈকে এই দুটা নাম কালিদাসে প্ৰয়োগ কৰিছে।[11]

প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ যে পূব দেশত লৌহিত্যৰ উপত্যকা অঞ্চল সেই কথা কালিদাসৰ উক্তিত সুস্পষ্ট। কালিদাসৰ বৰ্ণনাত ৰঘুৰ বিজয়-বাহিনী প্ৰথমে আহি বংগদেশ পাইছিল যদিও বংগদেশৰপৰা প্ৰাগ্‌জ্যোতিষলৈ অহা নাই; তাৰপৰা ঘূৰি গৈ হিমালয় প্ৰদেশ জয় কৰি বিজয় বাহিনীসহ ৰঘুৱে উত্তৰফালেদিহে প্ৰাগ্‌জ্যোতিষত প্ৰৱেশ কৰিছে। প্ৰাগ্‌জ্যোতিষত প্ৰৱেশ কৰাৰ আগতে তেওঁ লৌহিত্য পাৰ হৈছিল। ৰঘু লুইত পাৰ হোৱাৰ লগে লগে প্ৰাগ্‌জ্যোতিষাধিপতি আতংকিত হৈ পৰিছিল। কোন ঠাইত ৰঘুৱে লুইত পাৰ হৈছিল জনা নগলেও, পূব-উত্তৰ দিশৰ কথাহে যে কালিদাসে উল্লেখ কৰিছে তাত সন্দেহ নাই। সেইবাবেই মহাভাৰতত উত্তৰ দিশৰ ৰাজ্যৰ বৰ্ণনা প্ৰসংগত প্ৰাগ্‌জ্যোতিষৰ উল্লেখ কৰা হৈছে বুলি ক'ব পাৰি। কহলণে ৰাজতৰংগিনীত প্ৰাগ্‌জ্যোতিষৰ উল্লেখ কৰি বৰুণ ছত্ৰৰ কথা কৈছে;[12] কিন্তু অৱস্থানৰ ইংগিত দিয়া নাই। দশম শতিকাৰ কোষকাৰ হেমচন্দ্ৰই প্ৰাগ্‌জ্যোতিষৰ পৰ্যায়বাচী শব্দ কামৰূপ বুলি উল্লেখ কৰিছে।[13]

সপ্তম শতিকাৰ চীনদেশীয় পৰিব্ৰাজক হিউৱেন চাঙে পৌণ্ড্ৰবৰ্ধনৰপৰা (পাবনা) ৯০০ লি. বা ২৪০ কিল-মিটাৰ পথ অতিক্ৰম কৰি কিয়া-মো-লিউ-পো—কামৰূপত সোমাইছিল।[14] কামৰূপত সোমাবলৈ হিউৱেন চাঙে এখন ডাঙৰ নদী পাৰ হ'ব লগা হৈছিল। পাবনাৰপৰা গুৱাহাটীলৈ দূৰত্ব ১৯০০ লি. বা ৩।৭ মাইল বাবে আলেকজেণ্ডাৰ কানিংহামে বিশ্বাস কৰে যে চীনদেশীয় পৰিব্ৰাজকজনে তিস্তা নৈ (কৰতোয়া) পাৰ হৈ কামৰূপৰ ৰাজধানী কমতাপুৰ পাইছিলহি।[15] মনকৰিবলগীয়া যে পৌণ্ড্ৰৰ সৈতে

১০। মহাভাৰত, সভাপৰ্ব, ৩০/২৬-২৭

১১। চকম্পে তীৰ্ণলৌহিত্যে তস্মিন্ প্ৰাগ্‌জ্যোতিষেশ্বৰঃ।
তদগজালানতাং প্ৰাপ্তৈঃ সহ কালাগুৰুদ্ৰুমৈঃ॥ ৰঘু, ৪/৮১॥
তমীশঃ কামৰূপানাং অত্যাখণ্ডলবিক্ৰমম্। ৰঘু, ৪/৮৩

১২. ৰাজতৰঙ্গিনী, ২।১৪৭

১৩. অভিধান চিন্তামণি

১৪. Julien, 'Hiouen Thsang', III. 76

১৫. The ancient Geography of India, P 421, A. Cunningham.

কৰতোয়াৰ নিবিড় সম্বন্ধৰ উল্লেখ কৰতোয়া স্নান মন্ত্ৰত দেখা যায়।[১৩]

ভাস্কৰবৰ্মাৰপৰা আৰম্ভ কৰি ধৰ্মপালৰ তামৰ ফলিলৈকে প্ৰায় সকলোতে প্ৰাগ্‌জ্যোতিষাধিপতি নৰক-ভগদত্তৰ উল্লেখ আছে।

ওপৰৰ উল্লেখৰপৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে প্ৰাগ্‌জ্যোতিষ নামৰ নগৰখনক কেন্দ্ৰ কৰি সাগৰৰপৰা হিমালয়লৈকে আৰু পশ্চিমে কৰতোয়ালৈকে এসময়ত প্ৰাগ্‌জ্যোতিষ ৰাজ্য আছিল। তান্ত্ৰিক আচাৰ-অনুষ্ঠানৰ প্ৰাবল্য ঘটাত কামাখ্যাক কেন্দ্ৰ কৰি কামৰূপ নামৰ উৎপত্তি আৰু প্ৰয়োগ হয়। প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপৰ সমবিস্তৃতি নাছিল।

### কামৰূপ

কালিকা পুৰাণত কামাখ্যাধিষ্ঠিত ক্ষেত্ৰক কামৰূপ আখ্যা দি তাক কামাখ্যানিলয় বোলা হৈছে। মিথিলাৰ জনকৰ পালিত পুত্ৰ নৰকক মাক বসুমতীৰে সৈতে লগত লৈ গংগাত বুৰ মাৰি বিষ্ণু নিমিষতে কামৰূপৰ মাজভাগত থকা প্ৰাগ্‌জ্যোতিষপুৰত উপস্থিত হৈছিল।[১৭] বিষ্ণুৱে মিথিলাৰপৰা জনকৰ পালিত পুত্ৰ নৰকক আৰু নৰকৰ মাতৃ পৃথিৱী দেৱীক লগত লৈ আহিছিল। মিথিলাৰে সৈতে কামৰূপৰ জলপথেদি থকা সংযোগৰ কথা এই বৰ্ণনাৰপৰা বুজিব পাৰি। গংগাৰে সৈতে অসমৰ জলপথৰ (ব্ৰহ্মপুত্ৰৰ নে কৰতোয়াৰ) সংযোগ ক'ত কেনেকৈ হৈছিল বিচাৰ কৰি চাবলগীয়া।

প্ৰাগ্‌জ্যোতিষত উপস্থিত হৈ নৰকে প্ৰাগ্‌জ্যোতিষাধিপতি ঘটকক যুদ্ধত বধ কৰি আৰু 'কি কৰিব লাগে' বুলি বিষ্ণুৰ অনুমতি বিচৰাত বিষ্ণুৱে এই বুলি আদেশ দিলে—"যুদ্ধৰত কিৰাতবিলাকক বধ কৰা, পলায় যোৱবোৰক দেৱী দিক্কৰবাসিনীৰ স্থান পাৰ কৰি খেদি পঠোৱা আৰু শৰণাগতবিলাকক ৰক্ষা কৰা।"[১৮]

নৰকে সেই আদেশ পালন কৰাত বিষ্ণুৱে তেওঁক সিংহাসনত অভিষিক্ত কৰি ৰাজ্যৰ সীমা আৰু ৰাজ্যখনৰ মহিমাৰ বিষয়ে ক'লে।

"...নৰক! সদানীৰা কৰতোয়াৰ পূবৰপৰা ললিত-

১৬. কৰতোয়াৰ আধুনিক নাম তিস্তা। কৰতোয়া পৌণ্ড্ৰবৰ্ধনৰ মাজেদি বৈ পৌণ্ড্ৰদেশ প্লাবিত কৰিছিল। (পৌণ্ড্ৰান্ প্লাবয়সে নিত্যং হৰব্যাবোস্তৱে।)

"Karatoya, a sacred river which flows through the districts of Rangpur, Dinajpur and Bogra. ··· It flows through the ancient Pundra." — The Geographical dictionary of Ancient and Mediaeval India, P. 93.

সেইদৰেও হিউৱেন চাঙৰ জীৱনীৰপৰা 'crossing the great river KALOTU we come to the country of Kamarupa" এই উদ্ধৃতি দি ডাঙৰ নৈখন কৰতোয়া বুলিছে। তেওঁৰমতে পৌণ্ড্ৰবৰ্ধন পাবনা হোৱাটো সন্দেহজনক। পৌণ্ড্ৰবৰ্ধন মহাস্থান বা মালদা জিলাৰ পাণ্ডুৱা হোৱাটোহে সম্ভৱপৰ। অৱশ্যে এই দুখন ঠাইৰপৰাও গুৱাহাটীৰ দূৰত্ব ১৫০ মাইলতকৈ বেছি, গতিকে ভাস্কৰৰ ৰাজধানী গুৱাহাটীৰ পশ্চিমে কোনোবা ঠাইত আছিল —দূৰত্বৰ ভিত্তিত এই অভিমত সেইটো প্ৰকাশ কৰিছে।

১৭। নিমজ্য ক্ষণমাত্ৰেণ প্ৰাগ্‌জ্যোতিষপুৰং স যৌ।
মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা ॥
কা. পু. ৩৮/১০০

১৮। কিৰাতান্ জহি যাবৎ ত্বং দেৱীং দিক্কৰবাসিনীম্।
পলায়মানান্ বিদ্ৰাব্য পালয় শৰণং গতান্।
কা. পু. ৩৮/১১৩



কান্তাৰ অৱস্থানলৈকে এইখনেই তোমাৰ ৰাজ্য (পুৰ)।[১৯] এই ৰাজ্যত জগতৰ মূল কাৰণ স্বৰূপ মহামায়া দেৱী যোগনিদ্ৰাই কামাখ্যাৰূপে বিৰাজ কৰিছে। ইয়াতে আছে ব্ৰহ্মাৰ পুত্ৰ নদৰাজ লৌহিত্য ...... ইয়াত ব্ৰহ্মা আৰু মহাদেৱ থাকে আৰু মই নিজেও ইয়াতে থাকোঁ।...... সকলো দেৱতা ক্ৰীড়াৰ বাবে গোপনে ইয়ালৈ আহে। লক্ষ্মী ইয়াত চিৰবিৰাজমানা, ইয়াত বিবিধ উপভোগ্য বস্তু আছে। ইয়াৰ মাজতে অৱস্থান কৰি পূৰ্বণি কালত ব্ৰহ্মাই নক্ষত্ৰ পুঞ্জ সৃজন কৰিছিল; সেইদেখি ইন্দ্ৰৰ অমৰাৱতীৰ তুল্য এই নগৰ (পুৰী) খনৰ নাম প্ৰাগ্‌জ্যোতিষ। মই নিজে তোমাক এই ৰাজ্যত অভিষিক্ত কৰিছোঁ; তুমি বিয়া-বাৰু কৰাই অমাত্যবৰ্গৰ সৈতে মহা প্ৰতাপেৰে ইয়াত ৰাজত্ব কৰা।"[২০]

উক্ত বৰ্ণনাত কৰতোয়াৰপৰা ললিতকান্তালৈকে বিস্তৃত অঞ্চল নৰকৰ "পুৰ" বুলি বৰ্ণনা কৰা হৈছে। এই পুৰ প্ৰাগ্‌জ্যোতিষপুৰ নে কামৰূপ? প্ৰসংগৰপৰা জনা যায় যে এইখন প্ৰাগ্‌জ্যোতিষপুৰহে। আকৌ ব্ৰহ্মাই নক্ষত্ৰ সৃজন কৰা বৰ্ণনা আৰু সেই অনুসাৰে হোৱা নিৰ্বচনৰপৰাও ইয়াক প্ৰাগ্‌জ্যোতিষপুৰ বুলি ঠাৱৰ কৰিব পাৰি। কিন্তু পিছতে কৰতোয়াৰপৰা ললিতকান্তালৈকে বিস্তৃত অঞ্চল 'কামাখ্যানিলয়' আৰু কামৰূপ বুলি বৰ্ণনা কৰা হৈছে।[২১] গতিকে কামৰূপ আৰু প্ৰাগ্‌জ্যোতিষ নাম দুটা সমাৰ্থকৰূপে ব্যৱহাৰ কৰা হৈছে যেন দেখা যায়। তেনেহ'লে "কামৰূপৰ মাজভাগত থকা প্ৰাগ্‌জ্যোতিষপুৰ" —এই উক্তিৰ সামঞ্জস্য সাধন হয় কেনেকৈ? প্ৰাগ্‌জ্যোতিষপুৰ বুলি প্ৰায়ে সেই নামৰ নগৰখনক বুজোৱা হৈছে যদিও কোনো প্ৰসংগত সেই নামৰ ৰাজ্য বুলিও ধৰিব লাগিব।

অন্য প্ৰসংগত কালিকা পুৰাণত কামৰূপ কৰতোয়াৰপৰা দিক্কৰবাসিনীলৈকে দীঘলে এশ যোজন আৰু পথালিয়ে ত্ৰিশ যোজন বিয়পি থকা পৰ্বত-পাহাৰেৰে ভৰা ত্ৰিকোণাকাৰ ৰাজ্য বুলি কোৱা হৈছে।[২২] প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ এই দুয়োটা নামেৰে অভিহিত ৰাজ্যখনৰ পশ্চিম সীমা কৰতোয়া সুপ্ৰসিদ্ধ নৈ। কৰতোয়াক সদানীৰা কৰতোয়া আৰু সদগংগা কৰতোয়াৰূপেও উল্লেখ কৰা দেখা যায়। শতপথ ব্ৰাহ্মণৰ মতে কোশলৰ পূবপ্ৰান্তত সদানীৰাই বৈদিক ভূমিৰ শেষ সীমা কৰিছে। মুখত জুই লৈ বিদেঘ মাথৱে কৰতোয়া পাৰ হৈ পূব ফালে অহাৰ এটা আখ্যান আছে। সম্ভৱতঃ যজ্ঞীয় অগ্নি আৰু যজ্ঞ অনুষ্ঠানেৰে মাথৱে কৰতোয়াৰ পূৰ্বাঞ্চলত আৰ্যসভ্যতাৰ বিস্তাৰ কৰিছিল। অগ্নি আৰু ঘোঁৰা আৰ্যসভ্যতাৰ প্ৰতীক। কৰতোয়াক সদানীৰা আৰু সদাগংগা বিশেষণেৰে ভূষিত কৰা হৈছে যদিও, সদানীৰা নামে এখন সুকীয়া নৈৰো উল্লেখ আছে। গতিকে বৈদিক সদানীৰা পৌৰাণিক কৰতোয়াতকৈ বেলেগ। বিশেষ্যক বিশেষণত

১৯। কৰতোয়া সদা গংগা পূৰ্বভাগাৱধিশ্ৰয়া।
যাৱল্ললিত কান্তাখ্যি তাৱদেৱ পুৰং তৱ ॥
কা. পু. ৩৮/১১৮

২০। কা. পু. ৩৮।১১৯-১২৪

২১। কা. পু. ৩৮।১২৭

২২। কা. পু. ৫১।৭৫-৭৭

পৰিণত কৰি ভ্ৰান্তিৰ সৃষ্টি কৰা হৈছে।[২৩]

মধ্যযুগৰ আহোম বুৰঞ্জীত কৰতিয়াগংগা আৰু কৰতিয়াগংগাৰ পানীত যুদ্ধৰ খাওঁ পথদাৰ উল্লেখ পোৱা যায়। কৰতিয়াই যে কৰতোয়া তাক নকলেও হ'ব।

পশ্চিম সীমা পৌৰাণিক আৰু ঐতিহাসিক যুগত কেতিয়াবা তোইকা-পিছলা হলেও একে হৈ আছে। চিনাক্ত কৰাতো অসুবিধা নাই; কিন্তু পূব সীমাৰ বিষয়ে সেই কথা কোৱা টান। কিয়নো ললিতকান্তা নৈ বা কোনো ভৌগোলিক স্থিতি নহয়। (ললিতকান্তা দিক্কৰবাসিনী দেৱীৰে অন্য এটা নাম; দেৱীৰ কমনীয় ৰূপ ললিতকান্তা আৰু ভীষণ ৰূপ তীক্ষ্ণকান্তা। দিক্কৰবাসিনী শিৱা তীক্ষ্ণকান্তা বা উগ্ৰতাৰা আৰু ললিতকান্তা বা মংগলচণ্ডী এই দুই ৰূপত বিৰাজমান। উগ্ৰতাৰা কৃষ্ণৱৰ্ণা, লম্বোদৰী আৰু একজটা। মংগলচণ্ডী দ্বিভুজা, গৌৰবৰ্ণা, ৰক্ত-পট্টাম্বৰধাৰিণী, পদ্মাসনা; এয়ে ললিতকান্তা দিক্কৰ-বাসিনী। দিক্কৰ মানে সূৰ্য আৰু শিৱ। শিৱৰ ওপৰত অধিষ্ঠিতা বাবে দিক্কৰবাসিনী বোলা হৈছে। পীঠে দিক্কৰবাসিন্যা দ্বিৰূপ ৰমতে শিৱা।)[২৫]

ললিতকান্তাৰ অৱস্থান ক'ত? দিক্কৰবাসিনীৰ বৰ্ণনাৰ-পৰা সামান্য আভাস পোৱা যায়; কিন্তু সেই বিষয়তো সন্দেহৰ অৱকাশ আছে। অসমৰ উত্তৰ দিশত নাটক শৈলত মানস সৰোবৰৰ নিচিনা এখন সৰোবৰ আছে। সেই সৰোবৰৰ পূব-পশ্চিম আৰু মাজভাগৰপৰা তিনিখন দক্ষিণ বাহিনী নৈ ওলাই সাগৰত (ব্ৰহ্মপুত্ৰ) পৰিছে। এই তিনিখন নৈৰ পশ্চিম ফালৰপৰা ওলোৱাখনৰ নাম দিক্ৰিকা, (ডিক্ৰাই) মাজৰখনৰ নাম বৃদ্ধগংগা (বুঢ়ীগাং) আৰু পূবফালৰখনৰ নাম হৈছে স্বনশ্ৰী (সোৱণশিৰী)। তাৰ পূবফালে ক্ৰমে কামা, সোমাশিলা আৰু বৃষোদকা নৈ বৃষোদকা নৈৰ পূবে কামৰূপপীঠৰ (পূৰ্ব প্ৰান্তত?) দেৱী দিক্কৰবাসিনী বিৰাজমান। দিক্কৰবা-সিনীৰ পীঠৰ কাষেদি স্বৰ্গীয় নৈ সিতগংগা বৈ আছে।

উক্ত বৰ্ণনাৰপৰা বুজা যায় যে সিতগংগা আৰু বৃষোদকাৰ মাজত দিক্কৰবাসিনীৰ স্থিতি; তাতেই কামৰূপ বিস্তৃত আৰু সেয়ে আছিল বিষ্ণুপুত্ৰ নৰকৰ ৰাজ্য। বৃষোদকা আৰু সিতগংগা এতিয়া কি নামে পৰিচিত কোৱা টান। বৃষোদকা অৱশ্যে নাম নহৈ বিশেষণো হ'ব পাৰে; বিশাল জলৰাশি-পূৰ্ণ নদী। উত্তৰ-পূব অঞ্চলৰ দিহাং নৈৰ জলধাৰাৰ পৰিমান অন্যান্য নৈতকৈ বেছি।

এই প্ৰসংগতে থকা অন্য এটা বৰ্ণনাই পূবসীমাৰ বিষয়ে আৰু সন্দেহৰ সৃষ্টি কৰে। ঘটক-নিধনৰ পিছত বিষ্ণুৱে নৰকক এই নিৰ্দেশ দিলে: কিৰাত-বিলাকক ললিতকান্তাৰ পূবে সাগৰলৈকে বিস্তৃত অঞ্চলত পুনৰ্বসতি কৰিবলৈ দিয়া[২৪]; ললিতকান্তাৰ





পশ্চিমৰপৰা কৰতোয়ালৈকে এই অঞ্চল 'কামাখ্যা-নিলয়', ইয়াত দ্বিজাতিবিলাকৰ বস-বাসৰ ব্যৱস্থা কৰা'।[২৬]।

আমাৰ বৰ্তমান ভূগোলৰ জ্ঞানেৰে ললিতকান্তাৰ পূবে সাগৰৰ তীৰবৰ্তী অঞ্চলৰ ধাৰণা কৰা টান; এই বৰ্ণনা আৰু আগৰ বৰ্ণনা দুয়োটাৰ মাজত সামঞ্জস্য সাধন কৰাও টান হৈ পৰে। তেনেহ'লে কামাখ্যাৰ ওচৰৰ কোনো অঞ্চলতে দিক্কৰবাসিনী ললিতকান্তা ৰূপত আছিল নেকি?

এই প্ৰসংগত অন্য এটা মন কৰিবলগীয়া কথা হৈছে—নৰকক ৰাজত্ব কৰিবলৈ দিয়া অঞ্চল পুৰ আৰু পুৰী সংজ্ঞাৰে অভিহিত। পুৰ, পুৰী, নগৰ, পত্তন, পট্টন, স্থানীয় আদি পৰ্যায়বাচী শব্দ কিন্তু পাৰিভাষিক অৰ্থত প্ৰত্যেকৰে সুকীয়া সুকীয়া সংজ্ঞা আৰু ব্যাখ্যা আছে।

মৎস্য পুৰাণ, ভৱিষ্যোত্তৰ পুৰাণ আৰু এই জাতীয় আন কেইখনমান গ্ৰন্থত জনবসতিৰ ক্ষুদ্ৰতম অংশক গ্ৰাম বোলা হৈছে। তাতকৈ আকাৰে-প্ৰকাৰে ডাঙৰ হ'লে আবট্ট বোলা হয়। তাতকৈ ডাঙৰ হ'লে পুৰ, পুৰী, নগৰ, নগৰী আদি আখ্যা দিয়া হয়;[২৭] কিন্তু এই শ্ৰেণীবিভাগ সকলো ক্ষেত্ৰত আৰু সকলো সময়ত প্ৰযোজ্য নহয়। পুৰ শব্দ নগৰবাচক হোৱাৰ দৰে নগৰ ৰাষ্ট্ৰ (city state) বুজাবলৈকো ব্যৱহৃত হোৱা দেখা যায়। নৰকৰ প্ৰাগ্‌জ্যোতিষপুৰ এখন নগৰ ৰাষ্ট্ৰ হোৱাও সম্ভৱপৰ।

এই প্ৰসংগত যোগিনীতন্ত্ৰত থকা কামৰূপৰ সীমাৰ বৰ্ণনা প্ৰণিধানযোগ্য।

"নেপালৰ কাঞ্চনাদ্ৰিৰপৰা ব্ৰহ্মপুত্ৰৰ সংগমলৈকে কৰতোয়াৰপৰা দিক্কৰবাসিনী পৰ্যন্ত কামৰূপ। কামৰূপৰ উত্তৰফালে কঞ্জ পৰ্বত, পশ্চিমত কৰতোয়া, পূব দিশত তীৰ্থশ্ৰেষ্ঠা দিক্ষু নৈ আৰু দক্ষিণফালে ব্ৰহ্মপুত্ৰ-লাক্ষাৰ সংগম।"

ওপৰৰ বৰ্ণনাত প্ৰথমে এফাঁকি কথাৰে কামৰূপৰ সীমাৰ বিষয়ে কৈ পিছত আকৌ তাকে দোহৰা হৈছে। পুনৰুক্তিৰ কাৰণ কি? সম্ভৱতঃ প্ৰথম-ফাকি শ্লোকত কৰতোয়াৰপৰা দিক্কৰবাসিনীলৈকে—কামৰূপৰ পশ্চিম আৰু পূবসীমাৰ কথা কালিকা পুৰাণৰ বৰ্ণনা অনুসাৰে উল্লেখ কৰি সমসাময়িক স্থিতি অনুসাৰে পূব-পশ্চিম, উত্তৰ-দক্ষিণ চাৰিও সীমাৰ স্পষ্টতৰ বৰ্ণনা দিয়া হৈছে। তুলনা কৰি চাবৰ বাবে যোগিনীতন্ত্ৰৰ শ্লোককেইফাকি উদ্ধৃত কৰা হ'ল।

"নেপালস্য কাঞ্চনাদ্ৰিং ব্ৰহ্মপুত্ৰস্য সংগমম্॥
কৰতোয়াঃ সমাশ্ৰিত্য যাবদ্, দিক্কৰবাসিনীম্।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়া তু পশ্চিমে॥
তীৰ্থশ্ৰেষ্ঠা দিক্ষু নদী পূৰ্বস্যাং গিৰিকন্যাকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সংকমাৱধি॥
কামৰূপ ইতি খ্যাতঃ সৰ্বশাস্ত্ৰেষু নিশ্চিতঃ"

—যো. ত. ১১।২০-২৩

ওপৰৰ বৰ্ণনাৰ "তীৰ্থশ্ৰেষ্ঠা দিক্ষু নদী" যদি বৰ্তমানৰ দিখৌ নৈ হয় (নোহোৱাৰ যুক্তি নাই) তেনেহলে কামৰূপৰ পূবসীমা তথা দিক্কৰবাসিনীৰ অৱস্থান দিখৌৰ পাৰত হ'ব লাগিব। দেখাতে উক্ত বৰ্ণনা স্বতঃবিৰোধী। (ক্ৰমশঃ)

২৩। সদানীৰা কৰতোয়া, অমৰ কোষ, পাতালবৰ্গ; তিথিতত্ত্ব, ৰঘুনন্দন;
সদানীৰা—বিদেহ আৰু কোশলৰ মধ্যৱৰ্তী নৈ; শতপথ ব্ৰাহ্মণ।
Eggling এ ব্ৰাহ্মণৰ ভূমিকাত গণ্ডক নৈক সদানীৰা বুলি চিনাক্ত কৰিব খুজিছে, Sacred Book of the East, Vol VII, P. 104.
মহাভাৰতৰ বৰ্ণনা মতে সদানীৰা গণ্ডক আৰু কৰতোয়াতকৈ বেলেগ নৈ। সেইদেখি Pargiter এ সদানীৰাক ৰাপ্তি নৈ বুলি চিনাকি কৰিছে। স্কন্দ পুৰাণৰ বৰ্ণনাত কৰতোয়া পৌণ্ড্ৰৰ মাজেদি বৈ গৈছে। কৰতোয়াৰ সদাগংগা বিশেষণ কালিকা পুৰাণত পোৱা যায়।

২৪। কা. পু. ৮০।৩৬-৩৭

২৫ কা. পু. ৮০।১১-২৩

২৬। কা. পু. ৩৮।১২৬-১২৮

২৭। গ্ৰাম, আবট্ট, স্থানীয়, পুৰ, নগৰ— এইদৰে ক্ৰমে পৰিধি বহলাই নিয়া হৈছে যদিও, পৰিধিৰ লগতে সেনানিবাস, ৰাজনিবাস, বাণিজ্যচৰ্চাৰ আদি বৈশিষ্ট্যও যোগ দিয়া হৈছে। এই শ্ৰেণী ভাগত পুৰতকৈ নগৰ ডাঙৰ। নগ অৰ্থাৎ পৰ্বতাকাৰ বিশাল প্ৰাসাদৰাজি থাকে বাবে নাম হৈছে নগৰ। (তু। ক. নগৰ)। আকৌ বাণিজ্যৰ প্ৰধান কেন্দ্ৰস্থলক নগৰ আৰু ৰজাৰ নিবাস থকা ঠাইক পুৰ বোলাও হৈছে।

শ্ৰীনৰেন্দ্ৰনাথ বৰদলৈ

# শংকৰদেৱৰ 'হৰমোহন' আৰু তুলসীদাসৰ 'নাৰদমোহন'ৰ ৰূপায়ণ-বৈশিষ্ট্য

শংকৰ-মাধৱৰ কলাৰ মাজেদি সৃষ্টিৰ মায়াৰ প্ৰভাৱ আৰু তাৰ তৰণৰ উপায় একমাত্ৰ হৰিত শৰণ—সেই সত্যই প্ৰকাশ পাইছে। ব্ৰহ্মাকে আদি কৰি ক্ষুদ্ৰ তৃণ পৰ্যন্ত সকলোৱেই মায়াবন্ধাৰা আবৃত।

"ব্ৰহ্মা আদি কৰি জীৱ যত ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমটি যাই।
তুমিসে চৈতন্য সনাতন ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন নিয়োক নাম জগাই॥"

ওপৰৰ এই পদফাঁকিত সমস্ত বৈষ্ণৱ সাহিত্যৰ সাৰ গণিতৰ সাধাৰণ সূত্ৰৰ দৰে প্ৰকাশ পাইছে। গীতাতো "দৈৱী হি এষা গুণময়ী মম মায়া দুৰত্যয়া। মামেৱ যে প্ৰপদ্যন্তে মায়ামেতাং তৰন্তি তে।'। এই শ্লোকৰ সাৰেই ওপৰৰ পদফাঁকিৰো সাৰ।

শংকৰদেৱে কীৰ্তনৰ 'হৰমোহন'ৰ আৰু তুলসীদাসে "ৰামচৰিত মানস'ৰ 'বালকাণ্ড'ৰ 'নাৰদমোহন'ৰ মাজেদি এই সত্যৰ ৰূপায়ণ কেনেভাৱে কৰিছে তাৰে এটা তুলনামূলক অধ্যয়ন এই প্ৰবন্ধত কৰিবলৈ চেষ্টা কৰা হৈছে। সত্য এক, পাছে দুই কবিৰ ৰূপায়ণ-বৈশিষ্ট্য নিজস্ব। কলাৰ বৈশিষ্ট্যই এইখিনিতে যে দুজন কলাকাৰৰ ৰূপায়ণ-বৈশিষ্ট্য কেতিয়াও এক হ'ব নোৱাৰে; যেনেকৈ দুজন মুখ সম্পূৰ্ণ এক হোৱাটো অসম্ভৱ।

ভাৰতীয় অধ্যাত্ম সাহিত্যত "মায়া" শব্দটোৰ ব্যৱহাৰলৈ চাই তাৰ এটা স্থূল-মূল আভাস দিয়াটো অপ্ৰাসংগিক নহ'ব। ৰামানুজৰ মতঃ ব্ৰহ্মৰ সৰ্বব্যাপী সত্তাত অচিৎ আৰু চিৎ এই দুটা তত্ত্ব আছে। প্ৰথমটো জগতৰ সমস্ত পদাৰ্থৰ মূল; তাক প্ৰকৃতি বোলা হয়। "মায়াং তু প্ৰকৃতিং বিদ্যাৎ মায়িনং তু মহেশ্বৰম্।" ৰামানুজৰ মতৰূপ তেসত্য। বহুৰ অস্তিত্ব তেওঁ স্বীকাৰ কৰে যদিও সেই বহুৰ মূল অস্তিত্ব এক পৰম সত্তাৰ অস্তিত্বৰ ওপৰতহে নিৰ্ভৰ কৰে।

"প্ৰকৃতি পুৰুষ দুয়োৰো নিয়ন্তা মাধৱ
সমস্তৰে আত্মাহৰি পৰম বান্ধৱ।' (নামঘোষা)

মায়া একাৰে জগতসৃষ্টিৰ মূল শক্তি আৰু আনকাৰে মায়া হ'ল ব্ৰহ্মৰ বিচিত্ৰ সৃষ্টি শক্তি। 'বিচিত্ৰাৰ্থ-সৰ্গকাৰী-শক্তি।" মায়াৰ বিষয়ে শংকৰাচাৰ্যৰ মত—অগ্নিৰপৰা দাহিকাশক্তি যেনেকৈ অভেদ, ব্ৰহ্মৰপৰা



মায়াশক্তি তেনেকৈ অভেদ। শংকৰৰ মতে ব্ৰহ্ম সত্য জগত মিথ্যা। আমি যে বিচিত্ৰ জগতখনৰ অস্তিত্বত বিশ্বাস কৰোঁ, জগতখনক ব্ৰহ্ম বুলি উপলব্ধি কৰিব নোৱাৰোঁ, ইয়াৰ কাৰণ হ'ল ব্ৰহ্মৰ মায়া শক্তিৰ আমাৰ ওপৰত প্ৰভাৱ। যাদুকৰৰ যাদুৰ কৌশলৰ লগত ব্ৰহ্মৰ মায়া শক্তিৰ তুলনা আহি পৰে। যাদুকৰে যাদুৰ কৌশলৰ বলত যাদুবিদ্যাত অজ্ঞজনক এটা মুদ্ৰাকে বহুত যেন কৰি দেখুৱায়। গতিকে ব্ৰহ্মৰ মায়াশক্তিৰ প্ৰভাৱৰ ফলত অজ্ঞজনে জগতৰ বহুত্বত বিশ্বাস কৰে। জগত যে এক অখণ্ড ব্ৰহ্ম সত্তা সেইটো উপলব্ধি কৰিব নোৱাৰে; কিন্তু যি মুহূৰ্তত ব্ৰহ্ম মায়াক অতিক্ৰম কৰিব পাৰে অৰ্থাৎ প্ৰকৃত জ্ঞান হয় সেই মুহূৰ্তত ব্ৰহ্মৰ বাহিৰে অন্য সত্তাৰ অস্তিত্বক বিশ্বাস নকৰা হৈ আহে।

মায়াৰ প্ৰভাৱক অজ্ঞান বা অবিদ্যাও বোলা হয়—"তোমাৰেসে অবিদ্যাই আমাক মুহিলে হৰি নজানোহো তোমাৰ তত্ত্বক।" (ঘোষা)

"যিহেতু তোমাৰ চৰণ পঙ্কজে
নভজিলো নাৰায়ণ।
সিহেতু অনাদি অবিদ্যা আমাৰ
কৰিলে জ্ঞান উচ্ছন্ন।" (ঘোষা)

পাৰমাৰ্থিক দৃষ্টিৰ ফালৰপৰা শংকৰদেৱ আৰু মাধৱদেৱ শংকৰাচাৰ্যৰ অদ্বৈতবাদৰ অনুগামী যেন লাগে। পাছে ব্যৱহাৰিক দিশটোৰ কাৰণেহে (ভক্তিৰ কাৰণে) তেওঁলোকে দ্বৈতৰ স্থান ৰাখিবলগা হৈছে। এই ভক্তিৰ যোগেদি পৰম অদ্বৈত সত্তালৈ তেওঁলোকে দুৱাৰ মুকলি কৰি দিছে। ইয়াক তেওঁলোকৰ শিক্ষাবিলাক ভালকৈ অনুসৰণ কৰিলে উপলব্ধি কৰিব পাৰি। উদাহৰণ:

'অসত্য জগতখান তোমাতে উস্তৰ ভৈল
সত্য হেন প্ৰকাশে সদায়।' (বেদস্তুতি)

"যত দেখা ধন জন সবে বিষ্ণুমায়া
আকাশত সঞ্চাৰে মেঘৰে যেন ছায়া।"
(গজেন্দ্ৰোপাখ্যান)

'যতেক সংসাৰ নয় সবে স্বপ্ন মায়াময়।' (বলিছলন)

"হে হৰি তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত
আৰুৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত॥" (ঘোষা)

'অন্তৰত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বাহিৰত জড়প্ৰায়।
বুদ্ধিত সমস্তে তেজিয়োক বাহিৰত সঙ্গ দেখায়োক
...................................," (ঘোষা)

শংকৰদেৱ আৰু মাধৱদেৱৰ মতে মায়াৰ নিৰ্যান কৰি পৰম সত্তাৰ উপলব্ধি কৰিবৰ একমাত্ৰ উপায় ভগৱানত শৰণ। গীতাতো যে তাকেই দেখুওৱা হৈছে ওপৰত তাক উনুকিয়াই অহা হৈছে। কীৰ্তনৰ "হৰমোহন'ত শংকৰদেৱে মূল সংস্কৃত ভাগৱতৰ আঁতডাল ধৰি লৈছে। মূলৰপৰা চুলি এডালমানো হেৰফেৰ কৰা নাই। মূল সত্য হৃদয়ত সাৰোগত কৰি, দেশ-কাল-পাত্ৰলৈ লক্ষ্য কৰি শংকৰদেৱে নিজস্ব বৈশিষ্ট্য 'হৰমোহন'ত দেখুৱাইছে। এইটো প্ৰতিভাৰ গতিয়েই। দিব্য উপৱনৰ আৰু মোহিনী মূৰ্তিৰ বৰ্ণনাত শংকৰদেৱৰ স্বাধীন কল্পনাৰ মুক্ত স্ফুৰণ উপলব্ধি কৰিব পাৰি। চোৰচাতৰ খোপময়া এক্কাৰত, এলাঙ্কুকলীয়া সংস্কাৰত অন্ধ হৈ থকাজনে হয়তো এইটো মহত্বকৈ শিং চৰা বুলি হাঁহিব পাৰে, তাৰ বাবে মুক্তজনৰ ওচৰত তেওঁ হাঁহিয়াতৰ পাত্ৰ হ'ব।

হৰৰ বিষ্ণুৰ নাৰী মূৰ্তি চাবলৈ বৰকৈ মন যোৱাত এদিন তেওঁ পাৰ্বতীক লগত লৈ বিষ্ণুৰ কাষ চাপিল।

নাৰীমূৰ্ত্তি দৰ্শনৰ ফল তেওঁৰ প্ৰিয় ভক্তৰ ওপৰত বিপৰীত হ'ব এই ভাৱত তাৰপৰা মন ঘুৰাবলৈ বিষ্ণুৱে তেওঁক নানান বুজনি দিলে। পাছে একোপধে তেওঁক ঘুৰাব নোৱাৰিলে। 'ব্ৰহ্মময় দেখো কি কৰিব পাৰে মায়া' বুলি শিৱই গপ মৰাত বিষ্ণুৱে পেটে পেটে হাঁহি 'দেখাইবো তোমাক আজি সেই স্ত্ৰীবেশ'' বুলি ঠাইতে অন্তৰ্দ্ধান হ'ল। মূল ভাগৱতত পাছে শিৱই নাৰীমূৰ্ত্তি চাবলৈ বুলি প্ৰাৰ্থনা কৰাৰ লগেলগেই বিষ্ণুৱে তথাস্তু বুলি কোৱাৰ কথা আছে।

"তৎতেহহং দৰ্শয়িষ্যামি দিদৃক্ষোঃ সুৰসত্তম্।
কামিনাং বহুমন্তব্যং সংকল্প প্ৰভবোদয়ম্॥"

চকুৰ পচাৰতে নানান ফল-ফুলেৰে নদন-বদন উপবন এখনত এগৰাকী দীপলিপ কন্যাক শিৱই দেখিবলৈ পালে। "ততো দদৰ্শোপবনে বৰস্ত্ৰিয়ং বিচিত্ৰ পুষ্পাৰুণ পল্লৱদ্ৰুমে' মূল ভাগৱতত "বিচিত্ৰ 'পুষ্পাৰুণ পল্লৱদ্ৰুমে'' এই শব্দকেইটাতেই উপবনক সামৰি থৈছে। তেনেহ'লে শংকৰদেৱে উপবনৰ ইমান দীঘলীয়া বৰ্ণনা কিয় দিলে এই প্ৰশ্ন উঠিব পাৰে। উত্তৰ একেবাৰেই সহজ। প্ৰতিভাশালী কবিসকলে আনৰপৰা জুমুথিটোহে লয় আৰু দেশ-কাল-পাত্ৰলৈ চাই প্ৰতিভাৰ বলত পুৰণিত নতুন প্ৰাণৰ ন চকুযুৰীৰ জেউতি চৰাই দিয়ে। শংকৰদেৱ ৰসত চতুৰ আছিল। শৃংগাৰ ৰসৰ সৃষ্টিৰ কাৰণে নায়ক-নায়িকা অপৰিহাৰ্য। শৃংগাৰ ভাৱৰ উদ্দীপনৰ কাৰণে নানান উদ্দীপকৰ যেনে মনোহৰ স্থান, জোনৰ পোহৰ আদিৰ আৱশ্যক। গতিকেই তেওঁ ৰসৰ উপভোগৰ কাৰণে সেই বৰ্ণনা দিবলৈ বাধ্য। ভাগৱতৰ বৰ্ণনাৰ আবেদনৰ লক্ষ্য আছিল পণ্ডিত ভক্ত। শংকৰদেৱৰ উদ্দেশ্য ঘাইকৈ জনসাধাৰণৰ মাজত প্ৰচাৰ। গতিকে জনসাধাৰণৰ স্বাভাৱিক শক্তি অনুসাৰে যাতে ৰসৰ বোধ হয় তাৰবাবে ইয়াৰ দীঘলীয়া বৰ্ণনা অপৰিহাৰ্য বুলি তেওঁ ভাবিছিল। শংকৰদেৱৰ বৰ্ণনাৰ যোগেদি গোটেই অসমৰ প্ৰাকৃতিক দৃশ্য পাঠকৰ চকুৰ আগত ভাহি উঠে। এইদৰেই নিজস্থান, নিজকালৰ বৈশিষ্ট্যবোৰ প্ৰতিভাশালী লেখকৰ লিখাত ফুটি উঠে। সাৰ্বজনীন ভাৱটোও অথচ ওলাই পৰাত বাধা নপৰে —

"শেৱালি নেৱালি পলাশ পাৰলি
পাৰিজাত যুঁথি জাঁই।
বকুল বন্দুলী আছে ফুলি ফুলি
তাৰো সীমা সংখ্যা নাই॥
কুন্দ কৰবক কেতেকী তগৰ
গন্ধে মোহে বহু দূৰ।
গুটি মালি ভেটি ৰংগীন ৰেৱতী
মকৰা মধাই ধুস্তুৰ।"

ই যেন কোনো এখন ঠাইৰ প্ৰাকৃতিক পৰিবেশৰ এটি নিখুঁত চিত্ৰহে।

"মণি মৰকত স্থলী নানা মত
দীপ্তি কৰে তাৰ কাছে।
মহা মনোহৰ দীঘি সৰোবৰ
তাৰ মাজে মাজে আছে॥
চাৰিও কাষৰে প্ৰবাল বান্ধৰে
বান্ধিলি বিচিত্ৰ কৰি।
বৈদূৰ্য্যৰ বাট স্ফটিকৰ ঘাট
মৰকত বাট থৰি॥"

ই যেন কোনো ডাঙৰ architect ৰ পৰিকল্পিত এক বিচিত্ৰ সৃষ্টিহে।

"চাৰিও পাৰত দিব্য পুষ্প যত
গন্ধে দশোদিশে বাসে।
অনেক ভ্ৰমৰে বেঢ়িয়া গুঞ্জৰে
মধুপান অভিলাষে॥"
......... ......... ......... .........
"কুহু কুহু ধ্বনি কোকিলৰ শুনি
বহয় মলয়া বাৰ।"



গতিকে এনে এটা পৰিবেশত মোহিনী মূৰ্ত্তি—
"মুখচন্দ্ৰ সম শোভে পদ্মৰ সুৰভি লোভে
বেঢ়ি মধুকৰে কৰে ৰোল।"

"শৰীৰৰ লাসবেশ নেত্ৰৰ কটাক্ষ ঠেস" দেখি শম্ভু যে ভোল যাব, বিবশ হ'ব তাত আচৰিত হ'বলগীয়া কি আছে? মোহিনী মূৰ্ত্তিৰ বৰ্ণনা ভাগৱতত চমুকৈ আছে। ইয়াতো শংকৰদেৱৰ কল্পিত নাৰীমূৰ্ত্তিৰ বৰ্ণনাই পাঠকক আৰু শ্ৰৱণ কৰোঁতাসকলক যেন শংকৰৰ দশাই ঘটাই আছে।

"কণ্ঠে লৰে মাত্তসৰী লম্বলাসে কাচে ভৰি
আগবাঢ়ি পাছে গুচি যায়।
পিন্ধি শাড়ী ঘণ্টা জালি যেন মৈৰা কৰে চালি
হৰক কটাক্ষ কৰি চায়॥"

ইয়াৰ দীঘলীয়া উদ্ধৃতিলৈ নগৈ "কেৱল কন্যাত মাত্ৰ হিয়া" আৰু 'নাৰীময় দেখন্ত সমস্ত বৃক্ষগণ'' এই দুশাৰীয়েই কামত বিকল হোৱাজনৰ মনৰ বিকাৰৰ নিখুঁত এক্সৰে ফটো। প্ৰথম শাৰী 'কুমাৰ সম্ভৱ'ৰ 'মমাত্ৰ ভাৱৈকৰমং মনঃস্থিতম, আৰু দ্বিতীয় শাৰী 'মেঘদূত'ৰ 'কামাৰ্ত্তাঃ হি প্ৰকৃতি কৃপণাঃ চেতনাচেতনেষু''ৰ অনুৰূপ।

সামগ্ৰিক দৃষ্টিৰ ফালৰপৰা চালে 'হৰমোহন'ত উচ্চ কলাৰ সকলো লক্ষণ ফুটি উঠিছে। হৰৰ বিষ্ণু স্তুতি :

"নমো নমো মাধৱ বিধিৰ বিধিদাতা।
তুমি জগতৰ গতি মতি পিতা মাতা॥
তুমি পৰমাত্মা জগতৰ ঈশ এক।
..............................॥
তুমিসে কেৱল সত্য মিছা সবে আন।"

শিৱৰ খেদ, বিষ্ণুৰদ্বাৰা শিৱৰ গুণ কীৰ্তন, শিৱৰ পাৰ্বতীৰ প্ৰতি উপদেশ, পাৰ্বতীৰ হৰস্তুতি—এইবোৰ ভাৱৰ গাম্ভীৰ্য, সংযম আৰু সৰলতা আদি গুণত অতুলনীয়।

"হৰমোহন"ত বেদান্তৰেই প্ৰাণৰ স্পন্দন অনুভৱ হয়। সত্যক আঁকোৱালি ল'ব পৰা পোহৰ ভাৱ, উদাৰ সহানুভূতিশীল দৃষ্টি, সাম্প্ৰদায়িক ক্ষুদ্ৰ দৃষ্টিৰ অভাৱ আদি বেদান্তৰ সাৰ বস্তু—'হৰমোহন'ত অনুভৱ কৰোঁ। "তুমি পৰমাত্মা জগতৰ ঈশ এক। একো বস্তু নাহিকে তোমাত ব্যতিৰেক''॥ এই মহান ভাৱৰদ্বাৰা 'হৰমোহন'ৰ কবি উদ্বুদ্ধ। গতিকে কবিয়ে শিৱ, পাৰ্বতী এইসকলকে সাৰতি লৈছে আৰু তেওঁলোকৰ প্ৰতি প্ৰাপ্য শ্ৰদ্ধা দেখুৱাইছে। "বৃষভৰ নামি হৰ আৰু গৌৰী মাই'', 'জগত জননী লক্ষ্মী আছন্ত উপাসি''।, "এহি বুলি পাছে গৌৰী হৰিৰ স্তুকতি কৰি থাকিলন্ত জগতৰ মাৱে, 'জননী', 'মাৱ' আদি শব্দেৰে লক্ষ্মীক আৰু পাৰ্বতীক সম্বোধন কৰি সন্তানৰং স্নেহ আৰু শ্ৰদ্ধা নিবেদন কৰিছে। সন্তানৰ মাতৃৰ প্ৰতি টানটো বুজাবলৈ 'মাৱ'তকৈ আৰু কি তেজী শব্দ লাগিছে?

উৎকট সাম্প্ৰদায়িক ভাৱত চেতনা হেৰুৱাই শংকৰ, লক্ষ্মী, পাৰ্বতীৰ নাম শুনিলেই আমি উচপ খাই উঠোঁ। আৰু শংকৰদেৱৰ বেদান্তৰ শিক্ষা 'ব্ৰহ্মাৰূপে স্ৰজা তুমি, পালা বিষ্ণুৰূপে ধৰি; ৰুদ্ৰৰূপে নিয়া তুমি জগত সংহাৰি'। 'হৰমোহন'ৰ 'আত নকৰিবা খেদ কিঞ্চিতেকো নাহি ভেদ, তোমাৰ আমাৰে এক কায়া' বেদান্তৰ এই সত্য লৈ জ্ঞান-জ্যোতি হেৰুৱাওঁ।

তুলসীদাসৰ 'ৰামচৰিত মানস'তো 'হৰমোহন'ৰ অনুৰূপ ঘটনাৰ বৰ্ণনা কৰা হৈছে—'মাত্ৰ বিষ্ণুমায়াই ইয়াত নাৰী ৰূপ ধাৰণ কৰি নাৰদক বিমূঢ় কৰিছে।

কামজয়ত সিদ্ধি হৈছে বুলি পেটত অহংকাৰ ভাব লৈ এদিন নাৰদ শিৱৰ ওচৰলৈ গ'ল আৰু সকলো বিৱৰি তেওঁক ক'লেগৈ। বিষ্ণুৰ আগত যাতে নাৰদে কামজয়ৰ কথা ঘূণাক্ষৰেও নুলিয়াই তাৰ বাবে শিৱই দঢ়াই দঢ়াই তেওঁক বুজনি দিলে। পাছে তেওঁ কোনোপধ্যে তাক ৰাখিব নোৱাৰি বিষ্ণুৰ আগত কামজয়ৰ কথা বখানিবলৈ ধৰিলে। বিষ্ণুৱে দেখিলে নাৰদৰ কামজয় কৰিছোঁ বুলি পেটে পেটে অহংকাৰ হৈছে। 'এতেকে এওঁৰো হিত হক আৰু মোৰো লগতে কৌতুক হ'ক' এইবুলি তৎক্ষণাৎ মায়াৰ সৃষ্টি কৰিলে। বিষ্ণুৱে চকুৰ পচাৰতে বৈকুণ্ঠপুৰীতকৈও অধিক বিত্তোপন এখন নগৰ সৃষ্টি কৰিলে। সেই নগৰত শীলনিধি ৰজাৰ বাস। তেওঁৰ দীপলিপ্‌ জীয়েকৰ ৰূপ দেখি "শ্ৰীবিমোহ জেহি ৰূপু নিহাৰী"। অৰ্থাৎ তেওঁৰ ৰূপ দেখিলে সাক্ষাৎ লক্ষ্মীৰো ভোক-পিয়াহ হৰে। যথাসময়ত স্বয়ম্বৰ সভাৰ আয়োজন হ'ল। দেশ-বিদেশৰপৰা কন্যাৰ পাণি গ্ৰহণৰ আশা লৈ ভেঁটাভঙা পানীৰ-দৰে ৰজাসকল আহিবলৈ ধৰিলে। বিষ্ণুমায়াত মোহিত হৈ নাৰদো সভাত ওলালগৈ। ৰজাই ৰাজকুমাৰীক আনি নাৰদক দেখুৱালে—

"লচ্ছন তাসু বিলোকি ভুলানে।
হৃদয় হৰষ নাহি প্ৰগট বখানে॥"

কন্যাৰ ৰূপ দেখি নাৰদ আনন্দত আপোনপাহৰা হ'ল। পাছে তেওঁ মুখফালি একোকে ক'ব নোৱাৰিলে। নাৰদৰ জপ-তপ কৰবাতে গ'ল। একমাত্ৰ ভাব হ'ল কন্যাৰপৰা কেনেকৈ জয়মালা লাভ কৰে।

"মোৰে হিত হৰি সম নাহি কোউ।
এহি অৱসৰ সহায় সেহি হোউ॥"

হৰিতকৈ মোৰ হিত সাধোঁতা কেও নাই। এই সময়ত হৰি মোৰ সহায় হওক। কামগ্ৰস্ত সিদ্ধৰ মানসিক বৈক্লব্য কি হাস্যকৰ!

কৌতুক প্ৰৱণ হৰিয়েও "জেহিবিধি হোইহি পৰম হিত নাৰদ সুনহু তুম্হাৰ। সোই হম কৰব ন আন কছু বচন ন মৃষা হমাৰ"॥ নাৰদ শুনা; যিটো কৰিলে তোমাৰ হিত হয় মই তাকেহে কৰিম, আন নকৰো। মোৰ কথা অথলে যাব নোৱাৰে।

মায়াত বিকল হৈ নাৰদে ভাবিলে—প্ৰভুৱে মোক কন্যা লাভৰ জোৰাই জোখাই ৰূপ দান দিছে। এই বুলি ৰূপৰ অহংকাৰত ওফন্দি তেওঁ স্বয়ম্বৰ সভা ওলালগৈ। প্ৰভুৱেনো নাৰদক বাৰু কি ভুবনমোহন ৰূপটো দিলে।—

"মুনিহিত কাৰণ কৃপানিধানা।
দীন্হ কুৰূপ ন জাই বখানা॥
সো চৰিত্ৰ লখি কাহু ন পাৱা।
নাৰদ জানি সবহি সিৰ নাৱা॥"

অৰ্থাৎ মুনিহিতৰ কাৰণে প্ৰভুৱে নাৰদক এনে এটা কুৰূপ দিলে যিটো বখানিব নোৱাৰি। সেই কুৰূপ কাৰো চকুত নপৰিল। নাৰদ বুলি সকলোৱে মূৰ দোঁৱালে।

সেই স্বয়ম্বৰ সভালৈ সদাশিৱৰ দুজন গণ ব্ৰাহ্মণৰ বেশ ধৰি গৈছিল। তেওঁলোকেহে গোটেই কথাটোৰ ভেদটো জানিছিল।

"কৰহি কুটি নাৰদহি শুনাঈ।
নীকি দীন্হি হৰি সুন্দৰ তাঈ॥
ৰীসিহি ৰাজকুঁঅৰি ছবি দেখী।
ইন্হহি বৰিহি হৰি জানি বিসেষী॥"



তেওঁলোকে নাৰদক শুনাই শুনাই এই বুলি হাঁহিছিল—দেহি ঐ এওঁক কি ৰূপহ কৰি তুলিছে! এওঁক দেখিনো ৰাজকুমাৰী মোহ নোযোৱাকৈ কেনেকৈ পাৰিব। সাক্ষাৎ বিষ্ণু বুলি কুমাৰীয়ে এওঁকেই স্বামী বৰিব।'

"জদপি সুনহি মুনি অটপটী বাণী।
সমুঝি ন পৰই বুদ্ধিভ্ৰম সানী॥"

মুনিয়ে শিৱৰ গণৰ অসংগত কথা শুনিও মায়াৰ-দ্বাৰা বুদ্ধিভ্ৰষ্ট হোৱা গতিকে ঠাট্টাৰ সুৰ ধৰিবকেই নোৱাৰিলে।

"কাহু ন লখা সো চৰিত বিসেখা।
সো সৰূপ নৃপকন্যা দেখা॥
মৰ্কট বদন ভয়ঙ্কৰ দেহী।
দেখত হৃদয় ক্ৰোধ ভা তেহী॥"

নাৰদৰ সেই বিশেষ ৰূপ কাৰো চকুত নপৰিল। পৰিল অকল ৰাজকুমাৰীৰ চকুতহে। বান্দৰৰ মুখ, ভয়ংকৰ দেহ দেখি কুমাৰীৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। ৰাজকুমাৰীয়ে সখীয়েকহঁতৰ সৈতে ৰাজ-হংস গতিৰে স্বয়ম্বৰ সভাত প্ৰৱেশ কৰিলে। তেওঁৰ পদুম যেন হাতত জয়মালা। তেওঁ ৰজাসকলৰ ফালে মুখ কৰি ঘূৰি আহিল।

"জেহি দিশি বৈঠে নাৰদ ফুলী।
সো দিসি তেহি ন বিলোকী ভুলী॥
পুনি পুনি মুনি ওকসহি অকুলাহী।
দেখি দসা হৰগণ মুসুকাহী॥"

ৰূপৰ ভেমত ওফন্দি থকা নাৰদৰ ফালে কুমাৰীয়ে ঘূ-কে নকৰিলে। ঘনে ঘনে উচপিচ, ইচাটি-বিচাটি কৰি থকা মুনিৰ দশা দেখি শিৱৰ গণে মিচিকি মিচিকি হাঁহি হাঁহি আছিল। সাক্ষাৎ বিষ্ণুও ৰজাৰ বেশেৰে স্বয়ম্বৰ সভাত উপস্থিত আছিল। ৰাজ-কুমাৰীয়ে তেওঁৰ ডিঙিত বৰণৰ মালা পিন্ধাই দিলে। তেওঁ কন্যাক লৈ বৈকুণ্ঠলৈ বুলি গমন কৰিলে। তেতিয়া মুনি একেবাৰেই বিকল হৈ পৰিল।

"তব হৰগণ বোলে মুসুকাঈ।
নিজ মুখ মুকুৰ বিলোকহু জাই॥"

হৰৰ গণে হাঁহি হাঁহি নাৰদক আইনাত মুখখন চাবলৈ ক'লে। কামাৰ্তৰ চিত্তৰ বিকল অৱস্থা নিৰ্মল হাস্যৰসৰ মাজেদি কি ফৰিংফুটা হৈ ওলাই পৰিছে, অথচ কামোদ্দীপক বৰ্ণনাৰ গোন্ধেই নাই।

খঙে-বিষে জড়মাৰ হৈ তেওঁ বিষ্ণুক লগ পাবলৈ বুলি গ'ল। বাটতেই লগ পালে বিষ্ণুক। তেওঁৰ লগত আছিল লক্ষ্মী আৰু সেই ৰাজকন্যা। তেওঁৰ কথাত খং কৰক ছাবি আনন্দিত হৈ বিষ্ণুৱে তেওঁৰ মায়া ছাট কৰে আঁতৰাই পেলালে—তাত লক্ষ্মীও নাই! ৰাজকন্যাও নাই॥ বিষ্ণুৱে তেওঁক বুজনি দি ক'লে—বাচা, এতিয়াই গৈ শংকৰৰ শতনাম জপ কৰাগৈ। শিৱৰ মান প্ৰিয় মোৰ কেও নাই। 'কোউ হি শিৱ সমান প্ৰিয় মোৰে।' এইবুলি আৰু দুই-এষাৰ কথা কৈ বিষ্ণু অন্তৰ্দ্ধান হ'ল।

নাৰীৰূপী বিষ্ণুমায়াই শংকৰৰ মনৰ ওপৰত কি প্ৰচণ্ড প্ৰতিক্ৰিয়া কৰিলে, মূল ভাগৱতত আৰু শংকৰদেৱৰ 'হৰমোহন'ত তাৰ নগ্ন স্বাভাৱিক বৰ্ণনা দিয়া হৈছে। এই নগ্নতাৰ আৰু স্বাভাৱিকতাৰ চিত্ৰণত কিজানি আধুনিকসকলেও ভাগৱতৰ আৰু কীৰ্তনৰ কবিৰ লগত ফেৰ মাৰিব নোৱাৰিব। "ভৈল তনু উদাস বেকত গুপ্ত অঙ্গ," "যেত যেত শঙ্কৰৰ বিন্দু পৰি গৈল। ভূমি গুচি তেথতে সুবৰ্ণময় ভৈল।" প্ৰকৃতিৰ প্ৰভাৱক প্ৰকৃত স্বৰূপেই ভাগৱতৰ আৰু হৰমোহনৰ কবিয়ে ৰূপ দিছে। কাম ভাৱৰ নগ্নতাৰ লীলাৰ বোকাভাওনা চাই যৌন তৃপ্তি লাভ কৰা অৱশ্যে

তেওঁলোকৰ লক্ষ্য নহয়। এটা বিশিষ্ট ভাৱাদৰ্শৰ ৰূপান্তৰৰ বাবে তেওঁলোকে তাক সাধন স্বৰূপেহে লৈছে। পাছে ভক্তিমাৰ্গৰপৰা যিসকল ৰসিক পাঠক নিলগত আছে বা ভক্তিমাৰ্গৰ শ্ৰেণীত সোমায়ো যিসকল এতিয়াও পিছত বহা হিচাপত ( back bencher ) হৈ আছে সেইসকলৰ মনৰ ওপৰত এনে যৌন ভাৱৰ চিত্ৰণৰ স্বাভাৱিক প্ৰতিক্ৰিয়া হোৱাটো সম্ভৱপৰ। ভাল সূতা কাটিবলৈ কপাহ ধুনি ধুনি একেবাৰেই নিম্বল যেন কৰি লোৱা হয়। উচ্চ কলাইও সেইদৰে প্ৰকৃতিক নিকা কৰি তাৰ পৰিমাৰ্জিত ৰূপ এটাহে দিয়ে—তুলসীদাসৰ 'নাৰদ মোহন'ত সি সম্পূৰ্ণ আছে।

ভাগৱতত আৰু হৰমোহনত বৰ্ণিত যৌনভাৱৰ প্ৰতিক্ৰিয়াৰ কথাকে তুলসীদাসেও কৈছে। ওপৰত তাৰ দীঘলীয়া উদ্ধৃতি দিয়া হৈছে। কামাৰ্তৰ চিত্তৰ বিকল অৱস্থাৰ বৰ্ণনা 'মেঘদূত' আদি কাব্যত চিত্ৰিত হৈছে। তাত যৌন ভাৱৰ স্বাভাৱিক বৰ্ণনা বিস্তৃত।

তুলসীদাসৰ কলাৰ আশ্চৰ্যশক্তি এইখিনিতেই যে- কামাৰ্তৰ চিত্তৰ বিকল অৱস্থাৰ মূৰ্ত চিত্ৰ অংকন কৰিছে- অথচ যৌনভাৱৰ কোনো নগ্ন বৰ্ণনা নাই; বিমল, মৃদু, ব্যংগ হাস্যৰসৰ মাজেদি ৰতিভাৱৰ প্ৰতি প্ৰতিক্ৰিয়াৰ বৰ্ণনা দিছে। পাঠকৰ চকুৰ আগত যেন ঘটনাটো ঘটিছে এনে অনুভৱ হয়- অথচ পাঠকৰ চিত্ত প্ৰশান্ত। কাৰ্যত বা চৰিত্ৰত অসামঞ্জস্য হাস্যৰসৰ উদ্ভৱ। নাৰদ মহাসিদ্ধ, পাছে বিষ্ণুমায়াৰ বলত নাৰদৰ ব্যৱহাৰত কামাৰ্তৰ চিত্ত বৈকল্য। এয়েই নাৰদৰ চৰিত্ৰৰ অসামঞ্জস্য। এই অসামঞ্জস্য-কেই তুলসীদাসৰ কলাই ৰূপ দিছে। মোহিনীৰ ৰূপ বৰ্ণনা, নাৰদৰ কাম বৈকল্য—এইবোৰৰ চিত্ৰণ এক-বাৰেই চুম্বক অথচ পৰ্যাপ্ত। ভাগৱতৰ বা শংকৰদেৱৰ 'হৰমোহন'ৰ দৰে দীঘলীয়া বৰ্ণনা নাই। তুলসীৰ কলাৰ সূক্ষ্মতা ( Precision ), সৌষম্য (harmony) আৰু সমতা ( balance ) আদি তাত যোগ কৰা আছে। ভাগৱতত আৰু কীৰ্তনত বৰ্ণিত বিষ্ণুমায়া যেনে আশ্চৰ্য, তুলসীৰ কলাৰ মায়াও তেনে আশ্চৰ্য।



৮ পৃষ্ঠাৰ পিছৰপৰা

পোৱা মানুহৰ নিচিনা। মই লেখকক প্ৰথমে লগ পাওঁ ১৯৩৭ চনত, যেতিয়া মই তুৰাৰপৰা আহি গুৱাহাটীত এবাড়ি ভিৰণি ল'ব লগা হৈছিল। সেই দিনৰ সি কথা-বাৰ্তা আৰু ভাব বিনিময় সি আজিও মোৰ মানসপটত উজ্জ্বল হৈ আছে। ইতিমধ্যে মই 'সুৰভি'ত ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ ওপৰত কৰা সুদীৰ্ঘ আলোচনা সম্পৰ্কে তেওঁৰ মতামত বিচাৰোঁতে লেখকে মোক বৰ উৎসাহ দিছিল। তেওঁৰ লগত আলাপ-আলোচনা কৰি ধাৰণা হ'ল যে জ্ঞান আহৰণ কৰাই অধ্যাপক লেখকৰ একমাত্ৰ উদ্দেশ্য। তেওঁ স্বভাৱতে বিনয়ী, অমায়িক, মিতভাষী আৰু সৰল প্ৰকৃতিৰ। ইয়াৰ পিছৰ-বাৰ তেওঁক লগ পাওঁ ১৯৫৫ চনত দীঘলী পুখুৰীৰ পূব চুকত থকা ( এতিয়া নাই ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ গোপনীয় কাম কৰা ঘৰটিত। সেইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ তেওঁ আছিল মুখ্য পৰীক্ষক আৰু মই পৰিনিৰীক্ষক। তেওঁৰ অধীনত কাম কৰি আমি আনন্দ পাইছিলোঁ। তেওঁ মাজে-সময়ে দুই-এটা কাহিনী কৈ পৰীক্ষা-কৰ জড়তা দূৰ কৰিছিল। সেই কামত তেওঁ মোক বিশেষ গোপনীয় দায়িত্বও দিছিল।

তেওঁৰ লগত তৃতীয়বাৰ মোৰ ঘনিষ্ঠ সম্বন্ধ ঘটে যেতিয়া তেওঁ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সভাপতি নিৰ্বাচিত হয়। এই বিষয়ে পিছত উল্লেখ কৰা হ'ব।

লেখকে পুৰণি পুথি অধ্যয়ন সম্পৰ্কে কেইবাটাও মূল্যবান প্ৰবন্ধ লিখে। উদাহৰণস্বৰূপে 'আৱাহন' আলোচনীত প্ৰকাশিত তেওঁৰ 'আনন্দ লাইব্ৰেৰী', 'পুৰণি পুথি সংগ্ৰহ', 'বুৰঞ্জী বিবেকৰত্ন' 'অসমীয়া ৰামায়ণ পৰ্ব,' 'শ্ৰীকৃষ্ণ প্ৰয়াণম্ নাম নাটকম্' প্ৰভৃতি প্ৰবন্ধবোৰলৈ আঙুলিয়াব পাৰি। সেইবোৰৰপৰা তেওঁৰ অধ্যয়ন লিপ্সা আৰু সত্যসন্ধানী মনৰ পৰিচয় পোৱা যায়। ৰবেশেটা সত্ৰৰ অধিকাৰ চতুৰ্ভুজ মিশ্ৰৰ পৰা পোৱা এটা পাণ্ডুলিপিৰ ওপৰত নিৰ্ভৰ কৰি তেওঁৰ ৬২২ পিঠিৰ 'কথাগুৰু চৰিত' (১৯৫২) পুথিখন সম্পাদনা কৰে। এই পুথিৰ ৰচনাৰ সময় আনুমানিক ১৬৩৮ শক বা ১৭১৬ খ্ৰীষ্টাব্দৰ পিছৰে বুলিব পাৰি। এই পুথিত দুজনা গুৰু, দুজনা ঠাকুৰ, নজন আতা আৰু নানা সাধকৰ বিতং বিৱৰণ আছে। ইয়াৰ গুৰুসকলৰ জীৱন বৃত্তান্তৰ উপৰিও ৰাজ-নৈতিক, অৰ্থনৈতিক, সামাজিক আৰু ধৰ্ম সংস্কাৰ আদিৰ বিষয়েও আভাস পাব পাৰি। পুথিৰ সুদীৰ্ঘ পাতনিত লেখকে সম্পাদিত পুথি-খনিৰ কিছুমান বৈশিষ্ট্যৰ কথা আলোচনা কৰিছে। তাত সন্নিবিষ্ট ড° বাণীকান্ত কাকতি আৰু ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ মুখবন্ধও মূল্যবান। ভট্টদেৱৰ 'ভক্তিবিবেক' গ্ৰন্থখনিও তেওঁ যত্নসহকাৰে সম্পাদনা কৰিছে। 'অসমীয়া ৰামায়ণ সাহিত্য' প্ৰাচীন সাহিত্য অধ্যয়নৰ ফল। সেইদৰে 'অসমীয়া সাহিত্য সেৱক ৰজনীকান্ত বৰদলৈ' নামৰ সৰু পুথিখনিও ৰজনীকান্তৰ উপন্যাস অধ্যয়নৰ এটা সৰু প্ৰচেষ্টা। লৰ্ড টেনিছনৰ কাব্য 'এনক্ আৰ্ডেন'ৰ প্ৰতি আকৃষ্ট হৈ তেওঁ সেই কাহিনীটো গদ্যত ৰচনা কৰে। ১৯৭০ চনৰ ১৩ ফেব্ৰুৱাৰীত ধিঙত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তত্ৰিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। মূল সভাৰ সভাপতিৰূপে তেওঁ অভিভাষণত নানা কথা অৱতাৰণা কৰিছে। ৰবদোৱাৰ মাহাত্ম্য স্মৰণ কৰি কৈছে- "ইয়াতেই ৰবদোৱা ধামত সৰ্বশাস্ত্ৰ সাৰস্বৰূপ বিশিষ্ট গীতা শাস্ত্ৰ, নিগম কল্পতৰুৰ গলিত ফল শ্ৰীমদ্ভাগৱতৰ ভেটিত একদেৱৰ তত্ত্ব আৰু তেওঁৰ ৰসময়ী ভক্তিৰ পদ সকলো জাতিৰ উন্মুক্ত কৰি দিওঁতা কৃষ্ণ অৱতাৰ শ্ৰীমন্তশংকৰদেৱৰ প্ৰকাশ হৈছিল। শ্ৰীমদ্দামোদৰদেৱৰো ইয়াতেই অবিৰ্ভাৱ হৈছিল। প্ৰাচীন অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ এখেতৰ সদ্‌সংকল্পৰপৰাই হৈছিল—সেই কথা কাৰো অবিদিত নাই। 'স্ত্ৰী শূদ্ৰ আদি সবে বুজে যেন মত'

এনেমতে ভাগৱতৰো গদ্য ভাঙনি কৰিবলৈ শ্ৰীভট্টদেৱক উদগাইছিল। অসমীয়া প্ৰকৃত গদ্য ভট্টদেৱৰ হাতত উদ্ভৱ হ'ল। ... উক্ত ৰূপ সদ্‌সাহিত্য বা দিব্য সাহিত্যৰ যিদৰে উদয় হ'ল সেইদৰে উচ্চ স্তৰৰ নৃত্য-গীত বাদ্য আৰু লৌকিক গীত-বাদ্য-নৃত্যাদি পূৰ্বৰপৰাই অসমত প্ৰচলিত থাকিলেও মহাপুৰুষ শংকৰদেৱে ইয়াক সম্পূৰ্ণ দিব্য সোঁতত বোৱাই দিলে 'যাত্ৰাৰ দৌল'ত অভিনয় কৰি। প্ৰকৃততে এই যাত্ৰাৰ দল এক পক্ষে মহাপুৰুষৰ জগত মংগলকাৰী পৰম ধৰ্ম প্ৰৱৰ্তনৰ যাত্ৰা বা অভিযান, ধৰ্মক্ষেত্ৰ সবাৰে সমস্ত প্ৰৱৰ্তনৰ অভিযান, জগতলৈ বৈকুণ্ঠ নমাই অনাৰ অভিযান।"

তেওঁ অভিভাষণত, অসমীয়া সাহিত্যৰ তিনিটা গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰি কয়—(১) অসমীয়া বিশ্বকোষ, (২) অসমীয়া সাহিত্যৰ আহল বহল বুৰঞ্জী (৩) এখন জাতীয় বুৰঞ্জী।

এই ধিঙ অধিৱেশনতে মই প্ৰায় দহ বছৰৰ মূৰত দ্বিতীয় বাৰৰবাবে অসম সাহিত্য সভাৰ দায়িত্ব বহন কৰিব লগা হয়। অসম সাহিত্য সভাৰ চৰম আৰ্থিক দুৰ্দশাৰ কাৰণে এজন অভিজ্ঞলোকক প্ৰধান সম্পাদকৰূপে অধিষ্ঠিত কৰাৰ কাৰণে একাংশ সদস্যই চিন্তা কৰিলে আৰু সেইবাবে এটা বিশেষ পৰিস্থিতিত মই প্ৰধান সম্পাদকৰ পদ গ্ৰহণ কৰিব লগা হ'ল। চিন্তা কৰিলোঁ, প্ৰধান সম্পাদক হলে জানো কিবা কৰিব পাৰিম? সভাপতি থাকিব সুদূৰ বৃন্দাবনত, কিয়নো লেখাৰুৱে বৃন্দাবন পাৰমাৰ্থিক বিশ্ববিদ্যালয়ত কাম কৰি আছিল। সম্মতি জ্ঞাপন কৰিলোঁ। ভাবিচিন্তি এটা উপায় উলিয়ালোঁ। সভাপতি বৃন্দাবনলৈ গলে সততাই ঘূৰি নাহে। গতিকে সভাপতিয়ে অসম এবাৰ আগতে শিলঙৰ পৰা আহিব লাগে। অসম সাহিত্য সভাৰ ধাৰ প্ৰায় একান্নৈ হেজাৰ। এই ধাৰ মাৰিবলৈ হলে ৰাইজৰ কাম চাপিব লাগিব আৰু চৰকাৰৰো সহায় বিচাৰিব লাগিব। মই পাছৰ মাহত গুৱাহাটীলৈ গৈ সভাপতিক কথাটো বুজাই কলোঁ; তেওঁ যাবলৈ মান্তি হ'ল। নিৰ্দিষ্ট দিনত সভাপতি লেখাৰু, তেওঁৰ পত্নী আৰু আমি তিনিও গুৱাহাটীৰপৰা শিলঙলৈ গলোঁ। আমি বিধান সভাৰ হোষ্টেলত থাকিলোঁ। আগদিনা ৰাতি সভাপতিক অনুৰোধ কৰিলোঁ যেন তেওঁ চৰকাৰক কয়—সভাই ৰাইজৰ দাবী আৰু প্ৰয়োজন অনুসৰি অনেক কিতাপ প্ৰকাশ কৰিছে আৰু বৰেণ্য সাহিত্যিকসকলৰ জন্ম শতবাৰ্ষিকী উপলক্ষে অনেক পুথি প্ৰকাশ কৰিছে; কিন্তু চৰকাৰে ইয়াৰ সামান্য অংশহে বহন কৰিছে'। সভাপতি মান্তি হ'ল। মই জানো যে স্বল্পভাষী লেখাৰুৱে চৰকাৰৰ সহায় ভিক্ষা কৰি বেছি কথা নকয়। পিছদিনা আমি তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীক লগ ধৰিলোঁ। মুখ্যমন্ত্ৰীৰ কক্ষত বহাৰ পিছতে সভাপতি অধ্যাপক লেখাৰুৱে মই আগদিনা যিদৰে ক'বলৈ কৈছিলোঁ সেইদৰে আৰম্ভ কৰিলে। তেতিয়া মই সুবিধা বুজি ৰজনীকান্ত বৰদলৈৰ শত-বাৰ্ষিকীৰ সময়ৰপৰাই সেই সময়লৈকে অসম সাহিত্য সভাক চৰকাৰে কিমান সাহায্য দিছে তাৰ এটা হিচাপ দাঙি ধৰিলোঁ। মোৰ যুক্তিত মুখ্যমন্ত্ৰী ভাগৰীয়া পতিয়ন গ'ল। অসম সাহিত্য সভাই আগেয়ে প্ৰকাশ কৰা কিতাপৰ বাবদ চৰকাৰী অনুদান দিবলৈ ওলাল। আমি প্ৰায় এঘণ্টা কাল মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিছিলোঁ। ধাৰণা হৈছিল যে কোনোবাই যেন চৰকাৰক সভাৰ বিষয়ে বেয়া ধাৰণা দি থৈছিল। ৪০ মিনিটমান কথা পতাৰ পিছত মুখ্যমন্ত্ৰী আমাৰ কথাত পতিয়ন গৈছিল। যি হওক মুখ্যমন্ত্ৰীৰ আশ্বাস বাণী শুনি মুখলৈ পানী আহিল। সভাপতি লেখাৰুৱে মাজে মাজে দুই এষাৰ কথা কৈ সভাক অধিক মঞ্জুৰী দিয়াৰ কথা দোহাৰিছিল। সেইদিনা আবেলি গাড়ীৰে গুৱাহাটীলৈ ঘূৰিলোঁ।

নিৰ্দিষ্ট সময়ৰ পিছত সভাপতি লেখাৰু নিজৰ কৰ্মক্ষেত্ৰ বৃন্দাবন পালেগৈ। কৃষ্ণ-স্মৃতি বিজড়িত





বৃন্দাবনত থাকি হয়তো লেখাৰুৱে সাহিত্য সভাৰ কথা বৰকৈ চিন্তা কৰিব নোৱাৰিছিল। আমিও তেওঁৰপৰা আশানুৰূপ চিঠি পোৱা নাছিলোঁ। উপ-সভাপতি পৰাগ চলিহাৰ কথামতে আমি সভাৰ বাকী কাম চলাব লগাত হয়। তথাপি লেখাৰু নামটোৱে সভাৰ মৰ্যাদা বঢ়াইছিল।

সহজ, সৰল, স্বল্পভাষী, অমায়িক লেখাৰু প্ৰকৃততে আত্ম-সমাহিত লোক। আনৰ কি হৈছে বা হোৱা নাই সেই বিষয়লৈ তেওঁ ভ্ৰূক্ষেপ নকৰিছিল। কৰ্ম কৰা আৰু ফল ভোগ কৰা—এয়ে আছিল তেওঁৰ বক্তব্য। তেনে এজন লোকে আনৰ বিষয়ে বিৰূপ মন্তব্য দিয়াৰ কথা ভাবিবই নোৱাৰি। তেওঁ চাকৰি জীৱন শেষ কৰি পৰিণত বয়সৰ আধ্যাত্মিক চিন্তা-চৰ্চাত আত্ম-নিয়োগ কৰি আনন্দ লাভ কৰিছিল।

——


সাহিত্য সভাৰ নতুন প্ৰকাশন

৺সৰ্বেশ্বৰ কটকীৰ

## অসমীয়া প্ৰাচীন লিপি (পুনৰ মুদ্ৰণ)

অসমীয়া লিপিৰ ক্ৰমবিকাশ সম্পৰ্কে পোন প্ৰথমে বিজ্ঞান-সন্মত আলোচনা কৰি ৺কটকীদেৱে দুকুৰি বছৰৰ আগতে এই পুথিখনি প্ৰকাশ কৰিছিল। সেই পুথি দুষ্প্ৰাপ্য হৈ পৰাত সাহিত্য সভাই পুথিখনি পুনৰ প্ৰকাশ কৰাৰ সিদ্ধান্ত লয়। প্ৰাচ্য লিপিৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কীয় এটি মূল্যবান পাতনিৰে এই পুথিখনি সম্পাদনা কৰিছে ডক্টৰ মহেশ্বৰ নেওগদেৱে। ডিমাই আকাৰৰ এই পুথিখনিৰ মূল্য সাত টকা মাত্ৰ।

শ্ৰীকেশদা মহন্ত

# মাধৱদেৱৰ ৰচনাত কালিদাসী প্ৰভাৱ

মহাকবি কালিদাসৰ অনুপম ৰচনাৱলীৰ কাব্যিক আস্বাদ অসমীয়া সমাজৰ বহুকলীয়া পৰিচিত বস্তু। অসমত কালিদাসী সাহিত্য অধ্যয়নৰ পম খেদি গ'লে খ্ৰীঃ নৱম শতিকাৰ কামৰূপ-নৃপতি বলবৰ্মাৰ তাম্ৰশাসনতে (১) তাৰ প্ৰমাণ পোৱা যায়। মাধৱদেৱৰ আদিকাণ্ড ৰামায়ণৰ কেইবাটিও প্ৰসংগত কালিদাসৰ 'ৰঘুবংশ' মহাকাব্যৰ প্ৰভাৱ স্পষ্টভাৱে পৰিলক্ষিত হয়। এই বিষয়টো অনুসন্ধিৎসু বিদ্বজ্জনৰ চকুত পেলাই অনুসন্ধানৰ বাট মুকলি কৰাৰ সামান্য চেষ্টা এই প্ৰবন্ধত কৰিব খোজা হৈছে।

বিষ্ণুপুৰাণ আৰু ভাগৱত পুৰাণত কৃষ্ণজন্মৰ প্ৰসংগত দৈত্যপীড়িতা পৃথিৱীয়ে ব্ৰহ্মা আদি দেৱতাসকলৰ সৈতে গৈ ক্ষীৰ সমুদ্ৰশায়ী বিষ্ণুৰ শৰণাপন্ন হোৱাৰ যি বৰ্ণনা আছে (বিষ্ণু. ৫/১ আৰু ভাগ. ১০/১ অধ্যায়ত) কালিদাসৰ 'ৰঘুবংশ'তো ব্ৰহ্মাদি দেৱতাসকল ৰাক্ষসৰাজ ৰাৱণৰদ্বাৰা পীড়িত হৈ ক্ষীৰ সমুদ্ৰশায়ী বিষ্ণুৰ শৰণাপন্ন হোৱাৰ কথা অৱতাৰণা কৰা হৈছে (২)। মাধৱদেৱৰ 'আদি-কাণ্ড'তো ৰাৱণ-পীড়িত দেৱতাগণ হৰিৰ শৰণাপন্ন হৈছে :

ৰাজা লংকেশ্বৰে উপদ্ৰৱ কৰে  
জিনিয়া এ ত্ৰিভুৱন।  
... তান পৰাভৱ সহিতে নপাৰি  
ত্ৰিদশ দেৱতাগণ।  
বাসৱ সহিতে একত্ৰে বহিয়া  
কৰিলন্ত আলোচন ॥ ৫৪৫  
ৰাৱণন্ত হন্তে নাহিকে নিস্তাৰ  
বিনে দেৱ গদাধৰ।  
ব্ৰহ্মায়ে আমাৰ প্ৰমাদ মিলাইল  
ৰাৱণক দিয়া বৰ ॥  
ই তিনি লোকত ত্ৰিদশ দেৱত  
ৰাৱণ অবধ্য ভৈল।  
নৰ-বানৰত হৈব সিটো হত  
ব্ৰহ্মা বৰ ছিদ্ৰ থৈল ॥ ৫৪৬

(১) ৰঘুবংশৰ যি আঠোটা শ্লোকৰ শব্দতঃ সাম্য বলবৰ্মাৰ নগাঁৱত পোৱা তাম্ৰলিপিত পোৱা গৈছে, পদ্মনাথ ভট্টাচাৰ্য সম্পাদিত কামৰূপ শাসনাৱলীত সেইকেইটা পাদটীকাত উল্লেখ কৰা হৈছে।

(২) ৰঘু ১০/৫



দশৰথে পুত্ৰৰ নিমিত্তে যজ্ঞ কৰাৰ সময়ত "ঈশ্বৰ বিষ্ণুক পঠাই দিওঁ তান ঘৰ" বুলি দেৱতাসকল ক্ষীৰোদধিৰ তীৰলৈ গ'ল। 'ৰঘুবংশ'তো দশৰথৰ যজ্ঞ চলি থকাৰ সময়ত দেৱগণ এইদৰে হৰিৰ ওচৰলৈ গৈছে। বাল্মীকিয়ে ৰামায়ণৰ মতে দশৰথৰ পুত্ৰেষ্টি যাগলৈ হবিঃ গ্ৰহণৰ অৰ্থে অহা দেৱতাসকলে ব্ৰহ্মাক তেওঁৰ বৰ পাই ৰাৱণে জগৎ কেনেকৈ উৎপীড়ন কৰিছে, তাৰ কথা কৈ প্ৰতিকাৰৰ উপায় বিচাৰিছিল (৩)। তেতিয়া ব্ৰহ্মাই কৈছিল—"সেই দুৰাত্মাৰ বধৰ উপায় আৰু নিস্তাৰ কথা মই জানিব পাৰিছোঁ। সি গন্ধৰ্ব, যক্ষ, ৰক্ষ আৰু দেৱতাৰ অবধ্য হওঁ বুলি কোৱাত মই সেয়ে হওক বুলি কলোঁ। সি মনুষ্যক অৱজ্ঞা কৰি মনুষ্যৰপৰা সুৰক্ষা নিবিচাৰিলে ; সেই কাৰণে সি মনুষ্যৰ হাতত মৰিব। অন্যৰ হাতত তাৰ মৃত্যু নহয় (৪)।

সেই সময়তে দশৰথৰ যজ্ঞস্থলীত চতুৰ্ভুজ হৰি গৰুড়ত উঠি উপস্থিত হোৱাত দেৱতাসকলে বন্দনা কৰি জগতৰ কল্যাণৰ অৰ্থে বিষ্ণুক এক মহান কাৰ্যভাৰ অৰ্পণ কৰিলে (৫)—দশৰথৰ তিনিগৰাকী ৰাণীৰ গৰ্ভত চাৰিৰূপ ধৰি মনুষ্যৰূপে জন্ম লৈ লোককণ্টক, দেৱতাৰ অবধ্য ৰাৱণক বধ কৰিবলৈ লাগে। এই সময়ত দেৱগণে হৰিক দেৱশত্ৰু নিধনৰূপত মাত্ৰ স্তুতি কৰিছিল।

'ৰঘুবংশ'ত দেৱতাসকল দশৰথৰ যজ্ঞলৈ যোৱাৰ আৰু তাতে বিষ্ণুক পাই নিজৰ দুৰ্গতিৰ কথা কোৱা বুলি নাই ; মাধৱদেৱৰ 'আদিকাণ্ড'তো এই কথা নাই। 'ৰঘুবংশ'ৰ ৰাৱণে (ভক্ষ্যাপ্ৰত্যহেতু). মনুষ্যলোকক অৱজ্ঞা কৰি 'দেৱৰ অবধ্য' হ'বলৈ ব্ৰহ্মাৰপৰা বৰ লোৱাৰদৰে (৬) মাধৱদেৱৰ 'আদিকাণ্ড'তো লৈছে। 'ৰঘুবংশ'ত লক্ষ্মীৰে সৈতে 'অবাঙ্মনসোগোচৰ' (১০/১৫) হৰিক দেৱগণে ক্ষীৰ সমুদ্ৰত পাইছে, 'আদিকাণ্ড'তো সেই কথা আছে ; যেনে

লক্ষ্মী সমন্বিতে ক্ষীৰোদ সাগৰে  
আছা প্ৰভু নাৰায়ণ ॥ ৫৬৭  
অব্যক্ত স্বৰূপে আছন্ত ঈশ্বৰ  
নুহিকে কাৰো গোচৰ।

পাৰ্থক্য মাত্ৰ ইমানেই যে 'ৰঘুবংশত' দেৱগণে ব্যক্তৰূপতে হৰিক দেখা পাইছেগৈ। সেইকাৰণে 'আদিকাণ্ড'ত দেৱগণে "ক্ষীৰ সাগৰৰ, তীৰ জুৰি সৱে, হৰিক দেখিব মনে", "নমো নাৰায়ণ, জগত কাৰণ" ইত্যাদি বুলি স্তুতি কৰি অব্যক্ত হৰিক প্ৰসন্ন হৈ দেখা দিবলৈ প্ৰাৰ্থনা কৰিছে। তেতিয়া "দায়াযুক্ত" হৈ অদ্ভুত ৰূপেৰে হৰিয়ে দেৱগণক দেখা দিলে আৰু দেৱগণে "জয় জয় হৰি" বুলি আনন্দ-উল্লাস কৰি নানা প্ৰকাৰে বন্দনা কৰিলে। এই-খিনিতে মাধৱদেৱৰ এই পদ্যাংশৰ 'ৰঘুবংশ'ৰ প্ৰতিধ্বনি শুনা যায় :

সুপ্ৰসন্ন বিধি ভৈল কাৰ্য্য সিদ্ধি  
দেখা দিলা নাৰায়ণ।

(৩) ৰা. ১।১৫।৪—১১

(৪) ৰা. ১।১৫।১২—১৫

(৫) ত্বাং নিযোক্ষ্যামহে বিষ্ণো লোকানাং হিতকাম্যয়া। (ৰা. ১।১৫।১৯)

(৬) ধাতাৰং তপসা প্ৰীতং যযাচে স হি ৰাক্ষসঃ।  
দৈৱাৎসৰ্গাদ বধ্যত্বং মৰ্ত্যেষ্বাস্থাপৰাঙ্মুখঃ ॥ (ৰঘু. ১০।৪৩)

'ৰঘুবংশ'ত আছে অব্যাক্ষেপো ভৱিষ্যন্ত্যাঃ কাৰ্যসিদ্ধেৰ্হি-লক্ষণম্ ॥' (১০।৬) অৰ্থাৎ (কাৰ্যসিদ্ধিৰ অৰ্থে) যাৰ ওচৰলৈ যোৱা হয়, তেওঁক যদি অবিলম্বে লগ পোৱা হয়, সেয়া ভৱিষ্যৎ কাৰ্যসিদ্ধিৰ লক্ষণ। তদুপৰি নাৰায়ণৰ বৰ্ণনা প্ৰসংগতো কালিদাসৰ বৰ্ণনাৰ অনুৰূপ শব্দ আৰু চিত্ৰ দেখিবলৈ পোৱা যায়। 'ৰঘুবংশ'ত আছে — "সৰ্পৰআসনত বহি থকা হৰিৰ শৰীৰ সেই নাগৰ ফণামণ্ডলস্থ মণিসমূহৰ উদ্ভাসিত কিৰণসমূহেৰে সমুজ্জ্বল হৈ আছিল (৭)।" আৰু "কমলাসনা লক্ষ্মীদেৱী ... অংকতলে পাণিপল্লৱ স্থাপন কৰি তাত হৰিৰ চৰণযুগল ধৰি ৰাখিছিল (ৰঘু. ১০।৮)।" মাধৱদেৱৰ 'আদিকাণ্ড'ত আছে :

সৰ্পৰ ফণাত চৰণ থাপিয়া
আছা ত্ৰিজগত পতি ॥৫১২
সৰ্পৰ ফণাত মণি জ্যোতি কৰে
অৰুণ চৰণ তলে।
আৰু — অনন্তৰে সৰ্পৰে নামিলা নাৰায়ণ।
......হাতৰ পদ্মক লক্ষ্মী থৈলন্ত কোলাত।
তাহাৰ উপৰে থাপিলন্ত দুই হাত ॥৫৬৫
দুই পাদপদ্ম তাতে থাপিলন্ত হৰি।

মাধৱদেৱে হৰিৰ ৰূপবৰ্ণন ভাগৱতত নানা প্ৰসংগত থকা ৰূপ বৰ্ণনৰ দ্বাৰাই কৰিছে যদিও এই প্ৰসংগত সেই ধাৰণা 'ৰঘুবংশ'ই তেখেতৰ মনলৈ আনি দিছে বুলি ভাবিবলৈ থল আছে। সেইদৰে দেৱতাসকলে কৰা নাৰায়ণ স্তুতিতো এই কথাই খাটে। 'আদিকাণ্ড'ত আছে :

তুমি কালমূৰ্ত্তি সৰ্বসংহাৰ কাৰণ।
...ধৰ্ম অৰ্থ কাম মোক্ষদাতা তুমি। ৫৭৯

'ৰঘুবংশ'ত আছে — চতুৰ্বৰ্গফলং জ্ঞানং কালাৱস্থাচতুৰ্যুগঃ। (১০।২২)। সেইদৰে 'আদিকাণ্ড'ত —

ব্ৰহ্মাৰূপ ধৰি সৃজা ই তিনি ভুৱন।
বিষ্ণুৰূপ ধৰি কৰা সৃষ্টিক পালন॥
ৰুদ্ৰৰূপ ধৰি কৰা আপুনি সংহাৰ।
এহি মহা মোক্ষলীলা কৌতুক তোমাৰ ॥ ৫৭০

'ৰঘুবংশ'ত—নমো বিশ্বসৃজে পূৰ্বং বিশ্বং তদনু বিভ্ৰতে।
অথ বিশ্বস্য সংহৰ্ত্ৰে তুভ্যং ত্ৰেধা স্থিতাত্মনে॥
(ৰঘু. ১০।১৬)।

আমি ক'ব খোজা নাই যে এনে বৰ্ণনা অকল কালিদাসৰ 'ৰঘুবংশত'হে আছে ; কিন্তু একে প্ৰসংগত মিলি থকা কথা বুলিহে আঙুলিয়াই দিয়া হৈছে। 'ৰঘুবংশ'ত হৰিয়ে দেৱতাগণক কৈছে — "... ব্ৰহ্মাৰ বৰ লাভ কৰাৰ কাৰণেই দুৰাত্মা শত্ৰুৰ (ৰাৱণৰ) উৎপাত সহ্য কৰিছোঁ" (ৰঘু. ১০।৪২)। ব্ৰহ্মাই ৰাৱণক কি বৰ দিছিল বুলি সোধা কথা আগতে উল্লেখ কৰি অহা হৈছে। 'ৰঘুবংশ'ত ৰাৱণে শিৱক নটা শিৰ উৎসৰ্গা কৰি সন্তুষ্ট কৰাৰ কথাও আছে :

স্বাসিধাৰাপৰিহৃতঃ কামং চক্ৰস্য তেন মে।
স্থাপিতো দশমো মূৰ্ধা লভ্যাংশ ইৱ ৰক্ষসা॥
(১০।৪১)।

আৰু — "স্বমূৰ্ধৈৰচ্ছিতেশ্বৰম্" (১২।৮৯)।
অৰ্থাৎ নিজৰ অসিধাৰাৰে কাটি পেলোৱা (নটি মূৰৰ পাছত) মূৰৰ অৱশেষ দশম মূৰটো যেন (ৰাৱণে) মোৰ চক্ৰধাৰাৰ প্ৰাপ্য বুলিহে ৰাখি দিছিল।
পাছৰ শ্লোকাংশটিত কোৱা হৈছে — "যি (ৰাৱণে) নিজৰ মুণ্ডমণ্ডল অৰ্পণ কৰি পৰমেশ্বৰ শিৱক অৰ্চনা কৰিছিল।"

(৭ ভোগিভোগাসনাসীনং দদৃশুস্তং দিৱৌকসঃ।
তৎফণামণ্ডলোদৰ্চিৰ্মণিদ্যোতিত-বিগ্ৰহম্ ॥ (ৰঘু. ১০।৭)



৭ম শতিকাত ৰচিত মাঘৰ 'শিশুপালবধ' মহাকাব্যত ৰাৱণে নটা মূৰ উৎসৰ্গা কৰি শিৱক সন্তুষ্ট কৰাৰ কথা আছে (৮) পদ্মপুৰাণত (উত্তৰ খণ্ড ২৬৯ অ) ব্ৰহ্মাৰ পৰিৱৰ্তে শিৱকহে ৰাৱণ দেৱতাদিৰদ্বাৰা অৱধ্য হ'বলৈ দিয়া বৰৰ দাতা বোলা হৈছে। মাধৱদেৱৰ ওপৰত উক্ত তিনিও গ্ৰন্থৰ মিশ্ৰিত প্ৰভাৱ এই প্ৰসংগত পৰিব পাৰে। সেয়েহে 'আদিকাণ্ড'ত বিষ্ণুৱে দেৱতাসকলক কৈছে :

যিহেতু সহিছোঁ। উপদ্ৰৱ ৰাৱণৰ (৯)

মহাদুখে হৰক আৰাধি লঙ্কেশ্বৰ।
আপোন ইচ্ছায়ে মাগি লৈলা আছে বৰ॥
সুৰাসুৰে জিনিবাক নপাৰয় আনে।
অজৰ অমৰ মহেশ্বৰ বৰ দানে॥ ৬১৫
ব্ৰহ্মাক আৰাধি সিটো আৰো বৰ লৈলা।
মানুষে মাৰিবে ব্ৰহ্মা বৰ ছিদ্ৰ থৈলা॥

দশৰথে পত্নীসকলক যজ্ঞৰ পায়স ভাগ কৰি দিয়াৰ বিষয়তো মাধৱদেৱৰ বৰ্ণনা 'ৰঘুবংশ'ৰ অনুৰূপ। এই বিষয়ত বাল্মিকীৰ ৰামায়ণৰ বিভিন্ন পাঠত থকা বৰ্ণনাও বেলেগ বেলেগ।

কালিদাসৰ 'ৰঘুবংশ'ত দশৰথৰ ৰাণী তিনিগৰাকীয়ে স্বপ্নত বামন আকৃতিৰ পুৰুষে শংখ, চক্ৰ, গদা, খৰ্গ আৰু ধনু ধাৰণ কৰি তেওঁলোকক ৰখি থকা, পক্ষীৰাজ গৰুড়ে আকাশত সোণালী ডেউকাৰ আভা বিস্তাৰ কৰি মেঘৰ মাজে মাজে তেওঁলোকক লৈ ফুৰা, কৌস্তুভশোভিতা লক্ষ্মীয়ে পদুম ফুলেৰে তেওঁলোকক বিচি থকা আৰু সপ্তৰ্ষিগণে আকাশীগংগাত স্নান কৰি বেদৰ মন্ত্ৰেৰে তেওঁলোকক উপাসনা কৰি থকা দেখিবলৈ পাইছিল বুলি বৰ্ণনা কৰা হৈছে (১০)। মাধৱদেৱৰ 'আদিকাণ্ড'তো এনে বৰ্ণনা আছে :

স্বপনত তিনিও দেখিল ভগৱন্ত ॥ ৬৫৩
শংখ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ ধৰি।
স্বপ্নে তিনি মহাদৈৱক দেখা দিলা হৰি॥
গৰুড়ৰ দুই পাখা স্কন্ধে সুৱৰ্ণৰ।
তাহান স্কন্ধত বসি আছে দামোদৰ॥ ৬৫৪
মহামেঘখণ্ড যেন মেৰুৰ উপৰে।
দিশ পাশ প্ৰকাশি শৰীৰ জ্যোতি কৰে। ইত্যাদি

শব্দতঃ একে নহয় যদিও ভাৱতঃ এই বৰ্ণনাত 'ৰঘুবংশ'ৰ প্ৰতিচ্ছবি সুস্পষ্ট। ৰামজন্মৰ প্ৰসংগত কালিদাসে কোৱা 'জগৎপ্ৰথমমংগল' (ৰঘু. ১০।৬৭) শব্দৰ প্ৰতিধ্বনি মাধৱদেৱৰ "জগতৰে সুমংগল ভৈলন্ত উদয়' বৰ্ণনাত শুনা গৈছে। তদুপৰি ৰামজন্মৰ প্ৰসংগত মাধৱদেৱে বৰ্ণোৱা এই বৰ্ণনাৰ লগত 'ৰঘুবংশ'ৰ বৰ্ণনা মিলি আছে :

(৮) প্ৰভুৰ্বুভূষুৰ্ভুৱনত্ৰয়স্য যঃ শিৰোঽতিৰাগাদ্দশমং চিকৰ্ত্তিষুঃ।
অতৰ্কয়দ্ বিঘ্নমিৱেষ্টসাহসঃ প্ৰসাদমিচ্ছাসদৃশং পিনাকিনঃ ॥ [শিশু. ১।৪৯]
(৯) এই শাৰীত 'ৰঘুবংশ'ৰ ১০।৪২ শ্লোকৰ ধ্বনি স্পষ্ট।
(১০) গুপ্তং দদৃশুৰাত্মানং সৰ্বাঃ স্বপ্নেষু ৱামনৈঃ।
জলজাসিগদাশাৰ্ঙ্গচক্ৰলাঞ্ছিতমূৰ্তিভিঃ ॥ ৬০
হেমপক্ষপ্ৰভাজালং গগনে চ বিতন্বতা।
উহ্যন্তে স্ম সুপৰ্ণেন বেগাকৃষ্টপয়োমুচা ॥ ৬১
বিভ্ৰত্যা কৌস্তুভন্যাসং স্তনান্তৰবিলম্বিনম্।
পৰ্য্যুপাসন্ত লক্ষ্ম্যা চ পদ্মব্যজনহস্তয়া ॥ ৬২ ইত্যাদি (ৰঘু. ১০ সৰ্গ)

ভূমিত বেকত যেৱে ভৈলা দামোদৰ।
খসিল মাথাৰ যদি ৰাজা ৰাৱণৰ ॥ ৬৭৩
...দশৰথ ঘৰে হৰি ভৈলা অৱতাৰ।
দেখিয়া উৎসুক বৰ ভৈল দেৱতাৰ ॥
দুন্দুভি শবদ আতি কৰে নিৰন্তৰে।
বৰষিলা পুষ্প দশৰথৰ উপৰে ॥ ৬৭৭

ৰঘুবংশত আছে :

দশাননকিৰীটেভ্যস্তৎক্ষণং ৰাক্ষসশ্ৰিয়ঃ।
মণিব্যাজেন পৰ্য্যস্তাঃ পৃথিব্যামশ্ৰুবিন্দৱঃ ॥
পুত্ৰজন্মপ্ৰৱেশ্যানাং তূৰ্য্যাণাং তস্য পুত্ৰিণঃ।
আৰম্ভং প্ৰথমং চক্ৰুৰ্দেৱদুন্দুভয়ো দিৱি ॥
সন্তানকময়ী বৃষ্টিৰ্ভৱনে চাস্য পেতুষী। [১০।৭৫-৭৭]

মাধৱদেৱৰ 'আদিকাণ্ড'ত সুমিত্ৰাৰ পিতাক সিংহলৰাজ সুমিত্ৰই তেওঁৰ ৰাজধানীত উপস্থিত হোৱা দশৰথক যি প্ৰশস্তি গাই অভ্যৰ্থনা কৰিছে, তাত 'ৰঘুবংশ'ত থকা দশৰথ ৰজাৰ বৰ্ণনাৰ ছাঁ সুস্পষ্ট। 'ৰঘুবংশত' আছে :

সমতয়া ৱসুবৃষ্টিবিসৰ্জনৈৰ্নিয়মনাদসতাং চ নৰাধিপঃ।
অনুযযৌ যমপুণ্যজনেশ্বৰৌ সৱৰুণাৱৰুণাগ্ৰসৰং ৰুচা ॥
[ৰঘু. ৯।৬]

এই শ্লোকত দশৰথক অসৎ লোক নিগ্ৰহৰ কাৰণে ৰৰুণৰ লগত, সকলোকে সমদৃষ্টিৰে চোৱাৰ কাৰণে যমৰ লগত ধনবৃষ্টিৰ কাৰণেও কুবেৰৰ লগত আৰু কান্তিত সূৰ্যৰ লগত তুলনা কৰা হৈছে। ৰঘুবংশৰ এই (নৱম) সৰ্গৰে তৃতীয় শ্লোকত যথাসময়ত কৰা (ধন) বৃষ্টিৰ কাৰণে দশৰথক ইন্দ্ৰৰ লগতো তুলনা কৰা হৈছে। 'আদিকাণ্ড'ত থকা দশৰথ প্ৰশস্তিটোত আছে :

সূৰ্য্য অংশধৰ তুমি যেন বিষ্ণুমূৰ্তি ॥ ২৩৯
লোকক শীতল কৰা চন্দ্ৰ অংশ ধৰি।
মহাবল পৰাক্ৰমে ইন্দ্ৰ নোহে সৰি ॥
ধনবৃষ্টি কৰা তুমি কুবেৰ সমান ॥
লোকদণ্ডধৰ তুমি যেন যম সম ॥ ২৪০
ধৰ্ম প্ৰতিপালনত বিষ্ণু সমসৰ।
লোকপালনত তুমি সৰ্ব অংশধৰ ॥

অৱশ্যে মাধৱদেৱৰ 'আদিকাণ্ড'ত কালিদাসৰ 'ৰঘুবংশ'ত থকা কোনো কোনো কথাৰ একেবাৰে পৰিপন্থী বৰ্ণনাও নোহোৱা নহয়। উদাহৰণস্বৰূপে 'ৰঘুবংশ'ত নাৰদৰ বীণাৰপৰা সৰি পৰা পাৰিজাতৰ মালা পৰি অজৰ পত্নী ইন্দুমতীৰ পৰলোক হোৱা, পত্নীৰ শোকত নাবালক দশৰথৰ কাৰণে কোনোমতে আঠ বছৰ প্ৰাণধাৰণ কৰি পিছত অজয়ো প্ৰাণত্যাগ কৰাৰ বৰ্ণনা আছে। পিছে মাধৱদেৱে কৈকেয়ী আৰু সুমিত্ৰাৰ বিবাহ-প্ৰসংগত সেই সময়ত ইন্দুমতী জীয়াই থকাৰ কথা কৈছে :

শুনি নৃপতিৰ পাছে মাতৃ ইন্দুমতী।
পুত্ৰবধূ দেখিবে আসিলা মহাসতী ॥
কৈকেয়ীক দেখি পাইলা হৰিষ অপাৰ।
দিলা বহাৰীক নানা ৰত্ন-অলংকাৰ ॥

সেইদৰে সুমিত্ৰাৰ বিয়াত :

দশৰথ নৃপতিৰ মাতৃ ইন্দুমতী।
কৌশল্যা কৈকেয়ী দুয়ো বহাৰী সহিতি ॥২৪৭
আনো শান্তা সুন্দৰী আয়তী লৈয়া সঙ্গে।
মঙ্গল আচাৰ যত কৰিলন্ত ৰঙ্গে ॥

এই বৰ্ণনাই মাধৱদেৱৰ 'ৰঘুবংশ'ৰ লগত পৰিচয় নথকাতো সূচায়; বৰঞ্চ 'আদিকাণ্ড'ত নানা প্ৰসংগৰ দৰে ইয়াতো কবিজনাৰ স্বকীয় কল্পনা প্ৰয়োগৰ চেষ্টাহে পৰিলক্ষিত হয়।

বাল্মিকীয় ৰামায়ণত দিলীপ-সুদক্ষিণাৰ কথা নাই। কৈকেয়ীৰ স্বয়ম্বৰ প্ৰসংগত মাধৱদেৱে পূৰ্বকথাৰূপত দিলীপ-সুদক্ষিণাৰ যি উল্লেখ কৰিছে, কবিজনাই 'ৰঘুবংশ'ৰপৰাই এই দম্পতীৰ পৰিচয় পোৱা বুলি ধাৰণা হয়। প্ৰসংগটোত আছে :

সূৰ্য বংশে ৰাজা আছিলা দিলীপ
পৰম গুণে মহন্ত।
মাথে মাল্য দিয়া লৈয়া সুদক্ষিণা
দিলীপক বৰিলন্ত ॥২১৮

পৰশুৰামৰ দৰ্পচূৰ্ণ প্ৰসংগতো মাধৱদেৱৰ বৰ্ণনাত 'ৰঘুবংশ'ৰ প্ৰতিধ্বনি শুনা যায়। পৰশুৰামে মাধৱদেৱৰ আদিকাণ্ডত ৰামক "দাণ্ডি দিয়া জগাইলাহা কাহাল গোমক ॥ (১৪।১০) বুলি কোৱা কথাত 'ৰঘুবংশ'ত "সুপ্তসৰ্প ইৱ দণ্ডঘট্টনাদ্ ৰোষিতোঽস্মি" (দণ্ডেৰে খোঁচাৰি দিলে শুই থকা সাপ ক্ৰুদ্ধ হোৱাৰ দৰে মই ক্ৰুদ্ধ হৈছোঁ) বুলি পৰশুৰামে কোৱা কথাত মিল সুস্পষ্ট। তদুপৰি মাধৱদেৱৰ 'আদিকাণ্ড'ত ৰামৰ প্ৰতি পৰশুৰামৰ খং হোৱাৰ অন্যতম কাৰণস্বৰূপে 'ৰাম' নামটো দশৰথৰ পুত্ৰই গ্ৰহণ কৰা বুলি যি বৰ্ণনা দিয়া হৈছে, তাতো 'ৰঘুবংশ'ৰ সুস্পষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। 'ৰঘুবংশ'ত পৰশুৰামে কৈছে— "আগতে 'ৰাম' শব্দটো উচ্চাৰিত হ'লে জগতত কেৱল মোকেহে বুজাইছিল; এতিয়া অভ্যুদয়মুখী তোমালৈ সেই নাম গুচি যোৱাত মই লাজ পাইছোঁ।......তুমি মোৰ কীৰ্তি হৰণ কৰিবলৈ উদ্যত হৈছা। ক্ষত্ৰিয় অন্তকাৰীৰূপে মোৰ বিক্ৰম (প্ৰখ্যাত) যদিও তোমাক জয় নকৰালৈকে সেই বিক্ৰমেও মোক প্ৰীতিদান কৰিব নোৱাৰে (১১)।

'আদিকাণ্ড'ত সেইদৰে পৰশুৰামে ৰামক কৈছে :

ত্ৰিভুৱনে পৰম উজ্জ্বল ৰাম নাম।
নাহি সংসাৰত ইটো নামক উপাম ॥ ১৪১৩
সেহি ৰাম নাম ধৰি আমাৰ প্ৰকাশ।
হেন নাম লৈলা তুমি কৰি অভিলাষ ॥
মোলা ৰাম নাম লৈলে মোৰ হৈবে খ্যাতি।
আমাক নিন্দেষ তুমি কৰিলাহা অতি ॥ ১৪১৪
বৰ তেজৱন্ত বীৰ ভৈলাহা অধিক।
কৰিবাহা লুপ্ত তুমি আমাৰ কীৰ্তিক ॥
ত্ৰিজগত লোকে জানে মোৰ বিক্ৰমক।
ক্ষত্ৰিয়ৰ নামে মই সাক্ষাতে অন্তক ॥ ১৪১৫
নপাৰো জিনিবে যেৱে তোমাক ৰণত।
নিষ্ফল জীৱন তেৱে মোৰ সংসাৰত ॥

ওপৰত আলোচনা কৰি অহা প্ৰসংগসমূহত 'ৰঘুবংশ'ৰ লগত থকা নিকট সাদৃশ্যই প্ৰমাণ কৰে যে মাধৱদেৱৰ কালিদাসৰ সেই মহাকাব্যখনিৰ লগত নিবিড় পৰিচয় আছিল। উল্লেখযোগ্য যে সংশ্লিষ্ট প্ৰসংগসমূহৰ বৰ্ণনাৰ ক্ষেত্ৰত বাল্মিকীয় ৰামায়ণৰ লগত মাধৱদেৱৰ মিল নাই। 'আদিকাণ্ড'ত মাধৱদেৱে বৈচিত্ৰ্যপূৰ্ণভাৱে কাহিনীসমূহ, বাল্মিকীয় হওকেই বা নহওকেই, বৰ্ণনা কৰাৰ প্ৰৱণতা দেখুৱাইছে। বহু ঠাইত ভক্ত মাধৱদেৱতকৈ কবি মাধৱদেৱজন অধিক প্ৰবল হৈ প্ৰকাশ পাইছে। গতিকে 'আদিকাণ্ড' ৰচনাৰ প্ৰসংগত মহাকবি কালিদাসৰ 'ৰঘুবংশ' কাব্যখনৰপৰা প্ৰেৰণা বিচৰাটো অস্বাভাৱিক কথা নহয়।

(১১) অন্যদা জগতি ৰাম ইত্যয়ং শব্দ উচ্চৰিত এৱ মামগাৎ।
ব্ৰীডমাৱহতি মে স সম্প্ৰতি ব্যস্ত বৃত্তিৰুদয়োন্মুখে ত্বয়ি ॥ ৭৩
............ ত্বং চ কীৰ্তিমপহৰ্তুমুদ্যতঃ ॥ ৭৪
ক্ষত্ৰিয়ান্তকৰণোঽপি বিক্ৰমস্তেন মামৱতি নাজিতে ত্বয়ি। ...৭৫ (ৰঘু. ১১ সৰ্গ)।

শ্ৰীৰাজেন ৰাভা

# ৰাভাসকলৰ লোক-গীতত প্ৰণয়-গোন্ধ

অসমত অধ্যুষিত মানুহৰ ভাষা, ধৰ্ম, আচাৰ-নীতি বিভিন্ন হলেও—এই বিভিন্নতাৰ মাজতো একাত্মা হৈ সজীৱ হৈ আছে অসমীয়া জাতি, অসমীয়া ভাষা আৰু অসমীয়া সংস্কৃতি আৰু তাৰেই এটি সৃষ্টি হৈছে—ৰাভা জাতি, ৰাভা ভাষা আৰু ৰাভা সংস্কৃতি। অসমৰ প্ৰত্যেক থলুৱা জাতিৰ লোক-গীত থকাৰ দৰে ৰাভা জাতিৰ লোক-গীতো পৰম্পৰা গতিৰে চলি আছে। এই লোক-গীতবোৰৰ অন্তৰালত থকা প্ৰণয়-গন্ধী গীত তাৰেই কেইটিমানৰ চমু আভাস তলত দিয়া হল।

'বায়খো' বা 'খোক্‌চি' পূজা 'হংদানী-মায়তাৰি' ৰাভাসকলৰ এটি বছৰেকীয়া ডাঙৰ জাতীয় উৎসৱ। সাধাৰণতে, এই উৎসৱ কৃষি কৰ্মৰ আৰম্ভণিৰ লগে লগে উদ্‌যাপন কৰা হয়। এই পূজা উৎসৱত পুৰোহিত প্ৰমুখ্যে বয়স্ক লোকসকলে 'হয়মাৰু' গীত আৰু অবিবাহিত ডেকা-গাভৰুসকলে 'সাথাৰ' (প্ৰণয়মূলক) গীত গায়। ৰাভাসকলৰ ধৰ্মবিশ্বাস মতে—'সাথাৰ' গীতৰ অন্তৰালত আছে জনন-শক্তিৰ বিকাশ। তেওঁলোকৰ বিশ্বাস যে বসুমতীৰ গৰ্ভ ভেদ কৰি শস্যৰ অংকুৰ সঞ্চাৰিত হৈ উদ্ভিদৰ জন্ম হয়। তদ্ৰূপ পুৰুষ শক্তিৰ সংস্পৰ্শনবিনা কেৱল নাৰী শক্তিৰদ্বাৰাই জননকাৰ্য সম্ভৱপৰ নহয়। এই সৃষ্টি-কল্পনাক কেন্দ্ৰ কৰিয়েই ৰাভাসকলেও 'বায়খো' পূজাত ডেকা-গাভৰুৰ প্ৰণয়মূলক নৃত্য-গীত পৰিৱেশনৰ যোগেদি যৌন-সম্ভোগৰ এটি অনুভূতি যোগাবলৈ বসুমতীক ইংগিত দিয়ে, যাতে তেওঁলোকৰ খেতি-পথাৰ শস্যৰে নদন-বদন হয়। বিবাহিত কোনো মতা-তিৰোতাই এই নৃত্য-গীতত অংশ গ্ৰহণ কৰা সমূলি নিষেধ ; এনেকি শ্ৰোতাও হ'ব নোৱাৰে। এই নৃত্য-গীত ওৰেৰাতি পৰিৱেশন কৰা হয়। এই নৃত্য-গীত পৰিৱেশন কৰোঁতে ডেকা-গাভৰুৰ মাজত কোনো অংগ স্পৰ্শ হ'ব নোৱাৰে। এই নৃত্য-গীতৰ যোগেদি কোনো ডেকা-গাভৰুৰ মাজত প্ৰণয় ভাব জন্মিলে বাভিপুৰা (পিছদিনা) সামাজিক ৰীতিৰে মিলন হোৱাত কোনো বাধা নাই। ইয়াক পৱিত্ৰ মিলন বুলিহে ধৰি লোৱা হয়। 'হয়মাৰু' দেৱ-স্তুতি আৰু ৰাভাসকলৰ প্ৰাচীন বীৰ-বীৰাংগনাসকলৰ স্মৃতি বিজড়িত কাহিনী গীত।

এই প্ৰসংগত এটি উল্লেখনীয় বিষয় এয়ে যে, বায়খো পূজাত 'সাথাৰ' গীত আৰম্ভ নোহোৱাৰ আগতে অবিবাহিত ডেকা-গাভৰু আৰু বিবাহিত মতা-তিৰোতাই দলভুক্ত হৈ বচি যুঁজৰ দৰে 'লেওৱা (লতা) টানা' খেল বা নৃত্য কৰে। লগে লগে সুৰসংযোজিত খণ্ডিত গীত গায় ; কিন্তু এইবোৰ





প্ৰণয়ৰ গোন্ধ নাই ; কিন্তু বহুতে প্ৰণয়মূলক সাথাৰবোৰৰ হুবহু ভাবধাৰাত ৰাভা ভাষাৰপৰা অনুবাদ-ক্ৰমে তাক 'লেওৱা টানা' গীত বুলি অভিহিত কৰি নৃত্য পৰিৱেশন কৰে আৰু সেইবোৰক অন্য জাতি বা সম্প্ৰদায়ৰলোকে নৃত্য-গীত বুলি কয়। এনেদৰে এটা জাতিৰ প্ৰাচীন কৃষ্টিমূলক নৃত্য-গীতক বিকৃত ৰূপ দিয়া সমীচীন নহয়। 'লেওৱা টানা' নৃত্য-গীতত ৰাভাসকলৰ প্ৰাচীন স্বকীয়তা আছে। এই নৃত্য-গীতক ৰাভাসকলৰ Tug of war বুলিব পাৰি আৰু ই 'বায়খো' পূজাৰ লগত নিবিড়ভাৱেই জড়িত আছে—যিটো-লেকি আন জনজাতিৰ মাজত নাই।

প্ৰণয়মূলক 'সাথাৰ' গীতৰ নমুনা কেইটিমান তলত উল্লেখ কৰা হ'ল।

গাভৰু দল :

আলি আলি বেৰালি আলি চিনাজোক,
চি-এনা এনচানি সালে,
'বাত্তাপাৰা' জোকবে[২]… (হৰৈছে, হৰৈছে)
সাৰা হাচু ঘৰাটৰা দয় ভাঙ্গান ভংচা,
আত্তা বায়খো চায়ৰা সালে,
মুকুগাৰ কায়ো ভংচাৰে[৩]।

সৰলাৰ্থ : আলিয়েদি খোজ কাঢ়োঁতে চিনা-জোক পোৱা যায়। হে বন্ধু। চিনি পোৱানে নোপোৱা ? আমি 'বাত্তাপাৰাৰ' গাভৰু ; পাহাৰে পাহাৰে ঘূৰিফুৰিও 'আমলা টেঙাৰ' গছ এডালকে দেখা নাপালোঁ। (হয় হয়) এনেকি এই বায়খো পূজাতো আহিও পছন্দ হোৱা বন্ধু এজনকো দেখা নাপালোঁ।

ডেকা-দল : আত্তান তোৱা।

সৰলাৰ্থ : মইয়ে আছোঁ দেখোন।

গাভৰু-দল—মায় ৰবং চাকায়ৰে,
চাক্ ৰবেং ৰবেংৰে, চাক্ ৰবেং ৰবেং,
চিড়ি মুকুগাৰ ৰাকায়ৰে সালে[২]…(হৰৈছে, হৰৈছে)

সৰলাৰ্থ : ধানৰ জন্ম নোহওঁতে পাতবোৰ দেখিবলৈ ধুনীয়া, হে বন্ধু ! আমাৰ পছন্দ হোৱা মানুহজনৰ মুখখনো তদ্ৰূপ ধুনীয়া…(হয় হয়)

ডেকা-দল : আত্তো টেমো, আত্তো ৰবাৰনো,
মনে বিৱা-চাৰে, মনে বিৱাচা,
নাংং পেকে সাথাৰ টেমো সালে
মনে বিৱা-চাৰে, মনে বিৱা-চা…(হৰৈছে, হৰৈছে)

সৰলাৰ্থ : কি ক'ম, কি নক'ম, তোমাক ক'বলৈ কথা মনত নপৰে আৰু তোমাৰ লগত গাবলৈও গীত মনত নপৰে … (হয়, হয়)

গাভৰু-দল : জামদিনি মাছুচিকায়, ভাকাম্ ৰকচো চৰো,
জামদিনি মাছুচিকায়. কোংজু ৰকুচো চৰো,
চিড়ি মুকুগাৰ ৰাকায় ৰে সালে,
ভাকাম্ ৰকুচো চৰো ৰে, ভাকাম্ ৰকচো চৰো।

সৰলাৰ্থ : ভৈয়ামত মৰাপাটৰ হাড়বোৰ বগা হৈ পৰি থকাৰ দৰে আমাৰ পছন্দ হোৱা বন্ধুজনৰ দাঁতবোৰো দেখিবলৈ বগা।

ডেকা-দল : জামদিনি হৰিতাল ফেকাং ফাতি পাকা,
বিচিনি-ৰে দবাৰফাং সালে
চিড়ি কানো পাকা'ৰে, চিড়ি কোনো পাকা।

সৰলাৰ্থ : ভৈয়ামৰ 'হৰিতাল' চৰাই পাকুৰি (বট) গছত পৰাৰদৰে কোনোবা বান্ধৱীয়েও অজানিতে আমাৰ গাত হাত দিছে।

গাভৰু-দল : আচৰ মায়-দি, চকো বাংচ নেংছি বা তা-চি, মুকুগাৰ কায়ো, মানুচো দোংৰে সালে ফেনে বা তাচিৰে, ফেনে বা তাচি।

সৰলাৰ্থ :- হে বন্ধু ! বৰা চাউলৰ মদৰ ৰস নাখাবা, আমাৰ পিনেও দৃষ্টি নকৰিবা। হায় ! হায় ! পছন্দ হোৱা বন্ধু এজনকো লগ নাপালোঁ।

ডেকা-দল :—দহলায়-নি নাঞ্জুক ৰে,
বকুদাম টেপু টেপুৰে, বকুদাম টেপু টেপু,
ৰাভাপাৰা দৰায়া সালে।[১]

সৰলাৰ্থ : হে বাছে! নামনিত থকা সৰু সৰু বেং-
বিলাকৰ পেটবোৰ ডাঙৰ ডাঙৰ, তেনেকৈ
'ৰাভাপাৰাৰ' গাভৰুবিলাকৰ পেটবোৰো
ডাঙৰ ডাঙৰ।

গাভৰু-দল : হুতি-বা লেমা-জেমা, দো চি-বা নায়,
য়ুক্-কানি চম্ভৰ-বম্ভৰ সালে[১]
টেকা-বা নায়ৰে, টেকা-বা নায়।

সৰলাৰ্থ : গামোচাখন দীঘল ওলমি পৰা; কিন্তু ঘৰত
চাকি জ্বলাবলৈ শলিতাই নাই। মুখখনহে
কেৱল কথা চহকী, টকা-পইচা কিন্তু নাই।

ডেকা-দল : জামদিনি পচো-মুন্‌কায়,
চিয়ে আশা খাৰ্‌চাৰে চিয়ে আশা খাৰ্‌-চা
নাৰং দৰায়, জংবা-না সালে[১]...(হৰৈ,
হৰৈ)

সৰলাৰ্থ : তৈয়ামত থকা পকা আম খাবলৈ আশা
নকৰাৰ দৰে তোমালোকৰ দৰে গাভৰুকো
পাবলৈ আৰু আমি আশা নকৰোঁ। (হয় হয়)

'দাহৰি' ৰাভাসকলে তেওঁলোকৰ 'তৰঙা'ৰ (শ্ৰাদ্ধ) সময়ত মৃতকৰ আত্মাৰ সদ্গতি আৰু তাৰ পুনৰ্জন্ম কামনা কৰি স্তুতি আকাৰে গীত গায়। তাৰ পিছত তেওঁলোকৰ প্ৰাচীন বীৰ পুৰুষ আৰু 'নন্দন-চন্দন' আদিৰ কাহিনী-গীত গাই নৃত্য কৰে; লগতে ডেকা-গাভৰুসকলেও প্ৰণয়মূলক নৃত্য-গীত পৰিবেশন কৰে। এনেবোৰ গীতৰ যোগেদি ডেকা-গাভৰুৱে মুক্ত আৰু স্বাধীনভাৱে তেওঁলোকৰ কবি প্ৰতিভাৰ পৰিচয় দিবলৈ সুবিধা পায়, লগতে এটি হাস্যৰসৰ পৰিবেশ সৃষ্টিৰদ্বাৰা সমজুৱাৰ চিত্ত বিনোদন কৰা হয়। বিবাহিত মতা-তিৰোতাই এই নৃত্য-গীতত অংশ গ্ৰহণ কৰিব নোৱাৰিলেও শ্ৰোতা হোৱাত কোনো বাধা নাই। এই নৃত্যত ডেকা-গাভৰুৰ কোনো অংগ পৰস্পৰ স্পৰ্শ হ'ব নোৱাৰে।



এই নৃত্য-গীতৰ যোগেদি ডেকা-গাভৰুৰ প্ৰীতি-ভাৱ জন্মিলেও তেওঁলোকে মিলনপাশত আবদ্ধ হোৱা নিষিদ্ধ। আগতে 'দাহৰি' ৰাভাসকলৰ নিজাৰ (ভাষা) আছিল যদিও কালৰ গৰ্ভত হেৰাই গৈছে। তেওঁলোকে বৰ্তমান তেওঁলোকৰ কথিত ভাষাতো এই গীত গায়। তলত কেইটিমান গীত উল্লেখ কৰা হ'ল।

ডেকা-দল : ঝাকে উৰে, ঝাকে পৰে, কাণ কৰায় চাকক
কাপুৰতে বান্ধিয়া দিম, মন-ভুলানী দাকক।

শব্দাৰ্থ : চাকক-শালিকা; দাকক—উহা;
মন-ভুলানী—মন-মোহিনী।

গাভৰু-দল : মোটপাৰা ডাঙৰ হলং, আয়া নিদিলে বিয়া,
অ' বাবায়ও নিদিলে বিয়া,
দাককো নালাগে, নালাগে ভাই,
যাম মই যাচিয়া।

শব্দাৰ্থ : মোটপাৰা—সকলেপৰা; আয়া—আইতা; যাচিয়া—নিজ ইচ্ছামতে গুচি যোৱা।

ডেকা-দল : কালাই খাওয়া চগৰা, কেটু ভক্ৰ
জোৰ হানচা পিন্ধাগো, মোৰছে বৰ।

শব্দাৰ্থ : কালাই—মাহ; চগৰা—এবিধ সৰু
পছু; কেটু—নেজ; ভক্ৰা—লোমযুক্ত;
জোৰ হানচা—এযোৰ হাৰ; বগৰা—প্ৰায়।

অ' ঝাৰে ঝাৰে বেৰাকং বাৰ পাতালা
মই মন খাওয়া গো চালী মুক্ চাকালা।

শব্দাৰ্থ : ঝাৰে ঝাৰে—হাবি-বননিয়ে; বেৰাকং—ঘূৰিলোঁ; চালী—খুলশালী; মুক্ চাকালা—গোলাকাৰ মুখ; বাৰ্ পাতালা—বহিয়া।

গাভৰু-দল : চাক বাজয়া চাকুয়া, চাকৰ মাৰে মই
ওই বাজি দিয়াৰে ভাই
কিন্তু আমাক ভুলাবা চায়।



শব্দাৰ্থ : বচকে নায়—বসেই নাই, ভুলাবা চায়—প্ৰলোভিত কৰিবলৈ ইচ্ছা কৰা।

ডেকা-দল : চাকক কান্দে চুই-চাই, চুই-চাই,
বঁাশৰ আগালীত চালী;
নাচিবাকো নাজানে, নাজানে চালী,
নাম তাৰ 'ভৰেং' পাগালী।

শব্দাৰ্থ : ভৰেং—ৰাভাসকলৰ এগৰাকী নৃত্য-পটীয়সী।

গাভৰু-দল : মাছ মাৰং নামাৰং, জাখা হেলেঙা,
ভাই জাখা হেলেঙা;
কোন গাছয়া চোৰা ভাই
দেক্ পাকেয়া।

শব্দাৰ্থ : জাখা হেলেঙা—বহল বিন্ধাযুক্ত জাটৈ; দেক্ পাকেয়া—চাইকোৰাঁচোন।

'লাঙৰ গীত' বা 'গৰখীয়া গীত' বিশেষকৈ পাতিৰাভা আৰু দাহৰি ৰাভাসকলৰ মাজত প্ৰচলিত থকা দেখা যায়। পথাৰ বা হাবিলৈ গৰু চৰাবলৈ গৈ গৰখীয়াবোৰে ইজনে সিজনক ব্যংগ ৰূপত উত্তৰ-প্ৰত্যুত্তৰ দি নিজৰ নিজৰ কবিত্ব-শক্তিৰ পৰিচয় দিয়াৰ উপৰিও অনিন্দনীয় আমোদ উপভোগ কৰে। এই গীতবোৰ ঠাট্টা-মস্কৰা আৰু কৌতুকপ্ৰিয়তাৰে পৰিপূৰ্ণ হ'লেও ইয়াক প্ৰেমগন্ধী বুলি কোৱাবো থল আছে। এই গীতৰ লগত সংগত ৰাখি লাঙৰ বঁাহী বজোৱা হয়। এই বঁাহী দেড় বঁাহেৰে তৈয়াৰী—ডেৰফুট মান দীঘল। চুঙা-টোৰ একালে গাঁঠি আছে। বাঁহীটোৰ মাত্ৰ দুটা বিন্ধা। গাঁঠিটোৰ ওচৰতে এটা, সীমান্তত এটা। এই কাৰণেই এই বাঁহীটোৰ এটি বিশেষত্ব আছে। অতীজৰেপৰাই ৰাভাসকলৰ মাজত এই বাঁহী আৰু গীত প্ৰচলিত হৈ আছে। প্ৰেমমূলক লাঙৰ গীত-বোৰত কথিত ভাষাৰ অশ্লীল শব্দ থকাৰ বাবে গীতৰ আহি উল্লেখ কৰা নহ'ল।



'ভাৱৰীয়া গানৰ' ভুনা গীতৰ মাজতো প্ৰেমৰসৰ সন্ধান পোৱা যায়। এই ভাৱৰীয়া গান সম্বন্ধে কেবা-গৰাকী লেখকে পত্ৰ-পত্ৰিকাত বিক্ষিপ্তভাৱে প্ৰকাশ কৰিছে (আগতে উল্লেখ কৰা ৰাভাৰ 'বায়খো' পূজাৰ 'লেওয়া টানা' গীতৰ দৰে)। প্ৰকৃততে ভাৱৰীয়া-গানৰ লেখক গুধনেৰ পুৰণিভিটাৰ গাঁৱৰ এজন অখ্যাত লেখক স্বৰ্গীয় মিছিৰচন্দ্ৰ ৰাভাহে। তেওঁ একেধাৰে নাট্যকাৰ, গায়ক, বাদক আৰু নিপুণ শিল্পী আছিল। তেওঁ ৰামায়ণ-মহাভাৰতৰ বহুতো প্ৰধান কাহিনীক কেন্দ্ৰ কৰি ভাওনা নাটৰ ৰূপত কথিত ভাষাত ৰচনা কৰিছিল আৰু নিজে অশিক্ষিত বহুতো গাঁৱৰ মানুহক ইয়াৰ অভিনয় শিক্ষা দি অভিনয় কৰাইছিল। সেই সময়ত এই অঞ্চলত বঙালী, অসমীয়া ভাষাৰ কোনো যাত্ৰাভিনয়ৰ প্ৰভাৱেই পৰা নাছিল। তেওঁৰ লিখিত নাটবোৰৰ ভিতৰত ৰাৱণবধ, মহীৰাৱণবধ, মেঘনাদবধ, বালীবধ, লক্ষ্মণৰ শক্তিশেল, ঘটোৎকচবধ, কৰ্ণবধ, জয়দ্ৰথবধ আদিয়ে প্ৰধান। এইবোৰ মুখাযুক্ত আৰু মুখাহীন দুই ধৰণে অভিনীত। এই দুই ধৰণ নাটৰ ঘটনা-বিন্যাস একে হলেও প্ৰকাশভংগী বেলেগ বেলেগ। 'মুখাযুক্ত' গীত-প্ৰধান আৰু 'মুখাহীন' বচন-প্ৰধান। দৰ্শকৰ আমোদ উপভোগৰ কাৰণে নাটবোৰৰ বিষয়-বস্তুৰ মাজে মাজে প্ৰেম আৰু হাস্যৰসপূৰ্ণ ভুনা গীতৰ অৱতাৰণা কৰা আছে। তাৰে এটি নমুনা উল্লেখ কৰা হল।

হে বন্ধু! হে বন্ধু! হে বন্ধু হে।
আগ দুৱাৰতে কদম গাছ, তাতে পৰিল টিয়া,
টিয়া মহং নাধৰি বগৰি টেঙা দিয়া।
আগ দুৱাৰতে কদম গাছ, গাছ দুৱাৰে পানী,
বাবে বিটী চিকণ দেখং, তাকে আনং টানি।
দূৰৰপৰা দেখা পাওং, এক বাৰী এৰা,
তোক যেওয়া মন নাথাং, একটা চকু কেৰা।
দূৰৰপৰা দেখা পালং, এক বাৰী কল,
দুটা আপি নৰহিবি, গোটায় গাৱে মল।

শব্দাৰ্থ :— মহং— মঙহ, ঘোওয়া—তিৰোতা, আপি—
ষৈণাৱেক, গোটাৰ—সমুলি।

অতীজৰেপৰাই ৰাভাসকলে সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী 'মনসা'ৰ পূজা কৰি আহিছে। ইয়াক 'মাৰাই' পূজা বুলি কয়। গোৱালপাৰা আৰু কামৰূপ জিলাৰ দক্ষিণপাৰৰ জনজাতি অঞ্চলত থকা মাৰাই পূজাৰ প্ৰাচীন থানবোৰ ৰাভাসকলেই পোনতে প্ৰতিষ্ঠা কৰিছিল। পোনতে ৰাভা মানুহেই মাৰাই পূজাৰ দেউৰী আৰু মাৰাই গীতৰ 'ওজা পালি' আৰু 'দেওধনি' আছিল। পঞ্চাছ বছৰৰ আগতেই দৰংগিৰিৰ 'লেট্‌কুৰাৰী' গাঁৱৰ স্বৰ্গীয় ফেলাৰাম ৰাভাই (শিক্ষক) মাৰাই গীতৰ পুথি এখন সংকলন কৰিছিল। মাৰাই গীতৰ সৃষ্টিৰ মূলত 'মনকৰ' কবিৰ ভণিতা পোৱা যায়। এই গীতত থকা জুনা-গীতবোৰ প্ৰেম আৰু হাস্যৰসেৰে পৰিপূৰ্ণ। তাৰেই এটি গীতৰ নমুনা তলত উল্লেখ কৰা হল :

[ বেহুলা-লখাইৰ বিয়াত লখাইৰ ৰূপত মুগ্ধ হৈ কন্যাপক্ষৰ কেইজনীমান সদ্যবিবাহিতা তিৰোতাই নিজৰ নিজৰ স্বামীৰ কুগুণবোৰ তুলনামূলকভাৱে আলোচনা কৰি নিজকে নিজে খেদ কৰিছে ]

নিছে কাঞ্চনবালা, লখাই ও···আবে বিয়াৰে
দিখিয়া লখাই ৰূপ যুৱতী পৰিয়া গেল ভুলে।
এক যুৱতী, দুই যুৱতী, তিনি যুৱতীৰ মেলা,
পাঁচ যুৱতী মেল কৰিলে হল দিকৰ বেলা।
এক যুৱতী উঠি কয়, তোৰত্তো খানিক ভাল,
মোৰ কপালত লিখি দিছে, দাড়ুৰা ভাতাৰ।
চা-ত্তো চা-ত্তো ভাইৰে, সন্দিয়া লখাইৰ মুখ,
সুন্দৰ লখাই থাকিতে দাড়ুৰাক দিলে মোক।
এক পোৱা তেল আনিছিল, ভাজা খাবাৰ বাদে,
সিও পোৱা তেল গেল দাড় খচ্‌লাইতে।
তেল তুল দিলে দাড়ুৰা, দেখিবাৰ ভাল,
মুমটিৰ পাৰা উঠিলে দাড়ুৰা, লুটি লওয়া চুয়াৰ।

··· ··· ··· ··· ···

এক যুৱতী উঠি কয়, তোৰত্তো খানিক ভাল,
মোৰ কপালত লিখি দিছে বেঙা ভাতাৰ।
চা-ত্তো চা-ত্তো ভাইৰে, সন্দিয়া লখাইৰ মুখ,
সুন্দৰ লখাই থাকিতে বেঙাকে দিলে মোক।
কুন খাইত্তী উঠি কয়, বেঙা ভাতাৰ ভাল?
বেঙাৰ লগতে মোৰ মৰিবাৰ কাল।
টান কৰি ক'লে বেঙা, লাহে কৰি শুনে,
ভাল মন্দ কথা ক'লে, দ্বন্দ লাগি মৰে;
শাও দেয়ং, শপনি দেয়ং, বেঙাক খাওক বাঘে।

··· ··· ···

এক যুৱতী উঠি কয়, তোৰত্তো খানিক ভাল,
মোৰ কপালত লিখি দিছে, কণা ভাতাৰ।
চা-ত্তো চা-ত্তো ভাইৰে, সন্দিয়া লখাইৰ মুখ,
সুন্দৰ লখাই থাকিতে কণাকে দিলে মোক।
কুন খাইত্তী উঠি কয়, কণা ভাতাৰ ভাল?
কণাৰ লগতে মোৰ মৰিবাৰ কাল।
দুৰ বাটত মাছক গিছিল, পাই আহিছিল পৰে,
ভাত আনিতে নেকাৰে নিল, বকৰকাই মৰে।
যিওখিনি মাছ আছিল, তাকো নি গেল চিলে,
হাড়া ঝনঝন্ কৰিবা খুজে, কণা হাতৰ কিলে;
শাও দেয়ং, শপনি দেয়ং, কণাক খাওক বাঘে।

··· ··· ···

এক যুৱতী উঠি কয়, তোৰত্তো খানিক ভাল,
মোৰ কপালত লিখি দিছে কুঁজা ভাতাৰ।
চা-ত্তো চা-ত্তো ভাইৰে, সন্দিয়া লখাইৰ মুখ,
সুন্দৰ লখাই থাকিতে কুঁজাকে দিলে মোক।
কুন খাইত্তী উঠি কয়, কুঁজা ভাতাৰ ভাল?
কুঁজাৰ লগতে মোৰ মৰিবাৰ কাল।
চিতৰ কৰি থাকিলে কুঁজা, কাটিয়া হৈ পৰে,
ঠেং পাচমত যাই কুঁজা, টাকুৰী হেনা ঘুৰে;
শাও দেয়ং, শপনি দেয়ং, কুঁজাক খাওক বাঘে।

··· ··· ···



আৰো যুৱতী উঠি কয়, তোৰত্তো খানিক ভাল,
মোৰ কপালত লিখি দিছে বাউনা ভাতাৰ।
চা-ত্তো চা-ত্তো ভাইৰে, সন্দিয়া লখাইৰ মুখ,
সুন্দৰ লখাই থাকিতে, বাউনাক দিলে মোক।
কুন খাইত্তী উঠি কয়, বাউনা ভাতাৰ ভাল?
বাউনাৰ লগতে মোৰ মৰিবাৰ কাল।
একদিন গিছুলং বাউনাৰ লগত গাং বেৰাবাৰ বাদে,
মোৰ হয় হাটুমান পানী, বাউনা ডুবে মৰে,
মৰং বুলি বাউনা মোৰ বুকত সাপ্‌টি ধৰে;
শাও দেয়ং, শপনি দেয়ং, বাউনাক খাওক বাঘে।

প্ৰকৃততে, 'জোৰাগীত' আৰু 'বহুৰঙী' বুলি পৰিচিত গীতবোৰ ডেকা-গাভৰুৰ প্ৰেমমূলক গীত নাছিল। 'জোৰাগীতৰ' অৰ্থ এটাৰ পিছত এটা কথা জোৰা লগাই বা যোগ কৰি গোৱা গীত আৰু 'বহুৰঙী'ৰ অৰ্থ—বিচিত্ৰ ভাবৰ সমাবেশ কৰি গোৱা গীত। আগতে এইবোৰ গীত বুঢ়া-বুঢ়ী আৰু বয়সীয়া মতা-তিৰোতাইহে গাইছিল। জীয়েকক বিয়া দিছিল, তাইৰ মাক-বাপেকে নতুন বিয়ৈ-বিয়ৈনীৰ ঘৰত আহি মদ-ভাত খাইছিল। মদৰ মিঠা ৰাগত উন্মত্ত হৈ পৰস্পৰে চিত্ত-বিনোদনৰ বাবে এই গীতবোৰ গাই এটি অনিন্দনীয় আনন্দ উপভোগ কৰিছিল। এই গীতবোৰৰ যোগেদি কোনো ব্যক্তিগত প্ৰেমৰ উন্মেষ ঘটা নাছিল। ই আছিল এটা আনন্দ-ৰগৰৰ গীতহে; কিন্তু বৰ্তমান এইবোৰ ডেকা-গাভৰুৰ প্ৰণয়মূলক গীত হিচাপেহে ব্যৱহৃত হৈছে। যিয়েই নহওক কিয়, এই গীতবোৰত বিৰহ আৰু জীৱন-যৌৱনৰ স্বৰূপ বৰ্ণনাৰ উপৰিও সামাজিক চিত্ৰণ প্ৰতিফলিত হৈছে। এই গীতবোৰে ৰাভাসকলৰ ৰচনা শক্তিৰ স্বাক্ষৰ বহন কৰে। তাৰেই নমুনা তলত উল্লেখ কৰা হল।

নহয়না কিত্তো বিয়ানী, গোৰা মদকে,
একজোড়া গোৰা হ'ল, আৰো জোড়া খুজে।
তাতেৰ খুটা পুতংবে, তাতেৰ খুটা পুতং,
আমাৰ বিয়ানী মাছক যায়, ঘৰ বান্দি থং।
নহয়না কিত্তো বিয়ানী, পৰেৰ মুখেৰ কাথা,
চল যাং খঁতুৰা বাৰীত, ফুলে ভৰাং মাথা।
একপৰীয়া বাঁশৰে, পাকাং চালাঙী,
আজিকালিৰ আপি কয়টা, তাকাৰ ফালাঙী।
লাঙা-মাৰা কাপড়ে, জাৰি কুকুয়া,
হেকেৰ্-হকুৰ্ কান্দি ফুৰে, ঘোওয়া ডাকুয়া।
নহয়না কিত্তো বিয়ানী, লেবেৰা জাৰা,
তোলা ছাওয়া হেমেলায়, কোলা নলওয়া।

শব্দাৰ্থ :— গোৰা— মাদকতাহীন, পনীয়া; ফালাঙী – বেপাৰী; ঘোওয়া ডাকুয়া— তিৰোতাৰ লগত ঘুৰি ফুৰা; তোলা— তোৰ।

• • •

গাছ কাটং, নাকাটং গাছ বেকেৰা,
নাচিবাকে নাজানং, চোতাল বেকেৰা।
খেৰবে পুজিবে, খেৰবে পুজি,
বুঢ়া-বুঢ়ী গল্প কৰে, পালাবাবে বুধি।
দুৱাৰ হেকং হেকংৰে, দুৱাৰ হেকং হেকং,
দুৱাৰখানি মিলি চালে, আৰো জোড়া দেখং।
বুন বাতালাবে, বুন বাতালা,
'ঘটে' লাগা ভাতাৰগো, গাও পাতালা।
তিন্‌দিনীয়া গোৰা মদ লাগিল কপালত,
যায়য়া হেনা পৰিলং, শাহুৰ চোতালত।
নান্দৰবে জৰীখানি তিন্‌কুণীয়া,
ভিকা দিবা তৰতে, যায় সোমাইয়া।
লাউ পাত খাপা খাপা, মিঠা নালাগে,
সোণা হেনা বিটীটাক ভাতই নালাগে।
বেং কান্দে তলোৰত, চাপ্‌ৰা মাটিৰ তলত,
ভাতাৰ গিছে মণিপুৰত, তিৰি কান্দে ঘৰত।

শব্দাৰ্থ :—বেকেৰা— বেঁকা, খলা-বমা; নান্দ—নাদ খাপা—বহল; ভাতই ভোঁৱাই।

'কাতি' দেৱতাৰ পূজা নাৰী সমাজৰ এটি জনপ্ৰিয়

অনুষ্ঠান। এই পূজা কাতি মাহৰ শেষ তাৰিখে হয়। এই দেৱতাৰ পূজা বা আৰাধনা কৰিলে পুত্ৰ-কন্যাহীনাই পুত্ৰ-কন্যা পায় আৰু স্বামীহীনাই স্বামী পায়। তদুপৰি ব্যক্তিগত অভিপ্সিত কামনা পূৰণ হয়। এই পূজাৰ গীত দুই ভাগত বিভক্ত; (১) কাতিৰ জন্ম বিষয়ক আৰু (২) শৃংগাৰ ৰসাত্মক বা প্ৰেমলীলা বিষয়ক। কাতিৰ জন্ম বিষয়ক গীতবোৰ মতা মানুহে শুনাত কোনো বাধা নাই; কিন্তু শৃংগাৰ ৰসাত্মক গীতবোৰ শুনিবলৈ দিয়া নহয়। শৃংগাৰ ৰসাত্মক গীতবোৰ গাই তিৰোতা-সকলে মুক্ত আৰু আবেগিকভাৱেই নৃত্য পৰিবেশন কৰে। ওৰেৰাতি এই নৃত্য-গীতৰ অভিনয় পৰিবেশিত হয়। কাতিপূজাৰ শৃংগাৰ ৰসাত্মক গীতৰদৰে ৰাভাসকলে কৰা ব'হা পূজাতো এই ৰসৰ প্ৰাধান্য আছে।

এই গীতবোৰ তিৰোতা মানুহে শুনা নিষেধ। এই দুয়োবিধ গীতত যৌন-ভাবনাৰ প্ৰাধান্য অধিক। এই গীতবোৰত কথিত ভাষাৰ অশ্লীল শব্দ প্ৰয়োগৰ আধিক্যতাৰ বাবে গীতৰ নমুনা উল্লেখ কৰা নহ'ল।

তদ্ৰূপ, 'বাৰমাহী' গীতবোৰতো প্ৰণয় ভাৱ নিহিত আছে। ৰাভাসকলৰ মাজত প্ৰচলিত এই বাৰমাহী গীত হেৰাই যাবৰ উপক্ৰম হৈছে। তেওঁলোকৰ বিশ্বাস যে, মৃত্যুৰ পিছত শব-দাহনৰ সময়ত এই গীত শুনা মানুহৰ মুখমণ্ডল পোৰা নাযায়। সেই সময়ত বাৰমাহী গীত শুনা কোনো এজন মানুহে এফাঁকি গাই দিলেহে হেনো তাৰ মুখমণ্ডল অগ্নিয়ে ভক্ষণ কৰে। এই ভয়তে এই গীত সংৰক্ষণ কৰি ৰাখিবলৈ মানুহে চেষ্টা নকৰে। এই বাৰমাহী গীতৰ সুৰ-সমলয়ক গুৰুত্ব অনুকৰণ কৰিয়ে ৰাভাসকলৰ ঢুলীয়াৰ দলে 'চানাইত' সুৰ সংযোজনা কৰে। এই সুৰ এতিয়াও বিদ্যমান।

—

# অসম সাহিত্য সভা

## আখৰ জোঁটনি উপ-সমিতিৰ প্ৰতিবেদন

[অসমীয়া ভাষাত আখৰ-জোঁটনিৰ বেমেজালি ঘটিবলৈ আৰম্ভ কৰা দেখি অসম সাহিত্য সভাই ১৯৭৮ চনৰ অক্টোবৰ মাহত পাঠশালাত এটি শিবিৰৰ আয়োজন কৰে আৰু তাতে অসমৰ বিশিষ্ট ভাষাতাত্ত্বিক, লেখক, সাংবাদিক, সমালোচক, শিক্ষক আদিক নিমন্ত্ৰণ কৰি দুদিনীয়াকৈ আলোচনা চলায়। এই শিবিৰৰ সঞ্চালক আছিল ড° মুকুন্দমাধৱ শৰ্মা। আলোচনাৰ অন্তত পৰামৰ্শাৱলী জুকিয়াই উলিয়াবলৈ এটি সমিতি গঠন কৰি দিয়া হয়। উক্ত সমিতিয়ে যুগুত কৰা পৰামৰ্শসমূহ কাৰ্যনিৰ্বাহক সমিতিৰ জ্ঞাতাৰ্থে উত্থাপন কৰা হয় আৰু বিতংকৈ আলোচনা কৰি ব্যাপকভাৱে প্ৰচাৰ কৰিবলৈ সিদ্ধান্ত লয়। সমিতিয়ে পুনৰ বহি পূৰ্বতে যুগুত কৰা পৰামৰ্শাৱলী জুকিয়াই, বিতংকৈ আলোচনা কৰাৰ অন্তত পৰামৰ্শাৱলী এখনি পুস্তিকাত ছপাই সৰ্বসাধাৰণ ৰাইজৰ মতামতৰ অৰ্থে আগবঢ়ায়। পৰামৰ্শাৱলী পুনৰ পত্ৰিকাত ছপাই এই বিষয়ত ৰাইজৰ মতামত আহ্বান কৰা হ'ল। এই বিষয়ত থকা অভিমত "প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১" এই ঠিকনালৈ পঠাবলৈ অনুৰোধ কৰা হ'ল।—সম্পাদক]।

১। একোটা উচ্চাৰণ বুজাবলৈ মাত্ৰ একোটা আখৰ ৰাখি জোঁটনিৰ সংস্কাৰ কৰা হওক।

২। বৰ্তমানৰ প্ৰচলিত লিখন পদ্ধতিৰ (otrthography) সংস্কাৰ কৰি তাক সৰল কৰা হওক।

৩। মূলৰ লগত সম্পৰ্ক ৰাখি কৰা জোঁটনিৰ বেলিকা হোৱা আসোঁৱাহখিনি আঁতৰাই বেছি প্ৰণালীবদ্ধ কৰা হওক। এই দাবীসমূহ উঠাৰ পাছত তলত দিয়াদৰে মত প্ৰকাশ কৰা হয়:

১। একোটা উচ্চাৰণ বুজাবলৈ মাত্ৰ একোটা আখৰ ৰাখি জোঁটনি-সংস্কাৰ কৰাৰ দাবী অসমীয়া ভাষাৰ বাবে অহিতকৰ বুলি উপস্থিত সদস্যসকল একমত হয়, কিয়নো

(ক) তেনে কৰিলে এতিয়ালৈকে প্ৰকাশিত সাহিত্যৰ লগতে ইয়াৰ পাছৰ সাহিত্যৰ সম্পৰ্ক ছিগি যাব,

(খ) আগৰ প্ৰকাশিত কিতাপবোৰ নতুন জোঁটনিৰে ছপাওঁতে অযথা ধন খৰচ হ'ব আৰু নছপালে ইচ্ছা কৰি অসমীয়া সাহিত্যক দুখীয়া কৰা হ'ব;

(গ) উচ্চাৰণৰ স্থিৰতা যিহেতু নাই, সেই কাৰণে উচ্চাৰণ অনুসৰি জোঁটনি নিৰ্ণয় কৰাটোও সহজ কাম নহ'ব;

(ঘ) প্ৰচলিত জোঁটনিৰ ভাল গুণসমূহ উচ্চাৰণ অনুসৰি কৰা জোঁটনিত পোৱা নহ'ব,

(ঙ) কথিত ভাষাৰ লিখিত সুপৰিচিত চিত্ৰৰূপটোৱে আমাক অৰ্থবোধত সহায় কৰে, উচ্চাৰণ অনুসৰি জোঁটনি হ'লে অপৰিচিত চিত্ৰৰূপৰ পৰা সেই সহায় পোৱা নাযাব,

(চ) উচ্চাৰণ অনুসৰি জোঁটনি কৰাটো বিজ্ঞানসম্মত আৰু বাঞ্ছনীয় হোৱা সত্ত্বেও বাস্তৱিকতে পৃথিৱীৰ কোনো বিখ্যাত ভাষাতে উচ্চাৰণ অনুসৰি জোঁটনি নাই।

২। লিখন-পদ্ধতি সলোৱা-নসলোৱাৰ বিষয়ে আলোচনা কৰাটো জোঁটনি-নিৰ্ণয় সমিতিৰ দায়িত্বৰ পৰিসীমাৰ ভিতৰত নপৰে বুলি সেই বিষয়ে বিবেচনা কৰা নহয়।

৩। সংস্কাৰৰ স্বাৰ্থত এটা আমূল পৰিৱৰ্তনৰ নীতি গ্ৰহণ নকৰি মূল অনুসৰি জোঁটনি কৰা প্ৰচলিত নীতিকেই ৰাখিবলৈ স্থিৰ কৰা হয়,

(ক) প্ৰচলিত জোঁটনিৰ এটা নিৰ্ধাৰিত প্ৰণালী আছে,

(খ) ইয়াত কোনো আখৰৰ বিকৃতি ঘটাই নতুন ধ্বনি-চিহ্ন নিৰ্মাণ কৰাৰ প্ৰয়োজন নাই, (উদাহৰণ-স্বৰূপে, হিন্দীত স্ৰ আৰু ত্ৰ আখৰ া-কাৰ আদিক বিকৃত কৰি স্ৰ, ত্ৰ, আৰু ী কৰি বিকৃত কৰা হৈছে),

(গ) ইয়াৰ ফলত অসমীয়া ভাষাৰ এটা সৰ্বভাৰতীয় ৰূপ ৰক্ষিত হৈ আহিছে,

(ঘ) শব্দবোৰৰ চিনাকি ৰূপটোৱে পাঠকক অৰ্থ-বোধত সহায় কৰিছে,

(ঙ) একে উচ্চাৰণ; কিন্তু বিভিন্ন অৰ্থ থকা সমধ্বনি-বিশিষ্ট শব্দবোৰৰ (homonyms) প্ৰচলিত প্ৰণালী অনুসৰি বেলেগ বেলেগ জোঁটনি ৰাখিলে, তাৰ ফলত সাহিত্যৰ অলংকাৰ, ব্যঞ্জনা আদি সৃষ্টি কৰাত সহায় হ'ব পাৰে।

(চ) সংস্কৃত শব্দও প্ৰচলিত বৰ্ণমালাৰ সহায়ত অবিকৃত ৰূপত আমাৰ ভাষাত ব্যৱহাৰ কৰিব পৰা হয়।

(ছ) প্ৰচলিত প্ৰণালীৰ ভিত্তিতে ইমানদিনে ৰচিত হোৱা সাহিত্যৰ সৈতে পৰৱৰ্তীকালত ৰচিত সাহিত্যৰ যোগসূত্ৰ ৰক্ষিত হ'ব পাৰে।

আলোচনাৰ পাছত সদস্যসকল তলত দিয়া সিদ্ধান্তসমূহৰ ক্ষেত্ৰত একমত হয়:

১। তৎসম (সংস্কৃত) শব্দবোৰ সংস্কৃত জোঁটনি অনুযায়ী জোঁটোৱা হ'ব। এই জোঁটনি অনুযায়ী লিখিলে শব্দৰ আদিতে ব আৰু য় দি লিখিব লগীয়া হয়। ইয়াৰ ফলত অসমীয়াত প্ৰচলিত জোঁটনিৰে সৈতে বিৰোধ হয়। সেই কাৰণে তলত দিয়া উপনিয়মসমূহ গৃহীত হয়।

(ক) সংস্কৃত শব্দৰ আদিতে থকা ব অসমীয়াত ৰ লিখা হ'ব। মধ্যবৰ্তী আৰু অন্ত্য স্থানত ব বা ৱ দুয়োটাকে উচ্চাৰণ অনুযায়ী দিব পাৰিব, যেনে— স্বভাৱ, অনৱৰত (হে ১) স্বভাব, অনবৰত (চ ১) ইত্যাদি।

(খ) নঞৰ্থক প্ৰত্যয়যুক্ত বা উপসৰ্গযুক্ত শব্দত ব দ্বিতীয় বা তৃতীয় স্থানলৈ গ'লেও তাক প্ৰথম ব ৰ দৰেই ধৰা হ'ব। যেনে—অব্যৱহাৰ্য।

(গ) ৰেফৰ ফলত হোৱা দ্বিত্ব বৰ্জন কৰাটোৱেই বাঞ্ছনীয়।

(ঘ) সম্মতি, সম্মত, সম্মিলন, মিলন, দোষণীয়, লিখক আদি শব্দ অৰ্ধতৎসম বুলি ধৰি লৈ সেইবোৰ অসমীয়া ভাষাত শুদ্ধ বুলি ধৰা হ'ব। এইবোৰৰ তৎসম





ৰূপ সম্মতি, সম্মত, সম্মেলন, দূষণীয়, লেখক আদি শব্দও অসমীয়াত থাকিব।

(ঙ) পুত্ৰ/পুত্ত্ৰ, সত্ৰ/সত্ত্ৰ, ছাত্ৰ/ছাত্ত্ৰ, পাশ্চাত্ত্য/পাশ্চাত্য আদি শব্দ সংস্কৃততে ত্ৰ আৰু ত্ত্ৰ এই দুয়োবিধ ৰূপৰেই শুদ্ধ বুলি স্বীকৃত হৈছে। যদিও সৰলীকৰণৰ স্বাৰ্থত এনেবিলাক শব্দত অসমীয়া ভাষাত ত্ৰ ৰে লিখা ৰূপৰ প্ৰচলনেই বাঞ্ছনীয়।

(চ) ইন্ ভাগান্ত শব্দবোৰৰ প্ৰথমা এক বচনৰ ৰূপকে অসমীয়াত ব্যৱহাৰ কৰিব লাগে, যেনে— মন্ত্ৰিন্ > মন্ত্ৰী, বাৰ্তাজীৱিন্ > বাৰ্তাজীৱী, ইত্যাদি।

(ছ) এইবোৰ শব্দৰ সমাস হ'লে মন্ত্ৰীৰ পৰিষদ > মন্ত্ৰীপৰিষদ হ'ব; কিন্তু সংস্কৃতত মন্ত্ৰিণাং পৰিষদ্ > মন্ত্ৰিপৰিষদ হয়। এতেকে কোনোবাই ইচ্ছা কৰিলে মন্ত্ৰিপৰিষদ আদিও লিখিব পাৰিব।

(জ) তৎসম শব্দৰ আৰম্ভণিতে য থাকিলে সদায় য দি লিখা হ'ব; কিন্তু দ্বিতীয় স্থানত বা তাৰ পাছত থকা য-ক য় কৰি লিখা হ'ব, যেনে— সং যম > অং যম; কিন্তু সং নিয়ম < অং নিয়ম, সং দ্বিতীয় > অং দ্বিতীয়, সং অভিনয় < অং অভিনয় ইত্যাদি।

(ঝ) জ্ঞ, হ্য আদিৰ উচ্চাৰণ অসমীয়াত বেলেগ হ'লেও তৎসম শব্দৰ ক্ষেত্ৰত সেই জোঁটনিকেই ৰখা হ'ব। যেনে—বাহ্য, জ্ঞান ইত্যাদি।

২। তদ্ভৱ শব্দত পৰাপক্ষত মূল শব্দৰ লগত সম্বন্ধ ৰাখি জোঁটনি নিৰ্ণয় কৰা হ'ব।

(ক) মূলত ণ থাকিলে অসমীয়াতো ণ হ'ব, যেনে— সং জীৰ্ণ, অং জীণ ইত্যাদি।

(খ) যিবোৰ তদ্ভৱ শব্দৰ মূলত ই বা ঈ, উ বা ঊ আছে, অসমীয়া জোঁটনিতো থাকিব, যেনে— সং জীৰ্ণ, অং জীণ, সং পূৰ্ব, অং পূব ইত্যাদি;

(গ) উত্ৰাৱল শব্দৰ উত্ৰাৱল জোঁটনি থাকিলেও ত্ৰ দি লিখা ৰূপৰ প্ৰচলন হোৱাটো বাঞ্ছনীয়।

(ঘ) তদ্ভৱ আৰু অন্য শব্দৰ ঙ ধ্বনি স্বৰান্ত হ'লে ঙ দি লিখা হ'ব, যেনে—ভাঙৰ, আঙঠি, চেঙ', অঙহী-বঙহী ইত্যাদি। ব্যঞ্জনান্ত হ'লে অনুস্বাৰ হ'ব, যেনে—চিলং, কাবেং, আপং; কিন্তু চিলঙলৈ, কাবেঙৰ ইত্যাদি।

(ঙ) ঈ প্ৰত্যয় যোগ হোৱা শব্দৰ জোঁটনিত সদায় ঈ থাকিব, যেনে—ব'হ + ঈ > ব'হী, কাঁহ + ঈ > কাঁহী, কাঠ + ঈ > কাঠী ইত্যাদি।

(চ) ঈ থকাৰ কোনো কাৰণ নথকা আটাইবোৰ শব্দতে ই হ'ব, যেনে—চেকনি, কেৰাহি, হাতুৰি, কাটাৰি, কুঠৰি, কোঠালি, চিঠি, জানুৱাৰি, ফেব্ৰুৱাৰি, ইত্যাদি।

(ছ) চিলনী, কাউৰী, মেকুৰী, ওকণী, বগলী, ছাগলী, শব্দত লিংগ নিৰ্বিশেষে ঈ হ'ব।

(জ) কাকতি / কাকতী, কন্দলি / কন্দলী দুয়োটা জোঁটনিয়েই থাকিব।

(ঝ) পাচ/পাছ, পিচ/পিছ এই চাৰিওটা জোঁটনিকে সময় আৰু ঠাইৰ পৰিৱৰ্তিতা বুজাবৰবাবে সমানে ব্যৱহাৰ কৰা হ'ব।

(ঞ) ঊনৈশৰপৰা পঞ্চাশলৈকে সংখ্যাবাচক শব্দবোৰৰ শেষৰ শ, চ, ছ-ৰ যি কোনো এটা বৰ্ণ দিব পাৰিব, যেনে—ঊনৈশ / ঊনৈচ / ঊনৈছ, ইত্যাদি।

(ট) গঁড়, গড় (দুৰ্গ), হাড়, নাড়ী শব্দৰ বাদে বাকী শব্দ ৰ দিও জোঁটাব পাৰিব।

(ঠ) বেঞা, হঞে, গঞা, ভূঞা, চিঞা, চিঞৰ শব্দৰ

বাহিৰে বাকী শব্দত বিকল্পে য়' ব্যৱহৃত হ'ব।

(ভ) আৰম্ভণি আৰু আৰম্ভণীত এই দুয়োটা জোট-নিয়েই অৰ্থভেদে বাহাল থাকিব

(ঢ) কৰকৰা, মৰমৰা, ফৰফৰা আদি অনুকাৰাত্মক শব্দ ব্যঞ্জনান্ত বা ৰেফযুক্ত বা হাইফেন যুক্ত নহ'ব। (কৰ্‌কৰা কৰ্কৰা, কৰ-কৰা আদি নহ'ব)।

(ণ) হেমকোষ, (১ম সংস্কৰণ) আৰু চন্দ্ৰকান্ত অভিধানৰ (১ম সংস্কৰণ) য'ত বিৰোধ হোৱা নাই, সেইবোৰ শব্দৰ সেই সেই ঠাইত চন্দ্ৰবিন্দু ব্যৱহৃত হ'ব।

(ত) উচ্চ অ বুজাবলৈ অ-ৰ পাছত "' " (ঊৰ্ধৰ কমা) ব্যৱহৃত হ'ব, য'ত স্বাভাৱিকতে এই ধ্বনি হয় (যেনে ই, ঈ উ, ঊ,-ৰ আগত) তাত এই চিন নিদিলেও হ'ব।

(থ) তৎসম আৰু তদ্ভৱ শব্দৰ বাহিৰে বাকীবোৰ শব্দত ণত্ব বিধি মনা নহ'ব। যেনে—ঝিৰনি, বেঙনি, কামোৰনি কোৰান ইত্যাদি।

কিন্তু বহুকাল চলি অহা ঝিৰণি, বেঙাণ, কামোৰণি আদি ৰূপ সম্প্ৰতি বিকল্প বুলি ধৰি লোৱা হ'ব।

৩। আৰবী-ফাৰ্চী শব্দৰ অসমীয়াতে হোৱা উচ্চাৰণ অনুযায়ী জো'টনি লিখা হ'ব। ঈ বা ঊযুক্ত প্ৰত্যয় নাথাকিলে ই আৰু উ-কে দি লিখা হ'ব।

৪। ইংৰাজী ভাষাৰ শব্দ অসমীয়াত লিখিব লগা হ'লে সাধাৰণতে তলত দিয়া নিয়ম মানি চলা হ'ব :—

(ক) c, ch, sh, s, ss tio আদিয়ে বুজোৱা উচ্চাৰণ চ দি, t আৰু d ৰে বুজোৱা উচ্চাৰণ ট আৰু ড ৰে, th আৰু n ৰে বুজোৱা উচ্চাৰণ থ আৰু ন-ৰে লিখা হ'ব। যুক্ত বৰ্ণৰ ক্ষেত্ৰত যি বৰ্ণৰ লগত 'ন' যুক্ত হয়, 'ন' ও সেই বৰ্গৰ হব। 'স' যি বৰ্গৰ বৰ্ণৰ লগত যুক্ত হয়, সেই বৰ্গৰ হ'ব; যেনে—

| | |
|---|---|
| c = city | চিটি ( বাচ ) |
| ch = chalk | চক |
| sh = shirt | চাৰ্ট |
| s = sanitary | চেনিটেৰি |
| ss = compass | কম্পাচ |
| tio = station | ষ্টেচন |
| t = town | টাউন |
| d = down train | ডাউন ট্ৰেইন |
| th = thermometre | থাৰ্মোমিটাৰ |
| n = novel | নভেল |
| nt = canteen | কেণ্টিন |
| nd = London | লণ্ডন |

(খ) st, sk আদিত s বৰ্ণ অসমীয়া যুক্ত-বৰ্ণেৰে লিখো'তে st ৰ ঠাইত ষ্ট, sk ৰ ঠাইত স্ক লিখা হয়। কিন্তু sl ৰ ঠাইত শ্ল লিখা হ'ব। যেনে—

| | |
|---|---|
| st = station | ষ্টেচন |
| sk = Dostoevsky | ডষ্টয়েফ্‌স্কি |
| sl = slogan | শ্ল'গান |

(গ) g, j-z জ-ৰে লিখা হ'ব, যেনে-

| | |
|---|---|
| g = German | জাৰ্মান |
| j = June | জুন |
| z = Zone | জ'ন |

(ঘ) nc, nch, ns, nsh আদি ঞ্চ দি লিখা হ'ব, যেনে—

| | |
|---|---|
| nc = pencil | পেঞ্চিল |
| nch = bench | বেঞ্চ |

## পুথি-পৰিচয়

ভাৰত-কোষ

লেখক : হৰিনাথ শৰ্মাদলৈ, এম এ, ডি-ফিল

প্ৰকাশিকা : শ্ৰীশশীবালা দেৱী (বৰপেটা)

পৃষ্ঠা-সংখ্যা : ১২ + ৫৪০

মূল্য : ২৮'০০ টকা

প্ৰকাশ-কাল : ১৯৭১ ইং

ৰয়েল আকাৰ

ড° হৰিনাথ শৰ্মাদলৈ এজন অধ্যয়নপুষ্ট সাহিত্য-সেৱী। তেখেতৰ কেইখনো মৌলিক আৰু সম্পাদিত গ্ৰন্থই অসমৰ পঢ়ুৱৈৰ সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছে। ইতিমধ্যে কাকত-আলোচনী-স্মৃতিগ্ৰন্থ আদিত প্ৰকাশ হোৱা তেখেতৰ সাহিত্য-সংস্কৃতিমূলক ভালেমান প্ৰবন্ধই পঢ়ুৱৈৰ মনৰ খোৰাক যোগাইছে। এই সহজ-সৰল নীৰৱ সাহিত্যিকজনৰ তথ্যানুসন্ধিৎসা, তত্ত্ব-জিজ্ঞাসা আৰু জ্ঞানস্পৃহা আদৰ্শস্থানীয়।

'ভাৰত কোষ' ড° শৰ্মাদলৈৰ এখন উল্লেখযোগ্য গ্ৰন্থ। ইয়াত লেখকৰ অসীম ধৈৰ্য, কষ্টসহিষ্ণুতা আৰু ব্যাপক অধ্যয়নৰ স্বাক্ষৰ বিদ্যমান। ইয়াত পৌৰাণিক, বৈদিক আৰু ঐতিহাসিক যুগৰ দেৱ-দেৱী, দৈত্য-দানৱ, যক্ষ-ৰক্ষ, গন্ধৰ্ব-কিন্নৰ, ঋষি-মুনি, সাধু-সন্ন্যাসী, পুৰুষ-মহিলা, শিল্পী-খনিকৰ, প্ৰসিদ্ধ তীৰ্থস্থান, দেশ-নগৰ, জাতি-বংশ, অনুষ্ঠান-আনুষ্ঠানিক কাৰ্য, উদ্যান-আশ্ৰম, পৰ্বত-বন, নদী-উপনদী, হ্ৰদ-দ্বীপ, পশু-পক্ষী সৰ্প, গছ-ফুল, যান-বাহন, অস্ত্ৰ-শস্ত্ৰ, বিবিধ বিদ্যা, অয়-অলংকাৰ, বেমাৰ-আজাৰ, ঔষধ-পাতি, বিশিষ্ট গ্ৰন্থ-গ্ৰন্থকাৰ প্ৰভৃতিৰ পৰিচয় দাঙি ধৰা হৈছে। সেই পৰিচয়বোৰৰ আধাৰ-গ্ৰন্থ (source) আৰু প্ৰসংগ-উল্লেখ (reference) লেখকে নিষ্ঠা আৰু সততাৰে দাঙি ধৰাৰ চেষ্টা কৰিছে। গ্ৰন্থখনি প্ৰায় আঢ়ৈ হাজাৰ শব্দৰে সমৃদ্ধ। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বুৰঞ্জীত 'ভাৰত-কোষ' এক বিশিষ্ট অৱদান। আঞ্চলিক ভাষা অসমীয়াত এতিয়ালৈকে প্ৰকাশ হোৱা এই নিচিনা গ্ৰন্থকেইখনিৰ ভিতৰত ই এক কীৰ্তিস্তম্ভ। সাধাৰণ পাঠক, ছাত্ৰসমাজ আৰু গৱেষক-সকল ইয়াৰদ্বাৰা উপকৃত হ'ব।

'ভাৰত-কোষ'ৰ নিচিনা পূৰ্ব প্ৰকাশিত কেইখনমান গ্ৰন্থৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। ইংৰাজী ভাষাত লিখা এই লেখীয়া গ্ৰন্থ প্ৰচুৰ আছে। তাৰে ভিতৰত জন ডছনৰ 'A Classical Dictionary of Hindu Mythology' নামৰ গ্ৰন্থখন আদৰ্শ-স্থানীয়। অৱশ্যে এই গ্ৰন্থখনত অন্তৰ্ভুক্ত বিষয়ৰ সংখ্যা তুলনামূলকভাৱে কিছু কম আৰু কিছুমান বিষয়ৰ প্ৰাসংগিক বিৱৰণ প্ৰয়োজন অনুপাতে পোৱা নাযায়। বৰঞ্চ বেঞ্জামিন ওৱাকাৰৰ ( Benjamin Walker ) ১৯৬৮ চনত ৰচিত 'Hindu World' গ্ৰন্থত বহু

বিষয়ৰ বিতং বিৱৰণ পোৱা যায়। লণ্ডনৰ George Allen and Unwin Ltd. কোম্পানীয়ে প্ৰকাশ কৰা এই গ্ৰন্থখন দুটা খণ্ডত বিভক্ত; ইয়াৰ পৃষ্ঠা সংখ্যা ৬০৯ আৰু ৬৯৬; মূল্য ১০ গিনি। কিন্তু গ্ৰন্থখনিত অসমৰ আৱশ্যকীয় বিৱৰণ নাই। হিন্দী ভাষাত থকা বিশিষ্ট কোষ-গ্ৰন্থসমূহেও প্ৰাচীন কামৰূপৰ আভিধানিক বা কোষগ্ৰন্থীয় গুৰুত্ব-বাহক খবৰ বহন কৰা নাই। আনহাতে ৰাধাকান্ত দেৱ বাহাদুৰে ১৮২২ খ্ৰীঃৰ পৰা ১৮৫৮ খ্ৰীঃৰ ভিতৰত ৰচনা কৰা 'শব্দকল্পদ্ৰুম' নামৰ কোষ-গ্ৰন্থখন এখন বৃহৎ কলেৱৰৰ আদৰ্শতুল্য গ্ৰন্থ। ই পোনতে পৰিশিষ্টসহ ৮টা খণ্ডত ছপা হৈ ওলাইছিল। ১৯২৮ চনত ইয়াৰ তৃতীয় সংস্কৰণ ওলাইছিল। গ্ৰন্থখন সম্পাদনা কৰিছিল কালীপ্ৰসন্ন কাব্যবিশাৰদে আৰু প্ৰকাশ কৰিছিল কলিকতাৰ মনোৰঞ্জন শৰ্মাই। মূল্য আছিল ৯ টকা। দত্তবৰুৱা এণ্ড কোম্পানীয়ে প্ৰকাশ কৰা মাধৱ কন্দলি ৰামায়ণৰ আকাৰৰ এই তৃতীয় সংস্কৰণটি দুটা খণ্ডত বিভক্ত হৈ ওলাইছিল; ইয়াৰ প্ৰথম খণ্ডৰ পৃষ্ঠাসংখ্যা হ'ল ১১৮৪ আৰু দ্বিতীয় খণ্ডৰ পৃষ্ঠাসংখ্যা ১১৮৫ ৰপৰা ১৯১৭; ইয়াৰ বাহিৰে পৰিশিষ্টৰ পৃষ্ঠা-সংখ্যা হ'ল ৩৩৬; আখৰ 'পাইকা' শ্ৰেণীৰ। গ্ৰন্থৰ নাম-পৃষ্ঠাত দেখুওৱা হৈছে যে ই এখন বেদ, বেদাংগ, ন্যায়, পুৰাণ, ইতিহাস, সংগীত ছন্দ প্ৰভৃতিৰ লক্ষণ-উদাহৰণ, বৈদ্য-দ্ৰব্যগুণ, ৰোগ-নিদান, জ্যোতিষ, স্মৃতি-ব্যৱস্থা, ষড়দৰ্শন আদি সংযুক্ত সংস্কৃত অভিধান। এক কথাত ক'ব পাৰি যে ইয়াত অভিধান আৰু বিশ্বকোষৰ সমন্বয় ঘটিছে। ভাৰতৰ আগশাৰীৰ পণ্ডিতসকলে 'শব্দকল্পদ্ৰুম'ৰ উচ্চত্ব বখানিছে। কিন্তু এই বৃহৎ গ্ৰন্থখনো প্ৰাচীন কামৰূপৰ বৈদিক, পৌৰাণিক আৰু ঐতিহাসিক ঐতিহ্য সামৰি লোৱা নাই।

বঙলা ভাষাত লিখা ভাৰতকোষ বা বিশ্বকোষৰ নিচিনা কেবাখনিও আদৰ্শগ্ৰন্থ আছে। যেনে ১৮৯৪ খ্ৰীষ্টাব্দত ছপা হোৱা নগেন্দ্ৰনাথ বসুৰ কেবা খণ্ডত বিভক্ত 'বিশ্বকোষ'। ইয়াৰ প্ৰতিখণ্ডৰ আকাৰ 'হেমকোষ অভিধানৰ সমান; আখৰ 'পাইকা' শ্ৰেণীৰ। ১৯০১ চনত প্ৰকাশিত কলিকতা সংস্কৃত কলেজৰ সংস্কৃত শিক্ষক শিৱনাৰায়ণ শিৰোমণিৰ সংকলিত 'শব্দাৰ্থমঞ্জৰী' এখন সংস্কৃত-বাঙ্গালা অভিধান; ইয়াৰ পৰিশিষ্ট খণ্ডত বৈদিক, পৌৰাণিক আৰু ঐতিহাসিক বিষয়-শব্দ আছে; কিন্তু বিষয়-সংখ্যা কম, প্ৰসংগৰো উল্লেখ নাই; ঘাইকৈ বংগদেশ জড়িত বিষয়বোৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। ভাৰতৰ ঐতিহাসিক পুৰুষ তুকাৰাম, নানক প্ৰভৃতিৰো পৰিচয় দিছে। অৱশ্যে বংগৰ বৈষ্ণৱ গুৰু, কবি-সাহিত্যিক, ৰজা-মহাৰজা, সমাজ-সেৱী আৰু স্বদেশ-প্ৰেমিক প্ৰভৃতিয়ে গ্ৰন্থত প্ৰাধান্য লাভ কৰিছে। ৰয়েল অক্টেভো আকাৰৰ এই পুথিখন চাৰে চাৰিশমান পৃষ্ঠাৰ হ'ব। ১৯০৯ খ্ৰীষ্টাব্দত প্ৰথম প্ৰকাশিত সুবলচন্দ্ৰ মিত্ৰৰ সংকলিত 'সৰল বাঙ্গালা অভিধান' আন এখন বিৰাট গ্ৰন্থ; ইয়াৰ আকাৰ 'হেমকোষ' অভিধানৰ নিচিনা; কিন্তু পৃষ্ঠা-সংখ্যা বেছি। ইয়াৰ তৃতীয় আৰু পঞ্চম সংস্কৰণ ক্ৰমে ১৯১২ আৰু ১৯২৩ চনত ওলায়। ইয়াতো বৈদিক, পৌৰাণিক আৰু ঐতিহাসিক বিষয়-শব্দৰ পৰিচয় আছে; কিন্তু সিবিলাকৰ আধাৰ-প্ৰসংগ উল্লেখ কৰা নাই। তথাপি, পুথিখনত অলেখ শব্দ, সিবিলাকৰ মূল, শ্ৰেণী, ৰূপান্তৰিত ঠাঁচ, জাতি-ভাষা-ধৰ্ম-সাহিত্য, কাৰিকৰি আৰু ব্যৱহাৰিক জীৱনৰ বিবিধ বিষয় ইত্যাদিৰ সন্নিবেশে আভিধানিক আৰু বিশ্বকোষ-সুলভ মূল্য অধিক বঢ়াইছে। ইয়াৰ পিছত আমি উল্লেখ কৰিব লাগিব বংগীয় সাহিত্য পৰিষদে প্ৰকাশ কৰা 'ভাৰত কোষ'ৰ। ই পাঁচটা খণ্ডত বিভিন্ন বছৰত ওলাইছে; সেইবোৰৰ প্ৰকাশ-কাল ক্ৰমে ১৯৬৪, ১৯৬৬, ১৯৬৭, ১৯৭০ আৰু ১৯৭৩। এইবোৰৰ প্ৰতি পৃষ্ঠাৰ আকাৰ দত্তবৰুৱা এণ্ড



কোম্পানীয়ে প্ৰকাশ কৰা 'মহাভাৰত'ৰ নিচিনা; কিন্তু সেই মহাভাৰত দুই খণ্ডতকৈ ইয়াৰ পৃষ্ঠা-সংখ্যা অধিক হ'ব। বৈদিক, পৌৰাণিক, ঐতিহাসিক বিষয়, চৰিত্ৰ প্ৰভৃতিৰ বিস্তৃত বিৱৰণ 'ভাৰত কোষে' দাঙি ধৰিছে; সেইবোৰৰ আধাৰ-গ্ৰন্থ, মূল তথ্য আৰু প্ৰয়োজনীয় প্ৰসংগৰো উল্লেখ আছে। এই বৃহৎ গ্ৰন্থখন বাংলা ভাষা-সাহিত্যৰ বুৰঞ্জীত গৌৰৱৰ সম্পদ হৈ ৰ'ব।

আমি ওপৰত বঙলা ভাষাৰ আদৰ্শস্থানীয় কোষ-গ্ৰন্থ কেইখনিৰ চমু পৰিচয় দাঙি ধৰাৰ তাৎপৰ্য এইয়ে যে অসমীয়া 'ভাৰত-কোষ'ৰ প্ৰণেতা ড° শৰ্মাদলৈয়ে উপৰোক্ত মূল্যবান গ্ৰন্থসমূহ পঢ়িবলৈ সুযোগ নাপালে; আনকি নগেন্দ্ৰনাথ বসুৰ 'বিশ্বকোষ' আৰু বংগীয় সাহিত্য পৰিষদৰ 'ভাৰত কোষ' পঢ়িবলৈ পোৱা হলেও তেখেতে কষ্টকৰ কামটিত বহুখিনি সকাহ পালেহেঁতেন। অসমত, বিশেষকৈ বৰপেটাৰ নিচিনা সৰু চহৰ এখনত গ্ৰন্থৰ অভাৱৰ হেতুকেই তেখেতে শ্ৰীসুধীৰচন্দ্ৰ সৰকাৰৰ সহজলভ্য বঙলা 'পৌৰাণিক অভিধান'-খন পঢ়িবলগীয়া হৈছে। অৱশ্যে এইখন অভিধানতো বেদ, উপনিষদ, সংহিতা, মহাভাৰত, ৰামায়ণ, পুৰাণ, উপপুৰাণ ইত্যাদিৰপৰা সংগৃহীত বিবিধ বিষয়ৰ বিৱৰণ আছে; কিন্তু ঐতিহাসিক তথ্যৰ খবৰ ইয়াত নাই।

সৰকাৰৰ অভিধানখন প্ৰথমে ১৯৫৮ চনত ওলাইছিল। ১৯৬৩ চনত ইয়াৰ দ্বিতীয় সংস্কৰণ আৰু ১৯৭৩ চনত তৃতীয় সংস্কৰণ ওলায়। তৃতীয় সংস্কৰণটি ৰয়েল আকাৰৰ, পৃষ্ঠা-সংখ্যা ১৮+৬১৩+২৪। ইয়াত প্ৰায় চাৰে চৈধাশ বিষয়-শব্দ আছে। উল্লেখযোগ্য যে সৰকাৰৰ অভিধানত ক্ষ, ঞ,ট,ঠ, ঢ,ণ,থ আৰু ফ আদ্যাক্ষৰযুক্ত শব্দ নাই। সৰকাৰে ক+ষ=ক্ষ আদ্যাক্ষৰযুক্ত শব্দ (মাত্ৰ এটা) ক-আদ্যাক্ষৰযুক্ত শব্দৰ ঠিক শেষতে দিছে। যুক্ত-ধ্বনি হিচাপে ধৰিলে অ+ই=ঐ আদ্যাক্ষৰযুক্ত শব্দবিলাকো অ-আদ্যাক্ষৰযুক্ত শব্দৰ ঠিক অন্তত দিব লাগিছিল; কিন্তু দিয়া নাই। সেইদৰে অ+উ=ঔ আদ্যাক্ষৰযুক্ত শব্দবিলাকৰ স্থানো তেনেকুৱা হ'ব লাগিছিল; কিন্তু হোৱা নাই। তদুপৰি বিষয়-বস্তুৰ গুৰুত্ব-বোধ আৰু বৰ্ণনাৰ সংযমৰ অভাৱ উক্ত অভিধানত পৰিলক্ষিত হয়।

'পৌৰাণিক অভিধান'ৰ তুলনাত ড° হৰিনাথ শৰ্মাদলৈৰ 'ভাৰত-কোষ' গ্ৰন্থখন সুখপাঠ্য হৈছে। সৰকাৰৰ অভিধানত থকা ত্ৰুটীবোৰ ইয়াত নাই। বিষয়-বস্তুৰ গুৰুত্ব অনুযায়ী বৰ্ণনাৰ হ্ৰস্বতা বা দীৰ্ঘতা ৰক্ষা কৰাৰ চেষ্টা কৰিছে। কোনো ক্ষেত্ৰত চুটিকৈ হলেও বিষয়-শব্দৰ সন্নিবেশ কৰা আভিধানিকৰ পক্ষে সাধু প্ৰচেষ্টা। এনে প্ৰচেষ্টাৰ ফলস্বৰূপেই ক্ষ, ঞ, ট, ঠ, ঢ, ণ, থ আৰু ফ-আদ্যাক্ষৰ যুক্ত শব্দৰ সমাবেশ 'ভাৰত-কোষ'ত দেখা যায়। প্ৰাচীন কামৰূপৰ বৈদিক, পৌৰাণিক আৰু ঐতিহাসিক তথ্যৰ সন্ধান বা বিৱৰণ তুলনামূলকভাৱে এইখনতেই অধিক পোৱা যায়। তদুপৰি আধাৰ-গ্ৰন্থ হিচাপেও ড° শৰ্মাদলৈয়ে ঘাইকৈ primary source কে নিৰ্ভৰ কৰিছে। এনেবোৰ কাৰণত 'ভাৰত-কোষ' এখন নিৰ্ভৰযোগ্য গ্ৰন্থ আৰু স্বকীয় গুণত ই ঐতিহাসিক মূল্যসম্পন্ন।

প্ৰথম প্ৰচেষ্টা কাৰণেই হয়তো 'ভাৰত-কোষ'ত কিছুমান ত্ৰুটী-বিচ্যুতি ঘটিছে। যেনে, ইয়াতো কিছুমান বিষয়-শব্দৰ আধাৰ-গ্ৰন্থ বা source দেখুওৱা নাই। উদাহৰণস্বৰূপে টকৰ (পৃঃ১৭৮), তাড়কায়ন (পৃঃ ১৮৬,), ত্ৰিবেণী (পৃঃ১৯৩), দাক্ষায়ণ, দাক্ষায়িণী (পৃঃ ২০৩,) নন্দিকেশ্বৰ (পৃঃ ২৩৬), শিনি (পৃঃ ৪৬৫) ইত্যাদি উনুকিয়াব পাৰি। অৱশ্যে এনে প্ৰসংগ-উল্লেখ নেদেখুওৱা শব্দ-সংখ্যা অতি তাকৰ। মাজে মাজে উজুটি খোৱা বাক্যও নোহোৱা নহয়;

যেনে— 'যদুকুলৰ ধ্বংসপ্ৰসংগত অক্ৰুৰো মৃত্যু হয়' (পৃঃ১)। ইয়াত 'ধ্বংস-প্ৰসংগত' নহৈ 'ধ্বংস-সংক্ৰান্ত' হোৱা হলে বেছি অৰ্থ-ব্যঞ্জক হ'লহেঁতেন। আকৌ 'ৰাজহংস— এজন মগধৰ বিখ্যাত ৰজা' (পৃঃ ৪২৫। ইয়াত বাক্যটো 'মগধৰ এজন বিখ্যাত ৰজা' হব লাগিছিল ইত্যাদি। ভুল বানান কেবাটাও আছে ; যেনে— সৰ্ব্বংগসুন্দৰ (পৃঃ ১৭), ৰালংগৰ (পৃঃ ১৭৫), নলকুবৰ (পৃঃ ২৪৭), ইত্যাদি। এইবোৰ অৱশ্যে ছাপাখানাৰ ভুল। ১৫৫ পৃষ্ঠাত চাৰু, চাৰুগুপ্ত, চাৰুচন্দ্ৰ, চাৰুদেষ্ণ, চাৰুদেহ নাম-পৰিচয় কেইটা একে বাক্য লিপি বেলেগ বেলেগ স্থানত দেখুওৱা আৱশ্যক নাছিল ; কাৰণ ৪৩৭ পৃষ্ঠাত সেইকেইটা চৰিত্ৰ উল্লেখ কৰা হৈছেই। এনে উদাহৰণ আৰু আছে। আকৌ, ২০৩ পৃষ্ঠাত 'দামোদৰ' শব্দৰ প্ৰসংগত (ক), (খ), (গ) স্থানত বিভিন্ন অৰ্থ-পৰিচয় দি (ঘ) স্থানত লিখা হৈছে—'প্ৰাচীন কামৰূপৰ এজন বিখ্যাত পণ্ডিত আৰু গ্ৰন্থকাৰ।' সেইদৰে ৪৫৫ পৃষ্ঠাত 'শংকৰ' শব্দৰ প্ৰসংগত শংকৰদেৱ, ৩৯০ পৃষ্ঠাত 'মাধৱ' শব্দৰ প্ৰসংগত মাধৱদেৱ, ২৪০ পৃষ্ঠাত 'নৰনাৰায়ণ' শব্দৰ প্ৰসংগত মহাৰাজ নৰনাৰায়ণ, ১৭১ পৃষ্ঠাত 'জয়মতী' শব্দৰ প্ৰসংগত সতী জয়মতীৰ পৰিচয় দিয়া উচিত আছিল। প্ৰসংগবিশেষে হেম সৰস্বতী, মাধৱ কন্দলি, পীতাম্বৰ দ্বিজ, ৰাম সৰস্বতী, অনন্ত কন্দলি, ভট্টদেৱ, সুকবি নাৰায়ণদেৱ প্ৰভৃতি কবি-সকল আৰু কীৰ্ত্তন, নামঘোষা, উষা-পৰিণয়, কথা ভাগৱত, কথা-গীতা, কথা-গুৰুচৰিত্ৰ প্ৰভৃতি ঐতিহাসিক মূল্য থকা গ্ৰন্থ কেইখনমান উল্লেখ কৰা হলে ভাল আছিল। তদুপৰি ভাস্কৰবৰ্মা, নৰনাৰায়ণ, চক্ৰধ্বজ সিংহ, ৰুদ্ৰসিংহ প্ৰভৃতি আমাৰ জাতীয় গৌৰৱ বৃদ্ধি কৰা ৰজা-মহাৰজাসকলক এনে গ্ৰন্থত স্থান দিয়া আৱশ্যক। অসমত প্ৰাচীন মঠ-মন্দিৰ, কীৰ্ত্তি চিহ্নও অনেক আছে। সেইবোৰৰো অন্তৰ্ভুক্তি প্ৰয়োজন। অৱশ্যে পৰবৰ্তী সংস্কৰণত এইবোৰ আঁসোৱাহ নাথাকে বুলি আমাৰ সবল বিশ্বাস আছে।

কোনো খ্যাতিমান লেখকৰপৰা মনোগ্ৰাহী পুথি এখন পাবলৈ পঢ়ুৱৈ সমাজে যিদৰে আশা কৰে, সেইদৰে লেখকজনেও পঢ়ুৱৈ সমাজৰপৰা সহানুভূতিশীল সঁহাৰি বাঞ্ছা কৰে। এই প্ৰসংগত ডঃ শৰ্মাদলৈৰ গ্ৰন্থ লিখাৰ পৰিবেশ, আৰ্থিক অৱস্থা আৰু মানসিক প্ৰস্তুতিৰ কথাও ভাবি চাবলগীয়া। তথাপি নানা সংকট-সমস্যাৰ মাজেৰেও যে তেওঁলোকে অসমীয়া সাহিত্যৰ ভঁৰাললৈ 'ভাৰত-কোষ'ৰ দৰে এখন অপৰিহাৰ্য গ্ৰন্থ আগবঢ়াব পাৰিছে তাৰ বাবে ডঃ শৰ্মাদলৈ নিশ্চয় ধন্যবাদৰ পাত্ৰ।

ডঃ পৰীক্ষিত হাজৰিকা

## কৰ্মযোগী গিৰিধৰ শৰ্মা

সম্পাদক : ডঃ হেমন্তকুমাৰ শৰ্মা, এম-এ, পি-এইচ-ডি
প্ৰকাশক : সৱিতা সভা, গুৱাহাটী। ১৯৭৯ চন
পৃষ্ঠা— ০ : ৭ + ২৯৯। মূল্য— কুৰিটকা।

শিক্ষাবিদ গিৰিধৰ শৰ্মাদেৱক আৰ্য বিদ্যাপীঠ প্ৰকল্পৰ প্ৰতিষ্ঠাতা, সুদক্ষ সংগঠক আৰু আদৰ্শ স্থানীয় ভীমকৰ্মা পুৰুষ বুলি সকলোৱে জানে। শৈশৱ কালৰেপৰা দাৰিদ্ৰ্যৰ লগত যুঁজ কৰি প্ৰাইমেৰী স্কুলৰ শিক্ষকতাকে আশ্ৰয় কৰি নিষ্ঠাৰে সহকাৰে সকলো পৰিস্থিতিতে কৰ্তব্য সুসম্পন্ন কৰি দোপত-দোপে উন্নতি কৰি আৰ্য বিদ্যাপীঠৰ নিচিনা এটা প্ৰকল্প নিৰ্মাণৰ খ্যাতি অৰ্জন কৰাৰ লগে লগে কামৰূপ সাহিত্য পৰিষদ, সদৌ অসম গ্ৰন্থাগাৰ সন্মিলন আদি অনুষ্ঠানৰ গুৰি ধৰাৰ উপৰিও অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ সভাপতি পদত অধিষ্ঠিত হৈ শৰ্মাদেৱে যি খ্যাতি ৰাখি গৈছে তাৰ তুলনা সঁচাকৈয়ে পাবলৈ টান। তেখেতৰ জীৱন সংঘাতপূৰ্ণ, পদে পদে সমুখীন হৈছিল কিবা নহয় কিবা এটা অন্তৰায়ৰ বাধা।



কোনোপধ্যেই পিছ হুঁহকিব নোখোজা দৃঢ়মনা শৰ্মাদেৱে সেই বাধা অতিক্ৰম কৰি লাভ কৰিছিল অসীম তৃপ্তি। সেই দৃঢ়তা, নিষ্ঠা আৰু উচ্চাকাংক্ষাৰ অধিকাৰী শৰ্মাদেৱক কাৰ্যদক্ষতাৰ হেতুকে নানাজনে নানা বিশেষণেৰে ভূষিত কৰিবলৈ চেষ্টা কৰিছে যদিও সিবোৰৰ ভিতৰত 'কৰ্মযোগী' নিঃসন্দেহে সাৰ্থক বিশেষণ। কাম, কাম, কামেই যেন আছিল তেখেতৰ গায়ত্ৰী জপ। বিনাকামে অলপ সময়ো তেখেতে কটাব নোৱাৰিছিল। তেনেহেন এজনাকী অবিস্মৰণীয়লোকৰ স্মৃতিত সৱিতা সভাই এনে এখনি গ্ৰন্থ প্ৰকাশৰ আঁচনি লোৱাটো অতি সমীচীন হৈছে। এই পুথিখনি শৰ্মাদেৱৰ অনুজ ভাতৃপ্ৰতীম ডঃ হেমন্তকুমাৰ শৰ্মাদেৱক সম্পাদনা কৰিবলৈ দিয়াৰো কিছু তাৎপৰ্য আছে। ব্যক্তিগতভাৱে জীৱনত অনুপ্ৰেৰণা লাভ কৰা "কৰ্মযোগী" পুৰুষগৰাকীৰ স্মৃতি গ্ৰন্থখন সম্পাদনা কৰিবলৈ পোৱাবাবে ডঃ শৰ্মাই গৌৰৱবোধ কৰিছে।

মূল গ্ৰন্থখনি দৰাচলতে তুভাগত সম্পূৰ্ণ। শৰ্মাদেৱৰ বিভিন্ন বিষয়ত আলোকপাত কৰি লিখা প্ৰবন্ধ, কবিতা আদি ৰচনা আৰু এটি দীঘলীয়া পৰিশিষ্ট। তদুপৰি প্ৰথমৰ লেখাটো আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীয়ে সংস্কৃতত ৰচনা কৰা প্ৰশস্তিমূলক কবিতা আৰু শেষৰ দুটা প্ৰবন্ধ ইংৰাজীত লিখা। তাৰ বাহিৰে আন উনপঞ্চাশগৰাকী লোকৰ প্ৰবন্ধ সন্নিবিষ্ট হৈছে। প্ৰথমৰ চাৰিটা প্ৰবন্ধ প্ৰশস্তিমূলক, চতুৰ্থ প্ৰবন্ধটো সম্পাদকে যুগুত কৰা গিৰিধৰ শৰ্মাৰ চমু জীৱনালেখ্যস্বৰূপ। তাৰ পৰৱৰ্তী আঠটা নিবন্ধৰ প্ৰথম চাৰিটা লিখিছে পৰিয়ালৰ লোকসকলে আৰু বাকী চাৰিটা লিখিছে চাৰিগৰাকী সহপাঠীয়ে। পৰিয়ালৰ লোকসকলে ঘৰুৱা পৰিৱেশত সততে লগ পাই অহা শৰ্মাদেৱৰ জীৱনৰ কথা নিখুঁতভাৱে অংকণ কৰিবলৈ সক্ষম হৈছে আৰু সহপাঠীসকলে শৰ্মাদেৱৰ ছাত্ৰ জীৱনৰ



কথাত গুৰুত্ব আৰোপ কৰি ৰচনাকেইখন যুগুত কৰিছে। সাহিত্য সভাৰ লগত শৰ্মাদেৱৰ সম্পৰ্ক, সেই অনুষ্ঠানটোৰ প্ৰতি তেখেতৰ শ্ৰদ্ধা আৰু তাৰ উন্নতিৰবাবে কৰা অহোপুৰুষাৰ্থৰ কথা বিৱৰি লিখা ছটা প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে; এই ছয়োগৰাকী প্ৰবন্ধকাৰ শৰ্মাদেৱৰ ছাত্ৰস্থানীয় ব্যক্তি হলেও তেওঁলোকে কেৱল প্ৰশংসা কৰিয়েই ক্ষান্ত থকা নাই। এই ছটা প্ৰবন্ধৰ যোগেদি গিৰিধৰ শৰ্মাৰ অসমীয়া জাতি আৰু ভাষাৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু প্ৰেমৰ পৰিচয় পোৱা যায়। অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাদেৱে ডুখৰীয়া স্মৃতিৰ কথা সন্নিবিষ্ট কৰি লিখা নিবন্ধটি এটি লেখত-ল'বলগীয়া নিবন্ধ। কলেজীয়া সহকৰ্মী আৰু সাহিত্য সভাৰ সহকৰ্মী শৰ্মাদেৱৰ বিষয়ে হাজৰিকাদেৱে ঠিকেই মন্তব্য কৰিছে "কামৰূপ জিলা সাহিত্য পৰিষদ আছিল গিৰিধৰ শৰ্মাৰ কৰ্মজীৱনৰ জুইশাল আৰু অসম সাহিত্য সভা কমাৰশাল।" অসমৰ কলেজত পাঠদানৰ মাধ্যম অসমীয়া কৰাৰ ক্ষেত্ৰত অসম সাহিত্য সভাই আন্দোলনমুখী ভূমিকা ল'বলগীয়া হৈছিল। সেই সময়ত গিৰিধৰ শৰ্মা কামৰূপ সাহিত্য পৰিষদৰ সভাপতি আৰু সেই দায়িত্বত থাকি তেখেতে এই ক্ষেত্ৰত কি ভূমিকা লৈছিল তাৰ এটা সম্যক বৰ্ণনা পোৱা যায় শ্ৰীহিতেশ ডেকাৰ প্ৰবন্ধটিৰ জৰিয়তে।

গিৰিধৰ শৰ্মাৰ সৰ্ববৃহৎ অৱদান আৰ্য বিদ্যাপীঠ প্ৰকল্পটো। এই সম্পৰ্কীয় তিনিটা প্ৰবন্ধ সন্নিবিষ্ট হৈছে। তিনিওটা প্ৰবন্ধৰ মাজেদি শৰ্মাদেৱৰ শিক্ষানুষ্ঠানটি গঢ়ি তোলাত নিস্বাৰ্থ প্ৰচেষ্টা, আত্মত্যাগ আৰু কৰ্মদক্ষতাৰ পৰিচয় পোৱা যায়। আৰ্য বিদ্যাপীঠেই যেন আছিল তেওঁৰ একমাত্ৰ ধ্যান। শৰ্মাদেৱ অসমৰ গ্ৰন্থাগাৰ আন্দোলন, হৰিদেৱ সংঘ, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ আদি অনুষ্ঠানৰ লগতো সক্ৰিয়ভাৱে জড়িত আছিল—সেই বিষয়ক প্ৰবন্ধও

তিনিটা ইয়াত সন্নিবিষ্ট হৈছে। ড° যোগেশ্বৰ শৰ্মাদেৱৰ কৰ্মপ্ৰাণ গিৰিধৰ শৰ্মা নিবন্ধটিৰ পাছত থকা তিনিগৰাকী বক্তৃস্থানীয় ব্যক্তিৰ তিনিটা লেখাৰ মাজেদিও শৰ্মাদেৱৰ কৰ্ম-প্ৰেৰণাৰ কথাকে পোৱা যায়। চাৰিগৰাকী কৃতী প্ৰবন্ধলেখকে অসমীয়া সাহিত্যত গিৰিধৰ শৰ্মাৰ অৱদান বিষয়ক প্ৰবন্ধ ৰচনা কৰি তেওঁলোকৰ বিবিধ ৰচনাৰ এটি বিশদ আলোচনা দাঙি ধৰিছে। এই প্ৰবন্ধকেইটাৰ যোগেদি শৰ্মাদেৱৰ সাহিত্য-ৰচনাৰ মূল্যায়নৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। আন আঠগৰাকীয়ে লিখা আঠটা প্ৰবন্ধ 'বিভিন্ন-জনৰ দৃষ্টিত গিৰিধৰ শৰ্মা' শিতানত একেলগে সন্নিবিষ্ট কৰা হৈছে। এইকেইটা প্ৰবন্ধ দৰাচলতে গুণমুগ্ধ লোকৰ চকুত ধৰা দিয়া প্ৰবন্ধ; আটায়ে গুণীৰ গুণৰ উল্লেখ কৰিছে।

পৰিশিষ্টত সন্নিবিষ্ট বিষয়বোৰ বিশেষ মন কৰিবলগীয়া। বিশেষকৈ শৰ্মাৰ বংশলতা, হস্তাক্ষৰ, পত্ৰ লেখা, ৰচনাৰ চানেকি, সভাপতিৰ ভ্ৰমণসূচী আদি কথাবোৰে স্মৃতি গ্ৰন্থখনিৰ মৰ্যাদা বঢ়াইছে।

সন্নিবিষ্ট প্ৰবন্ধবোৰ দৰাচলতে লেখক-লেখিকাসকলৰ বিচিত্ৰ অভিজ্ঞতাৰ নানা ভাবাবেগৰ সমন্বয়। সেইবাবেই একাধিক প্ৰবন্ধত একাধিক কথাৰ দ্বিৰুক্তি চকুত পৰে। স্মৃতি গ্ৰন্থত তেনেকুৱা দ্বিৰুক্তি স্বাভাৱিক। প্ৰবন্ধখিনিৰ মাজেদি গিৰিধৰ শৰ্মাৰ শৈশৱ কালৰে-পৰা মৃত্যুদিনলৈকে ব্যক্তিগত জীৱনৰ লগতে সমসাময়িক শিক্ষা, সাহিত্য, নানা অনুষ্ঠান আদিৰ বহু কথাৰ সম্ভেদ পোৱা যায়। সেইদিশৰপৰা গ্ৰন্থখনিৰ এটি সুকীয়া মূল্য আছে। শৰ্মাদেৱৰ কৰ্মবহুল জীৱনৰ সম্যক পৰিচয়ৰ বাবে এইখনি নিঃসন্দেহে এখনি নিৰ্ভৰযোগ্য গ্ৰন্থ; অৱশ্যে দুই-এটা ক্ষুদ্ৰ কথাত কিছু অতিৰঞ্জন হোৱা বুলি ভাবিবৰ থল নোহোৱা নহয় —যিহেতুক এনেকুৱা প্ৰবন্ধ ৰচনাত লেখক সহজে আবেগপ্ৰৱণ হৈ পৰে। গ্ৰন্থখনিত সন্নিবিষ্ট প্ৰায় দেৰকুৰিখন ছবিয়ে গ্ৰন্থখনিৰ মৰ্যাদা বৃদ্ধি কৰাৰ লগতে সম্পাদকৰ কৰ্মনিপুণতাৰ পৰিচয়ো দিয়ে। অসম সাহিত্য সভাৰ সভাপতিৰূপে থকা কালচোৱাত এই গ্ৰন্থৰ সম্পাদকে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি কৰ্মযোগীৰ সোঁহাত স্বৰূপে কাম কৰি সাৰ্থকতা লাভ কৰিছিল। তেনে এগৰাকী লোকৰ সম্পাদনাত সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত এই গ্ৰন্থখনি কেউপিনৰপৰা উৎকৃষ্টতাৰ স্বাক্ষৰস্বৰূপ। যি কোনো লোকৰ বাবে ই এখনি উপাদেয় আটকধুনীয়া গ্ৰন্থ।

ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

**শিশু**

লেখক : ডাঃ মথুৰানাথ ভট্টাচাৰ্য।
প্ৰকাশক : বাণী প্ৰকাশ, পাঠশালা। ১৯৭৯ চন।
পৃষ্ঠা-১২৫। মূল্য— দহটকা।

ব্যৱহাৰিক জীৱনত সকলোৱে এটা সুস্থ প্ৰশস্ত পৰিসৰৰ মাজত স্বচ্ছন্দে বিচৰণ কৰিবলৈ মন কৰে। তাৰ বাবে শিক্ষানুষ্ঠানগত বিদ্যাকে মাপকাঠি বুলি ধৰি লোৱা হয় যদিও দৰাচলতে সাংসাৰিক জীৱনৰ সীমিত ক্ষেত্ৰত ক'তো উজুটি নোখোৱাকৈ, ক'তো বিজুতি নঘটাকৈ বাটকুৰি বাই আগুৱাই যাবলৈ হ'লে প্ৰাপ্তজন নাগৰিকৰ বাবেই, তাৰ বাহিৰেও ব্যৱহাৰিক বিষয়ৰ আৰু ভাবেমান দিশৰ কিছু কিছু জ্ঞান আহৰণ কৰা দৰ্কাৰ; অন্ততঃ তৃপ্তিদায়ক সংসাৰ এখন ৰচনা কৰাৰ ক্ষেত্ৰত। এই বিষয়ত ডাঃ মথুৰানাথ ভট্টাচাৰ্যৰ "শিশু" নিঃসন্দেহে এখনি লেখতলবলগীয়া নিৰ্ভৰযোগ্য পুথি; যিখন পুথি তেখেতে যুগুত কৰিছে পিতৃ মাতৃ অথবা অভিভাৱকসকলৰ কাৰণে, যিসকলৰ ওপৰত সম্পূৰ্ণৰূপে ন্যস্ত আছে ভৱিষ্যতৰ নাগৰিক তথা দেশৰ উত্তৰাধিকাৰীসকলৰ জীৱন, যি জীৱন সৰ্বতোপ্ৰকাৰে প্ৰাণ প্ৰাচুৰ্য হোৱাটো



আমাৰ সকলোৰে কাম্য। সংসাৰ-কাননৰ দায়িত্বত থকা লোকসকলৰ মৰমসনা আলফুলীয়া পৰশ আৰু পৰিমাৰ্জিত আপদালত নৱ অংকুৰিত শিশুসকলৰ ভৱিষ্যত নিৰ্ভৰ কৰে। ভাৰতীয় শিশুৰ মৃত্যুৰ হাৰ অন্যান্য উন্নত দেশৰ তুলনাত যথেষ্ট বেছি। সেই কথাৰ সংক্ষিপ্ত আভাস এইপুথিৰ আৰম্ভণিতে লেখকে দি গৈছে; সম্ভৱতঃ পাঠক-পাঠিকাক এই বিষয়ত সতৰ্ক কৰাই ইয়াৰ উদ্দেশ্য। মাতৃ আৰু শিশুৰ মংগল সাধনৰ বাবে মাতৃমংগল আৰু শিশু-কল্যাণৰ আঁচনিসমূহ কাৰ্যকৰী কৰাত সমাজৰ প্ৰতিজন নাগৰিকেই সচেতন হোৱা দৰ্কাৰ। সেই কথালৈ দৃষ্টি ৰাখিয়েই ডাঃ ভট্টাচাৰ্যই এই কিতাপখন যুগুত কৰিছে।

সৌ-সিদিনালৈকে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ পদত থকা ডাঃ ভট্টাচাৰ্য এগৰাকী আগশাৰীৰ কৃতী চিকিৎসকেই নহয়, শিশু বিশেষজ্ঞও। সুদীৰ্ঘকাল মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ মহলাত শিক্ষাদান কাৰ্যত ব্ৰতী হৈ থকাৰ লগতে চিকিৎসক হিচাপে লাভ কৰা বিচিত্ৰ অভিজ্ঞতাৰ ওপৰত সুপ্ৰতিষ্ঠিত এই গ্ৰন্থ। সমস্ত পুথিখনি সুপৰিকল্পিতভাৱে নটা ভাগ বা শিৰোনামা বিষয়ক বিৱৰণত সম্পূৰ্ণ। সেই প্ৰত্যেকটো ভাগেই শিশুৰ স্বাস্থ্য, আহাৰ, কায়িক-বৰ্দ্ধন, কায়িক বিকাশ, ৰোগ-প্ৰতিৰোধ শক্তি, মানসিক বিকাশ, আচৰণ প্ৰভৃতি নিতান্ত প্ৰয়োজনীয় বিষয়কেন্দ্ৰী তথ্যৰে সমৃদ্ধ। নক'লেও হ'ব যে এইবোৰ কথা প্ৰতিগৰাকী মাতৃ, প্ৰতিগৰাকী পিতৃৰ কাৰণে অৱশ্য-গ্ৰহণীয় কথা। শিশুৰ "জন্মৰ পূৰ্ব-অৱস্থা"ৰ অন্তৰ্গত আলোচনাখিনিৰদ্বাৰা সন্তান ইচ্ছুক যিকোনো যুৱক-যুৱতীয়ে উপকৃত হ'ব। মাতৃ-গৰ্ভত থকা হোৱাৰেপৰা শিশুৰ জন্মলৈকে এই কালচোৱাত স্বামী-স্ত্ৰী উভয়ে যথেষ্ট সতৰ্ক হোৱা দৰ্কাৰ। পুথিত সন্নিবিষ্ট সেই সকলোবোৰ কথা কেৱল অভিজ্ঞজনৰ কাপৰপৰা ওলোৱা তথাকথিত বৰ্ণনা বুলি নৈলে বিশেষজ্ঞৰ পৰামৰ্শ বুলি গ্ৰহণ কৰিব পাৰি। 'আহাৰ' শিতানৰ আলোচনাত এমহীয়া কালৰপৰা বাৰ বছৰলৈকে শিশুৰ লালন-পালনত মনোযোগ দিবলগীয়া কথাখিনি যথাযথভাৱে আলোচনা কৰা হৈছে। সাধাৰণতে শিশুৱে ভাত আদি গধুৰ আহাৰ খাবলৈ লোৱাৰ পিছৰেপৰা মাক-পিতাকক এই বিষয়ত কিছু উদাসীন হোৱা দেখা যায়; কিন্তু শিশুৰ কায়িক বৰ্ধন, মানসিক বুদ্ধি-বৃত্তিৰ বিকাশ, স্বভাৱ-চৰিত্ৰাদি গঠনৰ ক্ষেত্ৰত 'আহাৰ-নিদ্ৰা-আচৰণ' এই কেউটা দিশতে অন্ততঃ দহ-বাৰ বছৰ বয়স নোহোৱালৈকে মাক-দেউতাকে শিশুৰ প্ৰতি চোকা দৃষ্টি ৰখা দৰ্কাৰ। লেখকে সেই কথালৈ লক্ষ্য ৰাখিয়েই এই বিষয়ৰ আলোচনাটি যথযথাভাৱে চমুকৈ সহজ ভাষাত উপস্থাপন কৰিবলৈ যত্ন কৰিছে যেন লাগিছে। পুথিৰ শেষৰ তিনিটা শিতানত সন্নিবিষ্ট কথাখিনি নিজৰ শিশুক সুস্থ আৰু চৰিত্ৰবান নাগৰিকৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত অতি প্ৰয়োজনীয়। এইখিনি কথা পুথিখনিৰ সোণত সুৱগাস্বৰূপ।

প্ৰসংগক্ৰমে ক'ব পাৰি যে পুথিৰ আৰম্ভনিত অৱতাৰণিকা শিতানত ভাৰতীয় শিশুৰ জন্ম-মৃত্যু-বিকাশ আদিৰ বাস্তৱভিত্তিক এটি আলোচনা সন্নিবিষ্ট কৰিব পাৰিলে পৰৱৰ্তী সংস্কৰণটো আৰু উপাদেয় হ'ব। তদুপৰি এনেকুৱা পুথিৰ গ্ৰন্থাগাৰৰ উপযুক্ত পকা বন্ধা সংস্কৰণৰ লগতে সৰ্বসাধাৰণৰ বাবে সুলভ কেঁচাবন্ধা সংস্কৰণো দৰ্কাৰ। যিকোনো সন্তান ইচ্ছুক যুৱক-যুৱতীৰ কাৰণেই এইখনি এখন আপুৰুগীয়া গ্ৰন্থ।

সদৌশেষত, চাৰিবিশপৰা অৱসৰ গ্ৰহণৰ পিছত 'চিকিৎসা বিজ্ঞানৰ ইতিহাস', 'যক্ষ্মা ৰোগ'ৰ দৰে এই 'শিশু' গ্ৰন্থখনিৰদ্বাৰা অসমীয়া ভাষাৰ এটি দিশৰ অভাৱ পূৰণৰ ক্ষেত্ৰত ডাঃ ভট্টাচাৰ্যই যি সফল প্ৰচেষ্টা হাতত লৈছে তাৰবাবে তেখেত

সকলোৱে ধন্যবাদৰ পাত্ৰ। তেখেতৰ কাপৰপৰা এই পৰ্যায়ৰ আৰু কিছু গ্ৰন্থ পাবলৈ আমি আশা ৰাখিলোঁ।

ড° মহেন্দ্ৰনাৰায়ণ গোস্বামী

হীৰক স্মৃতি
নগাঁও সাহিত্য সভাৰ হীৰক-জয়ন্তী উপলক্ষে প্ৰকাশিত গ্ৰন্থ
সম্পাদক : শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা
প্ৰকাশক : নগাঁও সাহিত্য সভা
পৃষ্ঠা : ১২৩+৩৪
মূল্য : সাত টকা

অসম সাহিত্য সভাৰ অন্যতম প্ৰাচীন শাখা নগাঁও সাহিত্য সভাই ১৯৭৮ চনৰ ২৪ ডিচেম্বৰৰপৰা ১৯৭৯ চনৰ ২৯ এপ্ৰিললৈকে এই শাখাৰ হীৰক-জয়ন্তী বৰ্ষ পালন কৰে। ১৯১৮ চনৰ চেপ্টেম্বৰ মাহতে অসম সাহিত্য সভাই নগাঁৱৰ অ. ভা. উ. সা. সভাৰ গোটটিক শাখা-স্বৰূপে স্বীকৃতি দিয়ে। পিছত ১৯২৪ চন মানত অ. ভা. উ. সা. সভা নামৰ শাখাটিয়ে নগাঁও সাহিত্য সভা নাম গ্ৰহণ কৰে। নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে এই সভাই ষাঠি বছৰ পূৰ্ণ কৰিছে আৰু নিজা ভৱন আৰু পুথিভঁৰালেৰে আত্ম প্ৰতিষ্ঠা লাভ কৰিছে।

ষাঠি বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে সভাই আয়োজন কৰা হীৰক-জয়ন্তী উৎসৱৰ লগত সংগতি ৰক্ষা কৰি প্ৰকাশ কৰা অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা সম্পাদিত 'হীৰক স্মৃতি' গতানুগতিকভাৱে প্ৰকাশ কৰা স্মৃতি-গ্ৰন্থ নহৈ নগাঁও সাহিত্য সভাৰ এটি উল্লেখযোগ্য প্ৰকাশন হৈ উঠিছে। দুটা খণ্ডত বিভক্ত গ্ৰন্থখনিৰ প্ৰথম খণ্ডত নগাঁও সাহিত্য সভাৰ বিৱৰণ আৰু নগাঁৱত বহা অসম সাহিত্য সভাৰ ১৯২৫ আৰু ১৯৫৮ চনৰ দুয়োখন অধিৱেশনৰ ঐতিহাসিক বিৱৰণ আৰু সোৱঁৰণৰ উপৰিও মৰহুম মোফজলেহ উদ্দিন আহমদৰ 'অসমীয়া সাহিত্য আৰু মুছলমান', শ্ৰীমহিম বৰাৰ 'নগাঁৱৰ সাহিত্য সৃষ্টিৰ খা-খতাহ', শ্ৰীইম্ৰিচ আলিৰ 'নগাঁৱৰ ঔপন্যাসিক', শ্ৰীৰমেশ ফুকনৰ 'আৱাহন যুগৰ দুজন নগাঁ গল্পকাৰ', শ্ৰীৰবীন্দ্ৰচন্দ্ৰ বৰাৰ 'সাম্প্ৰতিক কালৰ তিনিজন নগাঁ গল্পকাৰ', শ্ৰীফণীন্দ্ৰনাথ গায়নৰ 'বিভিন্নজনৰ দৃষ্টিত শেৰালি কবি আৰু তেখেতৰ কৃতী', শ্ৰীৰুদ্ৰপ্ৰসাদ কাকতীৰ 'গীতিকাৰ মলিন বৰাৰ গীতত এভুমুকি', শ্ৰীহৰেকৃষ্ণ ডেকাৰ 'তিনিজন নগাঁ কবি', শ্ৰীগোলাপচন্দ্ৰ বৰাৰ 'নগাঁ নাট্যকাৰ', শ্ৰীতিলকচন্দ্ৰ মজুমদাৰৰ 'অন্ধকাৰ যুগৰ অসমীয়া সাহিত্যলৈ নগাঁৱৰ অৱদান', শ্ৰীহৰেন্দ্ৰ-নাথ শইকীয়াৰ 'নগাঁৱৰ জনজাতি : এটি চমু আলোচনা', শ্ৰীৰমা দত্তৰ 'নগাঁৱৰ চাহ-মজদুৰ সম্প্ৰদায়'—এইকেইটি প্ৰবন্ধ সন্নিবিষ্ট হৈছে। ইয়াৰ ভিতৰত সৰহখিনি প্ৰবন্ধই ঐতিহাসিক বিৱৰণ আৰু বিষয়ৰ পৰিচয় প্ৰদান কৰাত সফল হোৱা বুলি কোৱাত দ্বিধা নাই। ব্যক্তিনিষ্ঠ মননধৰ্মী আলোচনা-স্বৰূপে শ্ৰীহৰেকৃষ্ণ ডেকাৰ প্ৰবন্ধটিৰ প্ৰসংগ উল্লেখযোগ্য।

গ্ৰন্থখনিৰ দ্বিতীয় খণ্ডটিৰ দুটি স্মাৰক বক্তৃতা সন্নিবিষ্ট কৰা হৈছে। প্ৰথমটি অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই প্ৰদান কৰা "কাব্য, ধৰ্ম আৰু মানুহ" শীৰ্ষক বক্তৃতা। এই বক্তৃতা ৰজনীকান্ত বৰদলৈৰ স্মৰণত তেখেতে প্ৰদান কৰিছিল। বক্তৃতাৰ বিষয়বস্তুৰ অভিনৱত্ব আৰু মননশীলতা দুয়োটাই চিন্তাশীল পাঠকক চিন্তাৰ খোৰাক যোগাব। প্ৰবন্ধটিৰ বক্তব্যৰ সমৰ্থনত উল্লিখিত প্ৰসংগসমূহেও অনেক পাঠকৰ অধ্যয়ন-আগ্ৰহ বৃদ্ধিত সহায় কৰিব পাৰে। এই প্ৰবন্ধটি অধিক বিস্তৃত কৰাৰ থল আছে।

দ্বিতীয়টি মোফজলেহ উদ্দিন আহমদৰ স্মাৰক বক্তৃতা "মোফজলেহ উদ্দিন আহমদ আৰু তেওঁৰ সাহিত্য কৃতি"। শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞাই প্ৰদান কৰা এই বক্তৃতাত এইগৰাকী প্ৰায় বিস্মৃত লেখকৰ জীৱন আৰু ৰচনাৰ পৰিচয় আৰু মূল্যায়ন দাঙি ধৰা হৈছে। শ্ৰীভূঞাই বিষয়ৰ প্ৰতি ন্যায় বিচাৰ কৰা বুলি বোধ হৈছে।





গ্ৰন্থখনিৰ প্ৰবন্ধসমূহৰ বিষয় আৰু আলোচনা কেৱল নগাঁসকলৰ বাবে নহৈ জিজ্ঞাসু সকলো পাঠকৰ বাবেই উপযোগী হৈ উঠিছে। অৱশ্যে, অসমীয়া বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি, মিচনেৰি-সকলৰ কাম-কাজ আৰু সংবাদ-পত্ৰ, আলোচনী আদিৰ যিখিনি বিশেষকৈ নগাঁৱৰ লগত জড়িত সেইখিনিৰ বিষয়েও কিছু পৃষ্ঠা ব্যয় কৰিব পৰা হ'লে ভাল হ'লহেঁতেন।

গ্ৰন্থখনিৰ সম্পাদনা উচ্চমানৰ। সম্পাদক আৰু প্ৰকাশক দুয়োপক্ষ ধন্যবাদৰ পাত্ৰ।

শ্ৰীনগেন শইকীয়া

নাগালেণ্ড (NAGALAND)
লেখিকা : নৱমালতী চক্ৰৱৰ্তী
প্ৰকাশক : অসম সাহিত্য সভা, ১৯৭৯
মূল্য : দহ টকা

ৰোমক লিপিত লিখা অসম সাহিত্য সভাই প্ৰকাশ কৰা নাগামিজ ভাষাৰ প্ৰথম ছপাপুথি। চৈধ্যটা অধ্যায়ত বিভক্ত পুথিখনিৰ আগকথা লিখিছে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীলীলা গগৈদেৱে। পুথিখনি মূল ইংৰাজীৰপৰা নাগামিজত ৰূপ দিছে ৰবিন বৰগোহাঁই আৰু অমিয়কুমাৰ দাসে। পুথি-খনিৰ বিষয়বস্তু দৰাচলতে নগাভূমি, তাৰ সমাজ, সংস্কৃতি, শিক্ষা-দীক্ষা, ধৰ্মবিশ্বাস, ভাষা, জাতি-উপজাতি প্ৰভৃতি। থাউকতে নগাভূমিৰ এটা পূৰ্ণ পৰিচয় দাঙি ধৰাই এই পুথিৰ উদ্দেশ্য।

ভাল চাকৰি এটা পালেও সচৰাচৰ মাক-দেউতাকে যাবলৈ নিদিয়া, মূৰ-চিকাৰীৰ দেশ বুলি ধাৰণা কৰি ৰখা নগাভূমিৰ সম্পৰ্কে পুথিখনৰ প্ৰথম অধ্যায় 'নাগালেণ্ড দেচ্ তো কেনেকা'ত আলোচনা কৰিছে। পৰৱৰ্তী 'নাগা মানুহখান' শীৰ্ষক অধ্যায়ত কেউখন জিলাতে সিঁচৰিত হৈ থকা চৈধ্যটা জনগোষ্ঠীৰ প্ৰত্যেকৰে গোষ্ঠীগত জনসংখ্যাৰ পৰিসংখ্যা Verrier Elwinৰ NAGALAND নামৰ পুথিখনিৰপৰা তুলি দিয়া হৈছে; লগতে নগাসকলৰ আদিম প্ৰব্ৰজনৰ ইতিহাস পৰ্যালোচনা কৰিবলৈকো প্ৰয়াস কৰা হৈছে। সেইদৰে 'নাগাজাতিখান'ত নগাভূমিৰ বিভিন্ন উপ-গোষ্ঠীবোৰৰ নৃতাত্ত্বিক বিশ্লেষণ আৰু ঘৰুৱা জীৱনৰ ছবি অংকণ কৰিবলৈ চেষ্টা কৰিছে যদিও তাত উল্লেখ কৰা হৈছে আংগামীসকল সংখ্যাগৰিষ্ঠ নহয়, কন্যাকসকলহে সংখ্যাগৰিষ্ঠ। 'খাৰা লোৱা আৰু প'ৰ'ব'ত নগাসকলৰ প্ৰধান খাদ্য আৰু উৎসৱ-পৰ্ব সম্পৰ্কে, 'নাগা লাগা আগ'ৰ ক'থা লাগা খিচা'ত সেইলোকৰ প্ৰাচীন লোককথাৰ সম্পৰ্কে, 'ধ'ৰ'ম আৰু পুৰাণা বিশ্বাস'ত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ পূৰ্বে নগা-সকলৰ ধৰ্ম আৰু দেৱ-দেৱীৰ বিশ্বাস সম্পৰ্কে আলোচনা কৰা হৈছে। খ্ৰীষ্ট-ধৰ্ম প্ৰচলনৰ পিছত প্ৰাচীন ধৰ্ম-বিশ্বাস সম্পৰ্কে নগাসকলৰ মনত উদয় হোৱা খোকোজাৰ এটা ছবি ফুটি ওলোৱাটো মন কৰিব-লগীয়া কথা। মণিপুৰৰ টামেংলোং মহকুমাৰ অন্তৰ্গত লোংমেই নগাকন্যা, সংগ্ৰামী আৰু জনপ্ৰিয় সমাজ-সেৱিকা ৰাণী গুইডিলিউৰ এটি সম্যক পৰিচয় দিয়াৰ প্ৰচেষ্টাই হ'ল 'ৰাণী' শীৰ্ষক অধ্যায়টো। 'নাগালেণ্ড লাগা আগ'ৰ ক'থা (History)' এই দীঘলীয়া আলোচনাটোত আহোমৰ দিনত নগাসকলৰ লগত গঢ়ি উঠা সম্পৰ্ক আৰু বৃটিছৰ দিনত নগাভূমিৰ দীঘলীয়া ইতিহাসৰ বেঙ'প চকুত পৰে; যি কোনো পাঠকেই এইখিনিতে অসমৰ লগত থকা নগাসকলৰ সম্পৰ্কৰ আঁতডাল বিচাৰি পাব। 'নাগালেণ্ড লাগা বাহাৰতে থাকা নাগাখান' নামৰ অধ্যায়টোত উজনি অসম, মণিপুৰ আৰু কাছাৰত থকা নগাসকলৰ এটি ক্ষীণ আভাস পোৱা যায়। সেইদৰে নগাসকলৰ কৃষি, পশুপালন আৰু বনাঞ্চল সম্পৰ্কেও কিছু আলচ কৰা হৈছে। একাদশ অধ্যায়টো নগাভূমিৰ ভাষা-সম্পৰ্কীয় আলোচনাৰে সমৃদ্ধ। নগাভূমিৰ শিক্ষা-

দীক্ষা সম্পৰ্কে বিশেষকৈ আমেৰিকান মিছনেৰী-সকলৰ এই ক্ষেত্ৰত অৱদানৰ এটি ছবি অংকণ কৰা হৈছে। পুৰুষ আৰু স্ত্ৰীভেদে নগাসকলে কৰা কুটীৰ শিল্পৰ এটি তথ্যবহুল আলোচনাও পুথিত সন্নিবিষ্ট হৈছে। এই আলোচনাত নগাসকলে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি গোৱা দুই-এটা গানৰ আভাসো নাগামিজত দিয়া হৈছে। পুথি-খনৰ শেহৰ অধ্যায়টোত সন্নিবিষ্ট হৈছে দেশখনৰ ব্যৱসায়িক দিশটোৰ এটি আভাস। পুথিখনিয়ে যিকোনো পাঠকক নগাভূমি সম্পৰ্কে এটি সম্যক আভাস দিব বুলি ঠাৱৰাব পাৰি।

নক'লেও হ'ব যে নাগামিজ ভাষাই নগাপাহাৰৰ একমাত্ৰ সংযোগী-ভাষা। এই ভাষাটোৰ ব্যাকৰণ আদি প্ৰণয়ন কৰি তাৰ বিকাশৰ বাবে দুই-একে চেষ্টা কৰিলেও সি এতিয়াও সকলোৰে গ্ৰহণযোগ্য হৈ উঠা নাই। ইতিমধ্যে এই ভাষাৰ ওপৰত গৱেষণা আদি চলিছে; এই ক্ষেত্ৰত মহীশূৰত থকা Central Institute of Indian Languages অৰ ভূমিকা উল্লেখযোগ্য। নাগামিজ ভাষা দৰাচলতে নগাভূমিৰ বিভিন্ন নগা অ-নগা ভাষা-ভাষী লোকৰ মাজত পৰিবৰ্ত্তিত অসমীয়া ভাষাৰেই এটা থলুৱা ৰূপ—যিটোক আমি অসমীয়া ভাষাৰ অন্যতম উপভাষাৰূপে থিয় কৰাব পাৰোঁ। এই ভাষাটোক লিপিবদ্ধ কৰি, ভাষাটোৰ বিকাশৰ বাবে কৰা অসম সাহিত্য সভাৰ এই প্ৰচেষ্টাক এটি বলিষ্ঠ পদক্ষেপ বুলিব পাৰি। এই কথা অনস্বী-কাৰ্য যে পুথিখনৰ মূল্য বহুগুণে বাঢ়িব যদিহে নগাভূমিৰ বাইজে নাগামিজ ভাষাটোক লিখা পুথিৰ প্ৰতি সহানুভূতিৰ চকুৰে চায়।

অনুবাদকৰ প্ৰচেষ্টা সফল বুলিব পাৰি। অৱশ্যে দুই-এঠাইত প্ৰয়োগ হোৱা তৎসম শব্দৰ অৰ্থ বিচাৰি নগা পাঠক-পাঠিকা কিছু বিমোৰত পৰিব। লিপি প্ৰয়োগৰ ক্ষেত্ৰতো দুই-এটা খুঁত চকুত পৰে। স্বৰধ্বনিৰ ক্ষেত্ৰত কেৱল o a i u e এই পাঁচোটাৰেই লিখিব পাৰি। পুথিখনত ব্যৱহাৰ কৰাৰ দৰে ö স্বৰধ্বনিটোৰ প্ৰয়োগে লিপিৰ ক্ষেত্ৰত অযথা জটিলতাহে সৃষ্টি কৰিব যেন ধাৰণা হয়। ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰতো ch (চ,ছ), s (স) sh (শ, ষ) আৰু ḥ (স), h (হ) ৰ প্ৰয়োগে লিপিৰ জটিলতা বঢ়াইছে; ইয়াৰে প্ৰথম তিনিটাৰ পৰিবৰ্তে (ch, s, sh) দুটা ch (বা c এইদৰেও লিখিব পাৰি) আৰু s ৰখাহে যুগুত। অন্যহাতেদি ḥ আৰু h ৰ প্ৰয়োগতো এটেটা h কেই ব্যৱহাৰ কৰিব পাৰি। দুয়োটাৰ প্ৰয়োগে জটিলতাহে সৃষ্টি কৰিব। তদুপৰি পৰৱৰ্ত্তী সংস্কৰণত নগাভূমিৰ বাহিৰত বসবাস কৰা বিশেষকৈ উজনি অসমৰ মাৰ্ঘেৰিটা, নাজিৰা আৰু শিৱসাগৰৰ হাঁহচৰা অঞ্চলত থকা নগালোকৰ আলোচনা সন্নিবিষ্ট কৰিব পাৰিলে নৱম অধ্যায়টোৱে পাঠকক বহুখিনি সমল যোগাব বুলি আশা কৰিব পাৰি। অনুবাদকৰ নাম স্থানান্তৰত সন্নিবিষ্ট হোৱাত প্ৰথম অৱস্থাত পাঠক বিমোৰত পৰিব পাৰে। পুথিখনৰ শেষৰফালে সন্নিবিষ্ট ছবি আৰু মানচিত্ৰই পুথিৰ সৌষ্ঠৱ বঢ়াইছে।

শ্ৰীভীমকান্ত বৰুৱা

অসমীয়া ভাষা-সাহিত্যৰ আত্মৰক্ষা সংগ্ৰাম

লেখক : অধ্যাপক ড° সৰ্বেশ্বৰ ৰাজগুৰু, এম.এ., ডি-ফিল

প্ৰকাশিকা : শ্ৰীচাৰুপ্ৰভা ৰাজগুৰু

পৃষ্ঠা সংখ্যা : ১৬+১০০, মূল্য : ৬'৫০

প্ৰকাশ-কাল : ১৯৭৮, আকাৰ : ডবল ডিমাই।

'জাতীয় চৈতন্য' শীৰ্ষক প্ৰবন্ধ এটিত ড° বাণীকান্ত কাকতিয়ে লিখিছে যে 'ভাষাৰ বান্ধেই সমাজ আৰু ৰাষ্ট্ৰৰ বান্ধ।' মানৱ-সমাজৰ গুৰিৰপৰাই বৰ্তমানলৈকে এই কথাৰ মৰ্মাৰ্থই কম-বেছি পৰিমাণে কাম কৰি



আহিছে। আধুনিক যুগত মানুহ বেছি বুদ্ধিমন্ত আৰু চৈতন্য হোৱা কাৰণে বহু জাতি আৰু বহু ভাষা-সংমিশ্ৰিত সমাজত নিজক উদাৰ আৰু বিশ্বহৃদয়ী বুলি দেখুৱাবৰ উদ্দেশ্যে ভাষিক আৰু স্বাদেশিক ভাৱবোধ এবিধ সংকীৰ্ণতাৰ বাগি বুলি বাৰৰা দি চলে। আনহাতে কিছুমানে মাতৃভাষা আৰু স্বদেশৰ উন্নতিৰ হকে কৃত্ৰিম বিশ্বপ্ৰেমিক বা উদাৰমনা অথবা ভাষাদ্ৰোহী আৰু দেশদ্ৰোহীসকলৰ প্ৰশংসা বা বদনামলৈ ভ্ৰূক্ষেপ নকৰি নিজৰ কৰ্তব্য কৰি যায়। পৃথিৱীৰ সকলো দেশতে এই দুই শ্ৰেণীৰ মানুহ আছে। পৰিশেষত দেখা যায় যে এই দুই শ্ৰেণীৰ মাজত চলা শীতল যুদ্ধত মাতৃভাষা-প্ৰেমী আৰু স্বদেশহিতৈষীসকলৰেই জয় হয়। অৱশ্যে, সাম্প্ৰতিক কালৰ ৰাজনীতিৰ যেন-তেন-প্ৰকাৰেণ দল-বাগৰা স্বাৰ্থান্বেষীসকলৰ দৰে পৰাজিত উদাৰ শ্ৰেণীটোৱেও বাগি-বুগা মাৰি বিজয়ী শ্ৰেণীৰ লগত হাত মিলাই দিয়েহি। কিন্তু শংকাৰ কথা হ'ল যে এই কৃত্ৰিম বিশ্বপ্ৰেমিকসকলৰ যোগেদি কেতিয়াবা জাতিদ্ৰোহীসকলে নিজৰ স্বাৰ্থসিদ্ধিৰ পথ সুগম কৰি তোলে। ভাৰতত ইংৰাজী ভাষাৰ প্ৰৱেশ-প্ৰসংগত আমাৰ দেশৰ জাতিদ্ৰোহীসকলৰ অৱিহণা কম নহয়; ইতিহাস তাৰ সাক্ষী। ইংৰাজী ভাষাৰ প্ৰতি যৎকিঞ্চিৎ অৱজ্ঞাৰ ভাৱো মোৰ নাই; কিন্তু এইটো স্বীকাৰ কৰিব লাগিব যে ভাৰতীয় ৰাষ্ট্ৰৰ বান্ধ ইংৰাজী ভাষাই বৃটিছৰ পাছত যিমান সবল কৰিলে, আনহাতে আমাৰ ৰাষ্ট্ৰীয় গাঁথনি সিমান ঢিলা কৰি দিলে; ফলত আমি এতিয়া ঐক্যবিহীন ভাৰতীয় জাতিত পৰিণত হৈছো[১]।

ওপৰৰ কথাখিনিৰ মৰ্মাৰ্থ অসমৰ ভাষা আৰু ৰাজ্যিক সংহতিৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰি চাব পাৰি। ইয়াতাবু সন্ধিৰপৰা চলিত বছৰলৈকে অসমৰ বিভিন্ন জটিল ভাষিক সমস্যাৰ সমাধান হৈ গৈছে; কিন্তু ভাষা-সমস্যা আজিকোপতি মীমাংসিত নহ'ল। দ্বিতীয়া অসমত লেখৰ অৰ্থনৈতিক সংঘাট ঘটা নাই, বিভিন্ন ধৰ্মাৱলম্বী লোক থকা সত্বেও ইয়াত ধৰ্মযুদ্ধ হোৱা নাই; নানান জাতি উপজাতিৰ নিজস্ব সংস্কৃতি থকা সত্বেও এই ৰাজ্যত সাংস্কৃতিক সংঘৰ্ষ লগা নাই, বৰঞ্চ বিৰাট অসমীয়া সংস্কৃতিৰ ৰবঘৰলৈ সিবিলাকে অবিহণাহে যোগাইছে। অসমত অতি প্ৰাচীন কালৰ-পৰা বসতি কৰি থকা যিমান জনজাতি-উপজাতি আছে ভাৰতৰ আন কোনো ৰাজ্যতে সিমান নাই; তথাপিও ইয়াত আজিলৈকে কোনো ৰক্তিম সাম্প্ৰদায়িক বিপ্লৱ ঘটা নাই। অসমত অতীতৰপৰা উনবিংশ শতিকাৰ দ্বিতীয় দশকলৈকে ভাষিক অশান্তিৰ স্বাক্ষৰ বুৰঞ্জীতো পোৱা নাযায়; কিন্তু বৰ পৰিতাপৰ বিষয় যে বৃটিছে অসম দেশ লোৱাৰ পিছৰপৰা ইয়াত কেবাটাও ভাষিক আন্দোলন হৈ গৈছে, অসমীয়াৰ মনত অশান্তিয়ে দেখা দিছে, থলুৱা ভাষাৰ স্থিতি আৰু মৰ্যাদা ৰক্ষাৰ সংক্ৰান্তত সংঘৰ্ষ লাগিছে আৰু বহুতৰ প্ৰাণ নাশ হৈছে; অসমত ভাষা-সমস্যাই জটিলৰপৰা জটিলতৰ ৰূপ লৈছে ইয়াৰবাবে দায়ী কোন?

উল্লিখিত জ্বলন্ত সমস্যাটোৰ পূৰ্বৰ ঐতিহাসিক অসম, ইয়াৰ ভৌগোলিক-সামাজিক-ৰাজনৈতিক পৰিস্থিতি, সাংস্কৃতিক গাঁথনি, স্বাদেশিক সংহতি আৰু আনহাতে উনবিংশ আৰু বিংশ শতিকাৰ সমস্যা-জৰ্জৰিত অসমৰ ক্ষয়িষ্ণু অৱস্থা ড° সৰ্বেশ্বৰ ৰাজগুৰুৱে তেওঁৰ 'অসমীয়া ভাষা-সাহিত্যৰ আত্মৰক্ষা সংগ্ৰাম' গ্ৰন্থত বিস্তৃতভাৱে দাঙি ধৰিছে। গ্ৰন্থখনিত ছটা মূল্যবান প্ৰবন্ধ আছে; সেইবোৰ ক্ৰমে— 'অসম আৰু অসমীয়া ভাষা', 'অসমীয়া ভাষা-সাহিত্যৰ আত্মৰক্ষা সংগ্ৰাম', 'মাধ্যম আন্দোলন আৰু কাছাৰ', 'বৰ্তমান সামাজিক পটভূমিত অসমীয়া লেখকৰ কৰ্তব্য', 'সংহতি সাধনত ভাষাৰ ভূমিকা' আৰু 'ভাৰতৰ জাতীয় সংহতি সাধনত

সাংস্কৃতিক চৰ্চাৰ ভূমিকা'। তদুপৰি 'জাতীয়তাবাদ আৰু জাতীয় সংহতিৰ কথা' শীৰ্ষক আলচ এটি পাততনিত অন্তৰ্ভুক্ত কৰা হৈছে।

প্ৰবন্ধকেইটিৰ শিৰোনামাই সিবিলাকত আলোচিত বিষয়-বস্তুৰ আভাস দিছে। এইবোৰ কথা অসমীয়া জনসাধাৰণে নুবুজাকৈ থকা নাই। ১৯৬০ আৰু ১৯৭২ চনৰ অসমৰ ভাষা-আন্দোলনৰ প্ৰসংগত বহুকেইজন চিন্তাবিদে এনেকুৱা বিষয়-বস্তু লৈ অনেক প্ৰবন্ধ-আলোচনা লিখিছে। সেইবুলি ড° ৰাজগুৰুৰ প্ৰবন্ধকেইটি চৰ্বিত-চৰ্বন হোৱা নাই। তেখেতে প্ৰতিটো বিষয় খৰচি মাৰি লিখি পঢ়ুৱৈৰ সমাজক যথাযুক্ত যুক্তিৰে প্ৰত্যয় নিয়াব পাৰিছে। পাততনিত অন্তৰ্ভুক্ত কৰা 'জাতীয়তাবাদ জাতীয় সংহতিৰ কথা' শীৰ্ষক আলচটিত লেখকৰ জাতি-তত্ত্ব, সমাজ-তত্ত্ব আৰু সংস্কৃতি সম্বন্ধীয় জ্ঞান পৰিস্ফুট হৈছে। "অসম আৰু অসমীয়া ভাষা' শীৰ্ষক প্ৰবন্ধটিত লেখকে প্ৰাচীন কামৰূপৰ ভৌগোলিক পৰিসীমা, ইয়াত বসবাস কৰা বিভিন্ন ভাষাগোষ্ঠীৰ বিতং বিৱৰণ, বিভিন্ন ভাষাগোষ্ঠীয়ে অসমীয়া ভাষা গ্ৰহণ কৰাৰ কাৰণ আৰু অসমীয়া-ভাষা-সাহিত্যৰ ঐতিহ্য প্ৰণালীবদ্ধভাৱে ঐতিহাসিক দৃষ্টি-ভংগীৰে বিশ্লেষণ কৰি দেখুৱাইছে। দ্বিতীয় প্ৰবন্ধটিত ঊনবিংশ শতিকাৰ আৰম্ভণিত বৃটিছ শাসকৰ অধীনত চাকৰি কৰিবলৈ অসমলৈ অহা বঙালী কৰ্মচাৰী কিছুমানৰ প্ৰৰোচনাত যে ১৯৩৬ চনত অসমীয়া ভাষা স্থানচ্যুত হ'ল আৰু লগে লগে অসমীয়া জাতিৰ আত্মৰক্ষাৰ সংগ্ৰাম আৰম্ভ হ'ল, পিছত আমেৰিকান বেপ্টিষ্ট মিছনাৰী আৰু অসমীয়া সিংহ-পুৰুষ কেইগৰাকীমানৰ আপ্ৰাণ-শুধীয়া চেষ্টাৰ ফলত ১৮৭৩ চনত যে অসমীয়া ভাষাই পুনৰ মৰ্যাদা ঘূৰাই পালে সেই কথা প্ৰবন্ধকাৰে প্ৰত্যয়মান তথ্যৰে দাঙি ধৰিছে। এইবোৰৰ লগতে জোনাকী যুগৰ সাৰথিসকলৰ কৃতিত্ব, ১৯৬০ আৰু ১৯৭২ চনৰ বঙ্গাক্ত আন্দোলন দুটাৰ চিত্ৰও ইয়াত প্ৰতীয়মান কৰা হৈছে।

'মাধ্যম আন্দোলন আৰু কাছাৰ' নামৰ প্ৰবন্ধটি ড° ৰাজগুৰুৱে অসম ৰাজ্যত বঙলা ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ যুক্তি যে নাই সেই কথা ১৯৫৬ চনৰ ভাষা ভিত্তিক ৰাজ্যগঠন আয়োগৰ যুক্তি-তৰ্কৰে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে। এই প্ৰসংগত কাছাৰৰ সংখ্যাগৰিষ্ঠ খিলঞ্জীয়া লোকৰ দাবী, খিলঞ্জীয়া অধিবাসীসকলনো কোন, সম্প্ৰদায়বাদী-বিলাকৰ ষড়যন্ত্ৰত তেওঁলোকৰ ভবিষ্যত কেনে তিমিৰাচ্ছন্ন হ'ব সেইবোৰ কথা ফঁহিয়াই দেখুৱাইছে। চতুৰ্থ প্ৰবন্ধত লেখকে বৈদিক, পৌৰাণিক, ঐতিহাসিক আৰু আধুনিক যুগৰ কেইগৰাকীমান জ্ঞানী ব্যক্তি আৰু প্ৰখ্যাত সাহিত্যিকৰ সাধনা আৰু সুফলৰ উল্লেখ কৰি বৰ্তমান সামাজিক পটভূমিত অসমীয়া লেখকৰ কৰ্তব্য সম্পৰ্কে সঁকিয়াই দিছে। প্ৰকৃত সাধনা আৰু সত্যৰ উপলব্ধি অবিহনে যে অসমীয়া সাহিত্যত কালজয়ী সাহিত্য সৃষ্টি নহ'ব তাকো লেখকে দঢ়াই দঢ়াই কৈছে। শেষৰ দুটা প্ৰবন্ধত লেখকৰ বহুল অধ্যয়ন, কাৰ্যকৰী উপলব্ধি আৰু শান্তি-প্ৰতিষ্ঠাৰ আদৰ্শ মনোভাৱ প্ৰকাশ পাইছে।

পুথিখনত সন্নিবিষ্ট আঠাইবোৰ প্ৰবন্ধৰ উদ্দেশ্য একেটাই। সেই উদ্দেশ্য হ'ল অসমৰ প্ৰধান ভাষা অসমীয়াৰ ভৱিষ্যতে সমস্যাবহুল ৰাজ্যখনত সংহতি স্থাপন কৰা। সুকীয়া সুকীয়া প্ৰবন্ধৰ সংগ্ৰহ হোৱা কাৰণে পুথিখনত বিষয়-বস্তু আৰু ভাৱৰ পুনৰুক্তি দোষ ঘটিছে। স্বয়ং-উৎকৃষ্ট হলেও 'বৰ্তমান সামাজিক পটভূমিত অসমীয়া লেখকৰ কৰ্তব্য' শীৰ্ষক প্ৰবন্ধটি গ্ৰন্থখনিৰ সামগ্ৰিক ভাৱসূত্ৰিৰপৰা আঁতৰি থকা যেন লাগিছে। লেখকে পুথিৰ অন্তৰ্নিহিত উদ্দেশ্য সৈতে খাপ খুৱাবলৈ চেষ্টা কৰিছে যদিও সেই চেষ্টা 'গ্ৰন্থ-কলা'ৰ দিশৰপৰা আদৰ্শমূলক হোৱা নাই।



সুকীয়া সুকীয়াকৈ বিভিন্ন আলোচনী-কাকতত প্ৰকাশ হওঁতে প্ৰবন্ধবোৰ পঢ়ি যেনে ৰস পোৱা গৈছিল; পিছত একেখন পুথিত সেইবোৰ একাদিক্ৰমে পঢ়ি গলে পঢ়ীন পাঠকে সেই ৰস নাপাব; ইয়াৰ কাৰণ একল বিষয় বস্তু বা ভাৱৰ পুনৰুক্তি দোষেই নহয়, প্ৰবন্ধৰ ক্ৰমিক উপস্থাপন শৈলীও। অৱশ্যে এজন নিৰ্ভীক আৰু সৰল সাহিত্যিকৰ সৎ উদ্দেশ্যৰ তুলনাত উপৰোক্ত ত্ৰুটীবোৰ একান্ত দোষণীয় নহয়। আলোচনাৰ সামৰণিত ক'ব পাৰি যে 'অসমীয়া ভাষা-সাহিত্যৰ আত্মৰক্ষা সংগ্ৰাম' পুথিখনৰ এক ঐতিহাসিক মূল্য আছে। ইয়াত লেখকৰ মাতৃভাষা-প্ৰেম, স্বদেশানুৰাগ, তথ্যানুসন্ধিৎসা আৰু সংহতিসুলভ আদৰ্শ বিদ্যমান। বৰ্তমান অসমৰ ভাষা-সমস্যা আৰু জাতীয় দুৰ্দশা সম্পৰ্কে যিসকলে জানিব খোজে সেইসকলে এই পুথিখন পঢ়া উচিত।

ড° পৰীক্ষিত হাজৰিকা

## প্ৰাপ্তি স্বীকাৰ

১। কাব্যলেখা ( কবিতা-সংকলন )
সম্পাদক : শ্ৰীকনক শৰ্মা
প্ৰকাশক : শ্ৰীনবীনচন্দ্ৰ কাথ হাজৰিকা
সম্পাদক, তেজপুৰ সাহিত্য সভা।
পৃষ্ঠা-সংখ্যা : ৬+৫২, মূল্য : তিনি টকা
প্ৰথম প্ৰকাশ, ১৯৭৯।

২। জীৱনৰ পাত ( কবিতা-সংকলন )
লেখিকা : ছাকিনা খাতুন
প্ৰকাশক : নঈমউদ্দিন কিতাবমহল, চেনিমাৰী, বৰপেটা।
পৃষ্ঠা : ১০+৪০, মূল্য :২·০০ টকা
প্ৰথম তাঙৰণ : মে/১৯৭৯

৩। অচিন আবাও ( কবিতা-সংকলন )
লেখক : শ্ৰীবীৰেশ্বৰ বৰুৱা
প্ৰকাশিকা : প্ৰতিভা ৰায়চৌধুৰী, শালকোছা হাউচ-২, ধুবুৰী।
মূল্য : দুটকা মাথোন
নতুন সংস্কৰণ : আগষ্ট, ১৯৭৯

৪। বহ্নপীঠ ( গোৱালপাৰা জিলা সাহিত্য পৰিষদৰ মুখপত্ৰ, ১ম বছৰ ১ম সংখ্যা )
সম্পাদক : শ্ৰীসচ্চিদানন্দ মেধি
প্ৰকাশক : গোৱালপাৰা জিলা সাহিত্য পৰিষদৰ হৈ শ্ৰীসচ্চিদানন্দ মেধি।
মূল্য : অনুল্লেখিত, প্ৰকাশ-কাল : ১৯৭৯

৫। প্ৰাচ্যজ্যোতি ( প্ৰাচ্যজ্যোতি পৰিষদৰ মুখপত্ৰ, ১ম বছৰ ১ম সংখ্যা )
সম্পাদক : শ্ৰীতৰুণ শৰ্মা
প্ৰকাশক : প্ৰাচ্যজ্যোতি পৰিষদ, উত্তৰ লক্ষীমপুৰ।
মূল্য : ২·৫০ পইচা, প্ৰথম প্ৰকাশ : ১৯৭৯

৬। অসম ( মাহেকীয়া আলোচনী, ১ম বছৰ ১ম সংখ্যা )
সম্পাদক : শ্ৰীবিজন দত্ত
প্ৰকাশক : শ্ৰীহেম কুমাৰ গগৈ, তিনিচুকীয়া, অসম।
মূল্য : ১·৫০ টকা
প্ৰথম প্ৰকাশ : ১৫ আগষ্ট, ১৯৭৯

## পঢ়ুৱৈৰ মতামত

[ আমাৰ সহৃদয় পঢ়ুৱৈসকলৰ অসম সাহিত্য সভা পত্ৰিকা সম্পৰ্কীয় মতামত থুলমূলভাৱে এই শিতানত প্ৰকাশ কৰা হ'ব। ]

[এক]

প্ৰিয় ডক্টৰ হাজৰিকা,

আপুনিযে পত্ৰিকাখনৰ অৱস্থা উন্নত কৰাত ভালকৈয়ে মনোনিৱেশ কৰিছে সেইটো অনুমান কৰিব পাৰি আশাধাৰী হৈছোঁ। সাহিত্যত সাংবাদিকতা এটা আধুনিক ৰস বুলি ভাবোঁ। যি লেখাত সাংবাদিক নতুনত্ব নাই সি বৰ্তমান যুগৰ সাহিত্যিক দৃষ্টিত নীৰস বস্তু—তাৰ আদৰ নাই। আমাৰ আলোচনী-পত্ৰ-পত্ৰিকাবোৰ যে চিৰঞ্জীৱী হ'ব পৰা নাই তাৰ প্ৰধান কাৰণ লেখাবিলাকত প্ৰায় সাংবাদিক মূল্য নাই। সন্তোষৰ বিষয় আপোনাৰ সম্পাদিত পত্ৰিকাত (ষট্‌ত্ৰিংশ বছৰ প্ৰথম সংখ্যা) প্ৰকাশ হোৱা প্ৰবন্ধাদিত সেই মূল্য দেখা পাই ভাল লাগিছে। চৰ্বিত-চৰ্বন বা গতানুগতিকতাক অতিক্ৰম কৰি প্ৰতি প্ৰবন্ধাদিত নতুনত্বৰ সন্ধান দিব পাৰিব লাগে।

মই পুৰণি ইতিহাস আদিকহে শ্ৰদ্ধা কৰোঁ—যি নতুনক 'নল মৰে গজালিও গজে' বোলাৰদৰে জন্ম দিব পাৰে। পুৰণি কথা বা কাহিনী এনে কি ধৰ্ম আদিবো যদি তেনে শক্তি হেৰাই যায়, তেন্তে সি নিটিকে। কলাৰ কাৰণে কলা বা ইতিহাসৰ কাৰণেই পুৰণি যেই-সেই কথাকে 'শোকোতাকে মুকুতা' বুলি বুটলি লোৱাৰ পক্ষপাতী মই নহওঁ। অসমীয়া জাতিৰ পক্ষে সকলো প্ৰকাৰে আৱশ্যক হৈ উঠিছে, ই অদূৰ ভৱিষ্যতত কেনেকৈ ক্ৰমোন্নতিৰ সোঁতত আনতকৈ বেছি আগবাঢ়ি যাব পাৰে তাৰ প্ৰতি আমি যত্নবান হ'ব লাগে।

অসমীয়া সাহিত্যৰ আটাইতকৈ দুখলগা কথা হৈছে এখনো উচ্চ শ্ৰেণীৰ আলোচনীৰ অভাৱ নুগুচাটো। হয়তো আপুনি ক'ব—আমাৰ কেবাখনো আছে দেখোন; কিন্তু তাৰ কোনখনে অসমীয়াক নেতৃত্ব দি আগবঢ়াই নিব পাৰিছে ?

আপোনাৰ সম্পাদিত পত্ৰিকাৰ প্ৰথম প্ৰবন্ধটো (সম্পাদকীয় : ৰাজ্যভাষা-বৰ্ষ) মোৰ মনত কথা হৈ উঠাত বৰ ভাল লাগিছে। শ্ৰীৰমণীকান্ত শৰ্মাৰ লগত মোৰ চিনাকি নাই। তেখেতৰ প্ৰবন্ধটো আগতে বি বৰ ভাল কৰিছে। সেই প্ৰবন্ধটো মোৰ মতে যথাৰ্থ নেতৃত্ব দিয়া (leading) প্ৰবন্ধ। প্ৰবন্ধটোৰ ওপৰত আলোচনা চলা উচিত। সেই প্ৰবন্ধটোৱে নিচিনা নেতৃত্ব আমাৰ সাহিত্যপতিসকলৰ লেখাতো বিৰল। সকলো শ্ৰেণীৰ লেখকেই সেই প্ৰবন্ধত মনৰ খোৰাকি পাব। প্ৰবন্ধটোত বৰ্ণাশুদ্ধি আদি খুঁত কেইটামানেহে মোৰ বিকাৰগ্ৰস্ত চকুত খচ্‌খচাইছে। 'ভগৱদ্ প্ৰেম' বোলা শব্দটো কেবাঠাইতো ব্যৱহাৰ কৰা হৈছে যদিও এঠাইতো ভুলটো ধৰা নপৰাতো দুখৰ কথা।





'ন'ৰ আগত ৎ থাকিলে 'দ্' হৈ সন্ধি হ'বযে নোৱাৰে সেইটি বোধহয় পাহৰাই হৈছে। Words-worth শব্দটোত বঙালীৰ দৰে 'ও'টো অসমীয়াত নিলিখিলেই কাম হয় দেখোন। ১ পৃষ্ঠাৰ ১ স্তম্ভৰ তলত 'আইনষ্টাইন প্ৰমুখ'ত 'প্ৰমুখো' হ'ব লাগিছিল ; ২ পৃষ্ঠাত 'Sum' আৰু 'মই'ৰ মাজত বিভাজনৰ আৱশ্যক নাছিল হবলা ; ৪ পৃষ্ঠাত 'সত্যৰ আলোকৰ বিপৰীতে দাঙি নধৰাকৈ' বোলোঁতে ক্ৰিয়া শব্দ এটা থাকি গ'ল যেন লাগিল ; ৫ পৃষ্ঠাত 'ওপোজা ভক্তিৰসেই' বোলোঁতে 'ওপোজা' টো 'ওপজা' হৈ 'উপজা' হ'লেহে ভাল পালোঁহেঁতেন। সাহিত্য সভা পত্ৰিকাৰ নেতৃত্ব দিয়া প্ৰবন্ধতেই যদি এনে খুঁত থাকে তেন্তে আকনো ক'ত শুদ্ধকৈ পামইক ?

ড° হৰিনাথ শৰ্মাদলৈৰ প্ৰবন্ধটো ভাল পালোঁ। কিন্তু তেওঁৰ প্ৰবন্ধটো বিশেষকৈ সংস্কৃতৰ উদ্ধৃতিৰ দুই-এটা ভুল থকা যেন লাগিছে। মোৰ হাতত 'যোগিনীতন্ত্ৰ'খন নথকাত মই সবিশেষ জনাবলৈ সাহ নহ'ল। তেওঁ 'চতুৰ্দশ শতিকাত এই গ্ৰন্থ ৰচিত হোৱা বুলি ক'বলৈ সন্দেহ নাথাকে' বুলি পাদটীকাত লিখোঁতে অসম-বুৰঞ্জীৰ ঘটনা-পৰম্পৰা সম্পৰ্কে এযাৰ কথা বেছিকৈ লিখি তেওঁৰ কথা বেছি গজগজীয়া কৰিব পাৰিলেহেঁতেন বোধহয়।

প্ৰকাশিত প্ৰবন্ধকেইটিৰ ভিতৰত প্ৰায় আটাই-কেইটিয়েই গৱেষণামূলক, গতিকে এনে প্ৰবন্ধই যুক্তিময় গৱেষকক সন্তোষ দিব পাৰিলেও পাঠক-সকলৰ সৰহভাগৰে মনঃপুত হ'ব পৰাটো সন্দেহজনক। যিসকল পাঠক নিজে গৱেষণাৰ্থী নহয় তেওঁলোকে পুৰাতত্ত্বৰ বিষয়ে ইমান বেছি কথা নিবিচাৰে হ'বলা।

আজিকালি আমাৰ দেশত জাত-কুলৰ কথাটোৱে অকল সামাজিক ক্ষেত্ৰতেই নহয় ৰাজনীতিতো প্ৰভাৱ বিস্তাৰ কৰিছে। কোন জাত-কুলৰ লোক শাসক, কোন শাসিত ইত্যাদি প্ৰশ্নই আমাৰ মানুহৰ মন তেনেই হুলা-কলা কৰি তুলিছে। এনে অৱস্থাত 'আহোম-কোঁচৰ ৰাজনৈতিক সম্বন্ধ আৰু নামনি অসম' নামৰ প্ৰবন্ধটোৰ প্ৰতিক্ৰিয়া অসমত বিষম হ'বলৈকো আছে। দুখৰ বিষয় আমাৰ আধুনিক লেখকসকলেও উপনিবেশ-যুগৰ দায়িত্বহীন ভাৱৰ লিখাৰ অভ্যাসটোৰ সলনি কৰিব পৰা নাই। সামন্ত যুগোপযোগী ভাৱধাৰাৰ প্ৰভাৱে আমাৰ গণতান্ত্ৰিক ভাৱ যে নষ্ট কৰি পেলায় এই কথা লেখকসকলে বুজা উচিত।

ঐতিহাসিক ঘটনা বা প্ৰবন্ধত অতীত কালৰ কথা লিখি থাকোঁতে একেটা দফাতে অতীত কাল আৰু বৰ্তমান কালৰ ক্ৰিয়াৰে ঘটনা বৰ্ণাবলৈ যোৱা কুঅভ্যাসটোৰ বিৰুদ্ধে মই অসম সাহিত্য সভা পত্ৰিকাত টানি লিখিছিলোঁ ; কিন্তু তাৰ পিছত আজি-লৈকে কাণ-চকু দিয়া লোকৰ অভাৱ দেখি আকৌ দোহাৰি জনাবলগীয়াত পৰিছোঁ। উদাহৰণ-স্বৰূপে ১০ পৃষ্ঠাৰ ১ম স্তম্ভৰ প্ৰথম দফাত আগতে 'ৰাখি চলিছিল' আৰু পিছতো 'গ্ৰহণ কৰিছিল' তেন্তে মাজত 'বহে', 'যায়', 'আহে' নিলিখি 'কৰিলে', 'আহিল', 'গ'ল' বুলি লিখিলেহে কালানুক্ৰম সংগতিটো ৰক্ষা পৰে আৰু অনা-অসমীয়া শিকাৰু পণ্ডিতসকলৰ চকুতো অসমীয়া ভাষাৰ দৰিদ্ৰতা চকুত নপৰা হয় যেন লাগে। কোৱা বাহুল্য যে আমাৰ কম-বেছি পৰিমাণে এই দোষ নোহোৱা লেখক নোহোৱাত পৰিছে। এই দোষ শুধৰাবৰ সময় অতীত হৈছে যেন লাগিছে। 'ভ্ৰাতৃসহ', 'ভাতৃ'; 'ভাতৃত্ব' শব্দতকৈ 'ভ্ৰাতৃসহ', 'ভ্ৰাতৃ', ভ্ৰাতৃত্ব' কৰি ৰাখিলেহে অসমীয়াৰ বাহিৰেও আন পাঠকে বুজিব পৰা শুদ্ধ শব্দযোজনা হৈ উঠে। আমি সংস্কৃত শব্দবোৰৰ অসমীয়া তদ্ভৱ শব্দবোৰ ব্যৱহাৰ কৰাতকৈ

সকলোৱে বুজিব পৰাকৈ সংস্কৃত শব্দবোৰ গোটপাট ৰখাহে উচ্চ সাহিত্যত সমীচীন বুলি ভাবিব লাগে।

ওভটে, ৰাঘজৰীডাল, সম্পৰ্ক নথকাত, সৌৰভকুমাৰ, অনাভ্যাস, অনুলয়-গ্ৰন্থ, গ্ৰন্থগাৰিক, শ্ৰীপ্ৰেমময়ী দাস, জিটাৰেচাৰ এণ্ড কালচাৰ, ভাষণাৱলী, কৰি উলিয়াই, সামগ্ৰীক বিকাশ, জলাধিপতি আদি এইবোৰ বৰ্ণাশুদ্ধি বিভিন্ন ঠাইত আমি দেখা পাইছোঁ। ইংৰাজী নাম বা শব্দবোৰ অসমীয়া আখৰেৰে লিখাহে ভাল। ইংৰাজী ভাষাত সোমোৱা অন্যভাষাৰ শব্দবোৰ জানো অন্যভাষাৰ আখৰেৰে লিখে? অসমীয়া ভাষাৰ মৰ্যাদা বঢ়াবলৈ হ'লে আমি ধৰি ল'ব লাগিব যে আমাৰ লিখাবিলাক ইংৰাজী নজনা মানুহৰ আগতহে কৈছোঁ বা সিবিলাকে বুজিব পৰাকৈহে যেন লিখিছোঁ। ৰাজ্যভাষা বছৰত এনে আদৰ্শ দিলে ভাল। ইতি,

শ্ৰীমোহনচন্দ্ৰ মহন্ত
যোৰহাট

[ দুই ]

শ্ৰদ্ধেয় সম্পাদক ডাঙৰীয়া,

অসম সাহিত্য সভা পত্ৰিকাৰ ষট্‌ত্ৰিংশ বছৰৰ প্ৰথম সংখ্যাখনি পঢ়িলোঁ। আলোচনীখনিৰ বাহিৰে-ভিতৰে কেইটিমান আসোঁৱাহ দেখি আপোনাক জনাব খুজিছোঁ। 'সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ গতিপথ, ইয়াৰ স্বৰূপ আৰু অসমীয়া সাহিত্যৰ ভবিষ্যত' (ভবিষ্যৎ ? ) প্ৰবন্ধটো ভাল হৈছে। সাহিত্য সভা পত্ৰিকাই সাহিত্যিকক ঠিক পথে নিনিলে কোনে নিব? সমাজৰ মাজত বৰপীৰা পাৰি বহা একোজন সাহিত্যিকে সাহিত্যৰ বজাৰ কৰায়ত্ত কৰিবলৈ বুলি কেৱল যৌন প্ৰবৃত্তি চৰিতাৰ্থ কৰাৰ কথাৰেই এনে বস্তু কিতাপ লিখিছে সি বিলাকে যৌৱন-জীৱনলৈ উদ্‌ভ্ৰান্ত উন্মাদনা আনি সমাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। পিছে, প্ৰবন্ধটো পঢ়ি মাজে মাজে দুখ লাগে যে আমাৰ লেখকসকলে অসমীয়া ভাষাত কিবা মহৎ পুথি আছেনে তাক নিৰিচাৰে বা নপঢ়ে। আনে ঢোটোকে বোঁ কৰে; কিন্তু অসমীয়াই বোঁ থাকিলেও ঢাকি থ'ব খোজে।

প্ৰবন্ধৰ এঠাইত শ্ৰীশৰ্মাই লিখিছে 'মধ্যযুগত যেতিয়া উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ ঢৌ বিয়পি পৰিছিল তেতিয়া ভক্ত তুলসীদাসৰ 'ৰামচৰিত মানস'ৰ নিচিনা ভক্তিমূলক মহান গ্ৰন্থৰ সৃষ্টি হৈছিল, লেখকে এই-বুলি লিখিবলৈ বেয়া পালে যে সেই সময়তে 'কীৰ্ত্তন', 'নামঘোষা'ৰ নিচিনা ভক্তিমূলক মহান গ্ৰন্থবো সৃষ্টি হৈছিল। শ্ৰীশৰ্মাৰ মানত এইবোৰ সাধাৰণ পুথি; কিন্তু তেখেতে নিশ্চয় জানে যে সন্ত বিনোবাজীয়ে 'নাম-ঘোষা'খন পৃথিবীৰ এখন শ্ৰেষ্ঠ গ্ৰন্থ বুলি ঘোষণা কৰিছে আৰু ভাৰতৰ ভালেমান ভাষালৈ এই গ্ৰন্থ অনুদিত হৈছে। শ্ৰীশৰ্মা যদি পক্ষপাতদুষ্ট নহ'লহেঁতেন তেন্তে 'শ্ৰুতিত ভগৱানক ৰস বুলি কোৱা হৈছে অৰ্থাৎ তেওঁ আনন্দস্বৰূপ—' এইখিনিতে অসমীয়া সাহিত্যৰ গৌৰৱ প্ৰকাশৰ অৰ্থে 'নামঘোষা'ৰ তলৰ ঘোষাফাঁকিৰ উল্লেখ নিশ্চয় কৰিলেহেঁতেন;

পুৰুষ উত্তম পৰম পুৰুষ
পৰম আনন্দ স্বামী।
তযু পাদ পদ্ম মকৰন্দ আশে
শৰণ পশিলো আমি ॥

সাম্প্ৰতিক কাললৈকে যিসকল অসমীয়া সাহিত্যিকে চিন্তামূলক প্ৰবন্ধ লিখিছে, সেই আটাইসকলে পাশ্চাত্য দাৰ্শনিক আৰু সাহিত্যিকৰ ভাৱৰ প্ৰতি-ধ্বনিহে কৰা দেখা গৈছে। মহা মেধাসম্পন্ন প্ৰাচীন ঋষি-মুনিসকলৰ নাম কৈৰে নকয়। ঈশ্বৰ সম্বন্ধে ঋষি-মুনিসকলে যিভাৱে গভীৰ গৱেষণা কৰি গৈছে, তেনেভাৱে পাশ্চাত্য দাৰ্শনিকে কৰা নাই। অথচ



আমাৰ লেখকসকলে আজিও পাশ্চাত্য দাৰ্শনিকৰ মতৰহে উদ্ধৃতি দিয়ে।

পুথিভঁড়ালৰ ঘাই গুৰিয়াল শ্ৰীৰাম গোস্বামীয়ে 'পঢ়ুৱৈ সমাজ গঢ়ি তোলাত পুথিভঁড়ালৰ ভূমিকা' প্ৰবন্ধটো চাৰিচুক মাৰি আটোমটোকাৰীকৈ লিখিছে। ই এটা উত্তম প্ৰবন্ধ। পিছে, এই সুযোগতে পুথিভঁড়াল সম্পৰ্কীয় ব্যৱহাৰিক ফালটোৰ ত্ৰুটী-বিচ্যুতিৰ কথা উনুকিয়াওঁ। এদিন ডিব্ৰুগড় জিলা পুথিভঁড়ালৰ পুথিভঁড়ালীৰ ওচৰলৈ গৈ পুথিভঁড়ালৰ সামগ্ৰিক তালিকাৰ বহীখন বিচাৰি উত্তৰ পালোঁ যে তেওঁলোকে তেনো 'কেটেলেগ' নাৰাখে। সংস্কৃত, সংস্কৃত-অসমীয়া, সংস্কৃত-বাংলা অভিধান বিচাৰি নিৰাশ হলোঁ। শ্ৰীগোস্বামীৰ পুথিভঁড়াল সম্পৰ্কীয় ভাৱময় দিশটো সম্পূৰ্ণ হৈছে। এতিয়া ব্যৱহাৰিক দিশটোত হাত দিয়ক। পুথিভঁড়ালত অভিধান লাগে। অন্তত: তেখেতে 'গ্ৰন্থাগাৰিক' শব্দৰে কি অৰ্থ নিৰ্দেশ কৰিছে তাকে চাবলৈ লাগে।

'অসমীয়া সাহিত্য-সংস্কৃতিলৈ মুছলমানৰ দান'— এই শিৰোনামাটোৱেই কেনেবা কেনেবা লাগিছে। শ্ৰীশৰ্মাই কিজানি অসমলৈ আহি অসমীয়া হৈ যোৱা সকলো সম্প্ৰদায়ৰ অসমীয়া সাহিত্য-সংস্কৃতিলৈ দানৰ কথা যেনে: 'অসমীয়া সংস্কৃতিলৈ আহোম-সকলৰ দান, ব্ৰাহ্মণসকলৰ দান (তেওঁলোক কনৌজৰ-পৰা আহিছিল), মাৰোৱাৰীসকলৰ দান আদি শিৰোনামাৰেও প্ৰবন্ধ লিখিব। সাহিত্য ক্ষেত্ৰত সাহিত্যিকৰ কোনো সম্প্ৰদায় নাই। সাহিত্য ক্ষেত্ৰত সাহিত্যিকে 'ঘৰেপ্ৰতি ঘৈণী, থালেপ্ৰতি যখিনী' লেখাৰ অভ্যাস কৰিব নালাগে। এই প্ৰবন্ধটো যদি এজন মুছলমান ছাত্ৰই স্কুলৰ আলোচনীত লিখিলে-হেঁতেন তেন্তে আমি তেওঁৰ পিঠিত চপৰিয়াই 'চাবাচ' দিলোঁহেঁতেন। ড° শৰ্মাই লিখাত আমাৰ নাক কোঁচহে খালে।

কাৰ্যনিৰ্বাহক সভাৰ চতুৰ্থ অধিৱেশনৰ দ্বিতীয় প্ৰস্তাৱত কোৱা হৈছে 'সভাপতিৰ আসনৰপৰা তলৰ শোক প্ৰস্তাৱটি দাঙি ধৰা হয় আৰু উপস্থিতসকলে এক-মিনিট সময় থিয় হৈ মৌন প্ৰাৰ্থনা কৰে'; কিন্তু বহুত তললৈকো চায়ো প্ৰস্তাৱটো দেখা নাপালোঁ। এই সংখ্যাটিত ভুল শব্দ ভালেমান চকুত পৰিল, তাৰ ভিতৰত ছপাৰ ভুলেই সৰহ। সৰ্বশেষ আহিঁ-কাকত সম্পাদকে নিজে চালে ভাল। ইতি,

শ্ৰীবিষ্ণুকিংকৰ কলিতা
ডিব্ৰুগড়

[তিনি]

সম্পাদক মহাশয়,

আপোনাৰ সম্পাদিত অসম সাহিত্য সভা পত্ৰিকাৰ ষট্‌ত্ৰিংশ বছৰৰ প্ৰথম সংখ্যাটো পঢ়ি আনন্দিত হলোঁ। সম্পাদকীয় স্তম্ভত থকা আপোনাৰ উক্তিবোৰে মোৰ মন গভীৰভাৱে স্পৰ্শ কৰিছে। মই ভাবোঁ যে প্ৰত্যেক পাঠকে আপোনাৰ বিবৃতি, আহ্বান আৰু নেতৃত্বৰ প্ৰতি আকৰ্ষিত হ'ব।

পত্ৰিকাত সন্নিবিষ্ট প্ৰবন্ধকেইটিও নিজা নিজা গুণত মনোৰম হৈছে। এনে ধৰণৰ প্ৰবন্ধযুক্ত পত্ৰিকাই আমাৰ সাহিত্য-চৰ্চাৰ মান উন্নত কৰিব পাৰিব বুলি ধাৰণা জন্মিছে। ছপাভুলৰ কথা উল্লেখ নকৰিলোঁ; প্ৰবন্ধ-বোৰৰ অন্তৰ্নিহিত উদ্দেশ্য বা আদৰ্শহে আমাৰ লক্ষ্য কৰিবলগীয়া বিষয়। সামগ্ৰিক কৃতকাৰ্যতাৰ বাবে সম্পাদকস্বৰূপে আপোনাক অভিনন্দন জনালোঁ। ইতি,

শ্ৰীসুৰেন্দ্ৰমোহন ঠাকুৰীয়া
গুৱাহাটী-৩।

বি: দ্ৰ:—অসম সাহিত্য সভা পত্ৰিকাৰ ষট্‌ত্ৰিংশ বছৰৰ দ্বিতীয় সংখ্যাত কেইটামান ছপাৰ ভুল দৃষ্টিগোচৰ হৈছে। যেনে— আলোচনাসমূহত (আলোচনীসমূহত, পৃ. ৩), বাল্মিকী (বাল্মীকি, পৃ. ৪), আঙুলীয়াই, পৰিবেষ্টনীবোৰ, (আঙুলিয়াই, পৰিবেষ্টনিবোৰ, পৃ: ৫), বুদ্ধধৰ্মৰ, ঠাই, বিলিজন'ন (বৌদ্ধধৰ্মৰ, বিলিজন, পৃ. ৬,) ১৪৭, ১৯৫৩ (১২৪৭, ১৯৫১ পৃ. ৮), ছাত্ৰ-শিক্ষকৰ, কৰাই (ছাত্ৰ-শিক্ষকক, কৰায়, পৃ. ১০), সহিতৰা (মঞ্জৰা, পৃ. ১৬), দৈৱীৰে (দেৱীৰে, পৃ. ৩৮)। উল্লিখিত ভুলৰবাবে আমি দুঃখিত। সম্পাদক।

# অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

কাৰ্য-নিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশন
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট
তাং—২৪।৩।৭৯

উপস্থিত সদস্যসকল :

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, সভাপতি, শ্ৰীৰজনীকান্ত দেৱশৰ্মা, উপ-সভাপতি, শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, কোষাধ্যক্ষ, ড° পৰীক্ষিত হাজৰিকা, পত্ৰিকা সম্পাদক, শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য, ভাষাজ্ঞান সংসদৰ সচিব, শ্ৰীকুমাৰ কিশোৰ, শ্ৰীনিৰিকান্ত ৰায়. শ্ৰীযতীন গোস্বামী, এম-ইলিম উদ্দিন দেৱান, শ্ৰীনগেন ৰায়, শ্ৰীনাৰায়ণ শৰ্মা, শ্ৰীসুপ্ৰভা মেধি, শ্ৰীউপেন দাস, শ্ৰীপ্ৰবীন দাস, শ্ৰীপ্ৰহ্লাদচন্দ্ৰ তাছা, শ্ৰীচিত্তৰঞ্জন চৌধুৰী, মঃ আজিজুৰ ৰহমান বৰভূঞা, শ্ৰীলীলা গগৈ, প্ৰধান সম্পাদক, শ্ৰীঅমল ৰাজখোৱা, সহকাৰী সম্পাদক, শ্ৰীমহিম বৰা।

বিশেষভাৱে নিমন্ত্ৰিত সদস্যসকল :

শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীনিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীনগেন শইকীয়া, শ্ৰীযোগেশ দাস, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীআব্দুছ ছাত্তাৰ, শ্ৰীডিম্বেশ্বৰ শৰ্মা, শ্ৰীদেউৰাম তাছা, শ্ৰীনবীন বৰদলৈ, শ্ৰীবসন্তকুমাৰ গোস্বামী, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীঅতুলানন্দ গোস্বামী, শ্ৰীচাম ছিং হাজো।

১। প্ৰধান সম্পাদকে সভাপতিক আসন গ্ৰহ… কৰিবলৈ অনুৰোধ জনায় আৰু সভাপতি শ্ৰীঅতুলচ… বৰুৱাই আসন গ্ৰহণ কৰি সকলোকে স্বাগতম জনা…

২। সভাৰ আৰম্ভনিতে তলত দিয়া শোক প্ৰস্তাৱ… গ্ৰহণ কৰা হয়।

অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ ১৯৭… ৮০ বছৰৰ প্ৰথম অধিৱেশনে তলত নাম দি… ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ ক… আৰু পৰলোকগত ব্যক্তিসকলৰ আত্মাৰ চিৰশা… কামনা কৰি নীৰৱ প্ৰাৰ্থনা জনায় আৰু শোকসন্ত… পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

সংগীতজ্ঞ ডা. দুৰ্গা ফুকন, কবি সাহিত্যিক ভৱপ্ৰ… ৰাজখোৱা, শিক্ষাবিদ ৰজতচন্দ্ৰ বৰুৱা, সমাজসে… ডাঃ বত্ৰিশ গগৈ, শিক্ষাব্ৰতী তাৰানাথ গগৈ, ইসলা… শাখা সাহিত্য সভাৰ সভাপতি, ভাষাজ্ঞান পৰী…



কেন্দ্ৰৰ অধীক্ষক, সাহিত্যপ্ৰেমী আব্দুল হামিদখান।

৩। প্ৰধান সম্পাদকে সভাত উপস্থিত থকা সদস্য-সকল আৰু বিশেষ নিমন্ত্ৰিত অতিথিসকলক পৰিচয় কৰি দিয়ে।

৪। প্ৰধান সম্পাদকে ৮।২।৭৯ আৰু ১২।২ ৭৯ তাৰিখৰ কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠকৰ কাৰ্য-বিৱৰণী পাঠ কৰে। সভাত গৃহীত হয়।

৫। প্ৰধান সম্পাদকে ষট্‌চত্বাৰিংশ সন্মিলনৰ বিষয়-বাছনী সভাৰ কাৰ্য-বিৱৰণি পাঠ কৰে আৰু সমিতিয়ে গ্ৰহণ কৰে।

৬। পূৰ্ববৰ্তী কাৰ্য-নিৰ্বাহকৰ প্ৰতিবেদনৰ ওপৰত উত্থিত বিষয়ৰ আলোচনা কৰি তলৰ সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয় :

(১) 'আধুনিক অসমীয়া কবিতা' নামৰ গ্ৰন্থখন তিনিমাহৰ ভিতৰত ছপাই উলিয়াই দিবলৈ প্ৰধান সম্পাদকক যোগাযোগ কৰিবলৈ ভাৰ দিয়ে।

(২) লক্ষ্মীৰাম বৰুৱা ভৱনৰ বিষয়ে আলোচনা কৰি প্ৰাক্তন উপ-সভাপতি শ্ৰীযোগেশ দাসক দাতাৰ লগত যোগাযোগ কৰিবলৈ ভাৰ দিয়া হয়।

(৩) ৰঘুনাথ চৌধাৰী শতবাৰ্ষিকী সমিতি ইতিমধ্যে গুৱাহাটীত গঠন হোৱাৰ কথা শ্ৰীকুমাৰ কিশোৰে জানিবলৈ দিয়ে।

(৪) যোৱা বছৰৰ গঠিত লেখক শিবিৰৰ উপ-সমিতিখনৰ আধৰুৱা কাম সম্পাদনা কৰিবলৈ পুনৰ কাৰ্যকাল বঢ়াই দিয়ে।

(৫) চন্দ্ৰকান্ত অভিধান গুৱাহাটী বিশ্ববিদ্যালয়ক দিয়া সংক্ৰান্তত আলোচনা কৰি চৰ্ত অনুসৰি শতকৰা ১০ খন পুথি সভাই পাব লাগে বুলি সিদ্ধান্ত কৰি বিশ্ববিদ্যালয়ক জনাবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(৬) কাৰ্যালয় সচিব পদৰ বিজ্ঞাপন ইতিমধ্যে প্ৰকাশিত হৈছে আৰু সমিতিয়ে প্ৰধান সম্পাদক, শ্ৰীৰজনীকান্ত দেৱশৰ্মা আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক লৈ এখনি বাছনি সমিতি গঠন কৰি দিয়ে।

(৭) সাহিত্য সভাৰ প্ৰতিযোগিতাসমূহৰ পৰীক্ষাৰ অৰ্থে পৰীক্ষকসকলক পুথিসমূহ কিনি দিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

(৮) ৰাধাকান্ত সন্দিকৈ ভৱনৰ প্ৰয়োজনীয় তথ্য-পাতি চৰকাৰৰপৰা সংগ্ৰহ কৰিবলৈ যোগা-যোগ কৰিবৰবাবে প্ৰধান সম্পাদকক ভাৰ দিয়ে।

(৯) দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী সম্পাদনাৰ মাননি স্বৰূপে ড° মহেন্দ্ৰ বৰাক ৩০০'০০ টকা দিবলৈ সভাই অনুমোদন জনায়।

( ০) সাহিত্য সভাই কি কৰিব লাগে শিতানত কৰা বিজ্ঞাপনৰ পৰামৰ্শসমূহ জুকিয়াই অহা অধিৱেশনত উত্থাপন কৰিবলৈ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য আৰু যোৰ-হাটৰ সহকাৰী সম্পাদকক ভাৰ দিয়ে।

(১১) চাহ বাগিচাৰ বনুৱা আৰু চৰ অঞ্চলৰ আৰু জনজাতি লোকসকলৰ উপযোগী পুথি প্ৰকাশ কৰিবলৈ আঁচনিত অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত কৰা হয়।

(১২) প্ৰাপ্তবয়স্কসকলৰ উপযোগীকৈ খনচেৰেক পুথি প্ৰকাশ কৰিবলৈকো চৰকাৰৰ লগত

যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

(১৩) 'অসমৰ চৰাই' নামৰ পুথিখনৰ সংক্ৰান্তত শ্ৰীজীৱন দাসে বাতৰি কাকতত লিখা চিঠি-পত্ৰ সম্পৰ্কে আলোচনা কৰা হয় আৰু নিয়মাৱলীৰ ২৪ নং বিধিৰ উল্লেখ কৰি সৰ্বসন্মতিক্ৰমে গোলাঘাট সাহিত্য সভাক বিহিত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে।

৭। প্ৰধান সম্পাদকে অহা বছৰৰ বাবে আঁচনিৰ খচৰা দাখিল ধৰে আৰু সভাই অনুমোদন জনায়।

| | |
|---|---|
| ১। প্ৰকাশন | ৪,৬৩,০০০'০০ |
| ২। লেখক শিবিৰ | |
| (ক) লেখক শিবিৰ | ১০,০০০'০০ |
| (খ) শিশুসাহিত্য কৰ্মশালা | ১০,০০০'০০ |
| ৩। ভাষাজ্ঞান | ১,৫০,০০০'০০ |
| ৪। শতবাৰ্ষিকী : ৰঘুনাথ চৌধাৰী — | ১০,০০০'০০ |
| নীলমণি ফুকন- | ১০,০০০'০০ |
| ৫। সাংস্কৃতিক ভ্ৰমণ | ২০,০০০'০০ |
| ৬। (ক) ৰাধাকান্ত সন্দিকৈ ভৱন | ৩,৫০,০০০'০০ |
| (খ) লক্ষ্মীৰাম বৰুৱা ভৱন | ১,০০,০০০'০০ |
| ৭। সপ্তাহ পালন | ৫,৫০০'০০ |
| ৮। পুথিভঁৰাল উন্নয়ন | ১০,০০০'০০ |
| ৯। পত্ৰিকা | ২০,০০০'০০ |
| ১০। গৱেষণা কেন্দ্ৰ | ৫০,০০০'০০ |
| ১১। আচবাব, সজুলি | ৫,০০০'০০ |
| | মুঠ—১১,২৩,০০০'০০ |

প্ৰকাশন :

| | |
|---|---|
| ১। কালিকা পুৰাণ | ২৫,০০০'০০ |
| ২। ব্ৰজনৰ অভিধান | ৩৫,০০০'০০ |
| ৩। প্ৰাচীন অসমীয়া লিপি | ৬,০০০'০০ |
| ৪। এৰিষ্টটলৰ পয়েটিক্স | ৫,০০০'০০ |
| ৫। আধুনিক অসমীয়া কবিতা | ১০,০০০'০০ |
| ৬। মধ্য এচিয়াৰ শব্দ সম্ভাৰ | ৮,০০০'০০ |
| ৭। গিৰিধৰ শৰ্মাৰ স্মৃতিগ্ৰন্থ | ৮,০০০'০০ |
| ৮। নীলমণি ফুকন স্মৃতিগ্ৰন্থ | ৮,০০০'০০ |
| ৯। নীলমণি ফুকন ৰচনাৱলী ৩ খণ্ড | ৬৫,০০০'০০ |
| ১০। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ১৫,০০০'০০ |
| ১১। অসমৰ জনজাতি | ২০,০০০'০০ |
| ১২। হস্তমুক্তাৱলী | ১৫,০০০'০০ |
| ১৩। নাগাকেণ্ড | ৭,০০০'০০ |
| ১৪। ৰঘুনাথ চৌধাৰী ৰচনাৱলী | ১৫,০০০'০০ |
| ১৫। হিন্দী ৰূপলেখা | ৮,০০০'০০ |
| ১৬। পাঠচয়ন | ৬,০০০'০০ |
| ১৭। নলিনীবালা দেৱী | ১০,০০'০০ |
| | ২, ৬৬,০০০'০০ |
| | ২, ০৭,০০০'০০ |
| | মুঠ— ৪, ৭৩,০০০'০০ |

| | |
|---|---|
| ১। গোলাঘাট বাৰ্ষিকী - | ১০,০০০'০০ |
| ২। অভয়াপুৰী বাৰ্ষিকী— | ১০,০০০'০০ |
| ৩। গুৱালকুছি বাৰ্ষিকী— | ১০,০০০'০০ |
| ৪। লেখক শিবিৰ প্ৰতিবেদন | |
| (ক) তেজপুৰ | ৮,০০০'০০ |
| (খ) শিৱসাগৰ | ৮,০০০'০০ |
| (গ) পাঠশালা | ৮,০০০'০০ |
| ৫। শিশুবৰ্ষ প্ৰকাশন | |
| (১) শিশু মহাভাৰত | ১০,০০০'০০ |
| (২) শিশু উপন্যাস | ৮,০০০'০০ |
| ৬। চাহ মজদুৰ জনজাতি | ৫,০০০'০০ |
| ৭। অসমৰ নৃত্য | ৫,০০০'০০ |
| ৮। লোক সাহিত্য প্ৰকাশ | ১৫,০০০'০০ |
| ৯। পুৰণি পুথি প্ৰকাশ | ৩০,০০০'০০ |
| ১০। অন্যান্য পুথি | ৮০,০০০'০০ |
| | ২, ০৭,০০০'০০ |





এই প্ৰসংগতে এগুৱাচনৰ দুষ্প্ৰাপ্য গ্ৰন্থ 'কছাৰী ফক টেলচ্' সভাই পুনৰ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

(ক) দীৰ্ঘম্যাদী ভিত্তিত সভাই প্ৰস্তাৱিত ইংৰাজী ব্যাকৰণ আৰু এখন বৃহৎ অসমীয়া অভিধান প্ৰণয়ন কৰিবলৈ আঁচনি কৰিবৰবাবে প্ৰকাশন উপ-সমিতিক দায়িত্ব অৰ্পণ কৰে।

ড° সত্যেন্দ্ৰনাথ শৰ্মাই প্ৰাচীন অসমীয়া শব্দাৱলীৰ এখনি অসমীয়া অভিধান প্ৰস্তুত কৰি থকাৰ কথা জানি সভাই ধন্যবাদ জনায়।

(খ) বৃহৎ অসমীয়া অভিধান সংকলনৰবাবে বিভিন্ন অঞ্চলৰ শব্দাৱলী সংগ্ৰহ কৰিবলৈ শাখাসভা-সমূহক সভাই অনুৰোধ জনায়।

(গ) দীৰ্ঘম্যাদী ভিত্তিত এইসকল লোকৰ ৰচনাৱলীৰে এখনি গ্ৰন্থাৱলী প্ৰণয়ন কৰিবলৈ সিদ্ধান্ত কৰা হয়—(১) পানীন্দ্ৰনাথ গগৈ, (২) দুৰ্গা-প্ৰসাদ মজিন্দাৰ বৰুৱা, (৩) বলদেৱ মহন্ত, (৪) ধনাই বৰা, (৫) মহম্মদ চোলেমান খাঁ, (৬) বিষয়চন্দ্ৰ বিশ্বাসী, (৭) ৰত্নেশ্বৰ শৰ্মা মহন্ত।

(ঘ) হ্ৰস্বম্যাদী ভিত্তিত তলত দিয়া পুথিসমূহ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰা হয়।

(১) মৌ মহাভাৰত (পুনৰ্মুদ্ৰণ); (২) নবী কাহিনী—চাদেৰ আলি ৮০-১০০ পৃষ্ঠাৰ ভিতৰত, (৩) আৰবী উপন্যাসৰ সাধু ৮০-১০০ পৃষ্ঠাৰ ভিতৰত, (৪) চাহ বনুৱাৰ সাধু, গীত-মাত, (৫) অসমৰ চাহ মজদুৰ জনজাতি, প্ৰহ্লাদ তাতী, (৬) কাৰ্বি ৰামায়ণ, (অনুবাদ), (৭) অসমৰ চাহ মজদুৰ জনজাতিৰ পৰিচয় বা অসমৰ চাহ মজদুৰ সমাজ আৰু সংস্কৃতি, (৮) মিচিং জনজাতীয় গীতৰ সংকলন।

৮। অসম সাহিত্য সভাই কেন্দ্ৰীয় চৰকাৰলৈ পুথি প্ৰকাশন আৰু আলোচনা-চক্ৰ পতা সম্পৰ্কে আঁচনি-খনত সভাই অনুমোদন জনায়।

সভাৰ প্ৰকাশন আঁচনি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰি পৰামৰ্শ দিবলৈ প্ৰকাশন উপ-সমিতিক ভাৰ দিয়া হয়।

৯। তলত দিয়া দৰে ১৯৭৯-৮০ চনৰ বাবে উপ-সমিতিসমূহ গঠন কৰা হয়।

(১) প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা উপসমিতি : (সমিতি যোৰহাটত বহিব)

১। শ্ৰীদীনেশ দত্ত—চাবুৱা কলেজ, চাবুৱা, ২। শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, ৩। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ৪। শ্ৰীঅৱলা গোহাঁই, ৫। শ্ৰীকুতুবুদ্দিন আহমেদ, ৬। শ্ৰীঅতুলানন্দ গোস্বামী, ৭। প্ৰধান সম্পাদক, ৮। সহকাৰী সম্পাদক (যোৰহাট)-আহ্বায়ক।

২) হৰিহৰ চৌধুৰী বঁটা উপসমিতি : (সমিতি যোৰহাটত বহিব)

১। শ্ৰীনগেন শইকীয়া, ২। শ্ৰীদেউৰাম তাছা, ৩। শ্ৰীঅৰুণ গোস্বামী, ৪। শ্ৰীডিম্বেশ্বৰ শৰ্মা, ৫। শ্ৰীসুৰেন্দ্ৰনাথ বৰদলৈ, ৬। প্ৰধান সম্পাদক, ৭। সহকাৰী সম্পাদক (যোৰহাট)।

৩) বনমালী শইকীয়া বঁটা :

১। সম্পাদক, মাকুম সাহিত্য সভা, ২। প্ৰধান সম্পাদক, ৩। সহকাৰী সম্পাদক, ৪। শ্ৰীদেউৰাম তাছা, ৫। শ্ৰীপ্ৰহ্লাদ তাছা, ৬। শ্ৰীপ্ৰকাশ গোস্বামী।

৪) অসমীয়া ভাষাজ্ঞান পৰীক্ষা সংসদ :

১। বিদ্যালয় পৰিদৰ্শক—শিৱসাগৰ জিলা সংমণ্ডল, ২। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ৩। আব্দুছ চাত্তাৰ, ৪। প্ৰধান সম্পাদক, ৫। সহকাৰী সম্পাদক (যোৰহাট), ৬। শ্ৰীঅৰুণ গোস্বামী, ৭। শ্ৰীপ্ৰকাশ

গোস্বামী, ৮। শ্ৰীবসন্তকুমাৰ গোস্বামী, ৯। শ্ৰীমুকলী শইকীয়া, ১০। শ্ৰীদণ্ডধৰ হাজৰিকা, ১১। সচিব—আহ্বায়ক।

৫। **ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতি :**

১। শ্ৰীহৰেন বৰুৱা, ২। যোৰহাট নগৰ পৰিকল্পনাৰ বিষয়া, ৩। যোৰহাট গড়কাপ্তানি বিভাগৰ অধীক্ষক অভিযন্তা, ৪। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী— সভাপতি, ৫। শ্ৰীবংশীধৰ বৰগোহাঁই—সম্পাদক, ৬। শ্ৰীদেৱপ্ৰসাদ বৰুৱা— উপসভাপতি, ৭। শ্ৰীঅৰুণ গোস্বামী, ৮। সম্পাদক, যোৰহাট সাহিত্য সভা, ৯। ডঃ নবীন বৰদলৈ, ১০। শ্ৰীভব গোস্বামী, ১১। শ্ৰীঅৰলা গোহাঁই, ১২। শ্ৰীবসন্তকুমাৰ গোস্বামী, ১৩। প্ৰধান সম্পাদক, ১৪। সহকাৰী সম্পাদক, যোৰহাট—আহ্বায়ক।

৬। **মোহনচন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা উপসমিতি :** (সমিতি গুৱাহাটীত বহিব)

১। সভাপতি, ২। সহকাৰী সম্পাদক, গুৱাহাটী, ৩। শ্ৰীৰাম গোস্বামী, ৪। শ্ৰীযতীন গোস্বামী, ৫। শ্ৰীবিশ্বেশ্বৰ হাজৰিকা, ৬। শ্ৰীৰায়হান শ্বাহ ৭। শ্ৰীশুচিব্ৰতা ৰায়চৌধুৰী, ৮। ডঃ লক্ষহীৰা দাস, ৯। ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য, ১০। উপ-সভাপতি।

৭। **মুদ্ৰণ আৰু অলংকৰণ বঁটা উপসমিতি :** (সমিতি গুৱাহাটীত বহিব)

১। শ্ৰীৰাম গোস্বামী, ২। শ্ৰীযোগেশ দাস, ৩। শ্ৰীনন্দ তালুকদাৰ, ৪ শ্ৰীযুগল দাস, ৫। শ্ৰীকুমাৰ কিশোৰ, ৬। ড° হেমন্তকুমাৰ শৰ্মা, ৭। শ্ৰীৰজনীকান্ত দেৱশৰ্মা, ৮। প্ৰধান সম্পাদক, ৯ সহকাৰী সম্পাদক—গুৱাহাটী।

৮। **শৰতচন্দ্ৰ গোস্বামী বঁটা উপসমিতি :** (সমিতি গুৱাহাটীত বহিব)

১। শ্ৰীৰামচৰণ ঠাকুৰীয়া, ২। শ্ৰীহিতেশ ডেকা, ৩। শ্ৰীকুমাৰ কিশোৰ, ৪। শ্ৰীকনক ডেকা, ৫। শ্ৰীৰমেশ কলিতা, ৬। শ্ৰীভগৱান মৰল, ৭। শ্ৰীদুৰ্গেশ্বৰ শৰ্মা।

৯। **ডিগবৈ সাহিত্য সেৱা সমিতি (নাটক):** (যোৰহাটত বহিব)

১ সম্পাদক, ডিগবৈ সাহিত্য সেৱা সমিতি, ২। শ্ৰীকুতুবুদ্দিন আহমেদ, ৩। শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা ৪। শ্ৰীযোগানন্দ গোস্বামী, ৫। শ্ৰীপ্ৰফুল্লকুমাৰ বৰুৱা, ৬। ড° লক্ষীনন্দন বৰা, ৭। সহকাৰী সম্পাদক যোৰহাট (আহ্বায়ক), ৮। প্ৰধান সম্পাদক।

১০। **প্ৰকাশন উপসমিতি :** (যোৰহাটত বহিব)

১। শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা, ২। শ্ৰীঅতুলানন্দ গোস্বামী, ৩। শ্ৰীযতীন গোস্বামী, ৪। শ্ৰীঅম্বিকাগিৰি চৌধুৰী, ৫। শ্ৰীনগেন শইকীয়া, ৬। শ্ৰীৰজনীকান্ত দেৱশৰ্মা, ৭। শ্ৰীযোগেশ দাস, ৮। শ্ৰীপ্ৰকাশ গোস্বামী, ৯। শ্ৰীবসন্তকুমাৰ গোস্বামী, ১০। প্ৰধান সম্পাদক, ১১। সহকাৰী সম্পাদক— যোৰহাট।

১১। **ৰঘুনাথ চৌধাৰী বঁটা উপসমিতি :** (গুৱাহাটীত বহিব)

১২। **অসমীয়া সাহিত্য প্ৰতিভাৰ সন্ধান উপসমিতি: উপন্যাস আৰু ৰচনা** (ডিব্ৰুগড়ত বহিব)

১৩। ড° কেশৱানন্দ দেৱগোস্বামী, ২। ড° মহেশ্বৰ নেওগ, ৩। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য ৪। শ্ৰীপ্ৰহ্লাদ তাও, ৫। শ্ৰীকৈলাশ শৰ্মা, ৬। শ্ৰীনগেন শইকীয়া, ৭ ড° পৰীক্ষিত হাজৰিকা, ৮। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, ৯। প্ৰধান সম্পাদক।

(বিষয়: মাৰ্ক্সীয় দৰ্শন আৰু আধুনিক অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ)

১৩। **পত্ৰিকা সম্পাদনা সমিতি :** (ডিব্ৰুগড়ত বহিব)

১। শ্ৰীঅতুলচন্দ্ৰ বৰুৱা—সভাপতি, ২। শ্ৰীলীলা





গগৈ, প্ৰধান সম্পাদক, ৩। শ্ৰীনগেন শইকীয়া, ৪। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য ৫। শ্ৰীডিম্বেশ্বৰ চলিহা, ৬। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, ৭। ড° পৰীক্ষিত হাজৰিকা—আহ্বায়ক।

১৪। **ভাষা শিক্ষা প্ৰশিক্ষণ উপসমিতি :** (গুৱাহাটীত বহিব)

১। শ্ৰীৰজনীকান্ত দেৱশৰ্মা;— আহ্বায়ক, ২। শ্ৰীৰায়হান শ্বাহ, ৩। শ্ৰীবিনন্দ বৰ্মণ, ৪। শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, ৫। শ্ৰীভগৱান মৰল, ৬। শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য, ৭। শ্ৰীৰামচৰণ ঠাকুৰীয়া, ৮। শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, ৯। শ্ৰীপ্ৰীতি বৰুৱা, ১০। ড° হেমন্তকুমাৰ শৰ্মা, ১১। ড° নীলিমা দত্ত, ১১। সহকাৰী সম্পাদক, গুৱাহাটী।

১৫। বিভিন্ন ব্যক্তিৰপৰা অহা পৰামৰ্শসমূহ জুকিয়াই দিবলৈ তলত নাম দিয়াসকলক লৈ এখন সমিতি গঠন কৰা হওক।

১। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ২। শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য, ৩। সহকাৰী সম্পাদক— যোৰহাট (আহ্বায়ক) (জুলাইৰ ভিতৰত নিয়মাৱলী সম্পৰ্কীয় পৰামৰ্শ দিব)

১৬। **শতবাৰ্ষিকী ঃ** (ক) ৰঘুনাথ চৌধাৰী শতবাৰ্ষিকী

১। শ্ৰীধনীৰামচন্দ্ৰ বৰুৱা—সভাপতি, ২। শ্ৰীগোবিন্দ

১৮। ডিব্ৰুগড় বা কোকৰাঝাৰত 'অসমৰ জনজাতি আৰু অসমীয়া সংস্কৃতি' এই শিতানত লেখক শিবিৰ অনুষ্ঠিত কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি উপযুক্ত সময়ত শিশু সাহিত্যৰ এটি কৰ্মশাল ডিগবৈত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিজ্ঞাপনৰ যোগেদি কুবিজন লোকক বাছি উলিয়াবলৈ দিহা কৰা হওক। লগতে প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই উপযুক্ত সময়ত জিলা পৰিষদৰ সম্পাদকসকলৰ এখনি সন্মিলন পাতিবলৈ পৰামৰ্শ আগবঢ়ায় আৰু সভাই গ্ৰহণ কৰে।

১১। উত্তৰ কাছাৰ, কাৰ্বি আংলং আৰু মণিপুৰলৈ সজাতি দল পঠোৱা বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

(ক) এই প্ৰসংগতে উত্তৰ কাছাৰত আগভীয়াকৈ ভ্ৰমণ কৰিবৰ বাবে শ্ৰীনাৰায়ণ শৰ্মা আৰু শ্ৰীচাম হিং হাঙ্কেক যোগাযোগ কৰিবলৈ ভাৰ দিয়া হয়।

(খ) কোচবিহাৰৰ পুথিভঁৰালত পুৰণি পুথিপাঁজিৰ অনুসন্ধান কৰিবলৈ আৰু সম্ভৱ হলে এটি শাখা সভা গঠন কৰিব লাগে।

(গ) সভাই সংগঠনৰ বিষয়ে আলোচনা কৰি চৰ অঞ্চলত হকিমুদ্দিন দেৱান, শ্ৰীসন্তোষ চোধুৰী, শ্ৰীতিলক দাস আৰু শ্ৰীযতীন গোস্বামীক সংগঠনৰ কাম কৰিবলৈ সভাই ভাৰ দিয়ে।

(ঘ) প্ৰধান সম্পাদকে শ্ৰীবৃন্দাবনকুমাৰ ৰাজ-

১। ১৮) লক্ষীৰাম বৰুৱা ভৱন নিৰ্মাণ উপ-সমিতি (সমিতি গুৱাহাটীত বহিব) ১। শ্ৰীৰজনীকান্ত দেৱশৰ্মা : সভাপতি, ২। সহকাৰী সম্পাদক, অসম সাহিত্য সভা : আহ্বায়ক (গুৱাহাটী) ৩। শ্ৰীকমলেশ্বৰ বৰুৱা, ৪। শ্ৰীযতীন গোস্বামী ৫। ড° হেমন্তকুমাৰ শৰ্মা ৬। শ্ৰীযোগেশ দাস, কোষাধ্যক্ষ ৭। শ্ৰীৰথীন বৰঠাকুৰ ৮। শ্ৰীযুগল দাস ৯। দাতাৰ প্ৰতিনিধি ১০। প্ৰধান সম্পাদক।

—×—

INTENTIONAL DUPLICATE EXPOSURE

গোস্বামী, ৮। শ্ৰীবসন্তকুমাৰ গোস্বামী, ৯। শ্ৰীমুকুলী শইকীয়া, ১০। শ্ৰীদণ্ডধৰ হাজৰিকা, ১১। সচিব— আহ্বায়ক।

৫। ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতি:

১। শ্ৰীহৰেন বৰুৱা, ২। যোৰহাট নগৰ পৰিকল্পনাৰ বিষয়া, ৩। যোৰহাট গড়কাপ্তানি বিভাগৰ অধীক্ষক অভিযন্তা, ৪। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী— সভাপতি, ৫। শ্ৰীবংশীধৰ বৰগোহাঁই—সম্পাদক, ৬। শ্ৰীদেৱপ্ৰসাদ বৰুৱা— উপসভাপতি, ৭। শ্ৰীঅৰুণ গোস্বামী, ৮। সম্পাদক, যোৰহাট সাহিত্য সভা, ৯। ড°ঃ নবীন বৰদলৈ, ১০। শ্ৰীভদ্ৰ গোস্বামী, ১১। শ্ৰীঅৱলা গোহাঁই, ১২। শ্ৰীবসন্তকুমাৰ গোস্বামী, ১৩। প্ৰধান সম্পাদক, ১৪। সহকাৰী সম্পাদক, যোৰহাট— আহ্বায়ক।

৬। মোহনচন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা উপসমিতি: (সমিতি গুৱাহাটীত বহিব)

১। সভাপতি, ২। সহকাৰী সম্পাদক, গুৱাহাটী, ৩। শ্ৰীৰাম গোস্বামী, ৪। শ্ৰীযতীন গোস্বামী, ৫। শ্ৰীবিশ্বেশ্বৰ হাজৰিকা, ৬। শ্ৰীৰাহমান শ্বাহ ৭। শ্ৰীশুচিব্ৰতা ৰায়চৌধুৰী, ৮। ড° লক্ষহীৰা দাস, ৯। ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য, ১০। উপ সভাপতি।

৭। মুদ্ৰণ আৰু অলংকৰণ বঁটা উপসমিতি: (সমিতি গুৱাহাটীত বহিব)

১। শ্ৰীৰামচৰণ ঠাকুৰীয়া, ২। শ্ৰীহিতেশ ডেকা, ৩। শ্ৰীকুমাৰ কিশোৰ, ৪। শ্ৰীকনক ডেকা, ৫। শ্ৰীৰমেশ কলিতা, ৬। শ্ৰীভগৱান মৰল, ৭। শ্ৰীদুৰ্গেশ্বৰ শৰ্মা।

৯। ডিগবৈ সাহিত্য সেৱা সমিতি (নাটক): (যোৰহাটত বহিব)

১। সম্পাদক, ডিগবৈ সাহিত্য সেৱা সমিতি, ২। শ্ৰীকুতুবুদ্দিন আহমেদ, ৩। শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা ৪। শ্ৰীযোগানন্দ গোস্বামী, ৫। শ্ৰীপ্ৰফুল্লকুমাৰ বৰুৱা, ৬। ড° লক্ষীনন্দন বৰা, ৭। সহকাৰী সম্পাদক যোৰহাট (আহ্বায়ক), ৮। প্ৰধান সম্পাদক।

১০। প্ৰকাশন উপসমিতি: (যোৰহাটত বহিব)
১। শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা, ২। শ্ৰীঅতুলানন্দ গোস্বামী, ৩। শ্ৰীযতীন গোস্বামী, ৪। শ্ৰীঅম্বিকাপদ চৌধুৰী, ৫। শ্ৰীনগেন শইকীয়া, ৬। শ্ৰীৰজনীকান্ত দেৱশৰ্মা, ৭। শ্ৰীযোগেশ দাস, ৮। শ্ৰীপ্ৰকাশ গোস্বামী, ৯। শ্ৰীবসন্তকুমাৰ গোস্বামী, ১০। প্ৰধান সম্পাদক, ১১। সহকাৰী সম্পাদক— যোৰহাট।

১১। ৰঘুনাথ চৌধাৰী বঁটা উপসমিতি: (গুৱাহাটীত বহিব)

১২। অসমীয়া সাহিত্য প্ৰতিভাৰ সন্ধান উপসমিতি: উপন্যাস আৰু ৰচনা (ডিব্ৰুগড়ত বহিব)
১৩। ড° কেশৱানন্দ দেৱগোস্বামী, ২। ড° মহেন্দ্ৰ বৰা, ৩। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য ৪। শ্ৰীপ্ৰহ্লাদচন্দ্ৰ



শৰ্মা, প্ৰধান সম্পাদক, ৩। শ্ৰীনগেন শইকীয়া, ৪। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য ৫। শ্ৰীভিম্বেশ্বৰ চলিহা, ৬। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, ৭। ড° পৰীক্ষিত হাজৰিকা— আহ্বায়ক।

১৪। ভাষাশিক্ষা প্ৰশিক্ষণ উপসমিতি: (গুৱাহাটীত বহিব)

১। শ্ৰীৰজনীকান্ত দেৱশৰ্মা;— আহ্বায়ক, ২। শ্ৰীৰাহমান শ্বাহ, ৩। শ্ৰীবিনন্দ বৰ্মণ, ৪। শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, ৫। শ্ৰীভগৱান মৰল, ৬। শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য, ৭। শ্ৰীৰামচৰণ ঠাকুৰীয়া, ৮। শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, ৯। শ্ৰীপীতি বৰুৱা, ১০। ড° হেমন্তকুমাৰ শৰ্মা, ১১। ড° নীলিমা দত্ত, ১১। সহকাৰী সম্পাদক, গুৱাহাটী।

১৫। বিভিন্ন ব্যক্তিবৰ্গৰ অহা পৰামৰ্শসমূহ ভুকিয়াই দিবলৈ তলত নাম দিয়াসকলকে এখন সমিতি গঠন কৰা হওক।
১। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ২। শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য, ৩। সহকাৰী সম্পাদক— যোৰহাট (আহ্বায়ক)। (জুলাইৰ ভিতৰত নিয়মাৱলী সম্পৰ্কীয় পৰামৰ্শ দিব)

১৬। শতবাৰ্ষিকী : (ক) ৰঘুনাথ চৌধাৰী শতবাৰ্ষিকী
১। শ্ৰীধনীন্দ্ৰচন্দ্ৰ বৰুৱা—সভাপতি, ২। শ্ৰীগোবিন্দ মহন্ত সাধাৰণ সম্পাদক হিচাপে লৈ ১১ জনীয়া উদ্‌যাপন সমিতি গঠন কৰা হ'ব।
(খ) নীলমণি ফুকন শতবাৰ্ষিকী, যোৰহাটৰ সহকাৰী সম্পাদকক ভাৰ দিয়া হওক।

১৭। লেখক শিবিৰ : ডিফুত পত্ৰ সম্পৰ্কে শ্ৰীনাৰায়ণ শৰ্মা আৰু চাম ছিং হাক্সে ডাঙৰীয়াই সোনকালে জনাব বুলি কয়।

১৮। ডিফুত বা কোকৰাঝাৰত 'অসমৰ জনজাতি আৰু অসমীয়া সংস্কৃতি' এই শিতানত লেখক শিবিৰ অনুষ্ঠিত কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি উপযুক্ত সময়ত শিশু সাহিত্যৰ এটি কৰ্মশালা ডিগবৈত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিজ্ঞাপনৰ যোগেদি কুৰিজন লোকক বাছি উলিয়াবলৈ দিহা কৰা হওক। লগতে প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই উপযুক্ত সময়ত জিলা পৰিষদৰ সম্পাদকসকলৰ এখনি সন্মিলন পাতিবলৈ পৰামৰ্শ আগবঢ়ায় আৰু সভাই গ্ৰহণ কৰে।

১৯। উত্তৰ কাছাৰ, কাৰ্বি আংলং আৰু মণিপুৰলৈ সজাতি দল পঠোৱা বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

(ক) এই প্ৰসংগতে উত্তৰ কাছাৰত আগভীয়াকৈ ভ্ৰমণ কৰিবৰ বাবে শ্ৰীনাৰায়ণ শৰ্মা আৰু শ্ৰীচাম ছিং হাক্সেক যোগাযোগ কৰিবলৈ ভাৰ দিয়া হয়।

(খ) কোচবিহাৰৰ পুথিভঁৰালত পুৰণি পুথি-পাঁজিৰ অনুসন্ধান কৰিবলৈ আৰু সম্ভৱ হলে এটি শাখা সভা গঠন কৰিব লাগে।

(গ) সভাই সংগঠনৰ বিষয়ে আলোচনা কৰি চৰ অঞ্চলত হৈফিযুদ্দিন দেৱান, শ্ৰীসন্তোষ চৌধুৰী, শ্ৰীতিলক দাস আৰু শ্ৰীযতীন গোস্বামীক সংগঠনৰ কাম কৰিবলৈ সভাই ভাৰ দিয়ে।

(ঘ) প্ৰধান সম্পাদকে শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ আৰু শ্ৰীধৰ্মকান্ত মহন্তৰ চিঠি পাঠ কৰে আৰু প্ৰয়োজনীয় নীতি-পদ্ধতিৰ মাজেদি আভকৰ্তা নিয়োগ কৰিবলৈ প্ৰধান সম্পাদকক কৰ্তৃত্ব অৰ্পণ কৰে।

(ঙ) ১৯৭৮-৭৯ চনৰ হিচাপ পৰীক্ষা কৰিবলৈ চাৰ্টাৰ্ড একাউণ্টেণ্ট শ্ৰীজ্ঞানেন শইকীয়া বা শ্ৰীপ্ৰদীপকুমাৰ বৰুৱাক অনুৰোধ জনাবলৈ সিদ্ধান্ত কৰা হয়।

INTENTIONAL
DUPLICATE EXPOSURE

১২। শ্ৰীহেম বৰাই কেন্দ্ৰীয় কাৰ্যালয়ত ৫।৩।৭৯ তাৰিখৰ পৰা ২৪-৩-৭৯ তাৰিখলৈ কাম কৰাৰ বাবদ দিনে ৮'০০ টকাকৈ দিবৰ বাবে অনুমোদন জনায়।

১৩। ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ ২৪।৭।৭৬ টেলিফোনৰ এটি বৰ্ধিত সংযোগ সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ বাসভৱনলৈ দিবৰ বাবে অনুমোদন জনায়।

১৪ কাৰ্য-নিৰ্বাহক সমিতিৰ পূৰ্ব সিদ্ধান্ত অনুযায়ী বেজবৰুৱাৰ জন্মস্থান আঁচতগুৰি সম্বন্ধে এটি মতামত আহ্বান কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। সভাই ৯জুন তাৰিখটো ৰাজ্য ভাষা দিৱস হিচাপে পালন কৰিবলৈ আহ্বান জনায় আৰু প্ৰয়োজন হলে ২৭ অক্টোবৰ তাৰিখটো দাবী দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

১৫। নৱজীৱন প্ৰেছৰ আবেদন অনুসৰি হস্তমুক্তাৱলী পুথিৰ ছপা নিৰিখ ২২০'০০ টকা অনুমোদন জনায়।

১৬। শ্ৰীযতীন গোস্বামীয়ে লিখা ৰাজ্যিক ভাষাৰ হাত পুথিখন সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱা আৰু উপ-সভাপতি শ্ৰীৰজনীকান্ত দেৱশৰ্মাক পুনৰীক্ষণ কৰিবলৈ ভাৰ দিয়া হয়।

১৭। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ চিঠি সভাত পাঠ কৰা হয় আৰু সভাই শ্ৰীযুত হাজৰিকাৰ শিশুগ্ৰন্থ সমূহৰ দান গ্ৰহণ কৰি ধন্যবাদ জ্ঞাপন কৰে।

১৮। আন্তঃৰাষ্ট্ৰীয় শিশুবৰ্ষ উপলক্ষে এখনি শিশু উপন্যাসৰ প্ৰতিযোগিতা পাতিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে আৰু শ্ৰেষ্ঠ প্ৰতিযোগীজনক ৩০০'০০ টকা পুৰস্কাৰ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

১৯। এই বছৰৰ ন-প্ৰতিভাৰ সন্ধানত প্ৰতিযোগিতাৰ ৰচনাৰ বিষয় "মাৰ্ক্সীয় দৰ্শন আৰু আধুনিক অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ" এইটো সিদ্ধান্ত কৰা হয়।

২০। শিলঙৰ দেশভক্ত তৰুণৰাম ফুকন স্কুলৰ সাহায্যাৰ্থে শিক্ষা বিভাগৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

২১। নতুন দিল্লীত এটি শাখা গঠনৰ বাতৰি প্ৰধান সম্পাদকে জানিবলৈ দিয়ে আৰু সভাই সন্তোষ প্ৰকাশ কৰে।

২২। ৰাজ্যিক ভাষাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ ভাৰ ল'বলৈ অধ্যাপক ৰজনীকান্ত দেৱশৰ্মাক অনুৰোধ জনোৱা হয় আৰু ইয়াৰ বাবে এটি মাননি দিবলৈকো সিদ্ধান্ত কৰা হয়।

২৩ তলত নাম দিয়া ব্যক্তি কেইজনক আজীৱন সভ্য হিচাপে স্বীকৃতি দিয়া হয়:—

১) চমচুৰ ৰহমান — নগাঁও;
২) শ্ৰীভুবনেশ্বৰ পাঠক — ডিব্ৰুগড়,
৩) শ্ৰীসুৰেন্দ্ৰনাথ দত্ত — যোৰহাট।

২৪। সভাত তলত দিয়া প্ৰস্তাৱটি সৰ্বসম্মতিক্ৰমে গৃহীত হয়:—

১। অসম সাহিত্য সভাই সমসাময়িকভাৱে নাগালেণ্ড, অৰুণাচল আৰু মেঘালয়ৰ লগত হোৱা অসমৰ সীমা বিবাদ আৰু অপ্ৰীতিকৰ ঘটনাৱলীৰ আঁৰত উত্তৰ-পূৰ ভাৰতৰ ৰাজ্যকেইখনৰ ভ্ৰাতৃত্ব আৰু বন্ধুত্ব সম্পৰ্ক ছিন্ন কৰিবলৈ কোনো শক্তিয়ে কাম কৰি থকা বুলি অনুভৱ কৰে; তদুপৰি কোনো কোনো বাতৰিত প্ৰকাশ হোৱাৰ দৰে যদি কোনো অদূৰদৰ্শী অবিবেচক লোকৰ কোনো কুকৰ্মৰ প্ৰতিক্ৰিয়া স্বৰূপে এনে অবাঞ্ছনীয় পৰিস্থিতিৰ উদ্ভৱ হৈছে, তেনেলোক বা লোকৰ গোটক চিহ্নিত কৰিবৰ কাৰণে আৰু তেনে লোক বা গোটৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। সভাই অৰুণাচল, নাগালেণ্ড, মেঘালয়ৰ জনসাধাৰণৰ বিনীতভাৱে অনুৰোধ জনায় যে — কোনো দুৰ্বল



কাৰ্যক যেন তেওঁলোকে অসমৰ কোনো বিশেষ সম্প্ৰদায়ৰ কাৰ্য বুলি নধৰে।

সভাই আটাইকেউখন ৰাজ্যৰ জনসাধাৰণক পুনৰ সোঁৱৰাই দিব খোজে যে -আমাৰ আটাইৰে আত্ম-বিকাশ আৰু উন্নয়নৰ ভৱিষ্যত একেডাল ভাগ্য ৰেখাৰ ওপৰত নিৰ্ভৰশীল, এই সত্য যেন আমি পাহৰি নাযাওঁ।

২) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে, অসমৰ ভাষিক, সাংস্কৃতিক আৰু আৰ্থিক সংকট সম্পৰ্কে ১৯৭৮চনৰ জুলাই মাহত সৰ্বসম্মতি ক্ৰমে গ্ৰহণ কৰা প্ৰস্তাৱ আৰু সভাৰ ষট্চত্বাৰিংশ গুৱালকুছি সন্মিলনত গ্ৰহণ কৰা প্ৰস্তাৱসমূহৰ যথাৰ্থতা দোহাৰি দাবী কৰে যে (ক) বহিৰাগতৰ প্ৰব্ৰজন কাৰ্যতঃ প্ৰতিৰোধ কৰিব লাগে, (খ) ওচৰ-চুবুৰীয়া ৰাজ্য কেইখনৰ লগত অসমৰ সীমা ঐতিহাসিক ভিত্তিত স্থায়ীভাৱে নিৰ্ধাৰণ কৰিব লাগে আৰু (গ) থলুৱা জনজাতীয় ভাষা-সমূহৰ বিকাশৰ সুচল ৰাখি অসমৰ সমগ্ৰ ৰাজ্যক্ষেত্ৰৰ সকলো স্তৰতে কাৰ্যতঃ ৰাজ্য ভাষাৰ প্ৰচলন বাঞ্ছনীয়-ভাৱে কৰিব লাগে।

৩) সভাই লোকনায়ক জয়প্ৰকাশ নাৰায়ণৰ আশু আৰোগ্য কামনা কৰি প্ৰাৰ্থনা জনায়।

২৫। আজীৱন সভ্য পুঁজিৰ ৭,৫০০ টকা সাধাৰণ পুঁজিৰপৰা স্থায়ী জমা পুঁজিত জমা দিবলৈ সম্পাদকক কৰ্তৃত্ব দিয়া হয়

২৬। (ক) যোৰহাট থাই ডাকঘৰত জাতীয় সঞ্চয় আঁচনিত জমা ৰখা তলত উল্লেখ কৰা ক্ৰমাংক আৰু তাৰিখ অনুসৰি আজীৱন সভ্যৰ পুঁজিৰ ২১,৮০০'০০ (একৈশ হাজাৰ আঠ শ) টকাৰ ম্যাদ ইতিমধ্যে উকলি গৈছে। পূৰ্বৰ দৰেই উক্ত পুঁজিৰ টকা ডাকঘৰৰ পৰা সুদে-মূলে উঠাই আনিবৰ বাবে প্ৰধান সম্পাদক শ্ৰীলীলা গগৈক কৰ্তৃত্ব দিয়া হওক।

(খ) উক্ত আজীৱন সভাৰ মূল টকা পুনৰ ষ্টেট বেংক অৱ্ ইণ্ডিয়া, যোৰহাট শাখাত দীৰ্ঘম্যাদী স্থায়ী জমা আঁচনিত জমা ৰাখিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হওক।

উল্লেখ থাকে যে — উক্ত আজীৱন সভ্যৰ পুঁজিৰ টকা অসম সাহিত্য সভাৰদ্বাৰা পৰিচালিত হ'ব।

| এন-এচ-চি নং | তাৰিখ | পৰিমাণ |
|---|---|---|
| ৬১৯২৩০ | ১১।৩।৬৬ | ১০০০ ০০ |
| ৬১৯২৩১ | ,, | ১০০০'০০ |
| ৬১৯২৩২ | ,, | ১০০০'০০ |
| ৬১৯২৩৩ | ,, | ১০০০'০০ |
| ৬১৯২৫৩ | ৫।৪।৬৬ | ১০০০'০০ |
| ৬১৯২৫৪ | ,, | ১০০০ ০০ |
| ৯৪৭৪৯২ | ১২।৩।৬৭ | ১০০'০০ |
| ৯৪৭৪৯৩ | ,, | ১০০'০০ |
| ৬১৯৪২১ | ,, | ১০০০'০০ |
| ১৮২৩২৯ | ,, | ৫০০০'০০ |
| ০৪৩৮৬৮ | ২১।২।৭১ | ৫০০০'০০ |
| ০৮৯০৮৭ | ২১।৫।৭১ | ১০০০'০০ |
| ০৮৯০৮৮ | ,, | ১০০০'০০ |
| ০৭৬৩৩২ | ৮।৩।৭২ | ১০০০'০০ |
| ০৭৬৩৩৩ | ,, | ১০০০'০০ |
| ০৮৯৮০০ | ,, | ১০০'০০ |
| ০৮৯৮০১ | ,, | ১০০'০০ |
| ০৮৯৮০২ | ,, | ১০০'০০ |
| ০৮৯৮০৩ | ,, | ১০০'০০ |
| ০৮৯৮০৪ | ,, | ১০০'০০ |
| ০৮৯৮০৪ | ,, | ১০০'০০ |
| ০৮৯৮০৫ | ,, | ১০০'০০ |
| | | মুঠ—২১,৮০০'০০ |

২৭। সভাপতি আৰু প্ৰধান সম্পাদকে সদস্যসকলৰ শলাগ জনোৱাৰ অন্তত সভা সামৰণী পৰে।

স্বাঃ শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, সভাপতি। ২৪।৩।৭৯।

স্বাঃ শ্ৰীলীলা গগৈ, প্ৰধান সম্পাদক। ২৪।৩।৭৯।

# শিশু-সাহিত্য ৰচনাৰ কৰ্মশালা

(ক) অসম সাহিত্য সভাৰ উদ্যোগত, ডিগবৈ সাহিত্য-সেৱা সমিতিৰ সৌজন্যত, ১৯৭৯ চনৰ জুলাই মাহৰ ১৯ তাৰিখৰপৰা ২৩ তাৰিখলৈকে ডিগবৈত 'অসমীয়া শিশু-সাহিত্য ৰচনাৰ কৰ্মশালা'ৰ আয়োজন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাই সঞ্চালকৰূপে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক শ্ৰীনগেন শইকীয়াই উপ-সঞ্চালকৰূপে কৰ্মশালাৰ কাৰ্য-সূচী পৰিচালনা কৰে।

(খ) অসম সাহিত্য সভাই এই কৰ্মশালাত শিশু-সাহিত্যৰ স্তৰ, বিষয়, লক্ষ্য, উপস্থাপন ৰীতি, ভাষা, ৰচনা-কৌশল আদি বিষয়ত সম্যকভাৱে অৱহিত হৈ শিশুৰ মানসিক বয়স অনুসৰি উপযোগী সাহিত্য ৰচনাৰ বাবে প্ৰাৰম্ভিক প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ ইচ্ছুকসকলৰপৰা পোৱা আবেদন পৰীক্ষা কৰি ২০ (কুৰিজন) লোকক নিৰ্বাচিত কৰে।

নিৰ্বাচিত লেখকসকল হ'ল (মুঠ ২০ জন)

(১) শ্ৰীগগনচন্দ্ৰ অধিকাৰী, (২) শ্ৰীইন্দ্ৰপ্ৰসাদ শইকীয়া (৩) শ্ৰীকনক শৰ্মা (৪) শ্ৰীসতীশচন্দ্ৰ চৌধুৰী (৫) শ্ৰীমতী এলি আহমেদ (৬) শ্ৰীকৈলাসমল্ল বৰুৱা (৭) ডঃ মহেন্দ্ৰনাথ বৰা, (৮) শ্ৰীমতী নিৰুপমা ফুকন, (৯) শ্ৰীমতী বেণু শৰ্মা (১০) শ্ৰীখগেন্দ্ৰনাথ বৰা, (১১) শ্ৰীদীপকচন্দ্ৰ দত্ত, (১২) শ্ৰীশৰৎ দত্ত (১৩) শ্ৰীগোলোকচন্দ্ৰ দত্ত, (১৪) শ্ৰীনাৰায়ণ বৰপূজাৰী, (১৫) শ্ৰীসুৰেশ ডেকা (১৬) শ্ৰীযুতীন্দ্ৰনাথ ফুকন, (১৭) শ্ৰীপ্ৰতাপচন্দ্ৰ চৌধুৰী (১৮) শ্ৰীবিনন্দচন্দ্ৰ বৰা (১৯) শ্ৰীসৰ্বেশ্বৰ তালুকদাৰ (২০) শ্ৰীখগেন্দ্ৰনাথ ভূঞা।

ডিগবৈ সাহিত্য সেৱা সমিতিৰ পক্ষৰপৰা স্থানীয়ভাৱে মনোনীত কৰি দিয়া সকল হ'ল—
(১) শ্ৰীবীৰেন্দ্ৰনাথ বৰুৱা (২) শ্ৰীজয়কান্ত গন্ধীয়া (৩) শ্ৰীউমাকধৰ শৰ্মা (মুঠ ৩ জন)। ইয়াৰ ভিতৰত শ্ৰীখগেন্দ্ৰনাথ ভূঞা অনুপস্থিত থাকে। পশিক্ষে প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ অহা ইচ্ছুক লেখকৰ সংখ্যা হ'ল ২২ (বাইছ) জন।

(গ) সঞ্চালক আৰু উপ-সঞ্চালকৰ উপৰিও তলত নাম দিয়া বিশিষ্ট লোকসকলে শিশু-সাহিত্যৰ বিভিন্ন বিষয়-সম্পৰ্কে ভাষণ দিয়ে। অসম সাহিত্য সভাৰ সভাপতি (১) শ্ৰীঅতুলচন্দ্ৰ বৰুৱা (২) প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ (৩) প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা (৪) শ্ৰীযতীন্দ্ৰনাথ গোস্বামী (৫) শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী (৬) শ্ৰীনৱকান্ত বৰুৱা (৭) শ্ৰীবীৰেন বৰকটকী (৮) শ্ৰীকৈলাশ শৰ্মা (৯) শ্ৰীত্ৰৈলোক্যনাথ শৰ্মা (১০) শ্ৰীঅম্বিকাগিৰি চৌধুৰী (১১) ডঃ হৰেন্দ্ৰনাথ বৰুৱা (১২) শ্ৰীলীলা গগৈ।

(ঘ) কাৰ্য-সূচীত বক্তৃতা আৰু আলোচনাৰ উপৰিও সন্নিবিষ্ট কৰা প্ৰধান ভাগকেইটি হ'ল - প্ৰশিক্ষাৰ্থী-



সকলক (১) বিষয়বস্তু নিৰ্বাচন, (২) ভাষাৰ প্ৰয়োগ, (৩) উপস্থাপন ৰীতি আৰু (৪) ৰচনা-কৌশল সম্পৰ্কীয় অনুশীলন কৰিবলৈ দিয়ে।

প্ৰতিদিনে পুৱা ৮-৩০ বজাৰপৰা ১২-৩০ বজালৈ আৰু আবেলি ২-৩০ বজাৰপৰা ৬-৩০ বজালৈ হোৱা কৰ্মশালাৰ প্ৰতিটো বৈঠকৰ প্ৰাৰম্ভতে দিনটোৰ কাৰ্য-সূচী নিৰ্দিষ্ট কৰি দিয়াৰ পিছত কৰ্ম-পদ্ধতি জ্ঞাপন কৰা হয়

প্ৰশিক্ষাৰ্থীসকলক নিজৰ নিজৰ ধাৰণা প্ৰকাশ কৰিবলৈ সুযোগ দিয়াৰ পিছত তেনে ধাৰণাৰ শুদ্ধাশুদ্ধ সম্পৰ্কে আলোচনা কৰা হয়।

(ঙ) কৰ্মশালাৰ প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীক শিশুৰ বয়সৰ স্তৰত ভিত্তি কৰি একোখন গ্ৰন্থ লিখিবৰ বাবে বিষয়বস্তু নিৰ্বাচন কৰি সে—ভাষা, উপস্থাপন ৰীতি আৰু ৰচনা-কৌশলৰ আভাস দি একোখন আঁচনি প্ৰস্তুত কৰিবলৈ দিয়া হয়। এই আঁচনিসমূহ কৰ্মশালাত উত্থাপিত হয় আৰু দোষ-গুণ আলোচনা কৰাৰ পিছত চূড়ান্ত আঁচনি প্ৰস্তুত কৰোৱা হয়। মুঠ ২১ খন আঁচনি গ্ৰহণ কৰা হয়।

| লেখকৰ নাম | কিতাপৰ নাম | কোন স্তৰৰ বাবে | কি পুথি | কিমান পৃষ্ঠা |
|---|---|---|---|---|
| (১) শ্ৰীগগনচন্দ্ৰ অধিকাৰী | উৰুলি-মুৰুলি মইনাৰ পদুলি | প্ৰাথমিক স্তৰ | কবিতা | ৪০ |
| | বা আখৰৰ গীত | প্ৰাক-প্ৰাথমিক | ছবি আৰু গীত | ২৪ |
| (২) শ্ৰীএলি আহমেদ | কোমল ওঁঠ লৰে চৰে | প্ৰাথমিক | কবিতা | ৩২ |
| (৩) শ্ৰীবেণু শৰ্মা | নাম দিয়া নাই | উত্তৰ প্ৰাথমিক | উপন্যাস | ৪৮ |
| (৪) শ্ৰীগোলোকচন্দ্ৰ দত্ত | আমাৰ সোণ, মৰতৰ জোন | " " | ধেমেলীয়া কবিতা | ৪৮ |
| (৫) শ্ৰীকৈলাসমল্ল বৰুৱা | জিলমিলৰ সাধু | " " | সাধুকথা | ৩২ |
| (৬) শ্ৰীসতীশচন্দ্ৰ চৌধুৰী | আৰ্যভট্ট | " " | জ্যোতিৰ্বিজ্ঞান সম্পৰ্কীয় | ৬৪ |
| (৭) শ্ৰীশৰৎচন্দ্ৰ দত্ত | ফুল চন্দন | " " | শিক্ষামূলক | ৪৮ |
| (৮) শ্ৰীবিনন্দচন্দ্ৰ বৰা | | " " | উপন্যাস | ৫০ |
| (৯) শ্ৰীকনক শৰ্মা | ইংৰাজী পুথিৰ মৌকোঁহ (বিউল্ফ বা চ'চাৰৰ সাধু) | " " | গল্প | ৪০ |
| (১০) শ্ৰীযুতীন্দ্ৰনাথ ফুকন | আমাৰ বিহগী কবি | " " | জীৱনী | ৪০ |
| (১১) শ্ৰীদীপকচন্দ্ৰ দত্ত | | প্ৰাথমিক | সাধু | ৪০ |
| (১২) শ্ৰীইন্দ্ৰপ্ৰসাদ শইকীয়া | অকণি মনৰ গুণগুণনি | প্ৰাথমিক | কবিতা | ৩২ |
| (১৩) ডঃ মহেন্দ্ৰনাথ বৰা | বিজ্ঞানৰ বক্তব্য | প্ৰাথমিক | গল্পৰ চলেৰে বিজ্ঞান | ৬০ |
| (১৪) শ্ৰীসৰ্বেশ্বৰ তালুকদাৰ | আদৰ্শ জীৱনী | উত্তৰ প্ৰাথমিক | জীৱনী | ৪০ |
| (১৫) শ্ৰীনাৰায়ণ বৰপূজাৰী | ত্ৰিবেণী | " " | নাটক | ৩২ |
| (১৬) শ্ৰীসুৰেশ ডেকা | উদ্ভিদৰ কথা | " " | বিজ্ঞান বিষয়ক | ৪৮ |
| (১৭) শ্ৰীখগেন্দ্ৰনাথ ভূঞা | আমি পাহাৰ বগাবলৈ যাওঁ | " " | দুঃসাহসিক অভিযানমূলক কাহিনী | ৬৪ |

| | | | | |
|---|---|---|---|---|
| (১৮) শ্ৰীমতী নিৰুপমা ফুকন | আমাৰ বাপুজী | " " | জীৱনী | ৩২ |
| (১৯) শ্ৰীপ্ৰতাপচন্দ্ৰ চৌধুৰী | ল'ৰাৰ শংকৰদেৱ | " | জীৱনী | ৪০ |
| (২০) শ্ৰীজয়কান্ত গন্ধীয়া | মেকুৰী আৰু বাঘৰ কথা | প্ৰাথমিক স্তৰ | জন্তু পৰিচয় | ৪১ |
| (২১) শ্ৰীউম্বৰধৰ শৰ্মা | | প্ৰাথমিক স্তৰ | উপন্যাস | ৪০ |

(চ) এই আঁচনি অনুসৰি প্ৰতিজন লেখকক ৩০।৯।৭৯ তাৰিখৰ ভিতৰত গ্ৰন্থৰ পাণ্ডুলিপি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকলৈ পঠাবলৈ পৰামৰ্শ দিয়া হয়। প্ৰাপ্ত পাণ্ডুলিপিসমূহ উপযুক্তলোকৰ হতুৱাই পৰীক্ষা কৰোৱা হ'ব আৰু প্ৰয়োজনীয় সংশোধন আদি কৰাৰ পিছত উপযুক্ত বিবেচিত হ'লে প্ৰকাশ কৰাৰ ব্যৱস্থা সভাই গ্ৰহণ কৰিব।

(ছ) এনেভাৱে প্ৰস্তুত কৰাই প্ৰকাশ কৰোৱা গ্ৰন্থৰ স্বত্ব অসম সাহিত্য সভাৰ হ'ব।

(জ) কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ প্ৰকাশিত অসমীয়া শিশু-পুথি সমালোচনাৰ বাবে দিয়া হয় আৰু প্ৰশিক্ষাৰ্থীসকলে নিজৰ নিজৰ লিখিত সমীক্ষা পাঠ কৰাৰ পিছত তেনে সমীক্ষাৰ যথা-যোগ্যতা সম্পৰ্কে আলোচনা কৰা হয়। এই অনুশীলনৰ দ্বাৰা লেখকসকলক নিজৰ নিজৰ ৰচনাৰ দোষ-ত্ৰুটী সম্পৰ্কে সজাগ হবলৈ প্ৰস্তুত কৰোৱা হয়।

(ঞ) ২৩ জুলাইৰ সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থী-সকলক প্ৰশিক্ষণ গ্ৰহণ কৰাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়।

প্ৰশিক্ষাৰ্থীসকলে মুকলিকৈ প্ৰকাশ কৰে যে পাঁচদিনৰ কৰ্মশালাত দৈনিক প্ৰায় ৮ ঘণ্টাকৈ প্ৰশিক্ষণৰ কামত আত্মনিয়োগ কৰি তেওঁলোকে শিশু সাহিত্যৰ স্তৰ, বিষয়, ভাষা, উপস্থাপন ৰীতি আৰু ৰচনা-কৌশল সম্পৰ্কে পদ্ধতিগতভাৱে আৰু বুজাৰ সুযোগ লাভ কৰিলে।

প্ৰতিগৰাকী বক্তাই পদ্ধতি-সম্পৰ্কে ব্যাখ্যা কৰাৰ উপৰিও গুৰুত্ব আৰোপ কৰিছিল—শিশু-চৰিত্ৰ, শিশু মন পৰ্যবেক্ষণৰ ওপৰত আৰু লেখকৰ নিজা সৃষ্টি ক্ষমতাৰ ওপৰত।

### উপসংহাৰ

সাহিত্য-শিল্প কৰ্মশালাৰ যোগে সৃষ্টি সম্ভৱ নহয়। সাহিত্য-সৃষ্টি নিৰ্ভৰ কৰে লেখকৰ নিজা সৃষ্টি-প্ৰতিভাৰ ওপৰত শিশু কৰ্মশালাই লেখকক সৃষ্টিৰ প্ৰয়োজনীয় আনুষংগিক বিষয়ৰ ধাৰণা স্পষ্ট কৰি দিব পাৰে আৰু অনুপ্ৰেৰণা যোগাব পাৰে। অসম সাহিত্য সভাৰদ্বাৰা আয়োজিত শিশু-সাহিত্য ৰচনাৰ কৰ্ম-শালায়ে এই দিশত এটি শুভ আৰম্ভণি কৰিলে। এই কৰ্মশালা আয়োজনৰ বাবে স্থান আৰু সুযোগ দান কৰি কৰ্মশালাৰ আঁচনি সফল কৰি তোলাৰ বাবে ডিগবৈ সাহিত্য-সেৱা সমিতি ধন্যবাদৰ পাত্ৰ।

নগেন শইকীয়া
২৩।৭।৭৯

# অসম সাহিত্য সভাৰ প্ৰকাশন

( বৰ্তমান মজুত থকা )

| | | | |
|---|---|---|---|
| ১। আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০'০০ | ৩২। ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | ৭'০০ |
| ২। চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০'০০ | ৩৩। আৰিষ্টটলৰ কাব্যজিজ্ঞাসা | ৬'০০ |
| ৩। দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী | ২৩'০০ | ৩৪। বেজবৰুৱাৰ চিত্ৰলেখা | ৬'০০ |
| ৪। কাশিৰাম মেধি ৰচনাৱলী | ২৫'০০ | ৩৫। টকষ্টয় | ৬'০০ |
| ৫। ভাষণাৱলী ৪ৰ্থ খণ্ড | ২০'০০ | ৩৬। তিস্তাৰ সৌৰৱণ | ৬'০০ |
| ৬। ষ্টাডিজ ইন দি বৈষ্ণৱ লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আচাম | ২০'০০ | ৩৭। অসমীয়া গ্ৰন্থপঞ্জী | ৬'০০ |
| | | ৩৮। পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬'০০ |
| ৭। অসম সাহিত্য সভাৰ ৰূপলেখা | ১৬'০০ | ৩৯। হিতেশ্বৰ বৰবৰুৱাৰ স্মৃতিমাল্য | ৬'০০ |
| ৮। মণ্ডলদৈ মণ্ডলদৈ | ১৫'০০ | ৪০। অসম সাহিত্য সভাৰ সুৰচনী | ৬'০০ |
| ৯। গোৱালপৰীয়া লোকগীত | ১৫'০০ | ৪১। অসম সাহিত্য সভাৰ ইতিবৃত্ত | ৬'০০ |
| ১০। কামৰূপী লোকগীত | ১৫'০০ | ৪২। সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫'৫০ |
| ১১। প্ৰবন্ধ সঞ্চয়ন | ১৫'০০ | ৪৩। জগন্নাথ বৰুৱা | ৫'০০ |
| ১২। নলিনীবালা দেৱী | ১৫'০০ | ৪৪। তিৱা সম্প্ৰদায় | ৫'০০ |
| ১৩। কালিৰাম মেধি স্মৃতিমাল্য | ১২'০০ | ৪৫। এনেলচ্ অৱ আচাম সাহিত্য সভা | ৫'০০ |
| ১৪। ৰজনীকান্ত বৰদলৈ ৰচনামালা | ১২'০০ | ৪৬। স্নেহৰ অৰুণাচল | ৫'০০ |
| ১৫। আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২'০০ | ৪৭। শতাব্দীৰ অৰ্ঘ্য | ৫'০০ |
| ১৬। অসমীয়া লোকগীতি সংগ্ৰহ | ১২'০০ | ৪৮। চিকিৎসা বিজ্ঞানৰ ইতিহাস | ৫'০০ |
| ১৭। আনন্দৰাম ঢেকিয়াল ফুকন : প্লি ফৰ আচাম এণ্ড আচামীজ | ১২'০০ | ৪৯। চেমুৱেল জনচনৰ জীৱনী | ৫'০০ |
| | | ৫০। চুটি গল্প | ৫'০০ |
| ১৮। নাগালেণ্ড | ১০'০০ | ৫১। গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫'০০ |
| ১৯। অসমীয়া গল্পগুচ্ছ | ১০'০০ | ৫২। অধ্যয়ন চক্ৰ | ৫'০০ |
| ২০। বেজবৰুৱাৰ প্ৰবন্ধ-বাছনি | ১০'০০ | ৫৩। সোণোৱালৰ সাধু | ৫'০০ |
| ২১। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০'০০ | ৫৪। দেউৰী চুতীয়া | ৪'০০ |
| ২২। টিহু লখিমী | ১০'০০ | ৫৫। কাৰ্বি জনগোষ্ঠী | ৪'০০ |
| ২৩। লংকাকাণ্ড ৰামায়ণ | ১০'০০ | ৫৬। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪'০০ |
| ২৪। ডেভলেপমেন্ট অৱ স্ক্ৰিপ্ট ইন এনচিয়েন্ট কামৰূপ | ১০'০০ | ৫৭। ডিমাছা | ৪'০০ |
| ২৫। বেজবৰুৱাৰ দিনলেখা (২য় খণ্ড) | ১০'০০ | ৫৮। আউটলুক অন নেফা | ৪'০০ |
| ২৬। তৰুণৰাম ফুকন স্মৃতিমাল্য | ১০'০০ | ৫৯। অসম সাহিত্য সভা বাৰ্ষিকী, বৰ্ডিয়া | ৪'০০ |
| ২৭। হেম বৰুৱা | ১০'০০ | ৬০। চুক্তি আৰু চুক্তিবাদ | ৪'০০ |
| ২৮। চেক্সপীয়েৰ | ১০'০০ | ৬১। ধ্বনি আৰু ৰসতত্ত্ব | ৪'০০ |
| ২৯। অৰুনোদইৰ ধলফাট | ৮'০০ | ৬২। ৰাভা সাধু | ৪'০০ |
| ৩০। ৰাভা জনজাতি | ৭'০০ | ৬৩। শিঙ্ঘমীয়া সাধু | ৪'০০ |
| ৩১। অসমীয়া প্ৰাচীন লিপি | ৭'০০ | ৬৪। বড়ো সাধু | ৪'০০ |

| | | |
|---|---|---|
| ৬৫। | বাস্তৱিৰ বিভূতি | ৪·০০ |
| ৬৬। | অসমৰ বনৌষধ | ৪·০০ |
| ৬৭। | নিবেদন | ৪·০০ |
| ৬৮। | প্ৰাথমিক অসমীয়া সাহিত্য চয়ন | ৪·০০ |
| ৬৯। | অসমীয়া সংস্কৃতিৰ ঐতিহ্য | ৩·৫০ |
| ৭০। | ৰাসায়নিক আৱিষ্কাৰ আৰু আমি | ৩·৫০ |
| ৭১। | অসমৰ খনিজ সম্পদ | ৩·৫০ |
| ৭২। | মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন | ৩·৫০ |
| ৭৩। | ৰতিম কপৰানৰ সাধু | ৩·৫০ |
| ৭৪। | জীৱনী | ৩·০০ |
| ৭৫। | ৰিলিজিয়ন অৱ লভ এণ্ড ডিভ'চন | ৩·০০ |
| ৭৬। | মুদ্ৰাৰাক্ষস | ৩·০০ |
| ৭৭। | কৰ্পূৰমঞ্জৰী | ৩·০০ |
| ৭৮। | অসম সাহিত্য সভা বাৰ্ষিকী : বৰপেটা | ৩·০০ |
| ৭৯। | ,, ,, ,, ,, : ধিং | ৩·০০ |
| ৮০। | ,, ,, ,, ,, : মাকুম | ৩·০০ |
| ৮১। | ,, ,, ,, ,, : ধুবুৰী | ৩·০০ |
| ৮২। | লিপি সমস্যা | ৩·০০ |
| ৮৩। | টাই ভাষা | ৩·০০ |
| ৮৪। | প্লেট' | ৩·০০ |
| ৮৫। | নাটক | ৩·০০ |
| ৮৬। | আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী | ৩·০০ |
| ৮৭। | বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩·০০ |
| ৮৮। | জকণৰাম ফুকন | ৩·০০ |
| ৮৯। | চাহৰ কথা | ৩·০০ |
| ৯০। | কাৰ্বি সাধু | ৩·০০ |
| ৯১। | কামেং সীমান্তৰ সাধু | ৩·০০ |
| ৯২। | নেফাৰ সাধু | ৩·০০ |
| ৯৩। | অভিলেখ | ৩·০০ |
| ৯৪। | কিম্বদন্তীৰ সাধু | ৩·০০ |
| ৯৫। | চাহ বনুৱাৰ মাজত প্ৰচলিত সাধু | ২·৫০ |
| ৯৬। | নৃতত্ত্বৰ চমু আভাস | ২·৫০ |
| ৯৭। | মিচিং সাধু | ২·৫০ |
| ৯৮। | শাখাসভাৰ পৰিচয় | ২·৫০ |
| ৯৯। | সাগৰৰ কথা | ২·৫০ |
| ১০০। | বৌদ্ধ জাতকৰ সাধু | ২·০০ |
| ১০১। | অসমৰ জনজাতি | ২·০০ |
| ১০২। | আচাৰ্য্যৰ ক্ষৰ অগ | ২·০০ |
| ১০৩। | আগ্ৰেকি অসমীয়া | ২·০০ |
| ১০৪। | আন্টাৰগাৰী অসমীয়াকো স্কিয়ানি | ২·০০ |
| ১০৫ | অসমীয়া না বড়ো ভানে অসমীয়া | ২·০০ |
| ১০৬। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা | ২·০০ |
| ১০৭। | নীলাচল পাঠ | ২·০০ |
| ১০৮। | কৰমপূজা আৰু ঝুমুৰ গীত | ২·০০ |
| ১০৯। | সভাপতিৰ অভিভাষণ : ড° নেওগ | ২·০০ |
| ১১০। | মপিন উত্তৰ | ২·০০ |
| ১১১। | দিগ্বীজয়ী | ২·০০ |
| ১১২। | আমাৰ লক্ষ্মীনাথ | ১·৫০ |
| ১১৩। | অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা | ১·৫০ |
| ১১৪। | অসমীয়া ভাষা | ১·০০ |
| ১১৫। | অসম সাহিত্য সভা পৰিচিতি | ১·০০ |
| ১১৬। | প্ৰমথনাথ চক্ৰৱৰ্তী | ১·০০ |
| ১১৭। | বিশ্বনাথ ৰাজবংশী | ১·০০ |
| ১১৮। | বিষ্ণুপ্ৰিয়া মণিপুৰী | ১·৫০ |
| ১১৯। | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০·৫০ |
| ১২০ | লক্ষ্মীনাথ বেজবৰুৱা | ০·৫০ |
| ১২১। | বেজবৰুৱাৰ বাণী | ০·৫০ |

**প্ৰাপ্তি স্থান :**

(ক) কেন্দ্ৰীয় কাৰ্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১, ফোন ৩-৭৬

(খ) গুৱাহাটী কাৰ্যালয়
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১, ফোন—২৪৭৭৬